
# কৰনি

তৃতীয় বছৰ,  দ্বিতীয় সংখ্যা, এপ্রিল ২০২৪



# শ্ৰদ্ধাঞ্জলি



## দেৱলক্ষ্মী পণ্ডিত

প্ৰয়াত বিমল কুমাৰ পণ্ডিত আৰু নিৰুপমা পণ্ডিতৰ কনিষ্ঠ সন্তান দেৱলক্ষ্মী পণ্ডিতৰ জন্ম ইং ১৯৬৩ চনত যোৰহাটত।

গুৱাহাটীৰ তাৰিণী চৰণ উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰি দেৱলক্ষ্মীয়ে সন্দিকৈ মহাবিদ্যালয়ত নামভৰ্তি কৰে আৰু তাৰ পৰাই স্নাতক ডিগ্ৰী লাভ কৰি তেওঁ অমৰাৱতীৰ পৰা Physical Education-ৰ পাঠ্যক্ৰম ডিষ্টিংশ্যন সহ সুখ্যাতিৰে উত্তীৰ্ণ হৈ আহি অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ত যোগদান কৰে।

পৰৱৰ্তী সময়ত সোণাপুৰ চৰকাৰী হাইস্কুলত সেৱা আগবঢ়াই তাৰ পাছত গুৱাহাটীৰ বেঙ্গলী হাইস্কুললৈ আহে আৰু পাছত তিনিচুকীয়ালৈ বদলি হয়। তিনিচুকীয়াৰ পৰা তেওঁ গুৱাহাটীৰ টি চি স্কুললৈ বদলি হয়।

ইয়াৰ মাজতে Arm & Wrestling-ৰ প্ৰশিক্ষণ গ্ৰহণ কৰি দেৱলক্ষ্মীয়ে World Championship-ত তিনিবাৰ ভাৰতক প্ৰতিনিধিত্ব কৰিছিল।

তিনিচুকীয়াৰ পৰা বদলি হৈ কিছুদিন হাতীগাঁও হাইস্কুলত সেৱা আগবঢ়োৱাৰ পাছত তেওঁ পুনৰ টিচি স্কুললৈ আহে। সুদীৰ্ঘ দিন এই বিদ্যালয়তে কৰ্মৰত হৈ থাকি শেষত স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে।

দেৱলক্ষ্মীৰ ৰাজ্যিক পৰ্য্যায়ৰ লগতে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বহু খেলত যোগদান কৰাৰ সৌভাগ্য ঘটিছিল। সদা শাৰীৰিক ব্যায়াম অনুশীলনীৰ প্ৰতি আগ্ৰহী দেৱলক্ষ্মীয়ে স্কুলীয়া দিনত ৰসেশ্বৰ শইকীয়া বৰবায়নৰ অধীনত সত্ৰীয়া নৃত্যৰো প্ৰশিক্ষণ লৈছিল আৰু দলীয়ভাৱে বিভিন্ন স্থানত বিভিন্ন মঞ্চত সত্ৰীয়া নৃত্য পৰিৱেশন কৰিছিল।

দেৱলক্ষ্মীয়ে বন্ধু-বান্ধৱীৰ লগত থাকি ভাল পাইছিল। দৰিদ্ৰ পৰিয়ালৰ দুজনী ছোৱালীক আৰ্থিক সাহায্য আগবঢ়োৱাৰ উপৰিও প্ৰতিষ্ঠিত খেলুৱৈ কৰি তুলিছিল যদিও এই কথা জনাজাত কৰিব বিচৰা নাছিল। এইদৰে নীৰৱে নিজে নিজে কিছুমান কাম কৰি সুখ পাইছিল।

তেওঁ ভ্ৰমণ-প্ৰিয় আছিল। চিকিৎসালয়ৰ বিছনাত থাকিও পৰিকল্পনা কৰিছিল সুস্থ সবল হৈ ক'ত কেনি ফুৰিবলৈ যাব।

সদা হাস্যময়ী আৰু নিয়ম অনুশাসন মানি চলা সুস্বাস্থ্যৰ গৰাকী দেৱলক্ষ্মী পণ্ডিত অসুস্থ হৈ শয্যাশায়ী হ'বলগীয়া হয় আৰু ২০২১ চনৰ ৫ জুলাইত গুৱাহাটীৰ এপল' হস্পিতালত মৃত্যুক সাবটি লয়।

তেওঁৰ পৰলোকগত আত্মাৰ চিৰ শান্তি কামনা কৰি আস্থা **[(AASTHA)** Alumni Association for Social Transformation and Harmony]-ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ।

সম্পাদনা সমিতি

কৰণি

# করণি

তৃতীয় বছৰ, দ্বিতীয় সংখ্যা, এপ্ৰিল ২০২৪

**সম্পাদনা সমিতি ঃ**

উপদেষ্টা
ডাঃ বিৰাজজ্যোতি গোস্বামী
পল্লব ভট্টাচাৰ্য্য

সম্পাদক
পূৰ্ণেন্দু শৰ্মা

সদস্য
মদন চন্দ্ৰ ডেকা, তপোধন দাস,
ড° পবন কুমাৰ চহৰীয়া, ৰঞ্জনা দত্ত,
ব্ৰজ মোহন চৌধুৰী, কৃষ্ণা শৰ্মা

পদেন সদস্য
জয়ন্ত চৌধুৰী, সভাপতি, আস্থা
ৰাতুল বৰুৱা, সম্পাদক, আস্থা
ড° শান্তনু কুমাৰ বৈশ্য, প্ৰতিষ্ঠাপক সভাপতি, আস্থা
কৰ্ণেল ডাঃ লুটফুৰ ৰহমান, প্ৰতিষ্ঠাপক সম্পাদক, আস্থা

প্ৰকাশক ঃ
Alumni Association for Social Transformation and Harmony, Assam; Cottonion PU **(AASTHA)**

পঞ্জীয়ন নং ঃ RS/KAM(M)/263/5/29

মূল্য ঃ ৩০.০০ টকা

বেটুপাত ঃ ইফতিছাম নাছৰিন
স্কেচ্চ ঃ ইণ্টাৰনেট

মুদ্ৰণ ঃ
শ্ৰীগণেশ প্ৰিণ্টাৰ্ছ, নুনমাটি, গুৱাহাটী-২০
ফোন ঃ ৯৭০৭০১০৮৮৯, ৯১০১১৬৪৪৬১

## এই সংখ্যাত

*প্ৰবন্ধ*

- আধুনিক বিজ্ঞান ঈশ্বৰ অবিশ্বাসৰ কাৰণ হ'ব পাৰেনে?/৫
  ড° কৰুণা মোহন শৰ্মা
- ভাৰতীয় ন্যায় ব্যৱস্থা-তিনি নতুন বিধেয়কৰ প্ৰভাৱ/৯
  পল্লব ভট্টাচাৰ্য্য
- বহুমুত্ৰৰোগ (মধুমেহ) - অন্ধতাৰ কৰাল গ্ৰাসৰ এটি পথ/৩৫
  ডাঃ বিৰাজ জ্যোতি গোস্বামী
- অসমৰ বিহুনৃত্য - ৰংঘৰৰ বাকৰিৰ পৰা বিহুমঞ্চলৈ /৪১
  কৃষ্ণা শৰ্মা



*সাহিত্য-সমালোচনা*

- শইচৰ পথাৰ মানুহৰ কবিজন .../১৬
  ড° মঞ্জু দেৱী পেগু



*জীৱন আৰু কৃতি*

- বড়ো জননেতা ৰূপনাথ ব্ৰহ্ম /২৪
  ডাঃ জগদীশ বসুমতাৰী
- এগৰাকী সাধাৰণ মহিলাৰ অসাধাৰণ কৃতিত্ব /৪৫
  জোনা মহন্ত

*জীৱন- বীক্ষা*


- জীৱনটো উদ্‌যাপন কৰো আহক/৩১
  বিপুল দেউৰী

*অভিজ্ঞতা*

- ফেদু /৪৯
  ড° বিনোদ খাদৰিয়া

*বীক্ষণ*

- বাস্তৱৰ দস্তাবেজ নে এপিটাফ .../৫৩
  মদন চন্দ্ৰ ডেকা




*কবিতা*

- বুলবুলি/৫৬
  হৰেকৃষ্ণ ডেকা
- অন্তৰঙ্গ অপৰূপ অন্তৰীপ/৫৬
  ৰত্ন কান্ত শৰ্মা
- দুটি কবিতা/৫৭
  তপোধন দাস
- হাঁহি এটাৰ বাবেই/৫৮
  ডাঃ অগস্ত্য বৰুৱা
- হেমন্তৰ এটি আবেলি/৫৯
  ড° সোণালী বুঢ়াগোহাঁই
- নৈ হে মেৰাই আছোঁ তোমাক/৬০
  ড° ভাস্কৰজ্যোতি গগৈ
- অহৈতুক /৬০
  ডাঃ কঙ্কণ শৰ্মা
- ঠিকনাবিহীন /৬১
  বিপুল কলিতা
- নৈখন /৬২
  কস্তুৰী নিভা গগৈ
- কঠিন সময় /৬২
  ৰুমিমা দাস

*অনুবাদ কবিতা*

- কেদাৰ নাথ সিঙৰ কবিতা/৬৩
  সুৰেন তালুকদাৰ
- জালালুদ্দিন ৰুমীৰ তিনিটা কবিতা/৬৪
  বিনয় মোহন শইকীয়া

*গল্প*



- বহুগামিনী/৬৫
  শৰৎ বৰকাকতি
- বিমোহিত/৬৮
  বিপুল খাটনিয়াৰ
- কিজানি মই পুনৰ জী উঠোঁ/৭১
  অমল কৃষ্ণ ভৰালী
- এটা অকথিত কাহিনীৰ অৰ্বাচীন নায়িকা/৭৮
  ৰাতুল বৰুৱা

*অনুবাদ গল্প*

- কুলদীপ নায়াৰ আৰু পীৰ চাহেব/৮৩
  ৰঞ্জনা দত্ত

*অণু গল্প*

- ৰাহুমুক্তি/৮৭
  মীনাক্ষী ৰায় ডাকুৱা

*কাহিনী*

- প্ৰত্যাৱৰ্তন /৮৮
  মূল ঃ কেণ্ডেছ টাৰ্টল
  অনুবাদ ঃ ননী চহৰীয়া বৰা



*ৰম্য ৰচনা*

- অথঃ বিবাহ সংবাদ /৯৩
  ডাঃ শুভ্ৰ কিংকৰ গোস্বামী

# সম্পাদকীয়

## চন্দ্ৰযান-৩

বিফলতাকে মূলধন হিচাপে লৈ প্ৰত্যাশা অনুসৰিয়েই চন্দ্ৰৰ দক্ষিণ মেৰু জয় কৰি মহাকাশত নতুন ইতিহাস ৰচিবলৈ সক্ষম হ'ল ভাৰত। জোনবাইৰ দক্ষিণ মেৰুৰ কাষত ৭০ ডিগ্ৰী দক্ষিণ গোলাৰ্ধত অবিস্মৰণীয় সফলতাৰে উৰিল চল্লিশ দিনীয়া যাত্ৰাৰ ৩.৮৪ লাখ কিলোমিটাৰ জটিল পৰিক্ৰমা অতিক্ৰম কৰাৰ অন্তত ত্ৰিৰংগা। ২০১৯ চনত চন্দ্ৰযান-২ ৰ ব্যৰ্থতাৰ পিছত চাৰিটা বছৰ বিজ্ঞানীসকলৰ নিৰলস কষ্ট, সাধনা আৰু প্ৰচেষ্টাৰ পাছত চন্দ্ৰযান-৩ অভিযানে আনিছিল বিশেষ আকৰ্ষণ– সমগ্ৰ বিশ্ববাসীৰ বাবে। এই সফলতাই আমাক সকলোকে এই শিক্ষাকেই দিলে যে ব্যৰ্থতাই কেতিয়াও পশ্চাদগামী মনোভাবৰ জন্ম নিদিয়ে, বৰঞ্চ ই অগ্ৰগামী হোৱাৰ পথহে প্ৰশস্ত কৰে আৰু আত্মশুদ্ধিৰ জৰিয়তে পুনৰ উদ্যম জগাই নতুন পৰিৱেশৰ লগত খাপ খুওৱাৰ সামৰ্থ্য আনি দিয়ে। এক অনাৱিষ্কৃত অসূৰ্য্যস্পৰ্শা অঞ্চল য'ত তাপমাত্ৰা হিমাংকতকৈও কম আৰু বহুতো গিৰিপদ, বৃহৎ আকাৰৰ গাঁতেৰে ভৰা-- চন্দ্ৰৰ দক্ষিণ মেৰুত গৱেষণা চলাবলৈ সক্ষম কৰিলে-- এক ব্যৰ্থতাই। সফলতা লাভ কৰিবলৈ বিফলতাৰ মাজেৰে যোৱাৰ বাহিৰে আন কোনো চুটি পথ নাই। বিফলতাই যি শিক্ষা দিয়ে সিয়েই উত্তম শিক্ষা যিটো আন কোনোৱেই দিব নোৱাৰে। সেয়েহে ব্যৰ্থতাক মানৱ জীৱনৰ উত্তৰণৰ পথত এক গুৰুত্বপূৰ্ণ অংশ হিচাপে বিবেচনা কৰি অহা হৈছে।

১৯৬২ চনত ভাৰত চৰকাৰৰ দ্বাৰা গঠিত হৈছিল এখন মহাকাশ গৱেষণা সমিতি (Indian National Committee for Space Research)- যিখন সমিতিত আছিল ড° বিক্ৰম ছাৰাভাইৰ লগতে ভালে সংখ্যক সেই সময়ৰ ভাৰতৰ প্ৰসিদ্ধ মহাকাশ বিজ্ঞানী। ১৯৬৯ চনৰ ১৫ আগষ্টত সেইখন সমিতিয়েই নতুন নামকৰণেৰে 'ভাৰতীয় মহাকাশ গৱেষণা সংস্থা' অৰ্থাৎ ইছৰ' (ISRO) ৰূপে পৰিচিত হয় আৰু ১৯৭২ চনৰ ছেপ্টেম্বৰ মাহত এই সংস্থাটোক ভাৰত চৰকাৰৰ 'মহাকাশ গৱেষণা বিভাগ' (Department of Space Research) ৰ অধীনলৈ অনা হয়। এইদৰেই ভাৰতবৰ্ষত আৰম্ভ হয় মহাকাশ বিজ্ঞানৰ জয়যাত্ৰা।

চন্দ্ৰযানৰ এই সফল অভিযানে চন্দ্ৰৰ গৱেষণাত নতুন গতি দি ভাৰতবৰ্ষক গৌৰৱান্বিত কৰি কেৱল বৈজ্ঞানিক দিশতে নহয় আন কিছু দিশতো প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব। এই সাফল্যই মহাকাশ অৰ্থনীতিত দেশক এক সুকীয়া স্থান লাভ কৰাবলৈ সক্ষম কৰাব। দেশীয় অৰ্থনীতিত ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব। ব্যৱসায়িক ক্ষেত্ৰখনৰ লগতে মহাকাশ উদ্যোগত দেশ বহু পৰিমাণে লাভৱান হ'ব। বহু মিলিয়ন মাৰ্কিন ডলাৰৰ উদ্যোগলৈ ৰূপান্তৰিত হোৱাৰ পথত আগবাঢ়িব। ২০২০ চনত ভাৰতৰ মহাকাশ অৰ্থনীতি আছিল ৯.৬ বিলিয়ন মাৰ্কিন ডলাৰ (USD) আৰু বিশ্ব মহাকাশ অৰ্থনীতিত অৱদান আছিল ২%-৩%। চন্দ্ৰযান-৩ অভিযানৰ সফলতাই অতি সোনকালেই এই অৰ্থনীতি ২০২৫ চনৰ ভিতৰত ১৩ বিলিয়ন মাৰ্কিন ডলাৰ বা ততোধিক ডলাৰলৈ উৰ্ধগামী কৰিব বুলি ধাৰণা কৰা হৈছে। মহাকাশ প্ৰযুক্তি খণ্ডত ব্যক্তিগত প্ৰতিষ্ঠানৰ বিনিয়োগক উৎসাহিত কৰি বাণিজ্যিক পথসমূহ মুকলি কৰাৰ সম্ভাৱনাই দেখা দিব।

দক্ষতাসম্পন্ন প্ৰযুক্তিবিদসকলক বিজ্ঞানসন্মতভাৱে থলুৱা প্ৰযুক্তিৰ বাবে অধিক পৰিমাণে

আকৃষ্ট কৰোৱাৰ লক্ষ্যৰে জন্ম দিয়া 'ষ্টাৰ্ট আপ ইণ্ডিয়া'(Start up India) ৰ কাৰ্য্যসূচীক এই অভিযানৰ সফলতাই যথেষ্ট অনুপ্ৰাণিত কৰিব। দেশৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনৰ উন্নতি অধিক ত্বৰাণ্বিত কৰাৰ ক্ষেত্ৰত থলুৱা প্ৰযুক্তি প্ৰয়োগৰ গুৰুত্ব অনস্বীকাৰ্য্য। সম্পূৰ্ণ থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি চন্দ্ৰযান-৩ অভিযান সফল কৰাটো এটা গুৰুত্বপূৰ্ণ দিশ যাৰ ফলত বিজ্ঞান আৰু প্ৰযুক্তিগত বৃত্তি সমূহৰ লগতে ভাৰতীয় মহাকাশ খণ্ডত অধিক লোক বিভিন্ন ধৰণৰ নিয়োগত পৰ্য্যাপ্ত সুযোগ আৰু সুবিধা ওলাব।


চন্দ্ৰযান-৩ অভিযানৰ সাফল্যত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ মহিলা বিজ্ঞানী সকলৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য- যিটোৱে বিজ্ঞান মানসিকতা আৰু সাধনাৰ প্ৰতি মহিলা সকলক অধিক অনুপ্ৰেৰণা যোগাব। এইটো জানিব পৰা গৈছে যে এই অভিযানত জড়িত হৈ আছিল সহস্ৰাধিক বিজ্ঞানী, অভিযন্তা আৰু কৰ্মচাৰী যাৰ ভিতৰত শতাধিক মহিলা বিজ্ঞানী আৰু অভিযন্তাৰ অৱদান উল্লেখযোগ্য। এই গোটেই প্ৰকল্পটোত অসমৰো বিজ্ঞানী জড়িত হৈ থকাটো অসমবাসীৰ কাৰণে অতি গৌৰৱৰ কথা। উৎক্ষেপণৰ সময়ৰ পৰা অৱতৰণৰ মুহূৰ্তলৈকে চন্দ্ৰযান-৩ অভিযানৰ নিয়ন্ত্ৰণ কক্ষত বহুতো মহিলা বিজ্ঞানীৰ ভূমিকা সঁচাকৈয়ে মন কৰিবলগীয়া।

চন্দ্ৰ অভিযানৰ গৱেষণা, সকলো কৰ্মকৰ্তাৰ নিৰৱচ্ছিন্ন সাধনা আৰু শেষত চৰম সাফল্যৰ বিষয়ে গোটেই প্ৰচেষ্টাক NCERT (National Council of Educational Research and Training) -ৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰাৰ সিদ্ধান্তই আমাৰ ভৱিষ্যৎ প্ৰজন্মক উৎসাহী তথা আত্মবিশ্বাসী হৈ বৈজ্ঞানিক মনোবৃত্তিৰ এটি ধনাত্মক দিশত আগুৱাই যাবলৈ বাট দেখুৱাব।

চন্দ্ৰৰ দক্ষিণ মেৰুত চন্দ্ৰযান-৩ অৱতৰণ কৰা ২৩ আগষ্টৰ দিনটো আমাৰ দেশত 'ৰাষ্ট্ৰীয় মহাকাশ দিৱস' হিচাপে পালন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ভৱিষ্যতে ভাৰতীয় মহাকাশচাৰী জোনবাইৰ দেশলৈ পঠোৱাৰ বাবে গ্ৰহণ কৰা আঁচনিৰ লগতে মহাকাশত এক সুকীয়া স্থান দখল কৰি মানৱ জাতিৰ কল্যাণৰ বাবে কৰা বিজ্ঞানৰ এই জয়যাত্ৰা অব্যাহত থাকক।

পূৰ্ণেন্দু শৰ্মা

প্ৰবন্ধ



বিংশ শতাব্দীৰ পাশ্চাত্য চিন্তাধাৰাৰ ক্ষেত্ৰত যি বৈশিষ্ট্যই বিজ্ঞানৰ জয়যাত্ৰা আৰু ধৰ্মৰ পশ্চাদপসৰণৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিছে সেয়া হ'ল এই যে, যদিও বিজ্ঞানে সুনিৰ্দিষ্ট ভাৱে ধৰ্মৰ দাবীক মিছা বুলি প্ৰমাণ কৰা নাই, বিশ্বজগত সম্পৰ্কে বিজ্ঞানে এনেকুৱা বহু তথ্য উপস্থাপিত কৰিছে যি ধৰ্ম বিশ্বাস বৰ্তমানে একোটা ব্যক্তিগত ধৰ্ম বিশ্বাসত পৰিণত হৈছে — যি মুঠেও ক্ষতিকৰ নহয়। অধৰ্মৰ উত্থানত এনেহেন ধৰ্মই যেন পৰাজয় বৰণ কৰি মানুহৰ ৰাজ্যৰ পৰা ক্ৰমশঃ দূৰৈত পৰি ৰৈছে। দাৰ্শনিক জ'ন হিকৰ মন্তব্য উদ্ধৃত কৰিবলৈ গ'লে ক'ব লাগিব যে ধৰ্মই যেন জ্যোতিষ শাস্ত্ৰৰ সমজাতীয় মৰ্য্যাদা লাভ কৰিছে। জ্যোতিষ শাস্ত্ৰ প্ৰাচীন কালৰপৰা চলি আহিছে, অথচ সেই সম্পৰ্কে আমাৰ অভিজ্ঞতামূলক জ্ঞানৰ বিস্তৃতি একেবাৰেই কম।

# আধুনিক বিজ্ঞান ঈশ্বৰ অবিশ্বাসৰ কাৰণ হ'ব পাৰেনে?

ড° কৰুণা মোহন শৰ্মা

সাম্প্ৰতিক কালত বৈজ্ঞানিক জ্ঞানৰ ব্যাপক প্ৰসাৰে ধৰ্মীয় বিশ্বাসৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। ইহুদী-খ্ৰীষ্টানধৰ্মৰ ক্ষেত্ৰত এই প্ৰভাৱ খুবেই বেছি। বিজ্ঞানৰ দাবী আৰু ধৰ্মীয় জ্ঞান— এই দুটা বিষয়ক কেন্দ্ৰ কৰি সৃষ্টি হৈছে বিতৰ্ক আৰু ইয়াৰ ফলত সমসাময়িক বুদ্ধিজীৱী মহল ধৰ্মৰ সমালোচনাত মুখৰ হৈ উঠিছে।

নৱজাগৰণৰ পিছৰপৰাই বিশ্বজগত সম্পৰ্কে বৈজ্ঞানিক জ্ঞানৰ অগ্ৰগতি হৈছে। জ্যোতিৰ্বিজ্ঞান, ভূ-বিজ্ঞান, প্ৰাণী বিজ্ঞান, ৰসায়ন শাস্ত্ৰ আৰু পদাৰ্থ বিদ্যাৰ ক্ষেত্ৰত বৈজ্ঞানিক জ্ঞানৰ বিস্তৃতি সঁচাকৈয়ে বিস্ময়কৰ। এইবোৰ শাস্ত্ৰৰ বিভিন্ন বিষয় সম্পৰ্কত বাইবেলৰ অভিমতবোৰক ক্ৰমশঃ বাতিল কৰা হৈছে, কিয়নো পৰ্য্যবেক্ষণ আৰু পৰীক্ষণৰ মাজেদি লাভ কৰা সিদ্ধান্তবোৰৰ সৈতে বাইবেলৰ বক্তব্যৰ বিৰোধিতা লক্ষ্য কৰা হৈছে।

বিজ্ঞান আৰু ধৰ্ম বিশ্বাসী লোক এই দুয়োজনৰে মাজত যেতিয়াই কোনো বিতৰ্কৰ উদ্ভৱ হৈছে তেতিয়া ব্যৱহাৰিক কাৰ্য্যকাৰিতাৰ কথা বিচাৰ কৰি বৈজ্ঞানিক পদ্ধতিৰ প্ৰতিয়েই সমৰ্থন জনোৱা হৈছে। যিবোৰ ধৰ্মীয় বিশ্বাসৰ সৈতে বৈজ্ঞানিক আৱিষ্কাৰৰ বিৰোধ পৰিলক্ষিত হৈছে সেই সকলো ক্ষেত্ৰতে ধৰ্মীয় বিশ্বাসৰ ক্ষেত্ৰত প্ৰয়োজনীয় সামঞ্জস্যৰ উপায় সাধিত হৈছে। বিজ্ঞানৰ সৈতে ধৰ্মৰ এই দীৰ্ঘকালীন বাদানুবাদৰ ক্ষেত্ৰত যিটো বিষয় পৰিলক্ষিত হৈছে সেয়া হ'ল খ্ৰীষ্টান ধৰ্ম গ্ৰন্থৰ লেখক সকলে মানৱ ইতিহাসত ঈশ্বৰৰ ক্ৰিয়াকলাপ সম্পৰ্কীয় অভিজ্ঞতা লিপিবদ্ধ কৰাৰ ক্ষেত্ৰত জগতৰ জ্ঞান সম্পৰ্কে যিবোৰ সাক্ষ্য প্ৰমাণ ডাঙি ধৰিছে সেয়া মুঠেও বৈজ্ঞানিক জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত নাছিল; সেইবোৰ আছিল তেওঁলোকৰ তৎকালীন অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। মানুহৰ ক্ৰমবৰ্ধমান জ্ঞানে স্পষ্ট ভাৱেই বুজি লব পাৰিছে যে খ্ৰীষ্টান ধৰ্ম গ্ৰন্থৰ লেখক সকলে তেওঁলোকৰ ঈশ্বৰ সম্পৰ্কীয় অভিজ্ঞতাৰ বিৱৰণ লিপিবদ্ধ কৰাৰ ক্ষেত্ৰত জগত সম্পৰ্কীয় প্ৰাচীন চিন্তাধাৰাৰ ওপৰতেই বিশেষভাৱে নিৰ্ভৰ কৰে।

গতিকে আধুনিক পাঠকৰ ওচৰত আধুনিক জ্ঞানৰ আলোকত বাইবেলত বৰ্ণিত বিশ্বজগত সম্পৰ্কীয় বহু ঘটনাই বিশ্বাসযোগ্য বুলি মনে নধৰে। সৃষ্টিবাদ এতিয়া আৰু আধুনিক পাঠকৰ ওচৰত গ্ৰহণযোগ্য মতবাদ হৈ থকা নাই। ৬০০০ বছৰ পূৰ্বে বিশ্বজগতৰ সৃষ্টি হৈছিল আৰু মানুহ তথা অন্যান্য জীৱ-জন্তুৱে সিহঁতৰ বৰ্তমানৰ আকাৰ-আকৃতি লৈয়ে তেতিয়াই আৰ্বিভাৱ হৈছিল— এই মতবাদ এতিয়া আৰু বিচাৰবুদ্ধি সন্মত বুলি গ্ৰহণ কৰা নাযায়। ইয়াৰ উপৰি খ্ৰীষ্টান ধৰ্মৰ বিশ্বাস অনুযায়ী শেষ বিচাৰৰ দিনা মৃত মানুহে কবৰৰ পৰা উঠি অহাৰ ঘটনাকো বুদ্ধিগ্ৰাহ্য বুলি মানি ল'ব নোৱাৰি। কিন্তু যেতিয়াই বৈজ্ঞানিক সাক্ষ্য প্ৰমাণৰ সৈতে খ্ৰীষ্টান ধৰ্মপ্ৰাণ ব্যক্তি সকলৰ ধৰ্মীয় বিশ্বাসৰ বিৰোধিতাই দেখা দিলে তেতিয়াই পাদ্ৰী সমাজে ইয়াৰ বিৰুদ্ধে প্ৰবল বিক্ষোভ প্ৰদৰ্শন কৰিছিল। এই বিক্ষোভ পুৰণি মনোভাবাপন্ন মানুহৰ নতুন অভিমত বা মতবাদক মানি নোলোৱাৰ ক্ষেত্ৰত যি স্বাভাৱিক প্ৰতিক্ৰিয়া তাত বাদে আন একোৱেই নহয়। কিন্তু এই প্ৰতিক্ৰিয়াই এটা বিশেষ দিশৰ পৰা সমৰ্থন লাভ কৰিছে— সেয়া হ'ল প্ৰত্যাদেশৰ বিবৃতিমূল ধাৰণা (Propositional conception of revelation), এই ধাৰণা অনুযায়ী ধৰ্মগ্ৰন্থৰ সকলো বিবৃতিয়েই হ'ল ঈশ্বৰৰ বিবৃতি। গতিকে এই সকলো বিবৃতিৰ সত্যতা সম্পৰ্কে কোনো প্ৰশ্ন উত্থাপন কৰাৰ অৰ্থ হ'ল ঈশ্বৰক মিছা অভিযোগেৰে অভিযুক্ত কৰা, অথবা খ্ৰীষ্টান সকলৰ ধৰ্মগ্ৰন্থ বাইবেল যে ঈশ্বৰৰ প্ৰভাৱেৰে অনুপ্ৰাণিত এই বিষয়টো অস্বীকাৰ কৰা।

বিংশ শতাব্দীৰ পাশ্চাত্য চিন্তাধাৰাৰ ক্ষেত্ৰত যি বৈশিষ্ট্যই বিজ্ঞানৰ জয়যাত্ৰা আৰু ধৰ্মৰ পশ্চাদপসৰণৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিছে সেয়া হ'ল এই যে, যদিও বিজ্ঞানে সুনিৰ্দিষ্ট ভাৱে ধৰ্মৰ দাবীক মিছা বুলি প্ৰমাণ কৰা নাই, বিশ্বজগত সম্পৰ্কে বিজ্ঞানে এনেকুৱা বহু তথ্য উপস্থাপিত কৰিছে যি ধৰ্ম বিশ্বাস বৰ্তমানে একোটা ব্যক্তিগত ধৰ্ম বিশ্বাসত পৰিণত হৈছে — যি মুঠেও ক্ষতিকৰ নহয়। অধৰ্মৰ উত্থানত এনেহেন ধৰ্মই যেন পৰাজয় বৰণ কৰি মানুহৰ ৰাজ্যৰ পৰা ক্ৰমশঃ দূৰৈত পৰি ৰৈছে। দাৰ্শনিক জ'ন হিকৰ মন্তব্য উদ্ধৃত কৰিবলৈ গ'লে ক'ব লাগিব যে ধৰ্মই যেন জ্যোতিষ শাস্ত্ৰৰ সমজাতীয় মৰ্য্যাদা লাভ কৰিছে। জ্যোতিষ শাস্ত্ৰ প্ৰাচীন কালৰপৰা চলি আহিছে, অথচ সেই সম্পৰ্কে আমাৰ অভিজ্ঞতামূলক জ্ঞানৰ বিস্তৃতি একেবাৰেই কম।

বিজ্ঞানে দেখুৱায় যে ঈশ্বৰৰ প্ৰসঙ্গৰ উল্লেখ নকৰিও প্ৰকৃতিৰ আলোচনা সম্ভৱ। বিজ্ঞান বিশ্বজগত সম্পৰ্কে তাৰ অনুসন্ধান কাৰ্য্যত যি ধৰণে আগুৱাই গৈছে তালৈ মন কৰিলে এনে ধাৰণা হয় যেন ঈশ্বৰৰ কোনো অস্তিত্বই নাই।

জ'ন হিকে যি প্ৰশ্নৰ অৱতাৰণা কৰিছে সেয়া হ'ল উপৰিউক্ত ঘটনাৰ ভিত্তিতেই এই সিদ্ধান্তত উপনীত হোৱা

যায় নেকি যে দৰাচলতে ঈশ্বৰৰ কোনো অস্তিত্বই নাই?

তেওঁ কৈছে যে এনে ধৰণৰ ধৰ্ম সম্পৰ্কীয় বিশ্বাস আছে যাৰ ভিত্তিত এই সিদ্ধান্ত কৰিব পৰা যায় যে ঈশ্বৰ নাই আৰু এনে ধৰণৰো বিশ্বাস আছে যাৰ ভিত্তিত এনে ধৰণৰ সিদ্ধান্তত উপনীত হোৱা নাযায়।

জ'ন হিকৰ বক্তব্য হ'ল, ঈশ্বৰৰ সত্তাত বিশ্বাসক বৈজ্ঞানিক যুগৰ আগৰ এটি বিষয় বুলি যদি গণ্য কৰা হয় তেন্তে এই ধৰণৰ বিশ্বাসক যথাৰ্থ বুলি বিবেচনা কৰা নাযায়। কিন্তু বিষয়টো আনধৰণে দাঙি ধৰি যদি এনেকুৱা ধাৰণা কৰা হয় যে ঈশ্বৰে মানুহৰ সৃষ্টিৰ বিষয়ত এই বিশ্বজগতক এনেদৰে সৃষ্টি কৰিছে যে ই হৈ পৰিছে এক নিৰপেক্ষ ৰাজ্য আৰু তাৰেই সৃষ্ট জীৱই বহু স্বাধীনতা লাভ কৰিছে যাতে জীৱ সমূহে স্ৰষ্টাৰ সৈতে স্বাধীনভাৱে এক সম্পৰ্ক প্ৰতিষ্ঠা কৰিব পাৰে। এই দৃষ্টিভঙ্গীৰ পৰা বিচাৰ কৰিলে ঈশ্বৰে মানুহৰ পৰা এক দূৰত্ব বজাই ৰাখি অৱস্থান কৰে। কিন্তু ঈশ্বৰে মানুহক কিছু পৰিমাণে স্বাধীনতা দিছে— যি আপেক্ষিক, কিন্তু স্বাধীন ব্যক্তিসত্তা হিচাপে মানুহৰ অস্তিত্বৰ পক্ষে সেয়া পৰ্য্যাপ্ত। সৃষ্ট মানুহৰ সৈতে স্ৰষ্টাৰ এই যে দূৰত্ব ইয়াক জ্ঞানৰ দিশৰ পৰাহে বুজি পাব লাগিব— এয়া দেশগত দূৰত্ব (Spatial Distance) নহয়।

এই দূৰত্ব যি ঘটনাৰ ওপৰত নিৰ্ভৰশীল সেয়া হ'ল, যিহেতু ঈশ্বৰ মানুহৰ মনত সিমান স্পষ্ট ভাৱে ধৰা নপৰে সেইবাবে ঈশ্বৰক কেৱল মাত্ৰ বিশ্বাসৰ মাজেৰেহে জনা যায়। এই কথা বুজি পাব লাগিলে আকৌ এটা বিশ্লেষণৰ প্ৰয়োজন। সেয়া হ'ল, মানুহৰ পৰিৱেশত সেই স্বাধীনতাই আছে যি স্বাধীনতা মানুহৰ বাবে থকাটো প্ৰয়োজনীয়, অৰ্থাৎ পৰিৱেশ এনেকুৱা হ'ব যাতে পৰিৱেশৰ ক্ৰিয়া-কলাপ বুজি পোৱাৰ কাৰণে অনুধাৱনকাৰীক বিশ্বজগতৰ অন্তঃস্থিত বা অতিব্ৰতী কোনো ঈশ্বৰৰ অনুমান কৰিবলগীয়া নহ'ব।

ঈশ্বৰৰ এই ধৰণৰ ধাৰণা কৰা হ'লে প্ৰকৃতিৰ স্বয়ংক্ৰিয়তা অৰ্থাৎ প্ৰকৃতি যে স্ব-শাসিত এই বিষয়টো বিজ্ঞানে উত্তৰোত্তৰ ভাৱে যিদৰে স্বীকাৰ কৰি লৈছে, সেইদৰে ধৰ্মীয় বিশ্বাসৰ বিৰোধিতা নকৰে। বৈজ্ঞানিকসকল যি বিশ্ব জগতৰ অনুসন্ধান কাৰ্যত ব্ৰতী, সেই বিশ্ব জগত ঈশ্বৰৰ দ্বাৰা সৃষ্ট আৰু ঈশ্বৰৰ উদ্দেশ্যক এই ধৰণে বুজি লব'লৈ ধৰ্মৰ দিশৰ পৰা বৈজ্ঞানিক আৱিষ্কাৰৰ বিষয়টো ধৰ্ম বিশ্বাসী মানুহৰ ওচৰত আশংকাজনক বুলি জনা নাযায়।

বিজ্ঞানৰ বিভিন্ন আৱিষ্কাৰ যেনে, প্ৰাণীজগতৰ সৈতে মানুহৰ নিৰৱচ্ছিন্নতাৰ সম্পৰ্ক, পৃথিৱীৰ বুকুত ৰাসায়নিক প্ৰক্ৰিয়াৰ ফলত প্ৰাণৰ উদ্ভৱ আৰু পৰীক্ষাগাৰত ৰাসায়নিক প্ৰক্ৰিয়াৰ সহায়ত নতুন জীৱন সৃষ্টিৰ সম্ভাৱনাৰ বিষয়, মহাশূন্যত মানুহৰ অভিযান, অন্যান্য গ্ৰহত প্ৰাণৰ অস্তিত্বৰ সম্ভাৱনা, মানুহৰ বংশ গতিৰ বাহক জিনৰ নিয়ন্ত্ৰণ, পাৰমাণৱিক শক্তিৰ সহায়ত মাৰণাস্ত্ৰ তৈয়াৰ কৰি তাৰ দ্বাৰা মানুহৰ আত্মহনন এইবোৰ ঘটনা আৰু সম্ভাৱনা— যিবোৰৰ ভাল আৰু বেয়া উভয় পৰিণামেই আছে— এই সকলোবোৰেই এক প্ৰাকৃতিক অৱস্থাৰ ভিন্ন দিশ। এই প্ৰাকৃতিক অৱস্থাৰ আছে এক স্বয়ংক্ৰিয় গঠন। ধৰ্মীয় বিশ্বাস অনুযায়ী ঈশ্বৰে এই প্ৰাকৃতিক অৱস্থাৰ সৃষ্টি কৰিছে যি প্ৰাকৃতিক অৱস্থা হ'ল একো একোটি পৰিৱেশ য'ত মানুহে স্বাধীন আৰু দায়িত্বপূৰ্ণ কৰ্মকৰ্তা হিচাপে ঈশ্বৰৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰে। ধৰ্মৰ এই দাবীৰ ওপৰত বৈজ্ঞানিক জ্ঞানৰ যি প্ৰভাৱৰ কথা ক'ব পৰা যায় সেয়া হ'ল— এই দাবী কোনো প্ৰাকৃতিক বিজ্ঞানৰ আওতাৰ ভিতৰত নপৰে। বিজ্ঞানে বিষয়টো স্বীকাৰ কৰিবও নোৱাৰে অথবা অস্বীকাৰো কৰিব নোৱাৰে।

এই ধৰণৰ ধৰ্মৰ ইতিহাসমূলক দৃষ্টিভঙ্গীৰ পৰা ধৰ্ম শাস্ত্ৰত যিবোৰ অলৌকিক কাহিনীৰ কথা কোৱা হৈছে সেইবোৰৰ ব্যাখ্যা কি হ'ব পাৰে? স্বয়ংক্ৰিয় প্ৰাকৃতিক বা জাগতিক অৱস্থাহে যে বিজ্ঞানৰ অনুসন্ধানৰ ক্ষেত্ৰ এই স্বীকৃতিৰ সৈতে অলৌকিক ঘটনাৰ বিষয়টো অসঙ্গতিপূৰ্ণ নেকি?

ইয়াৰ উত্তৰ বিচাৰিলে পোৱা যায় 'অলৌকিক'ৰ সংজ্ঞা আমি কিদৰে নিৰূপণ কৰোঁ। এই পদটোক সম্পূৰ্ণভাৱে জাগতিক বা ধৰ্মৰ সৈতে সম্পৰ্কবিহীন পদৰূপে ব্যাখ্যা কৰা হ'ব পাৰে। জাগতিক দিশৰ পৰা ব্যাখ্যা কৰিবলৈ গ'লে ক'ব লাগিব যে 'অলৌকিক' হ'ল এনে এক বিষয় যি প্ৰাকৃতিক নিয়ম লংঘন কৰে। ধৰ্মৰ দিশৰ পৰা অলৌকিক হ'ল এক অসাধাৰণ উল্লেখযোগ্য ঘটনা যিয়ে ঈশ্বৰ সম্পৰ্কে চেতনা মনত জাগ্ৰত কৰে। অলৌকিক ঘটনা বোলোতে যদি প্ৰাকৃতিক নিয়ম লংঘন কৰাকে বুজায় তেন্তে ক'ব পৰা যায় যে 'অলৌকিক' বুলি একোৱেই নাই। অৱশ্যে ইয়াৰ পৰা এই সিদ্ধান্তও কৰিব নোৱাৰি যে ধৰ্মৰ দিশৰ পৰা 'অলৌকিক' বুলি কোনো পদৰ অস্তিত্ব নাই, কিয়নো প্ৰাকৃতিক নিয়মৰ বিৰোধিতা কৰি একোৱে নঘটে। এই নীতিয়ে নিৰ্দেশ নকৰে যে এনেকুৱা কোনো অসাধাৰণ বা উল্লেখযোগ্য ঘটনা নঘটে যিয়ে ঈশ্বৰ সম্পৰ্কে মনত কোনো সুস্পষ্ট চেতনা জগাই নোতোলে। বিশেষ বিশেষ ঘটনাৰ ব্যাখ্যাৰ কাৰণে বিশেষ দৃষ্টান্ত পৰ্য্যবেক্ষণ আৰু পৰীক্ষণ কৰি সামান্য নিয়ম প্ৰতিষ্ঠা কৰা হয়। যেতিয়া কোনো ঘটনা ঘটে যাক সামান্যকৰণৰ মাধ্যমত প্ৰতিষ্ঠিত নিয়মৰ সহায়ত ব্যাখ্যা কৰা নাযায়, তেতিয়া কিন্তু বৈজ্ঞানিক ঘটনা ঘটাৰ বিষয়টো অস্বীকাৰ কৰিব নিবিচাৰে। বৈজ্ঞানিক এজনে প্ৰকৃতি সম্পৰ্কে তেওঁৰ যি ধাৰণা বা বোধ তাৰেই পুনৰ্বিবেচনা কৰিবলৈ বিচাৰে বা জ্ঞানক অধিক বিস্তৃত কৰিব বিচাৰে যাতে ঘটনাবোৰক বৈজ্ঞানিক ব্যাখ্যাৰ অন্তৰ্ভুক্ত কৰিব পৰা যায়। অস্বাভাৱিক বা চমকপ্ৰদ ঘটনা ঘটাটো যে বৈজ্ঞানিক দিশৰ পৰা অসম্ভৱ সেয়াও নহয়। জ'ন হিকে কৈছে যে ধৰ্মীয় তাৎপৰ্য্যপূৰ্ণ ঘটনাই ঈশ্বৰৰ উপস্থিতি আৰু ক্ৰিয়া সম্পৰ্কে সুস্পষ্ট চেতনা জাগ্ৰত কৰে, তেনে ঘটনা ঘটিলেও ঘটিব পাৰে। গতিকে এনেকুৱাও হয়তো হ'ব পাৰে যে আমি বৰ্তমান সীমিত জ্ঞানৰ সহায়ত প্ৰকৃতিৰ সাধাৰণ প্ৰক্ৰিয়াৰ সৈতে সংযোগ আৱিষ্কাৰ কৰাটো হয়তো সম্ভৱ নহবও পাৰে।

প্ৰাচীন কালত অলৌকিক ঘটনাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কাহিনী ধৰ্মশাস্ত্ৰত পোৱা যায়। এইবোৰ অলৌকিক ঘটনাই মানুহৰ মনত বাধ্যতামূলক ভাৱে ধৰ্ম বিশ্বাসকে জাগ্ৰত কৰে। প্ৰাচীন অভিমতৰ বিৰোধিতা কৰি ভালেমান ধৰ্ম বিজ্ঞানীয়ে ভাবে যে ধৰ্মীয় বিশ্বাসৰ মৌলিক ভিত্তি যোগোৱাৰ পৰা তেনে অভিমত দূৰৈত থাকে; অলৌকিক ঘটনাই পূৰ্বৰে পৰাই ধৰ্ম বিশ্বাসকে স্বীকাৰ কৰি লয়। অৰ্থাৎ ধৰ্ম বিশ্বাসৰ স্থান আগত, অলৌকিক ঘটনাৰ স্থান তাৰ পিছত। ধৰ্মীয় বিশ্বাস হ'ল এক গভীৰ আধ্যাত্মিক আস্থা যাক সাধাৰণ ভাৱে ব্যাখ্যা কৰা নাযায়। ইয়াক কেতিয়াবা কেতিয়াবা অলৌকিক বিষয় হিচাপেও অভিহিত কৰি তেনে অলৌকিকতা আপাত দৃষ্টিত সংঘটিত হোৱাটো অসম্ভৱ বুলি ভবা হয়। আকৌ, অনেক সময়ত অপ্ৰত্যাশিতভাৱে ধৰ্মীয় বিশ্বাসক কেন্দ্ৰ কৰি সৃষ্ট কিছুমান ঘটনা অলৌকিক ঘটনালৈ ৰূপান্তৰিত হয়। জ'ন হিকৰ মতে অলৌকিক ঘটনাও বিশ্বাসৰেই বিষয়। ধৰ্মপ্ৰাণ লোকৰ আভ্যন্তৰিক বিশ্বাসৰ জগততে ইয়াৰো স্থান। সেই বুলি অলৌকিক ঘটনা এনে এক মাধ্যম নহয় যাৰ দ্বাৰা ধৰ্মীয় সম্প্ৰদায়ে বাহ্যিক জগতখনক ধৰ্মত দীক্ষিত কৰিব পাৰে নাইবা মানুহৰ মনত ধৰ্মৰ বিশ্বাস জগাই তুলিব পাৰে।

গতিকে দেখা গ'ল যে বিজ্ঞানৰ সহায়ত ঈশ্বৰৰ অস্তিত্ব যিদৰে প্ৰমাণ কৰিব পৰা নাযায় একেদৰে অপ্ৰমাণো কৰা নাযায়।

ফোন :৯৪৩৫১২৪৭৮৪

❖

প্ৰবন্ধ



ঔপনিৱেশিক শব্দসমূহ আঁতৰাই ভাৰতীয় মূল্যবোধক প্ৰতিফলিত কৰিবলৈ, সাংস্কৃতিক প্ৰাসংগিকতা বৃদ্ধি কৰি আৰু সকলো সম্প্ৰদায়ৰ প্ৰতি সমান সন্মান নিশ্চিত কৰিবলৈ পৰিভাষাসমূহ নবীকৰণ কৰা হৈছে। মহিলাৰ বাবে নিৰ্দিষ্ট Voyeurism (ধাৰা ৭৭), Stalking (ধাৰা ৭৮) আদি অপৰাধসমূহ পঞ্চম অধ্যায়ৰ অধীনত অপৰাধমূলক বল আৰু মহিলাৰ ওপৰত আক্ৰমণৰ শিৰোনামৰ অধীনত অনা হৈছে। শৰীৰৰ বিৰুদ্ধে অপৰাধত অধিক সন্মানজনক আৰু লিংগ নিৰপেক্ষ ভাষাৰ ব্যৱহাৰ লক্ষ্য কৰা হয় বিএনএছত। ই অন্তৰ্ভুক্তিক প্ৰসাৰিত কৰি আৰু সমসাময়িক দৃষ্টিভংগীৰ সৈতে মিল খোৱাত সহায়ক হ'ব।

# ভাৰতীয় ন্যায় ব্যৱস্থা-তিনি নতুন বিধেয়কৰ প্ৰভাৱ

**পল্লৱ ভট্টাচাৰ্য্য**

কোনো এখন আৰক্ষী চকীত এজাহাৰ দাখিলৰ পিছত আৰক্ষী বিষয়াই এজাহাৰৰ ভিত্তিত ভাৰতীয় দণ্ডবিধি আইন ১৮৬০-ৰ (IPC) বিভিন্ন ধাৰাত গোচৰ ৰজু কৰে আৰু ভাৰতীয় অপৰাধী কাৰ্য্যবিধি সংহিতা ১৮৯৮(১৯৭৩-ত সংশোধিত-চিআৰপিচি)-ৰ নিয়মেৰে গোচৰৰ অনুসন্ধান কৰে। অনুসন্ধান কৰোঁতে ভাৰতীয় সাক্ষ্য অধিনিয়ম-১৮৭২ (আইইএ)ত সন্নিবিষ্ট ধাৰাৰে সাক্ষ্য গ্ৰহণ কৰে আৰু অনুসন্ধানৰ পিছত আদালতলৈ গোচৰ স্থানান্তৰিত কৰে; ভাৰতীয় অপৰাধী কাৰ্য্যবিধি সংহিতা ১৯৭৩-ৰ দ্বাৰা গোচৰ পৰিচালিত হয়। ভাৰতৰ ১৪০ কোটি মানুহৰ জীৱনত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰা এই তিনি আইনৰ সংশোধন যে বৰ্তমান চৰকাৰৰ এক সুদূৰপ্ৰসাৰী সিদ্ধান্ত সেয়া ধুৰুপ। সংশোধন কৰা এই তিনিখন আইনৰ ক্ৰমে ১) ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২৩ (বিএনএচ্এচ্), ২) ভাৰতীয় ন্যায় সংহিতা-২০২৩ (বিএন্এচ্এচ্) আৰু ভাৰতীয় সাক্ষ্য

অধিনিয়ম-২৩(বিএচ্এ)ৰ বিভিন্ন দিশ পৰ্য্যালোচনাৰ লগতে ভাৰতৰ সমাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে তলত অধ্যয়ন কৰা হ'ল।

**(১) ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (চমুকৈ বিএনএছ্এছ-২৩)**

বিএনএছএছ বিধেয়কখনৰ ২, ৪ আৰু ৫ নং অনুচ্ছেদত উল্লেখ কৰা উদ্দেশ্য আৰু কাৰণৰ বিবৃতিত উত্থাপন কৰা উল্লেখযোগ্য বিন্দুসমূহ হৈছে (i) এই আইনৰ জৰিয়তে ক্ষিপ্ৰতাৰে নাগৰিককেন্দ্ৰিক সেৱা প্ৰদান (ii) এখন চৰকাৰ "সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস" মন্ত্ৰৰে সকলোকে সুলভ আৰু ক্ষিপ্ৰ ন্যায় প্ৰদানৰ বাবে অপৰাধমূলক আইনৰ কাঠামোৰ ব্যাপক পৰ্য্যালোচনা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হোৱা আৰু (iii) অপৰাধৰ তদন্ত, এফ আই আৰ দাখিল সেৱাসমূহত প্ৰযুক্তি আৰু ফৰেনছিক বিজ্ঞানৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা, ইলেক্ট্ৰনিক যোগাযোগৰ জৰিয়তে চমন আদিৰ ব্যৱস্থা কৰা আৰু তদন্তৰ পৰা বিচাৰৰ সমাপ্তিলৈকে সমগ্ৰ প্ৰক্ৰিয়াটোৰ ওপৰত নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰা।

**মূল পৰিৱৰ্তনসমূহ ঃ**

বাধ্যতামূলক ফৰেনছিক তদন্ত: বিএনএছ্এছে সাত বছৰৰ অধিক কাৰাদণ্ডৰ অপৰাধৰ বাবে ফৰেনছিক তদন্তৰ নিৰ্দেশ বাধ্যতামূলক কৰিছে; ফলস্বৰূপে প্ৰমাণভিত্তিক বিচাৰ প্ৰক্ৰিয়া শক্তিশালী হোৱা আৰু অবিশ্বাস্য সাক্ষীৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস হোৱাৰ সম্ভাবনা বিদ্যমান হৈছে। ধাৰা ১৭৬(৩)-ৰ বিৱৰণ অনুসৰি সাত বছৰ বা তাতকৈ অধিক সময়ৰ বাবে শাস্তিযোগ্য অপৰাধৰ ক্ষেত্ৰত কোনো আৰক্ষী থানাৰ দায়িত্বত থকা বিষয়াই অপৰাধৰ ফৰেনছিক প্ৰমাণ সংগ্ৰহ কৰিবলৈ ফৰেনছিক বিশেষজ্ঞক অপৰাধস্থলীলৈ তলব কৰা আৰু লগতে মোবাইল ফোন বা অন্য কোনো ইলেক্ট্ৰনিক সৰঞ্জামৰ প্ৰক্ৰিয়াটোৰ ভিডিঅ'গ্ৰাফি কৰা বাধ্যতামূলক কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে। ৰাজ্য চৰকাৰে পাঁচ বছৰৰ ভিতৰত এই সংক্ৰান্ত অধিনিয়ম আনিব লাগিব।

চমন আৰু বিচাৰৰ ইলেক্ট্ৰনিক পদ্ধতিঃ ধাৰা ৫৩০ মতে এই সংহিতাৰ অধীনৰ সকলো বিচাৰ, অনুসন্ধান আৰু কাৰ্য্যবিধি, য'ত অন্তৰ্ভুক্ত আছেঃ (i) চমন আৰু ৱাৰেণ্ট জাৰি কৰা, সেৱা আগবঢ়োৱা আৰু নিষ্পাদন কৰা;(ii) অভিযোগকাৰী আৰু সাক্ষীৰ পৰীক্ষা; (iii) অনুসন্ধান আৰু বিচাৰত প্ৰমাণ লিপিবদ্ধ কৰা; আৰু (iv) সকলো আপীল কাৰ্য্যবিধি বা অন্য কোনো কাৰ্য্যবিধি, ইলেক্ট্ৰনিক পৰ্য্যায়ত, ইলেক্ট্ৰনিক যোগাযোগৰ ব্যৱহাৰ বা অডিঅ'-ভিডিঅ' ইলেক্ট্ৰনিক মাধ্যমৰ ব্যৱহাৰৰ দ্বাৰা অনুষ্ঠিত হ'ব পাৰে। এই বিধানৰ লক্ষ্য হৈছে কাৰ্য্যবিধি ক্ষিপ্ৰ কৰা আৰু দক্ষতা বৃদ্ধি কৰা, সম্ভাৱনাময়ভাৱে বেকলগ হ্ৰাস কৰা আৰু দ্ৰুত ন্যায় নিশ্চিত কৰা। কিন্তু ইলেক্ট্ৰনিক যোগাযোগৰ সৰঞ্জামৰ গোপনীয়ভাৱে নিৰীক্ষণ যদিও তদন্তৰ উদ্দেশ্যে কৰা হৈছে, এই প্ৰথাৰ বিৰোধীসকলে তথ্য সুৰক্ষা আৰু গোপনীয়তাৰ অধিকাৰৰ সম্ভাৱ্য উলংঘাৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰে। অযুক্তিকৰ চোৰাংচোৱাগিৰি ৰোধ কৰিবলৈ স্পষ্ট নিৰ্দেশনা আৰু ন্যায়িক নিৰীক্ষণ অতি গুৰুত্বপূৰ্ণ। সমালোচকসকলে এইটোও কয় যে বিএনএছ্এছে মৌলিক অধিকাৰতকৈ জৰুৰী অৱস্থাক অগ্ৰাধিকাৰ দিয়ে। তেওঁলোকে সকীয়াই দিয়ে যে নিৰাপত্তা আৰু স্বাধীনতাৰ মাজত হোৱা ভাৰসাম্যতা ৰাখিবলৈ কৰা প্ৰচেষ্টাৰ ফলত দুৰ্বল গোট আৰু বিৰোধীসকল বিৰূপ পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে। তদুপৰি ইতিমধ্যে অতিৰিক্ত বোজা আৰু অপ্ৰশিক্ষিত শক্তিৰ দ্বাৰা জৰ্জৰিত আৰক্ষীয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰাৰ সম্ভাৱনীয়তাকো নুই কৰিব নোৱাৰি–

Expanded Scope of Property Seizure: Confiscation of ill-gotten wealth from criminals could deter organized crime and corruption.

সম্পত্তি জব্দৰ সম্প্ৰসাৰিত পৰিসৰ ঃ নতুন আইনে দিয়া বৰ্ধিত পৰিসৰৰ বাবে অপৰাধীৰ পৰা অন্যায়ভাৱে অৰ্জন কৰা ধন জব্দ কৰিবলৈ আৰক্ষী সমৰ্থ হ'ব আৰু ফলস্বৰূপে সংগঠিত অপৰাধ আৰু দুৰ্নীতি ৰোধ কৰিব পৰা যাব।

**বিভিন্ন কাৰ্য্যকলাপৰ বাবে সময়সীমা ঃ**

চৰ্চিত আইনখনে বিভিন্ন কাৰ্য্যকলাপৰ বাবে নিৰ্ধাৰণ কৰা সময়সীমাই সমগ্ৰ তদন্ত, বিচাৰ আৰু বিচাৰ প্ৰক্ৰিয়াত লাভজনক প্ৰভাৱ পেলোৱাটো নিশ্চিত।

(১) চিকিৎসা প্ৰতিবেদন দাখিল ঃ বিএনএছএছৰ ১৮৪ নং ধাৰা অনুসৰি ধৰ্ষণৰ বলি হোৱা চিকিৎসা প্ৰতিবেদন

সাত দিনৰ ভিতৰত চিকিৎসা বিজ্ঞানীয়ে তদন্তকাৰী বিষয়াৰ ওচৰত দাখিল কৰিব লাগে।

(২) ভুক্তভোগী আৰু অভিযুক্তক প্ৰাসংগিক নথি-পত্ৰ যোগান ধৰাৰ সময়সীমা- বিএনএছএছৰ ২৩০ ধাৰাত অভিযুক্তৰ লগতে ভুক্তভোগীকো প্ৰাসংগিক নথি-পত্ৰ যোগান ধৰাৰ বাবে চৈধ্য দিন নিৰ্ধাৰণ কৰা হৈছে।

(৩) অভিযোগৰ আৰু ডিচচাৰ্জ আবেদন দাখিল কৰাৰ সময়সীমা- ধাৰা ২৫১-য়ে ছেচন গোচৰত বিচাৰৰ বাবে এই সময়সীমা নিৰ্ধাৰণ কৰে আৰু ধাৰা ২৬৩-য়ে ৱাৰেণ্ট গোচৰৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰে ।

(৪) অপৰাধমূলক বিচাৰত ৰায়দানৰ সময়সীমা- বিএনএছএছৰ ২৫৮ নং ধাৰাত নিৰ্ধাৰণ কৰা হৈছে যে এজন ন্যায়াধীশে যুক্তি শুনানিৰ পিছত ত্ৰিশ দিনৰ ভিতৰত (৪৫ দিনলৈকে বৃদ্ধি কৰিব পৰা যাব) নিজৰ ৰায়দান দিব লাগিব।

(৫) অভিযোগকাৰী আদালতত অনুপস্থিত থাকিলে অভিযুক্তক ডিচচাৰ্জ কৰাৰ সময়সীমা- বৰ্তমানৰ চিআৰপিচিৰ মতে অভিযোগকাৰীয়ে আদালতত হাজিৰ নোহোৱাৰ ক্ষেত্ৰত অভিযুক্তক ডিচচাৰ্জ কৰাৰ কোনো সময়সীমা নাই যদিও বিএনএছএছে ত্ৰিশ দিনৰ সময়সীমা নিৰ্ধাৰণ কৰিছে। বিএনএছএছৰ ২৭২ নং ধাৰাত অভিযোগকাৰীয়ে উপস্থিত থাকিবলৈ ত্ৰিশ দিনৰ সময় দিয়াৰ পিছতো উপস্থিত নহলে দণ্ডাধীশক অভিযুক্তক ডিচচাৰ্জ কৰাৰ বিবেচনাধীনতা প্ৰদান কৰা হৈছে।

(৬) ভুক্তভোগীক তদন্তৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰাৰ সময়সীমা- ধাৰা ১৯৩(৩) অনুসৰি বিএনএছএছে নিৰ্দেশ দিয়ে যে আৰক্ষী বিষয়াই নব্বৈ দিনৰ ভিতৰত তথ্যদাতা বা ভুক্তভোগীক তদন্তৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰিব লাগিব।

(৭) অধিক তদন্তৰ বাবে সময়সীমা- বিএনএছএছৰ ধাৰা ১৯৩ (৯) অনুসৰি অধিক তদন্তৰ বাবে নব্বৈ দিনৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছে। এই নব্বৈ দিনৰ সময়সীমাৰ বাহিৰত যিকোনো ধৰণৰ বৃদ্ধি আদালতৰ পূৰ্বৰ অনুমতি সাপেক্ষে কৰা হ'ব।

আৰক্ষীৰ ক্ষমতা বৃদ্ধি ঃ (১) প্ৰতিৰোধমূলক আটক আৰু জনসাধাৰণৰ ইলেক্ট্ৰনিক যোগাযোগ মনে মনে নিৰীক্ষণৰ দৰে আৰক্ষীক দিয়া ব্যৱস্থাই অপৰাধ প্ৰতিৰোধ আৰু তদন্ত প্ৰক্ৰিয়াত আৰক্ষীৰ শক্তি বৃদ্ধি কৰিব পাৰে। বিএনএছএছৰ ১৮৭(২) দফাত উল্লেখ আছে যে প্ৰাৰম্ভিক ৬০ দিনৰ ভিতৰত যি কোনো সময়তে সামগ্ৰিকভাৱে বা আংশিকভাৱে ১৫ দিনৰ আৰক্ষীৰ জিম্মা বিচাৰিব পাৰি (যদি অপৰাধটোৰ শাস্তি মৃত্যুদণ্ড, আজীৱন কাৰাদণ্ড বা এটা কাৰ্য্যকালৰ বাবে কাৰাদণ্ডৰ শাস্তি দহ বছৰৰ কম নহয়); অন্য অপৰাধৰ ক্ষেত্ৰত এই সময় প্ৰাৰম্ভিক ৪০ দিনৰ ভিতৰত ৰখা হৈছে। যদি আমি এই দফাটোক চিআৰপিচিৰ ইয়াৰ সংশ্লিষ্ট বিধান, ধাৰা ১৬৭(২)(ক))ৰ সৈতে তুলনা কৰোঁ, তেন্তে দেখা যায় যে বৰ্তমানৰ বিধানৰ মতে এজন দণ্ডাধীশে আৰক্ষীৰ জিম্মা প্ৰাৰম্ভিক ১৫ দিনৰ অধিক বৃদ্ধি কৰিব পাৰে; আগৰ আইনত ই সম্ভৱপৰ নাছিল।

(২) হেণ্ডকাফ ব্যৱহাৰ- ধাৰা ৪৩(৩) অনুসৰি আৰক্ষীক কিছুমান বিশেষ ক্ষেত্ৰত হেণ্ডকাফ ব্যৱহাৰ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। প্ৰেম শংকৰ শুক্লা বনাম দিল্লী প্ৰশাসন(১৯৮০) ৩ এছচিচি ৫২৬ গোচৰত উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ আধাৰত কংগ্ৰেছৰ সাংসদ অধীৰ ৰঞ্জন চৌধুৰীয়ে যুক্তি দিছিল যে হেণ্ডকাফ ব্যৱহাৰ কৰাটো মানৰ মৰ্য্যাদাক অপমান কৰা আৰু ২১ নং অনুচ্ছেদৰ উলংঘা; নতুন আইনৰ এই ব্যৱস্থাসমূহে নাগৰিক কল্যাণক অগ্ৰাধিকাৰ দিয়াৰ পৰিৱৰ্তে শাস্তিমূলক ৰাষ্ট্ৰ নিয়ন্ত্ৰণৰ ঔপনিৱেশিক যুগৰ মানসিকতাক প্ৰতিফলিত কৰিব।

ভুক্তভোগী আৰু সাক্ষী সুৰক্ষা : অপৰাধৰ বলি হোৱা লোকসকলৰ বাবে সাক্ষী সুৰক্ষা আৰু ক্ষিপ্ৰ ক্ষতিপূৰণ নিশ্চিত কৰা বিধানসমূহে দুৰ্বল ব্যক্তিসকলৰ বাবে অধিক সহায়ক আৰু ন্যায়সংগত ন্যায়িক ব্যৱস্থা গঢ়ি তোলাত অৰিহণা যোগায়। নতুন আইনত ভুক্তভোগী ক্ষতিপূৰণ আঁচনিৰ সম্পৰ্কে ৩৯৬ ধাৰা, সাক্ষী সুৰক্ষা আঁচনিৰ বাবে ৩৯৮ আৰু ভিত্তিহীনভাৱে গ্ৰেপ্তাৰ কৰা ব্যক্তিক ক্ষতিপূৰণ দিয়াৰ নিয়ম ৩৯৯ ধাৰাত সন্নিৱিষ্ট কৰা হৈছে। এয়া নি:সন্দেহে এক আদৰণীয় পদক্ষেপ।

বিএনএছএছ যদিও ভাৰতৰ অপৰাধমূলক ন্যায় ব্যৱস্থাক নৱীকৰণৰ এক সু-উদ্দেশ্যপূৰ্ণ প্ৰচেষ্টা, তথাপিও

ইয়াৰ ইতিবাচক সম্ভাৱনাসমূহক ব্যক্তিগত স্বাধীনতা উলংঘা কৰিব পৰা ব্যৱস্থা, পৰ্য্যাপ্ত সুৰক্ষাৰ অভাৱ, আৰু অপব্যৱহাৰৰ সম্ভাৱনীয়তাই উদ্বেগৰ ছাঁ পেলাইছে। প্ৰতিজন ভাৰতীয় নাগৰিকক প্ৰভাৱিত কৰা এনে পৰিৱৰ্তনশীল আইন প্ৰণয়নৰ পূৰ্বে এক সম্যক ৰাজহুৱা বিতৰ্ক আৰু কঠোৰ সংসদীয় তদন্তৰ প্ৰয়োজন আছিল।

**ভাৰতীয় ন্যায় সংহিতা (বিএনএছ) ২০২৩ ঃ**

ভাৰতীয় ন্যায় সংহিতা)- ২০২৩(চমুকৈ-বিএনএছ)ক ঔপনিৱেশিক যুগৰ আইন ভাৰতীয় দণ্ডবিধিৰ আইন ১৮৬০ (আইপিচি)-ৰ ঠাইত প্ৰৱৰ্তন কৰা হৈছে। আইপিচি আৰু বিএনএছৰ সাদৃশ্য, মূল পৰিৱৰ্তন, ইতিবাচক আৰু নেতিবাচক দিশসমূহ হ'ল ঃ

**সাদৃশ্য**

আইপিচি আৰু বিএনএছত প্ৰায় ৮০ বিধান একে।

মূল অপৰাধসমূহ ঃ বিএনএছে আইপিচিত সংজ্ঞায়িত বেছিভাগ অপৰাধ, যেনে হত্যা, চুৰি আৰু আক্ৰমণৰ ধাৰাসমূহ নম্বৰ সলনি হ'লেও প্ৰায় একেই। ইয়াৰ ফলত মৌলিক অপৰাধমূলক কাৰ্য্যকলাপৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত ধাৰাবাহিকতা ৰক্ষা কৰা হৈছে। উদাহৰণস্বৰূপে, হত্যাৰ সংজ্ঞা দিয়া আইপিচিৰ ৩০২ নং ধাৰাটো মূলতঃ বিএনএছৰ ১০৩ নং ধাৰাত প্ৰতিফলিত হৈছে। একেদৰে চুৰি (আইপিচিৰ ধাৰা ৩৭৮-৩৮২) আৰু আক্ৰমণ(আইপিচিৰ ধাৰা ৩৫১-৩৫৮)ৰ দৰে অপৰাধসমূহে ক্ৰমে বিএনএছৰ ধাৰা ৩০৩-৩০৭ আৰু ১৩০-১৩৬-ত বিচাৰি পোৱা যায়। এই ধাৰাবাহিকতাই সাধাৰণ অপৰাধমূলক কাৰ্য্যসমূহৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত আৰক্ষী আৰু দণ্ডাধীশক সহায় কৰিব।

**শাস্তিৰ গাঁথনি**

কাৰাদণ্ড আৰু জৰিমনাৰ ব্যৱস্থাৰ অপৰিৱৰ্তনীয়তাই ন্যায়াধীশসকলক শাস্তি প্ৰদানৰ ক্ষেত্ৰত ধাৰাবাহিকতা ৰক্ষা কৰাত সহায় কৰিব। বিএনএছে কাৰাদণ্ড আৰু জৰিমনা শাস্তিৰ প্ৰধান ৰূপ হিচাপে ৰাখিছে, যদিও কিছু সালসলনি দৃষ্টিগোচৰ হৈছে। উদাহৰণস্বৰূপে, আইপিচিৰ যাৱজ্জীৱন কাৰাদণ্ড বিএনএছত ৰখা হৈছে যদিও একে সময়তে ইয়াৰ ব্যৱহাৰ পুনৰাবৃত্তিমূলক গুৰুতৰ অপৰাধৰ ক্ষেত্ৰতো কৰা হৈছে। এই চিনাকি গঠনে বিচাৰকসকলক প্ৰতিষ্ঠিত মানদণ্ডৰ ভিতৰত শাস্তি প্ৰদান কৰাত সহায় কৰিব।

**বিএনএছৰ পাৰ্থক্য আৰু ইতিবাচক দিশসমূহ**

**আধুনিকীকৰণ ঃ** বিএনএছে সন্ত্ৰাসবাদ, সংগঠিত অপৰাধ আৰু চাইবাৰ অপৰাধৰ দৰে নতুন অপৰাধৰ প্ৰৱৰ্তন কৰি সমসাময়িক পৰিস্থিতি মোকাবিলা কৰাত সহায় কৰিব। “সন্ত্ৰাসবাদ”ৰ দৰে অপৰাধৰ সৃষ্টিয়ে (ধাৰা ১১৩, বিএনএছ) সংগঠিত হিংসা আৰু আইপিচিত স্পষ্টভাৱে সামৰি লোৱা নোলোৱা উগ্ৰপন্থী নেটৱৰ্কৰ দৰে ভাবুকিৰ সৈতে মোকাবিলা কৰাত সহায়ক হ'ব। ধাৰা 111 আৰু 112-ত বৰ্তমানৰ সমাজখনক জুৰুলা কৰা সংগঠিত আৰু ক্ষুদ্ৰ সংগঠিত অপৰাধৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহায় কৰিব। একেদৰে ১১১ নং ধাৰাত সংগঠিত অপৰাধৰ শিতানত ‘চাইবাৰ অপৰাধ’ ৰ প্ৰৱৰ্তন কৰা হৈছে। ডিজিটেল যুগত এই ধাৰাসমূহে এনেধৰণৰ উদীয়মান চিন্তা লাঘৱ কৰাত সহায়ক হ'ব বুলি ভবাৰ থল আছে।

**উপনিৱেশমুক্তকৰণ ঃ** ঔপনিৱেশিক শব্দসমূহ আঁতৰাই ভাৰতীয় মূল্যবোধক প্ৰতিফলিত কৰিবলৈ, সাংস্কৃতিক প্ৰাসংগিকতা বৃদ্ধি কৰি আৰু সকলো সম্প্ৰদায়ৰ প্ৰতি সমান সন্মান নিশ্চিত কৰিবলৈ পৰিভাষাসমূহ নবীকৰণ কৰা হৈছে। মহিলাৰ বাবে নিৰ্দিষ্ট Voyeurism (ধাৰা ৭৭), Stalking (ধাৰা ৭৮) আদি অপৰাধসমূহ পঞ্চম অধ্যায়ৰ অধীনত অপৰাধমূলক বল আৰু মহিলাৰ ওপৰত আক্ৰমণৰ শিৰোনামৰ অধীনত অনা হৈছে। শৰীৰৰ বিৰুদ্ধে অপৰাধত অধিক সন্মানজনক আৰু লিংগ নিৰপেক্ষ ভাষাৰ ব্যৱহাৰ লক্ষ্য কৰা হয় বিএনএছত। ই অন্তৰ্ভুক্তিক প্ৰসাৰিত কৰি আৰু সমসাময়িক দৃষ্টিভংগীৰ সৈতে মিল খোৱাত সহায়ক হ'ব।

**সুৰক্ষা বৃদ্ধি ঃ** বিএনএছে সন্মতিৰ বয়স ১৮ বছৰলৈ বৃদ্ধি কৰি, যৌন নিৰ্যাতনৰ সংজ্ঞা সম্প্ৰসাৰণ কৰি, মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ বাবে কঠোৰ শাস্তি প্ৰৱৰ্তন কৰি দুৰ্বল গোটসমূহৰ অধিকাৰ শক্তিশালী কৰিছে। বিএনএছত সন্মতিৰ বয়স ১৮ বছৰলৈ বৃদ্ধি কৰিলে শিশু সুৰক্ষা আইন শক্তিশালী হোৱা সূচায়। ‘যৌন আক্ৰমণ’ৰ লগতে ভয়অৰিজম, ষ্টাকিঙ (ধাৰা ৭৭ আৰু ৭৮, বিএনএছ)ৰ দৰে কাৰ্য্যসমূহ অন্তৰ্ভুক্ত কৰি এই ধৰণৰ অপৰাধক বহল

পৰিসৰ প্ৰদান কৰি দুৰ্বল শ্ৰেণীৰ সবলীকৰণত গুৰুত্ব প্ৰদান কৰা হৈছে।

**সামূহিক সেৱা ঃ** বিএনএছে প্ৰথমবাৰৰ বাবে ক্ষুদ্ৰ অপৰাধৰ বাবে সামূহিক সেৱাক বিকল্প শাস্তিৰ বিধান হিচাপে প্ৰৱৰ্তন কৰিছে; এই প্ৰচেষ্টাই পুনৰ্বাসনক উৎসাহিত কৰাৰ লগতে নাগৰিক দায়বদ্ধতাৰ ভাবনাক লালন-পালন কৰিব যি দেশৰ বাবে মঙ্গলময়। কিছু নিৰ্দিষ্ট গোচৰ যেনে বিশেষকৈ অহিংস অপৰাধৰ বাবে ধাৰা ৩৫৫, ২২৬ আদিত জেইল কাৰাবাসৰ বিকল্প হিচাপে সামূহিক সেৱা প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ ফলত পুনৰ্বাসন, সম্প্ৰদায়ৰ সংযোগ আদিৰ দৰে ইতিবাচক ব্যৱস্থা প্ৰবৰ্তনৰ লগতে কাৰাগাৰত অতিমাত্ৰা ভিৰৰ সমস্যা লাঘৱ হোৱাৰ সম্ভাৱনীয়তা আশা কৰিব পৰা যায়।

**বিতৰ্কিত বিধানসমূহৰ নিৰ্গমনঃ** দেশদ্ৰোহক অপৰাধমুক্ত কৰি এই বিধান ইয়াৰ অপব্যৱহাৰৰ দূৰীকৰণত সহায়ক হ'ব। ভাৰতবৰ্ষৰ আদালতসমূহেও ইয়াৰ বিপক্ষে ৰায়দান কৰিছিল।

**বিএনএছৰ নেতিবাচক দিশ আৰু প্ৰত্যাহ্বানসমূহ**

**কাৰ্যকৰীকৰণৰ উদ্বেগ ঃ** বিএনএছৰ বৃহত আকাৰ আৰু জটিলতাই আইন প্ৰয়োগকাৰী সংস্থা আৰু ন্যায়পালিকাক ফলপ্ৰসূভাৱে প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে, যাৰ ফলত দ্ৰুত ৰূপায়ণত পলম হোৱাৰ সম্ভাৱনা আছে। আইপিচিৰ তুলনাত বিএনএছৰ উল্লেখযোগ্য আকাৰ আৰু জটিলতাই আইন প্ৰয়োগকাৰী আৰু ন্যায়পালিকাৰ কৰ্মীসকলক ফলপ্ৰসূভাৱে প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ ফলত অসামঞ্জস্যপূৰ্ণ প্ৰয়োগ আৰু মসৃণ ৰূপায়ণত পলম হ'ব পাৰে। ইতিমধ্যে বিপিআৰএণ্ডডিক আৰক্ষী কৰ্মীক পূৰ্বৰ আৰু নিয়মীয়া প্ৰশিক্ষণৰ বাবে ভাৰতৰ গৃহ বিভাগে দায়িত্ব দিছে। অৱশ্যে ইয়াক অতি সোনকালে প্ৰতিষ্ঠানিকৰণ কৰাটো সময়ৰ আহ্বান।

**নতুন সংজ্ঞা ঃ** কিছুমান নতুন অপৰাধৰ সংজ্ঞা, যেনে সাৰ্বভৌমত্ব বিপন্ন কৰা কাৰ্য্য আদিত স্পষ্টতাৰ অভাৱ পৰিলক্ষিত হৈছে, যাৰ ফলত মতানৈক্য সৃষ্টি হোৱাৰ অৱকাশ আছে। এই মতানৈক্য দমনৰ বাবে ধাৰাসমূহৰ সম্ভাব্য অপব্যৱহাৰৰ বিষয়ে উদ্বেগ উত্থাপন হৈছে। ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতাক বিপন্ন কৰা কাৰ্য্য(ধাৰা ১৫২, বিএনএছ)ৰ দৰে শব্দৰ নিৰ্দিষ্ট সংজ্ঞাৰ অভাৱ, যাৰ ফলত চৰকাৰৰ মতানৈক্য দমন বা বৈধ সমালোচনা হ্ৰাস কৰাৰ বাবে সম্ভাব্য অপব্যৱহাৰৰ বিষয়ে উদ্বেগ সৃষ্টি হয়। যদিও দেশদ্ৰোহক এই আইনৰ পৰা অব্যাহতি দিয়া হৈছে, কিছুমান ধাৰাৰ প্ৰৱৰ্তন যেনে ধাৰা ১১৩ (সন্ত্ৰাসবাদী আইন), ১৪৮ (ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ চলোৱা, বা যুদ্ধ চলাবলৈ চেষ্টা কৰা, বা যুদ্ধ চলোৱাত সহায় কৰা), ধাৰা ১৪৭-ৰ দ্বাৰা শাস্তিযোগ্য অপৰাধ সংঘটিত কৰাৰ ষড়যন্ত্ৰ কৰা , ধাৰা ১৫২ (বিপদজনক কাৰ্য্য যিয়ে ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতাৰ বাবে ভাবুকি সৃষ্টি কৰিব পাৰে) আদিয়ে ইয়াৰ অপব্যৱহাৰৰ সম্ভাৱনীয়তা সম্পৰ্কে সংশয়ৰ সৃষ্টি কৰিছে।

বিএনএছৰ ১০৬(২) ধাৰাত অন্তৰ্ভুক্ত সংজ্ঞাই পৰিবহণকাৰী সংস্থাসমূহক উত্তেজিত কৰি তুলিছিল আৰু ফলস্বৰূপে সমগ্ৰ ভাৰতক ১ জানুৱাৰীৰ পৰা ৩ জানুৱাৰী পৰ্য্যন্ত ধৰ্মঘটৰে অচল কৰি পেলাইছিল। তেওঁলোকৰ দাবী আছিল ধাৰা ১০৬-ক প্ৰত্যাহাৰ কৰা। উল্লেখযোগ্য যে এই ধাৰাই 'হিট্ এণ্ড ৰাণ কেছ'ত দোষী ব্যক্তিক ১০বছৰ কাৰাবাস আৰু ৭লাখ টকা জৰিমনা বিহিছিল। এনে আন এটা বিতৰ্কিত বিধান হ'ল ২৬ নং ধাৰা যিয়ে চিকিৎসকসকলক ৰোগীৰ মৃত্যুৰ পিছতো সুৰক্ষা প্ৰদান কৰা বুলি অভিযোগ উত্থাপিত হৈছে।

২০২৩ চনৰ ২৫ ডিচেম্বৰত ভাৰতীয় সংসদে ভাৰতীয় সাক্ষ্য অধিনিয়ম-২৩ (চমুকৈ বিএছএ) গৃহীত কৰে, যিয়ে দেশৰ প্ৰমাণ আইনত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ ইংগিত দিয়ে। ১৮৭২ চনৰ ঔপনিৱেশিক যুগৰ ভাৰতীয় প্ৰমাণ আইন (আইইএ)ৰ ঠাইত বিএছএয়ে একবিংশ শতিকাৰ সীমাবদ্ধতা আৰু বিকশিত বাস্তৱতাক সম্বোধন কৰি প্ৰমাণৰ কাঠামোক আধুনিকীকৰণ আৰু সুশৃংখলিত কৰাৰ লক্ষ্য লৈছে। এই পৰিৱৰ্তনে ইতিবাচক অগ্ৰগতিৰ প্ৰতিশ্ৰুতি দিলেও এই পৰিৱৰ্তনশীল আইনখনৰ গুণগত মান আৰু সম্ভাব্য অসুবিধা দুয়োটাতে গভীৰভাৱে গৱেষণা কৰাটো অতি গুৰুত্বপূৰ্ণ। সাত দশকৰ ভিতৰত ভাৰতীয় গণতন্ত্ৰ পৰিপক্ক হোৱাৰ লগে লগে আইনী ব্যৱস্থাটোক সমসাময়িক প্ৰয়োজন আৰু আকাংক্ষাৰ লগত মিলাই আনিব লাগিব বুলি সমাজত একমত

প্ৰতিষ্ঠা হৈছে। উচ্চতম ন্যায়ালয়ৰ অধিবক্তা বিনীত জিন্দালে এইখন আইন সম্পৰ্কে তেওঁৰ বক্তব্য এনেদৰে ৰাখেঃ এই বিধেয়কখনে পাঁচটা পুৰণি বিধান বাতিল কৰিছে, বৰ্তমানৰ ২৩টা বিধান সংশোধন কৰিছে আৰু নতুন বিধান প্ৰৱৰ্তন কৰিছে, যাৰ ফলত সংশোধিত আইনখনত মুঠ ১৭০টা ধাৰা আছে। এই পৰিৱৰ্তনসমূহে আইনী পৰিৱৰ্তনৰ জৰিয়তে ন্যায্য ন্যায় প্ৰদানৰ লক্ষ্যৰ সৈতে মিল থকা ন্যায্য ন্যায় প্ৰদান ব্যৱস্থা নিশ্চিত কৰাত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

অৱশ্যে অধিবক্তা বিশাল তিৱাৰীয়ে এই তিনিখন নতুন অপৰাধমূলক আইনক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থৰ মামলা (পিআইএল) দাখিল কৰিছে যাতে অন্যান্য বিষয়ৰ লগতে ৩খন আইন কাৰ্য্যকৰীকৰণত স্থগিতাদেশ মাননীয় আদালতে প্ৰদান কৰে। লগতে আদালতৰ পৰা আইনসমূহৰ কাৰ্য্যক্ষমতা পৰীক্ষা কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ এজন প্ৰাক্তন ন্যায়াধীশৰ অধ্যক্ষতাত এক বিশেষজ্ঞ সমিতিৰ তাৎক্ষণিক গঠনৰ বাবে নিৰ্দেশনাও বিচাৰিছে।

**বিএছএৰ ইতিবাচক দিশসমূহ ঃ**

**প্ৰমাণৰ প্ৰাসংগিকতা বৃদ্ধিঃ** বিএছএই নিৰ্দিষ্ট পৰিস্থিতিত ইলেক্ট্ৰনিক ৰেকৰ্ড, বিশেষজ্ঞৰ মতামত আৰু চৰিত্ৰৰ প্ৰমাণৰ গুৰুত্ব স্বীকাৰ কৰি গ্ৰহণযোগ্য প্ৰমাণৰ পৰিসৰ বহল কৰে। ইয়াৰ ফলত আদালতৰ বাবে উপলব্ধ সঁজুলিসমূহ সম্প্ৰসাৰিত হ'ব আৰু ই ৰায়দানৰ ক্ষেত্ৰত সহায়ক হ'ব।

**সমসাময়িক প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাঃ** আইনখনে বিশেষভাৱে চাইবাৰ অপৰাধ আৰু ফৰেনছিক বিজ্ঞানৰ দৰে আধুনিক উদ্বেগসমূহক সম্বোধন কৰি, আইনী কাৰ্য্যবিধিত ইয়াৰ ক্ৰমবৰ্ধমান ভূমিকাক স্বীকাৰ কৰে। ইয়াৰ ফলত প্ৰমাণৰ কাঠামো প্ৰযুক্তিগত উন্নতিৰ সৈতে খাপ খুৱাই লোৱাটো নিশ্চিত হয়। ইয়াৰ ফলত সমসাময়িক আইনী পৰিস্থিতিত ইয়াৰ কাৰ্য্যকাৰিতা বৃদ্ধি পায়।

**সাক্ষী সুৰক্ষা সশক্তিকৰণঃ** বিএছএই শিশু আৰু স্পৰ্শকাতৰ অপৰাধৰ বলি হোৱা লোককে ধৰি দুৰ্বল সাক্ষীৰ বাবে ব্যৱস্থা প্ৰৱৰ্তন কৰি সাক্ষী সুৰক্ষাক অগ্ৰাধিকাৰ দিয়ে। ইয়াৰ ফলত ভুক্তভোগীয়ে আইনী কাৰ্য্যবিধিত নিৰাপদ অংশগ্ৰহণৰ প্ৰসাৰতা বৃদ্ধি পাব।

**নিৰ্দোষ অনুধাৱন ঃ** এই আইনখনে কিছুমান বিশেষ গোচৰত প্ৰমাণৰ বোজা অধিক স্পষ্টভাৱে বিচাৰৰ ওপৰত জাপি দি নিৰ্দোষী অনুমানক শক্তিশালী কৰে। ইয়াৰ দ্বাৰা অন্যায়ভাবে দোষী সাব্যস্ত হোৱাৰ বিৰুদ্ধে সুৰক্ষা ব্যৱস্থাক শক্তিশালী কৰা হয় আৰু ন্যায্য বিচাৰৰ মৌলিক নীতি ৰক্ষা কৰা হয়।

**উদ্বেগৰ বিষয়**

**অপব্যৱহাৰৰ সম্ভাৱনা ঃ** গ্ৰহণযোগ্য প্ৰমাণৰ বহল পৰিসৰ নীতিগতভাৱে উপকাৰী হ'লেও অসাধু পক্ষই ইয়াৰ অপব্যৱহাৰ কৰিব পাৰে। উদাহৰণস্বৰূপে বিশেষজ্ঞৰ মতামত আৰু চৰিত্ৰৰ প্ৰমাণৰ বাবে অস্পষ্ট মাপকাঠীয়ে বেয়া কৌশল প্ৰয়োগ আৰু পক্ষপাতিত্বৰ দুৱাৰ মুকলি কৰিব পাৰে। এই বিপদসমূহ হ্ৰাস কৰিবলৈ শক্তিশালী নিৰ্দেশনা আৰু ন্যায়িক বিবেচনা অতি গুৰুত্বপূৰ্ণ।

**ৰূপায়ণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানসমূহঃ** নতুন প্ৰমাণিক কাঠামোৰ সৈতে খাপ খুৱাবলৈ আইনী পেছাদাৰী আৰু আইন প্ৰয়োগকাৰী সংস্থাসমূহৰ বাবে যথেষ্ট প্ৰশিক্ষণৰ প্ৰয়োজন হ'ব। বিভ্ৰান্তি আৰু অসামঞ্জস্যতা ৰোধ কৰিবলৈ বিভিন্ন আদালতত বিএছএৰ সামঞ্জস্যপূৰ্ণ প্ৰয়োগ আৰু ব্যাখ্যা নিশ্চিত কৰাটো অতি প্ৰয়োজনীয়। ভাৰতৰ গৃহ বিভাগে এই ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে।

**সহজলভ্যতা আৰু স্বচ্ছতা ঃ** আইনখনৰ ভাষা ব্যাপক হ'লেও অ-আইনী পেছাদাৰী আৰু সাধাৰণ নাগৰিকৰ বাবে সুলভতাৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। নতুন প্ৰমাণৰ কাঠামোৰ স্বচ্ছতা আৰু জনসাধাৰণৰ বুজাবুজি নিশ্চিত কৰিবলৈ স্পষ্ট যোগাযোগ আৰু শৈক্ষিক পদক্ষেপ অতি গুৰুত্বপূৰ্ণ।

**চিন্তাৰ বিষয়**

বিএছএ-১ত কিছুমান বিধান আছিল যিবোৰ সঠিকভাৱে পৰীক্ষা কৰা হোৱা নাছিল। যদিও পৰৱৰ্তী সময়ত এইবোৰ শুধৰোৱা হৈছে, তথাপিও বিএছএ-২ত এনে ভুল থাকিব পাৰে বুলি আশংকা কৰা হৈছে আৰু ইয়াৰ দ্বাৰা ওপৰত উল্লেখ কৰা পিআইএলত উত্থাপিত উদ্বেগসমূহৰ বিশ্বাসযোগ্যতা গাঢ় হৈ পৰিছে।

**বিএছএ আৰু আইইএৰ মাজৰ পাৰ্থক্য**

**ইলেক্ট্ৰনিক ৰেকৰ্ড ঃ** বিএছএই ইলেক্ট্ৰনিক ৰেকৰ্ডক প্ৰাথমিক প্ৰমাণলৈ উন্নীত কৰে, আইইএৰ ক্ষেত্ৰত ইলেক্ট্ৰনিক ৰেকৰ্ডক গৌণ বুলি গণ্য কৰে। ইয়াৰ দ্বাৰা আধুনিক জীৱনত ডিজিটেল তথ্যৰ সৰ্বব্যাপিতা আৰু আইনী প্ৰক্ৰিয়াত ইয়াৰ জটিল ভূমিকা প্ৰতিফলিত হয়।

**অনুমান**(Presumption) ঃ বিএছএই কিছু নিৰ্দিষ্ট ক্ষেত্ৰত নতুন অনুমানৰ প্ৰৱৰ্তন কৰে, যেনে যৌতুক মৃত্যু (S 118) আৰু বৈবাহিক ধৰ্ষণ [S 120, S 26উদাহৰণ(a), S6 উদাহৰণ (j)]। উপৰিউক্ত পৰিস্থিতিত প্ৰমাণৰ বোজা স্থানান্তৰিত হয় আৰু এনে ক্ষেত্ৰত প্ৰমাণৰ উদ্দেশ্য প্ৰত্যাহ্বানমূলক হোৱাৰ অৱকাশ থাকে। ইয়াৰ বিপৰীতে আইইএত অনুমানৰ ব্যৱহাৰ অধিক সীমিত।

**সাক্ষী সুৰক্ষা ঃ** বিএনএছএছৰ ৩৯৮ নং ধাৰাত তলত দিয়া ধৰণে উল্লেখ আছে : সাক্ষীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰতিখন ৰাজ্য চৰকাৰে ৰাজ্যখনৰ বাবে সাক্ষী সুৰক্ষা আঁচনি প্ৰস্তুত কৰি অৱগত কৰিব লাগিব। ইয়াৰ দ্বাৰা আইনী প্ৰক্ৰিয়াৰ সৈতে জড়িত দুৰ্বল ব্যক্তিসকলক সুৰক্ষিত কৰাৰ ওপৰত বৃদ্ধি পোৱা মনোনিৱেশৰ ওপৰত আলোকপাত কৰা হৈছে। আইইএত এনে বিস্তৃত বিধানৰ অভাৱ আছিল।

**উপসংহাৰ ঃ**

ভাৰতৰ আইনী পৰিৱেশত নতুনকৈ গৃহীত কৰা তিনিখন বিধেয়কে সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰাটো ধ্ৰুৱপ। বিধেয়ক কেইখনৰ সম্ভাব্য অপব্যৱহাৰ আৰু কাৰ্যকৰীকৰণৰ প্ৰত্যাহ্বানৰ সন্দৰ্ভত উদ্বেগ আছে যদিও ইয়াৰ বাবে সতৰ্কতাৰ প্ৰয়োজন হ'ব। আইনখনৰ ইতিবাচক দিশসমূহে অধিক ন্যায্য, অধিক স্বচ্ছ আৰু কাৰ্য্যক্ষম আইনী প্ৰক্ৰিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। ন্যায়িক ব্যাখ্যা, ব্যৱহাৰিক প্ৰয়োগ আৰু ৰাজহুৱা বক্তৃতাৰ জৰিয়তে নিৰন্তৰ পৰিশোধন কৰাটো এই তিনিখন বিধেয়কৰ সাফল্য নিশ্চিত কৰাৰ মূল চাবিকাঠি হ'ব। ফৰাচী দাৰ্শনিক মাইকেল ফ'ক'ৰ নিম্নোক্ত বিখ্যাত উক্তিটোৰে ভাৰতৰ অপৰাধী ন্যায় ব্যৱস্থাক এক শক্তিশালী স্তম্ভ হিচাপে প্ৰতিষ্ঠিত কৰাটো সকলোৰে কাম্য ঃ ন্যায়ে সদায় অহৰহ নিজকে প্ৰশ্ন কৰিব লাগিব, যেনেকৈ সমাজে নিজৰ ওপৰত আৰু নিজৰ প্ৰতিষ্ঠানৰ ওপৰত কৰা কামৰ দ্বাৰাই অস্তিত্ব লাভ কৰিব পাৰে।

ফোন ঃ ৯৪৩৫০৪৮৭৭৭

❖

## সাহিত্য-সমালোচনা



চুডমাৰ্চন হলৰ বৰ্ণময় আবেলি এটা। উৎসাহী দৰ্শক-শ্ৰোতা, অনুৰাগী এজাক প্ৰাণচঞ্চল যৌৱনৰ ভিৰত আবেলিৰ বতাহজাক চঞ্চল হৈ উঠিছিল। অৰনী চক্ৰৱৰ্তী, ৰবীন্দ্ৰ সৰকাৰ, মনজিৎ সিং, নীলিম কুমাৰ, অনুপমা বসুমতাৰী, কামালুদ্দিন আহমেদ প্ৰমুখ্যে ন-পুৰণি কবিসকলৰ লগতে আছিল হীৰুদা। সঞ্চালক প্ৰখ্যাত কবি-গীতিকাৰ কেশৱ মহন্ত, উদ্বোধক কবি নীলিমা দত্ত। কাৰ্য্যসূচী আগবাঢ়ি গৈ থাকিল। হীৰুদাৰ কবিতা শুনাৰ সময় আহিল, কিন্তু মঞ্চত যে তেওঁ নাই! আৱিষ্কাৰ হ'লগৈ চুডমাৰ্চন হলৰ একেবাৰে শেষৰ শাৰীত আত্মবিস্মৃত ৰূপত। আগতে শুনিছিলোঁহে হীৰুদা এনেদৰে বিভিন্ন অনুষ্ঠানলৈ গৈ নিৰুদ্দেশ হোৱাৰ কথা। এইবাৰ নিজেই তাৰ সাক্ষী হ'লো।

# 'শইচৰ পথাৰ মানুহ'ৰ কবিজন ...

**ড° মঞ্জু দেৱী পেগু**

**যাদুকৰী সান্নিধ্যৰ স্বৰলিপি জোনাকী লগ্ন ঃ**

"কামিজৰ সিয়নিত দুখ, দুখৰ স্তুতি,  
মোৰ গাত হাত থলেই পাবা হীৰেন নামৰ কবি  
পদচাৰী নদীৰ সোঁতত উতলা দুখৰ অনুভূতি।"

শব্দৰ এগৰাকী অনন্য কুশলী তেওঁ।

কাষতে থাকিলেও সততে সহজ নাছিল তেওঁৰ হৃদয়-সমুদ্ৰত থৌকিবাথৌ কৰি থকা অমৃত শব্দৰ অদেখা উৰ্মিমালাৰ উমান পোৱাৰ। ভাবুক, খেয়ালী আৰু শিশুৰ দৰেই সৰল সেই নিপুণ শব্দ-শিল্পীৰ প্ৰতি অনুৰাগীৰ অনন্ত কৌতূহল। হয়, সেই শব্দ-শিল্পীগৰাকী আধুনিক অসমীয়া কাব্যজগতৰ আটাইতকৈ জনপ্ৰিয় কবি হীৰেন ভট্টাচাৰ্য। মাজে মাজে কোনো কবিতাৰ সভাত অথবা দীৰ্ঘ যাত্ৰাকালত তেওঁৰ সান্নিধ্য লাভৰ সৌভাগ্য ঘটিছিল।

... সোঁৰৱণিৰ জালিকটা সুৰুঙাৰে জুমি চালেই জাকি মাৰি উৰে স্মৃতিৰ অজস্ৰ পখিলা ... স্মৃতিৰ তাঁৰডাল চুবকে নোৱাৰি হিৰন্ময় কত যে ক্ষণৰ গুঞ্জন!

২১ জানুৱাৰী, ১৯৯৩

শীতৰ দুপৰীয়াটো কবিতাৰ ৰাগিৰে মাতাল হৈ উঠিছিল। তেওঁৰ কণ্ঠৰ পৰা নিগৰি অহা যাদুকৰী শব্দৰ মায়াজালত সকলো মন্ত্ৰমুগ্ধ হৈ পৰিছিল। সিদিনা শিক্ষক, ছাত্ৰ আৰু অজস্ৰ অনুৰাগীৰে ঠাহ খাই থকা কটন কলেজৰ সুবিশাল কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহটোৱেই যেন ৰূপান্তৰিত হৈছিল এটি জীৱন্ত কবিতালৈ। নিৰুদ্দিষ্ট কবি অৰুনী চক্ৰৱৰ্তীৰ সঞ্চালনাৰে 'কটনিয়ানৰ কবিকণ্ঠ' শীৰ্ষক অনুষ্ঠানেৰেই শুভাৰম্ভ হৈছিল কটন কলেজ (বৰ্তমান কটন বিশ্ববিদ্যালয়) 'নবীন'ৰ তিনি দশকৰো অধিক কালৰ সুদীৰ্ঘ যাত্ৰা। এজাক তেজাল যৌৱনৰ পাৰ ভঙা উছাহেৰে মুখৰ হৈ উঠিছিল কটনৰ যৌৱনা পৃথিৱীখন। নিজহাতে লিখি সোণমনি বৰাই (নবীনৰ প্ৰতিষ্ঠাপক সহঃ সম্পাদক, বৰ্তমান ভাৰত চৰকাৰৰ উচ্চপদস্থ বিষয়া) মঞ্চৰ সন্মুখত আঁৰি দিয়া কবিতাৰ পংক্তিবোৰ একোখন পতাকাৰ দৰে উৰিছিল। ধৈৰ্য্য হাজৰিকা(বৰ্তমান 'অসমীয়া প্ৰতিদিন' কাকতৰ কাৰ্য্যবাহী সম্পাদক)ৰ সম্পাদনাত প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'ফেঁহুজালি'ৰ প্ৰস্তাৱনা সংখ্যাটোও আগদিনা সোণমনিয়ে মমৰ পোহৰতে লিখি সাজু কৰিছিল। কিযে এক উছাহৰ বন্যা বৈছিল দেৱদাৰু নগৰীখনত! মুখ্য অতিথি হীৰেন ভট্টাচাৰ্য, সকলোৰে মৰম আৰু শ্ৰদ্ধাৰ কবি হীৰুদা আছিল অনুষ্ঠানৰ মূল আকৰ্ষণ। ৰোহিণী কুমাৰ পাঠক, নীলিম কুমাৰ আদি তৰুণ কবিসকলৰ অংশগ্ৰহণো আছিল উল্লেখনীয়। উক্ত অনুষ্ঠানতে সাহিত্য অকাডেমী বঁটা বিজয়ী কবিগৰাকীক কটন 'নবীন'ৰ তৰফৰ পৰা উষ্ম সম্বৰ্দ্ধনা জনোৱা হৈছিল। সেয়াই আছিল আৰম্ভণি। তেওঁ নবীনৰ আমন্ত্ৰণত হেঁপাহেৰে আহি আমাক উৎসাহিত কৰিছিল সদায়ে। 'নবীন'ৰ অনুষ্ঠান মানেই সমগ্ৰ কটনিয়ানৰ বাবে আছিল সুকীয়া এক আকৰ্ষণ। প্ৰখ্যাত কবি, শিল্পী, সাহিত্যিকসকলক আমন্ত্ৰণ জনাই অন্তৰঙ্গ অনুষ্ঠানেৰে অনুৰাগী কটনিয়ানসকলক উজ্জীৱিত কৰা অনুষ্ঠান সেইসময়ত 'নবীনে'ই আছিল। 'নবীন'ৰ অনুষ্ঠান মানেই হৈ পৰিছিল প্ৰিয় কবিগৰাকীৰো কবিতাৰ অবিৰত বৰষুণ; সান্নিধ্যৰ মাধুকৰী সময়। প্ৰিয় কবিগৰাকীৰ কবিতাৰ বৰষুণত তিতি জুৰুলি-জুপুৰি হোৱাৰো কি যে এক সুকীয়া মাদকতা!

চুডমাৰ্চন হলৰ বৰ্ণময় আবেলি এটা। উৎসাহী দৰ্শক-শ্ৰোতা, অনুৰাগী এজাক প্ৰাণচঞ্চল যৌৱনৰ ভিৰত আবেলিৰ বতাহজাক চঞ্চল হৈ উঠিছিল। অৰুনী চক্ৰৱৰ্তী, ৰবীন্দ্ৰ সৰকাৰ, মনজিৎ সিং, নীলিম কুমাৰ, অনুপমা বসুমতাৰী, কামালুদ্দিন আহমেদ প্ৰমুখ্যে ন-পুৰণি কবিসকলৰ লগতে আছিল হীৰুদা। সঞ্চালক প্ৰখ্যাত কবি-গীতিকাৰ কেশৱ মহন্ত, উদ্বোধক কবি নীলিমা দত্ত। কাৰ্য্যসূচী আগবাঢ়ি গৈ থাকিল। হীৰুদাৰ কবিতা শুনাৰ সময় আহিল, কিন্তু মঞ্চত যে তেওঁ নাই! আৱিষ্কাৰ হ'লগৈ চুডমাৰ্চন হলৰ একেবাৰে শেষৰ শাৰীত আত্মবিস্মৃত ৰূপত। আগতে শুনিছিলোঁহে হীৰুদা এনেদৰে বিভিন্ন অনুষ্ঠানলৈ গৈ নিৰুদ্দেশ হোৱাৰ কথা। এইবাৰ নিজেই তাৰ সাক্ষী হ'লোঁ।

কটন কলেজৰ শতবৰ্ষ অনুষ্ঠান। জজ্‌ফিল্ড দলদোপ্ হেন্দোলদোপ্। 'নবীন'ৰ চিত্ৰ প্ৰদৰ্শনী। উদ্বোধক হীৰুদা। সেয়াও এক অন্য স্মৃতি, অবিস্মৰণীয়। গ্ৰন্থমেলাত নবীনৰ অনুষ্ঠান। তাতো প্ৰিয় কবিগৰাকী।

'নবীন'ৰ মুখপত্ৰ 'ন-সতীৰ্থ' উন্মোচন। উন্মোচনী ভাষণত মিতভাষী কবিৰ এটাই মাথোঁ বাক্য— "ভালপোৱাতকৈ সেউজীয়া আৰু একো নাই।"

মোৰ কবিতা সংকলন— 'প্ৰভাতে শংখধ্বনি'ৰো উন্মোচক আছিল হীৰুদা।

সেই বাখৰুৱা স্মৃতিবোৰেৰেই পোহৰ হৈ আছে 'নবীন'ৰ পথ, মোৰ সৃষ্টিৰ পথ...!

**কবিতাৰ গাঁও নানকাৰভয়ৰাত স্মৃতিৰ এচমকা ঃ**

নলবাৰীৰ এখন কবিতা বলিয়া গাঁও — নানকাৰভয়ৰা।

সেউজ, প্ৰাণময় গাঁওখনৰ প্ৰতিটো উশাহতে কবিতাৰ স্পন্দন।

সুদীৰ্ঘ প্ৰায় পাঁচটা দশক একেই আছে কবিতাৰ সেই উচ্ছ্বাস, অনুৰাগ। ইয়াৰ মাটিতেই দুই ভাতৃ তৰুণ বৰ্মন আৰু পুলক বৰ্মনৰ নিৰন্তৰ প্ৰয়াসত কাব্যালোচনী 'সেউজী সেউজী'য়ে পূৰ্ণ কৰিবলৈ ওলাইছে গৌৰৱময় স্বৰ্ণজয়ন্তী। কটন কলেজত পঢ়া কালৰে পৰাই আৰু বিশেষকৈ ২য়টো সংখ্যাৰ পৰাই আমি জড়িত হৈ পৰা 'সেউজী সেউজী' কাব্যালোচনীয়ে জন্ম দিছে অনেক প্ৰতিষ্ঠিত কবিক। নানকাৰভয়ৰাত অনুষ্ঠিত হৈ অহা কবিতাৰ উৎসৱত ভালপোৱাৰ দিক্‌চৌ বাটেদি গৈ হীৰুদাৰ সংগী হোৱাৰ সৌভাগ্য হৈছে অনেকবাৰ। নানকাৰভয়ৰাৰ প্ৰকাণ্ড আঁহতজোপাৰ তলত কবিতাৰ দলিচাত হীৰুদা, ৰবীন্দ্ৰ বৰা আদি নমস্য কবিৰ স'তে পাৰ কৰা অবিস্মৰণীয় সেই সময়! যাত্ৰাপথত আকৌ অকস্মাতে গাড়ী ৰখাই কৈ উঠিছে ঃ আধাডজন চিংৰা, চাহ। কেতিয়াবা আকৌ মিতভাষী কবিৰ বুদ্ধিদীপ্ত হাস্যৰসৰ ৰহঘৰা। উভতি অহাৰ বাটত কণমানি কন্যা পংখী কোলাতে টোপনি যায়। ইউনিফাইড কমাণ্ডৰ দিন। ঘনে ঘনে চেকিং। নিশাৰ অন্ধকাৰত গাড়ীলৈ জুমি চাই দেখে কোলাত নিদ্ৰাৰত সন্তানক লৈ মাতৃ। এৰি দিয়ে। হীৰুদাই লাহেকৈ গলগলীয়া মাতটোৰে টিপ্পনী দিয়ে ঃ 'লেডীজ' থাকিলে সুবিধা!

"মোৰ গাত হাত থ'লেই পাবা হীৰেন নামৰ কবি" জীৱন যাপন আৰু কবিতাৰ অবিচ্ছিন্ন এক নিজৰা স্বৰূপ কবিগৰাকীৰ বিস্ময়কৰ সান্নিধ্য খোদিত হৈ ৰ'ব এক নজহা-নপমা ভাস্কৰ্য্যৰ দৰে!

**মানুহ-মাটি-তেজ-ঘামৰ পথাৰ ঃ**

আধুনিক অসমীয়া কবিতাক জনপ্ৰিয় কৰি তোলা কবিগৰাকীয়েই হৈছে-- 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্য। অনন্য প্ৰাণস্পৰ্শিতাৰে আমোলমোল তেওঁৰ কবিতাৰ অগণন অনুৰাগী গাঁৱে-ভূঞেও. চহৰে-নগৰে। আনকি অসমৰ বাহিৰতো। সূৰ্য্যমুখীৰ সূৰ্য্যৰ ফালে যি দৃষ্টি, অনুজ চামৰো কবিৰ প্ৰতি একেই দৃষ্টি। আধুনিক যুগৰ কবি হৈয়ো এক ৰোমাণ্টিক সুলভতা কবিতাত কঢ়িয়াই লৈ ফুৰা কবিগৰাকীক বিশিষ্ট লেখক আৰু সমালোচক ড° হীৰেন গোহাঁয়েও 'প্ৰেম আৰু যৌৱনৰ কবি' ৰূপে আখ্যা দিছে। হয়, প্ৰাণোচ্ছল যৌৱনৰ দৰেই হীৰেন ভট্টাচাৰ্যৰ কবিতাও দীপ্ত, উদ্দীপ্ত। হৃদয়ৰ গভীৰত ঢৌ খেলিব পৰা এক অনন্য স্পন্দনেৰে তেওঁৰ কবিতা উজ্জীৱিত।

কবিতা মূলতঃ এক সৃষ্টিশীল কলা। কবিৰ সৃজনী শক্তিয়ে কবিতাক অনন্য ৰূপত উদ্ভাসিত কৰি তোলে। দেশ, কাল অতিক্ৰমি কবিতা হৈ পৰে যুগান্তৰৰ বাৰ্তাৰে মহিমামণ্ডিত, কালজয়ী চেতনাৰে উজ্জীৱিত। কবিতা এক শব্দ-শিল্প। নিৰ্বাচিত শব্দ-সম্ভাৰেই কবিৰ স্বকীয় চিন্তাৰ বাহন। শব্দচয়ন আৰু শব্দ বয়নেই কবিৰ নিপুণতাৰ চানেকি। কেৱল শব্দৰ হাত ধৰিয়েই কবিতাই আমাক লৈ যায় অপাৰ্থিৱ এখন জগতলৈ। কবি হীৰেন ভট্টাচাৰ্যয়ো শব্দৰ যাদুকৰী শক্তিৰ হাত ধৰিয়েই সহস্ৰ অনুৰাগী পাঠকক লৈ গৈছে ৰূপ, ৰস, স্পৰ্শ আৰু গন্ধৰে প্ৰাণময় এখন আশ্চৰ্য্যকৰ পৃথিৱীৰ বুকুলৈ। কবিৰ মতে-- শব্দই কবিৰ অস্ত্ৰ। প্ৰত্যেক কবিৰেই আছে শব্দৰ নিজস্ব ভুৱন। তেওঁলোকে আৱিষ্কাৰ কৰে নতুন শব্দ, প্ৰতিষ্ঠা কৰে গ্ৰামীন শ্ৰুতিদুষ্ট শব্দৰ নতুন অৰ্থমূল্য, নতুন ভাব অনুষঙ্গ। শব্দৰ পুনৰ গঠন আৰু পুনৰ নিৰ্মাণেই হৈছে কবিৰ বিশিষ্ট চৰিত্ৰ। কবিয়ে জীৱন পাত কৰে তেনে শব্দ সন্ধানত যাৰ আৱাহনী ক্ৰিয়াই আনি দিব পাৰে কবিতাৰ নতুন মাত্ৰা।

"কবিতা জীৱনৰ অন্য বিষয় কুশল, অন্য প্ৰত্যাশা
শব্দ সংঘ ভাঙি তিৰ্‌বিৰ্ বন তুলসীৰ
উজাৰি লুকুৱা সুগন্ধি দীঘল উপত্যকা।"

কবিতাৰ শব্দ কেৱল শব্দই নহয়, ই ধ্বনিও। কবিকণ্ঠৰ এটা শব্দ প্ৰতিধ্বনি হৈ উভতি আহে নতুন ৰূপত। এই নতুনত্বই হৈছে কবিৰ নিজস্ব উদ্ভাৱনী শক্তি। শব্দৰ এই ব্যাপ্তিতেই কবিৰ কাংক্ষিত মুক্তি।

কবিৰ মতে-- কবিৰ আটাইতকৈ ডাঙৰ গুণ হৈছে নিজৰ সৃজনশীল, মননশীল বিচিত্ৰ ভাবনাৰ বাহন স্বৰূপে

শব্দ ব্যৱহাৰ কৰাৰ ক্ষমতা। এই প্ৰখৰ শব্দবোধেই কবিক আন মানুহৰ পৰা পৃথক কৰিছে।

কবি হীৰেন ভট্টাচাৰ্যৰ প্ৰখৰ শব্দবোধ তেওঁৰ কবিতাৰ অন্যতম দিশ।

"মোৰ ভিতৰত এটা যেন খেতিয়ক,
মই শব্দবোৰ জিভাত দি চাওঁ,
কাৰ কি সোৱাদ,
হাতৰ তলুৱাত লৈ চাওঁ কিমান তপত।
মই জানো শব্দ মানুহৰ।"

কবিৰ এই প্ৰখৰ শব্দবোধেই তেওঁৰ কবিতাক দান কৰিছে এক আশ্চৰ্য্য যাদুকৰী শক্তি, বিস্ময়কৰ ৰূপ। 'শুভংকৰ সংগীত' স্বৰূপ তেওঁৰ কবিতাৰ প্ৰতিটো শব্দই সঠিকভাৱেই স্পৰ্শ কৰিব পাৰিছে মানুহৰ হৃদয়, উন্মোচিত কৰিব পাৰিছে বৰ্ণময়, বিচিত্ৰ অনুভূতিৰ ৰুদ্ধদ্বাৰ।

'কবিতা মূলতঃ স্বাধীন। স্মৃতি তাৰ সুগন্ধি পখিলা' — সকলোৰে হৃদয়ৰ পৰা হৃদয়লৈ ব্যাপ্ত হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ এই নিৰ্য্যাস অকল শব্দ চাতুৰ্য্যৰ বাবেই নহয়, তেওঁৰ কবিতাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে অন্তৰ্লীন হৈ থকা গীতিময়তাৰ বাবেও। প্ৰকৃতাৰ্থত এই গীতিময়তাৰ বাবেই তেওঁৰ যাদুকৰী শব্দবোৰ এগৰাকী বিশ্বস্ত বন্ধুৰ দৰে পাঠকৰ ওচৰ চাপেহি। কেতিয়াবা অমিল ছন্দেৰে, কেতিয়াবা Internal rhymes আৰু assonance -ৰ মাজেৰে তেওঁ গীতি কবিতাৰ সংগীত আৰু ছন্দোময়তাৰ সৃষ্টি কৰে। ধ্বনি ব্যঞ্জনাৰ প্ৰতি কবিৰ স্বাভাৱিক আকৰ্ষণ—

"এটি ৰূপালী হাঁহ
হৃদয় হ্ৰদত
লুকাই আছেহি
বাৰটি মাহ।

য'ত হেঙুলী বেলিয়ে
দিয়েহি আবেলি লাহ।

ৰূপালী এটি হাঁহ।"

কোনো বিশেষ ধৰণৰ ছন্দসজ্জাৰ আশ্ৰয় নোলোৱাকৈ কবিয়ে অন্তঃমিলনৰ সাৰ্থক ব্যৱহাৰ কৰিছে। সুষম লয়ৰ এডাল তাঁৰত কবিয়ে সূক্ষ্মভাৱে শব্দবোৰ বান্ধিছে। কবিতাটোত অনুভূতিৰ তীব্ৰতা আহিছে শব্দৰ ধ্বনিময় ৰূপৰ সাৰ্থক ব্যৱহাৰৰ ফলস্বৰূপে। বৰ্ণধ্বনিৰ প্ৰতিধ্বনি অথবা অনুৰণন আৰু অন্ত্যমিলৰ সহায়ত এনে ধৰণৰ অনুভূতিঘন অথবা ভাবসঞ্চাৰী শব্দ ব্যৱহাৰ তেখেতে বহুত কবিতাতে কৰিছে। (হৰেকৃষ্ণ ডেকা)

"মোৰ ল'ৰালিৰ গানে আজি ক'লে কাণে কাণে
গানে যেনেকৈ কন্দুৱায়,
নিচুকায়ো তেনেকুৱাকৈয়ে,
গানে আনে নজনা খেল
কিমান ধৰণে যে খেলিব জানে।"

এই গীতিধৰ্মিতাই হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ প্ৰধান আকষৰ্ণীয় সম্পদ। কবিৰ প্ৰায়বোৰ কবিতাক আবৰি আছে বনগীত-বিহুগীতৰ ব্যঞ্জনাময় ধ্বনি-বৈচিত্ৰ্যই। সেইবাবেই তেওঁৰ কবিতাসমূহত লোকগীতৰ সুৰৰ কঁপনি আৰু দুখবোধে আবৰা ৰমন্যাসিক কবিৰ কবিতাৰ গীতিধৰ্মিতাৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। (ৰবীন্দ্ৰ বৰা)

প্ৰতীকী ব্যঞ্জনা আৰু চিত্ৰকল্পৰ প্ৰয়োগ হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ অন্যতম আকৰ্ষণীয় দিশ। তেওঁ কোৱাৰ দৰেই— "প্ৰতিমাৰ পৰা বাক্ প্ৰতিমালৈ, চিত্ৰৰ পৰা চিত্ৰকল্পলৈ যোৱাটোৱেই হৈছে কবিয়ে বিচৰা বাট।"

"আহা! কি নিৰ্ভুল
চিকাৰী হাত।

এটা বনৰ চৰাইৰ
সাতোটা গুলিৰে
হৰিলা মাত!"

হীৰেন ভট্টাচাৰ্যৰ সৰহভাগ কবিতাই চুটি আৰু সেই চুটি কবিতাৰ চিত্ৰকল্পসমূহ মৌ-মাখিৰ গুণগুণনিৰ দৰে সুমধুৰ, জোনাকৰ দৰে কোমল আৰু বৰষুণৰ দৰে জীপাল আৰু অৰ্থপূৰ্ণ— (ৰবীন্দ্ৰ বৰা)

"জুনুক কৰি বাজিল জুনুকা।
"চেনিমৰা বাগিচাৰ চিঠি" লৈ কোবাল
খোজেৰে গুচি গ'ল ডাকোৱাল।
গছে-গছে হেঁপাহৰ ৰঙীন ৰুমাল।"

(বসন্ত)

'স্তম্ভিত বিদ্যুৎ' শীৰ্ষক কবিতাটোৰ চিত্ৰকল্পত আকৌ দুটা বিপৰীতমুখী ভাবাবেগৰ প্ৰকাশ ঘটিছে। যৌনগন্ধী

চিত্ৰকল্পৰে ব্যঞ্জিত হৈছে ব'হাগৰ সৌন্দৰ্য্যই মৌন কৰি দিয়া কবি-হৃদয়ৰ অনিৰ্বচনীয় আকৰ্ষণ আৰু একে সময়তে শৰীৰ ৰোমাঞ্চিত কৰা মাদকতাভৰা উন্মাদনা। এটাৰ উপলব্ধি স্তব্ধতাৰ, আনটোৰ প্ৰবল উত্তেজনা।

"আজি মই
অনাবৃত ব'হাগৰ স্তব্ধতাত
ওঁঠ থৈ সগৰ্ভা পৃথিৱীৰ

গৰ্ভ সঞ্চাৰিত ইচ্ছাৰ
যি বিস্ফোৰণ দেখিছোঁ
তাৰ আঘাতত
থান্‌বান হৈ যোৱা মোৰ পৌৰুষ
নক্ষত্ৰ তৰংগেৰে যেন
জ্বলি উঠিছে ঃ শিৰাই শিৰাই
মোৰ স্তম্ভিত
বিদ্যুৎ

ব'হাগৰ স্তব্ধতাত
লাগি আছে মোৰ মৌন
ওঁঠ।"

সহজ কথ্যভাষাৰ ব্যৱহাৰ, দৈনন্দিন জীৱনৰ পৰা বুটলি অনা প্ৰতীক আৰু চিত্ৰকল্পই তেওঁৰ কবিতাক দান কৰিছে এক স্বাভাৱিক সুষমা।

হীৰেন ভট্টাচাৰ্যৰ কবিতাত পৰিদৃষ্ট হয় এক অননুকৰণীয়, মৌলিক আৰু একান্তই নিজস্ব এটি কথনভঙ্গী। তেওঁৰ ভঙ্গী একান্তই স্বকীয়, ঘৰুৱা বাক্ ভঙ্গীৰ লগত তৎসম শব্দৰ ঘনিষ্ঠ ব্যৱহাৰে তেওঁৰ কাব্যশৈলীক দিছে এটা অনায়াস ভঙ্গী। অসমীয়া ভাষাৰ কালিকাটো জনা আৰু বুজা, তাক সজ্ঞানে ব্যৱহাৰ কৰা কবি সংখ্যাত তাকৰ। হীৰু তাৰেই এজন। (নৱকান্ত বৰুৱা)

হীৰেন ভট্টাচাৰ্যৰ অনুভৱত ভাষাটোৰ প্ৰতি থকা প্ৰগাঢ় আন্তৰিকতা আৰু দায়বদ্ধতাৰেই চাপ ঃ এটা জাতিৰ আটাইতকৈ মূল্যৱান শস্য সম্ভাৰ হৈছে ভাষা। এজন কবিয়ে সমাজৰ পৰাই গ্ৰহণ কৰে তেওঁৰ কবিতাৰ ভাষা। সকলো ভাষাৰে এনে কিছুমান শব্দ আছে- যাৰ অৰ্থ আৰু আয়তনে কবিতাৰ নতুন মাত্ৰা উপহাৰ দিয়ে। ভাষা মানুহৰ ভালপোৱাৰ মুকলি পথাৰ, সাহিত্য-কলা-বিজ্ঞান ভাবনাৰ উৎস। ভাব-ভাবনা বিনিময়ৰ সাঁকো, আত্মীয়তাৰ স্বপ্নময় উন্মোচন, শব্দ, ৰূপ, বৰ্ণ, গন্ধৰে প্ৰাণময় কবিৰ কবিতাত অনুভূত হয় ভাষাটোৰ কালিকা শক্তিৰ স্পন্দন। কেতিয়াবা দৈনন্দিন জীৱনৰ প্ৰাত্যহিক তুচ্ছতাৰ পৰা বুটলি অনা শব্দ, কেতিয়াবা তৎসম শব্দ অথবা কেতিয়াবা লোকজীৱনৰ পৰা আহৰণ কৰা শব্দেৰেই এটা স্বকীয় কথনশৈলী নিৰ্মাণ কৰিছে। লিৰিকেল ধ্বনি ব্যঞ্জনা থকাৰ বাবে সাধাৰণ পাঠকেও কবিতাৰ গভীৰ অৰ্থ নিবিচাৰি সুৰৰ সৈতে একাত্ম হয়। হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ জনপ্ৰিয়তাৰ অন্তৰালত কবিগৰাকীৰ এই স্বকীয় কথনভঙ্গীৰ ভূমিকা অপৰিসীম। অকল কবিতাৰ জনপ্ৰিয়তাৰ অন্তৰালত কবিগৰাকীৰ এই স্বকীয় কথনভঙ্গীৰ গুৰুত্ব। অকল কবিতাৰেই নহয়, তেওঁৰ গদ্যও হৃদয় আলোড়িত কৰা এক মন্ত্ৰধ্বনিৰ দৰে।

কবি অডেনে কৈছে— "Poetry is remarkable Speech."

কবি ভট্টাচাৰ্যৰ অনেক কবিতা স্মৰণীয় উক্তিত পৰিণত হৈছে।

"মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য"

"দেশ বুলি ক'লে আদেশ নেলাগে
মোৰ তুমৰুলি তেজত টগ্‌বগাই উঠে
এহেজাৰ এটা ৰণুৱা ঘোঁৰা"

"তুমিতো জানাই
এই কবিৰ আৰু একো নাই।
এটাই মাথোঁ কামিজ
তাৰো ছিগো ছিগো চিলাই।

প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়।"

"ইমান অলপতে বিচলিত হ'লে
তোমাৰ বাৰু কেনেকৈ চলে?"
শিলুৱা এন্ধাৰে মোক এইবুলি ক'লে।

কবি মই নাছিলো কোনোকালে
ব্যৰ্থতাৰ এন্ধাৰে মোক মাথোঁ
সত্যক সহজে ল'বলৈ শিকালে।"

জীৱিত কালতে কোনো অসমীয়া কবিৰ কবিতা এটা জাতিৰ, এটা প্ৰজন্মৰ বাবে শ্লোগান, দেৱাল লিখন অথবা এপিটাফ হোৱা নাই। ইয়াৰ মূলতে নিশ্চয় তেওঁৰ স্বাভাৱিক সৰল শব্দই কঢ়িয়াই অনা ঘন ব্যঞ্জনাসমৃদ্ধ নিজস্ব কাব্যভাষা। হীৰেন ভট্টাচাৰ্যক 'মৃত্যুঞ্জয় কবি' ৰূপে আখ্যা দি ড° নগেন শইকীয়াই আগবঢ়োৱা মন্তব্য উল্লেখনীয় ঃ লোক-জীৱনৰ ভাষাৰ ওপৰত যিদৰে তেওঁৰ অধিকাৰ আছে, শিষ্ট জীৱনৰ ভাষাৰ ওপৰতো আছে তেনেদৰেই সমান অধিকাৰ।

কেতিয়াবা জনান্তিক, কেতিয়াবা জনতামুখী এইগৰাকী কবিৰ কবিতাত অনুভূতিৰ গভীৰতা, বিশ্বস্ততা, প্ৰকাশভংগীৰ স্বকীয়তা আৰু সূক্ষ্ম ব্যঞ্জনা-আংগিকৰ অভিনৱত্ব লক্ষনীয়। তেওঁৰ কবিতাত তাৎক্ষণিক চেতনা থাকিলেও তেওঁৰ কবিতাৰ মূল বৈশিষ্ট্য হ'ল ইতিহাস চেতনা, সমাজ সচেতনতা, দেশাত্মবোধ আৰু জীৱনৰ প্ৰতি অপৰিসীম ভালপোৱা। বিশ্বজনীনতাৰ সৈতে সংপৃক্ত হৈ থকা মানুহৰ মংগলবোধ তেওঁৰ কবিতাৰ আন এটা লক্ষণীয় দিশ।

"মোৰ আইৰ হাত ধৰি দেশৰ পৰা
দেশান্তৰলৈ মই গৈ আছোঁ
মোৰ প্ৰতিবেশী আৰু মোৰ বন্ধুজন
ক্ৰমে আৰু ওচৰ চাপি আহিছে।"

স্বদেশ আৰু স্বজাতিৰ কল্যাণৰ বাবে কবিৰ অশান্ত হৃদয়ৰ বাৰ্তা অনেক কবিতাত প্ৰকাশ পাইছে--

"আকালৰ চোতাল
শস্যৰ পথাৰ উদং।
কিশোৰৰ হেৰাল স্বপ্ন স্বাধীনতা।
গৰ্ভৱতী নাৰী নিদ্ৰাত নিহত।
মূলত কি বিহ?
উছন গ'ল গাঁও। নষ্ট নগৰী।
মৃত্যুৰ মলিন ছাঁত অশ্লীল বনিজ।"

কবিতাৰ স্তৰকত অনুৰণিত তেওঁৰ বৈপ্লৱিক চেতনা—

"হে সময়, গৰ্জি উঠা নিয়োজিত কৰা সৰ্বোত্তম প্ৰতিভা।"

সহমৰ্মী কবিৰ চকুলোবোৰো যেন সৰে কবিতাৰ কোঁহে কোঁহে--

"চকুৰ পানীৰে ভৰি উঠে মোৰ আইৰ দুচকু।
এতিয়া কি সতে
মই ঘৰলৈ ওভতো।"

'দুখ মোৰ কোলাৰ কেঁচুৱা' - এক সহজাত দুঃখবোধে আবৰি থকা অথচ প্ৰেম আৰু যৌৱনৰ শক্তিৰে স্থিতধী কবিৰ কবিতাৰ কোঁহে কোঁহে প্ৰেমৰেই গুঞ্জন ঃ

"মোৰ অনুভৱে তোমাৰ প্ৰেমৰ গুণ গুণ শব্দ
এনেকৈ ৰু-ৰুৱাই জ্বলে
যে তাৰ ছাই ভৰি পৰে
মোৰ বুকুৰ ভিতৰে বাহিৰে।

প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি।"

নিশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।

"মই এক আচৰিত
প্ৰেমৰ পিঞ্জৰাত বন্দী
মোৰ দুৱাৰৰ অদূৰত তুমি।"

তেওঁৰ কবিতাত প্ৰেমৰ হাত ধৰি আছে প্ৰকৃতিৰ অতুল বৈভৱ। তেওঁৰ ঋতুবিষয়ক কবিতাখিনি নিয়ৰ কণাৰ দৰে স্বচ্ছ আৰু সুন্দৰ।

"মই খিৰিকিখন খুলি দিলোঁ।
স্তব্ধতাৰ নিৰ্জন পোহৰত আমি
আকৌ মুখামুখি হ'লো ঃ
শিৰৰ সেন্দূৰেৰে সুন্দৰ
আকাশৰ মুখত জিলিকি উঠিছে।
সোণোৱালী ব'হাগ।

... আহা! কি সুন্দৰ এই ব'হাগ,
কি যে মায়াবী তাৰ লাৱনি দুখনি হাত!!"

"তামস আকাশখনৰ
স্তব্ধতা ভাঙে কোমল কঁহুৱা ফুলে।
কবিতাৰো বতৰ আছে
আহিনৰ আকাশে কাণে কাণে ক'লে।"

"শুকান বতাহজাকে
পাতবোৰ উৰুৱাই নিয়ে
ৰাংঢালি চৰাইবোৰে
গছৰ ডালত পৰি নাচে,
জুনুকাৰ জুনজুননিত
সাৰ পায় কুঁহিপাতে।"

প্ৰেম, যৌৱন আৰু আশাৰ সমান্তৰালভাৱে তেওঁৰ কবিতাত ধ্বনিত হয় দুঃস্থজনৰ মৰ্মব্যথা, দেশৰ শ্ৰমজীৱী মানুহৰ প্ৰতি অকৃত্ৰিম ভালপোৱা। সময়ৰ ওপৰত কবি গভীৰ আস্থাশীল। সেইবাবেই নৈৰাশ্যৰ মাজতো আশাৰ বাতৰিয়ে, জীৱনে জীৱনে ফুল ফুলোৱাৰ অনুপম স্বপ্নৰ গানে তেওঁক আলোড়িত কৰে—

"কলঘৰৰ ক'লা ধোঁৱাই
এদিন অকোশত বিজুলী জ্বলাব
ৰাস্তাৰ কাষৰ এইজাক ল'ৰাই
জীৱনৰ বাটে বাটে ফুল ফুলাব
ব্যাধিগ্ৰস্ত এই নগৰে এদিন অকাশলৈ মূৰ তুলি চাব,
আকাশ ইমান বহল।
দকৈ উশাহ লৈ ক'ব, বতাহ ইমান কোমল!"

সমাজ-চেতনাৰে সংপৃক্ত কবি হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ অন্যতম সম্পদ- লোকজীৱনৰ প্ৰাচুৰ্য্যৰ স'তে শিপাই থকা নিবিড় আত্মীয়তা। তেওঁৰ কবিতাত সাৰ পাই উঠে অসমৰ মাটি, শইচৰ পথাৰ, নৈ-নিজৰা, গছ-গছনি, চৰাই-চিৰিকটি, বৰ্ণময় ঋতু, খেতিয়ক ৰোৱনী দাৱনিৰ সৃষ্টিমুখী স্বপ্ন। লোক জীৱনক আধাৰ কৰিয়েই গঢ়ি উঠিছে মাটি, মানুহ আৰু জীৱন-বন্দনাৰ অনুপম সৌধ--

"গোমাই থকা আকাশখনে
হঠাৎ বৰকৈ বিজুলীয়াইছে
কপাহগুটীয়া বৰষুণজাক লাহে লাহে ডাঙৰ হৈ আহিছে
মিচিক্ কৰে হাঁহি গছবোৰে বতাহত উৰুৱাই দিছে
সেউজীয়া পাত
ব'ল সৰুমাই, আমি গুচি যাওঁ
ভালপোৱাৰ দিক্‌চৌ বাটেৰে
জিলিক্ মাৰি উঠিছে মোৰ সৌ এৰাপৰীয়া পথাৰ।"

"শস্যৱতী মোৰ, শইচেই সঁচা।
মোৰ আন কোনো গান বা কবিতা নাই,
তোমাৰ সেউজীয়া আঁচল ধৰি
মোৰ ছাঁই হৈ যোৱা গানৰ সিপাৰে
হেন্দোলি উঠিছে ডাৱৰ।"

"মোৰ আগে পিছে বৰষুণ,
শস্যৰ গোন্ধেৰে ভৰা গধূলিৰ গান
মনৰ হেন্দোলি উঠা বাগিচাত মাটি পানী
গছ-গছনিৰ কথোপকথন
তই মোৰ ভালপোৱাৰ ভৰাঁনে,
শব্দ নিসৰ্গৰ দুটা পাৰ
ৰাতিপুৱাই ল'ৰামতীয়া বেলিটোৰে
তোৰ দহোটা আঙুলিত জেতুকা পিন্ধাইছে
তোৰ কোমল ওঁঠ দুটাৰে বৈ আহিছে
বন-বিৰিখৰ লাৱণ্য
আৰু লাহী চুলিকোছাৰ এন্ধাৰেৰে বগাই আহিছে
অন্তহীন এলানি সপোন
মোৰ ভালপোৱাৰ ভৰাঁনৈৰ দুকাষে
ৰ'দ-বৰষুণৰ বা লগা দুখন ডেউকা...."

যথাৰ্থভাৱেই কবি নৱকান্ত বৰুৱাই উক্তি কৰিছে—

ঃ হীৰু অৰণ্যৰ কবি নহয়, উদ্যানৰ কবি, পথাৰৰ কবি। বনৰীয়া ফুলতকৈ ফুলনিৰ ফুল তেওঁৰ অধিক ওচৰৰ, কাৰণ তেওঁ কৃষ্টি বা সংস্কৃতিৰ কবি। অৰণ্যৰ বা অৰণ্য ধৰ্মৰ কবি নহয়। অৰণ্যৰ পৰা আলহী হৈ আহি শস্য মানুহৰ আপোন হৈ পৰিছে— শইচৰ পথাৰ মানুহ।

কবিৰ সুহৃদ ৰবীন্দ্ৰ সৰকাৰেও চহাজীৱনৰ স'তে থকা কবিৰ সুগভীৰ আত্মীয়তাৰ কথাই দোহাৰিছে ঃ নাগৰিক জীৱনৰ মাজত থাকিও হীৰেন ভট্টাচাৰ্যৰ কবিতাই তাৰ মূল ৰস সঞ্চয় কৰিছে গঞা জীৱনৰ পৰা আৰু জীপাল কৰি ৰাখিছে কবিতাৰ উৰ্বৰ ভূমি।

এক অনন্য আবেদনেৰে সহস্ৰ অনুৰাগীক মোহাচ্ছন্ন কৰি ৰখা অনুজ কবিক প্ৰভাৱিত কৰা কবিগৰাকীৰ "কবিতাবোৰৰ বহুততে গতিহীনতাক জোকাৰি দিয়েহি

আচম্বিত, অতি প্ৰাকৃতিক, কোবাল আৰু উদ্দেশ্যপূৰ্ণ গতিয়ে, এন্ধাৰত আহি পোহৰ পৰেহি আৰু নিস্তব্ধতাক ভাঙি দিয়েহি ৰজনজনাই যোৱা সুৰে। অলসতা, ক্লীৱতা, গতিহীনতাৰ বিপৰীতে ভট্টাচাৰ্যৰ বহু কবিতাত উপস্থাপিত হয় গতি আৰু শক্তিৰ চমক, তীব্ৰতা আৰু আকস্মিকতা।" (কবীন ফুকন)

'শইচৰ পথাৰ মানুহ'ৰ পাতে পাতে লুকাই থকা শব্দ আৰু ৰঙৰ চিত্ৰকৰগৰাকী জীৱনৰ পৰিপূৰ্ণতাৰ প্ৰাচুৰ্য্যৰে ঐশ্চৰ্য্যময়। প্ৰেমে-প্ৰতিবাদে সজাগ, দেশ মাটিত মৃত্যুজিৎ প্ৰতিভাৰ বাবে উদ্বিগ্ন কবি। প্ৰিয় কবিয়ে অপেক্ষামান পৃথিৱীৰ বাবে বৈ আনে একাঁজলি ৰ'দ—

"শস্যৰ কাৰণে ৰ'দ
বৃক্ষৰ কাৰণে ৰ'দ
ৰ'দ কবিতাৰ কাৰণে।"

মেথিউ আৰ্নল্ডে কৈছিল— যথাৰ্থ কবিতা হৃদয়ৰ গভীৰতে ৰচিত আৰু মুদ্ৰিত হয়। হীৰেন ভট্টাচাৰ্যৰ কবিতাত কবিতাৰ সেই যথাৰ্থ চৰিত্ৰটোৰেই উদ্ভাসিত। The Poetry Craft is to turn words into deeds (Elizabeth Drew)। কবিৰ এই সাৰ্থকতায়েই তেওঁক জীয়াই ৰাখিব যুগ-যুগান্তৰলৈ।

কবিৰ মৃত্যু নাই। অপাৰ্থিৱ এক ৰূপত কবিতাৰ মহতী শক্তিৰে তেওঁ জী থাকিব এক নক্ষত্ৰৰ দৰে।

প্ৰাসঙ্গিক গ্ৰন্থ ঃ

হীৰেন ভট্টাচাৰ্যৰ কবিতা (সংকলন)

হীৰেন ভট্টাচাৰ্যৰ কবিতা (আলোচনামূলক গ্ৰন্থ)- সম্পাদনা ঃ পৰমানন্দ মজুমদাৰ, ৰজনী কান্ত শৰ্মা

হীৰেন ভট্টাচাৰ্যৰ কবিতা আৰু দৰ্শন- সম্পাদনা ঃ ৰাজীৱ কুমাৰ ফুকন

শব্দহীন বৰ্ণমালা- সম্পাদনা ঃ আনিছ উজ্ জামান, গংগামোহন মিলি

সৃজন আৰু মনন ঃ ইমদাদ উল্লাহ

ফোন ঃ ৯১০১৬১৩৩৩১

❖



# বড়ো জননেতা ৰূপনাথ ব্ৰহ্ম

## বড়ো জাতি, ভাষা, সাহিত্যৰ প্ৰতিষ্ঠা আৰু প্ৰাক্-স্বাধীনতা কালৰ অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ এজন নমস্য সেনানী

**ডাঃ জগদীশ বসুমতাৰী**

অসমৰ ভূমিপুত্ৰ বড়োসকল অসমৰ বৃহত্তম জনগোষ্ঠী। কিন্তু পৰিতাপৰ কথা এইয়ে আছিল যে, বিংশ শতিকাৰ আগছোৱালৈকে এই বৃহৎ জনগোষ্ঠী শিক্ষাৰ অভাৱত সেই সময়ত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ, ধৰ্মীয় নীতি নিয়মৰ উগ্ৰ বলি বিধান, মদৰ অপৰিমিত ব্যৱহাৰ আদি কু-অভ্যাসত নিমজ্জিত হৈ ৰুগ্ন আৰু নিশকটীয়া হৈ পৰিছিল। এনেকি বড়োসকলৰ মাজত ভাষাৰ ব্যৱহাৰো মুখে মুখেহে চলি আছিল। সমাজৰ আইন-কানুন, নীতি কথা, সাধু কথা, ফকৰা-যোজনা, তন্ত্ৰ-মন্ত্ৰ, বৈশাগু গীতবোৰো এটা চামৰ পৰা অইন এটা চামলৈ মুখে মুখেহে বাগৰি আহিছিল। এনে সময়তেই এগৰাকী মহান বড়ো মনীষীৰ আৱিৰ্ভাৱ হৈছিল। তেখেত আছিল গুৰু কালীচৰণ ব্ৰহ্ম। ৰামকৃষ্ণ পৰমহংসৰ ওচৰত শিক্ষা লাভ কৰি তেখেতে বড়োসকলৰ মাজত ব্ৰাহ্ম ধৰ্ম প্ৰচাৰ কৰিব ধৰিলে। লগে লগে প্ৰাইমেৰি স্কুল স্থাপন কৰি শিক্ষাৰ পোহৰ বিলাবলৈও যত্ন কৰিলে। ইয়াৰ উপৰিও তেখেতে বড়ো সমাজক কুসংস্কাৰ আৰু কু-অভ্যাস বোৰৰ পৰাও মুক্ত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। সেই কালছোৱাতেই সতীশ চন্দ্ৰ বসুমতাৰী, দাৰেন্দ্ৰ নাথ বসুমতাৰী, ৰূপনাথ ব্ৰহ্ম, মদাৰাম ব্ৰহ্ম, ডাঃ খগেন্দ্ৰনাথ ব্ৰহ্ম, ঈশান মছাহাৰী, আনন্দ ব্ৰহ্ম, কালী কুমাৰ লাহাৰী আদি কিছু শিক্ষিত বড়ো যুৱকে নিজৰ মাতৃভাষাক প্ৰতিষ্ঠা কৰিবলৈ লিখা-মেলা কৰিবলৈ সংকল্পবদ্ধ হৈছিল। এওঁলোকৰ সেই শুভ প্ৰচেষ্টাৰ ফল পাছলৈ সুদূৰপ্ৰসাৰী হৈছিল।

এই যুৱকসকলৰ মাজৰে ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াই পাছলৈ ৰাজনীতিৰ পথাৰত প্ৰৱেশ কৰিছিল। তেখেতে ১৯৩৭ চনৰ পৰা ১৯৬৭ চনলৈকে সুদীৰ্ঘ চাৰি দশকৰ

ৰাজনৈতিক জীৱনত চাৰ মহম্মদ ছাদুল্লা, ভাৰতৰত্ন গোপীনাথ বৰদলৈ আৰু বিমলা প্ৰসাদ চলিহাৰ মন্ত্ৰীসভাত বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰীৰ দায়িত্ব বহন কৰিছিল। এই কালছোৱাত ৰূপনাথ ব্ৰহ্মই  অইন এগৰাকী প্ৰাতঃস্মৰণীয় জননেতা ভীমবৰ দেউৰীৰ লগ লাগি ট্ৰাইবেল লীগ নামৰ ৰাজনৈতিক মঞ্চ গঠন কৰি অসমৰ বড়োৰ লগতে অন্যান্য পিছপৰা জনজাতিৰ অস্তিত্বৰ সুৰক্ষা আৰু সৰ্বাংগীন উন্নতিৰ বাবে চৰকাৰৰ লগত যুক্তি-তৰ্কৰে আলোচনা কৰি কেবাটাও ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ চৰকাৰক মান্তি কৰাবলৈ সক্ষম হৈছিল। কেবিনেট মিচনৰ অসমক বংগদেশৰ লগত চামিলকৰণৰ হঠকাৰী প্ৰচেষ্টাক বিফল কৰাত গোপীনাথ বৰদলৈক সৰ্বশক্তিৰে সহযোগ কৰিছিল। ৰূপনাথ ব্ৰহ্ম এগৰাকী মেধাৱী উচ্চশিক্ষিত সমাজ সচেতন নেতা আছিল। সেই সময়ত বৃহত্তৰ অসমীয়া সমাজৰ এচামে বড়ো আৰু আন জনজাতীয় লোকসকলক হীন কুলৰ বুলি ভাবি লেই লেই ছেই ছেই কৰা কাৰ্য্যবোৰ দেখি তেখেতে অন্তৰত আঘাত পাইছিল আৰু এইবোৰৰ বিৰুদ্ধে মাত মাতিছিল। কিন্তু অইনপিনে তেখেতে বড়োসকলকো শিক্ষাই-দীক্ষাই আগবঢ়া অসমীয়া মূলসুঁতিৰ লগত মিলি নিজৰ উন্নতিৰ হকে কাম কৰি যোৱাৰ পোষকতা কৰিছিল। তেখেত অসম সাহিত্য সভাৰ লগতো জড়িত আছিল। অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত বুৰঞ্জী শাখাৰ আলোচনাসমূহ তেখেতে অধ্যক্ষ হিচাপে পৰিচালনা কৰিছিল।

মহান বড়ো জননেতাগৰাকীৰেই ঘটনাবহুল জীৱন আৰু কাৰ্য্যাৱলীৰ বিষয়েই আলোকপাত কৰিবলৈ এই লেখাটো প্ৰস্তুত কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰা হৈছে ।

**জন্ম আৰু শৈশৱ ঃ**

কোকৰাঝাৰ চহৰৰ পৰা তিনি কিলোমিটাৰ নিলগত অৱস্থিত ঔৰাবাৰী নামৰ এখন গাঁৱত ১৯০২ চনৰ ১৫ জুন তাৰিখৰ ৰাতিপুৱা ৪.৩০ বজাত ৰূপনাথ ব্ৰহ্মাৰ জন্ম হৈছিল। তেখেতৰ দেউতাক আৰু মাকৰ নাম যথাক্ৰমে ধজেন্দ্ৰনাথ নাৰ্জাৰী আৰু খৗদৗমশ্ৰী নাৰ্জাৰী আছিল। ৰূপনাথৰ দেউতাক এজন কাঠৰ ব্যৱসায়ী আছিল। সেই সময়ত ই এক খুব লাভজনক ব্যৱসায় আছিল হেতুকে তেওঁলোক যথেষ্ট চহকী পৰিয়াল আছিল। ঔৰাবাৰী প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ আছিল। গাঁওখনৰ পূবে জিৰি জিৰি ধ্বনিৰে তাৰং নৈ বৈ গৈছিল। ৬ কিলোমিটাৰ পূবে ডাঠ হাবিৰে পৰিপূৰ্ণ বাওখুংগ্ৰী পাহাৰ, য'ত সোণালী নেজৰ বান্দৰৰ উপৰিও নানান জীৱ-জন্তুৰ বাসস্থান আছিল। গাঁওখনৰ ওচৰতে এখন বহল পানীৰে পৰিপূৰ্ণ পিতনি আছিল, য'ত নাও বোৱাৰ প্ৰতিযোগিতা হৈছিল। ৰূপনাথৰ দেউতাকৰ হেনো ২৫ খন নাও আছিল। ৰূপনাথে সৰুতে মাছ মাৰি আৰু শহা পহু, চৰাই-চিৰিকতি আদিৰ চিকাৰ কৰি ভাল পাইছিল। এনেদৰে প্ৰাকৃতিক পৰিৱেশত উমলি ডাঙৰ হোৱা বাবে ৰূপনাথ সৰুৰে পৰা স্বাস্থ্যৱান আৰু সবল সুঠাম আছিল।

ৰাজনৈতিক নেতা হিচাপে ৰূপনাথ ব্ৰহ্ম ট্ৰাইবেল সকলৰ স্বাৰ্থ আৰু ন্যায্য অধিকাৰৰ সুৰক্ষাৰ বিষয়ত সদা সচেতন আছিল। ১৯৩৭ চনত চাৰ মহম্মদ ছাদুল্লাৰ মন্ত্ৰীসভাই grow more food নামৰ আঁচনিৰ আধাৰত অসমলৈ পূৰ্ব বংগৰ পৰা বহু পমুৱা মুছলমানৰ প্ৰব্ৰজন ঘটাবলৈ আৰম্ভ কৰিছিল। ইয়াৰ ফলত অসমীয়া ৰাইজৰ লগতে সহজ সৰল জনজাতিসকলৰ মাটি ভেটিও পমুৱা মুছলমানৰ অধিকাৰলৈ গুচি যোৱাৰ সংকট আহি পৰিছিল। ৰূপনাথ ব্ৰহ্মাৰ নেতৃত্বত ট্ৰাইবেল লীগে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু পিছলৈ ছাদুল্লা মন্ত্ৰীসভাৰ পৰা ট্ৰাইবেল লীগৰ সমৰ্থন উঠাই আনিছিল। ফলস্বৰূপে ছাদুল্লা মন্ত্ৰীসভাৰ পতন ঘটিছিল। তাৰ পিছতেই ১৯৩৮ চনৰ ২৯ ছেপ্টেম্বৰত অসমত গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ মন্ত্ৰীসভা গঠন কৰা হৈছিল। ট্ৰাইবেল লীগে এই মন্ত্ৰীসভাত যোগদান কৰিছিল। ৰূপনাথ ব্ৰহ্মই এই মন্ত্ৰীসভাত 'বন আৰু পঞ্জীয়ন' বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল।

**স্কুলীয়া শিক্ষা**

প্ৰথম অৱস্থাত দেউতাকে ৰূপনাথক দুবছৰ ঘৰতে ৰাখি পঢ়ুৱাইছিল। তাৰ পিছত

তেখেত কোকৰাঝাৰৰ প্ৰাথমিক স্কুলত নাম লগাই দিছিল। এই স্কুলৰ পৰাই ১৯১৪ চনত বৃত্তি সহ প্ৰাইমেৰি পাছ কৰি তেখেত ধুবুৰী চৰকাৰী হাইস্কুলত ভৰ্তি হয়গৈ। এই বিদ্যালয়ৰ পৰাই ১৯২১ চনত জলপানি সহ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ এইবাৰ ৰূপনাথে বি.এ পঢ়িবলৈ ঐতিহ্যমণ্ডিত কটন কলেজত নাম লগায়। ৰূপনাথ ব্ৰহ্মাই কটন কলেজৰ পৰা ১৯২৫ চনত বি.এ পাছ কৰে। পঢ়াৰ প্ৰতি ৰূপনাথৰ ধাউতি সাংঘাতিক আছিল। তেখেত এইবাৰ এম.এ আৰু এল.এল.বি পঢ়িবলৈ মন মেলি কলিকতা পাইছিলগৈ। তেখেত তাতেই এল.এল.বি সম্পূৰ্ণ কৰে। কিন্তু এম.এ পঢ়ি থকা সময়ত এদিন ট্ৰামৰ পৰা পৰি হাত এখন ভাগে আৰু তেখেত অসুস্থ হৈ পৰে। ফলত এম.এ পঢ়া আধাতে এৰি ৰূপনাথ ঘৰলৈ ঘূৰি আহিছিল। উল্লেখ কৰিব পাৰি যে ৰূপনাথ ব্ৰহ্ম ৯ম শ্ৰেণীত পঢ়ি থকা অৱস্থাতেই দেউতাকে ৰূপনাথক দময়ন্তী ব্ৰহ্মৰ লগত বিয়া পাতি দিয়ে। ১৯৫৩ চনত দময়ন্তী ব্ৰহ্ম স্বৰ্গী হয়। পত্নীৰ মৃত্যুৰ পাছত কিছু বছৰ তেখেত অকলেই সন্তানকেইটিৰ লগতে পৰিয়াল চলোৱাৰো দায়িত্ব গ্ৰহণ কৰিছিল। কিন্তু পাছত এইদৰে চলা কঠিন হ'লত তেখেতে স্বৰ্ণময়ী দেৱীক ১৯৫৯ চনত দ্বিতীয়া পত্নী হিচাপে গ্ৰহণ কৰে।

**ওকালতি আৰু ৰাজনৈতিক জীৱনৰ পাতনি**

কলিকতাৰ পৰা ঘূৰি আহি ৰূপনাথ ব্ৰহ্মাই ধুবুৰী কোৰ্টত ওকালতি কৰিবলৈ আৰম্ভ কৰিছিল । কিন্তু ওকালতিৰ মেৰপাক আৰু ছল-চাতুৰী তেখেত ভাল পোৱা নাছিল। লগতে, অভাৱত জুৰুলা হোৱা বড়ো ৰাইজৰ পৰাও তেখেত ফিজ লবলৈ দ্বিধা বোধ কৰিছিল। এইবোৰ কাৰণতেই তেখেত ওকালতি কৰিবলৈ বাদ দিয়াৰ কথা ভাবিছিল। কিন্তু অইন উকিলৰ ওচৰত বিভিন্ন কাৰণত সহজ-সৰল দুখীয়া বড়ো ৰাইজৰ নগুৰ-নাগতি হোৱা দেখি তেখেতে বড়ো ৰাইজৰ মংগলৰ বাবেই ওকালতি এৰি দিব পৰা নাছিল।

**ট্ৰাইবেল লীগ গঠন**

ওকালতি কৰি থকা সময়তেই ৰূপনাথ ব্ৰহ্ম লোকেল বোৰ্ডৰো মেম্বৰ হৈছিল। ৰাজনীতিৰ পথাৰত এইয়াই তেখেতৰ প্ৰথম পদক্ষেপ আছিল বুলি ক'ব পাৰি। ধুবুৰী লোকেল বোৰ্ডৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰি থকা অৱস্থাতে তেখেতে জনজাতীয় লোকসকলৰ মাজত ৰাজনৈতিক সচেতনতা আনিবৰ উদ্দেশ্যে এটা ৰাজনৈতিক মঞ্চ গঠনৰ চিন্তা কৰে। এই উদ্দেশ্যেৰে ৰূপনাথ ব্ৰহ্মাই আন এগৰাকী প্ৰাত:স্মৰণীয় জনজাতীয় নেতা ভীমবৰ দেউৰীৰ লগ লাগে আৰু ট্ৰাইবেল লীগ নামৰ এটি ৰাজনৈতিক মঞ্চৰ জন্ম দিয়ে। ১৯৩৩ চনৰ ১৭ এপ্ৰিলত নগাঁৱৰ ৰহাত সকলো জনগোষ্ঠীৰে প্ৰতিনিধি একত্ৰিত কৰি Assam Backward Plains Tribal League ( পিছলৈ ট্ৰাইবেল লীগ হয়)-ৰ জন্ম দিয়ে। অসমৰ জনজাতি সকলৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাত পৰৱৰ্তী কালত ট্ৰাইবেল লীগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

এই কালছোৱাতেই বড়োসকলৰ বাবে এক ঐতিহাসিক ঘটনা ঘটিছিল। ১৯২৮ চনত বৃটিছ চৰকাৰৰ চাইমন কমিচন(Simon Commission) ছিলঙলৈ আহিছিল। এই কমিচনে অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিসকলৰ পৰা স্মাৰক পত্ৰ গ্ৰহণ কৰিছিল। তদানীন্তন অবিভক্ত গোৱালপাৰা জিলাৰ বড়ো প্ৰতিনিধি দল এটাইও গুৰু কালীচৰণ ব্ৰহ্মাৰ নেতৃত্বত ছিলঙত বাহৰ পাতি থকা 'চাইমন কমিচন' ক লগ ধৰি বড়োসকলৰ বাবে ৰাজনৈতিক অধিকাৰ আৰু প্ৰাইমেৰি স্কুললৈকে বিনামূলীয়া শিক্ষাৰ দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। এই দলটোৰ এজন সদস্য হিচাপে উচ্চশিক্ষিত উকিল ৰূপনাথ ব্ৰহ্মাকো নিৰ্বাচিত কৰা হৈছিল।

অসমৰ জনজাতিসকলৰ ৰক্ষণাবেক্ষণৰ বাবে কাৰ্য্যকৰী কৰিবলৈ সক্ষম হোৱা এটা গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা আলোচনা কৰিবলৈ ল'লে জননেতা ৰূপনাথ ব্ৰহ্মাৰ অৱদানৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰিবই লাগিব। প্ৰণিধানযোগ্য যে, ১৯৩২ চনত Franchise Committee বুলি এটা কমিটি গঠন কৰা হৈছিল। এই কমিটিয়ে কছাৰী, মেছ, লালুং আৰু মিৰি সকলৰ বাবে বিধান সভাত একোটিকৈ আসন সংৰক্ষিত

ৰখাৰ বাবে পৰামৰ্শ recommendation দিছিল। কিন্তু ট্ৰাইবেল লীগে' ইয়াত আপত্তি কৰি ৬ খনৰ পৰিবৰ্তে ৭ খন আসন সংৰক্ষিত কৰিবলৈ দাবী কৰিছিল। লগতে, ট্ৰাইবেল লীগে 'দেউৰী' জনগোষ্ঠীকো 'পিছপৰা সম্প্ৰদায়' (Backward Tribe) হিচাপে গ্ৰাহ্য কৰিবলৈ দাবী জনাইছিল। Franchise Committee আৰু অসম চৰকাৰৰ লগত এই বিষয়ে আলোচনা কৰিবলৈ ডেকা এডভোকেট ৰূপনাথ ব্ৰহ্মাক দায়িত্ব দিয়া হৈছিল।

ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াই চৰকাৰৰ লগত যুক্তি-তৰ্কৰে কৰা এই আলোচনা অৱশেষত সফল হৈছিল। যাৰ ফলশ্ৰুতিৰূপে The Government of India Act, 1935, নামৰ বিধেয়কখনে প্ৰভিন্সিয়েল এচেম্ব্লীত(Provincial Assembly) জনজাতিসকলৰ বাবে ৬ খন আসন সংৰক্ষিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনত ট্ৰাইবেল লীগৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি ৰূপনাথ ব্ৰহ্মা, ৰবী চন্দ্ৰ কছাৰী, কৰ্ক চন্দ্ৰ দলে আৰু ধিৰসিং দেউৰী Provincial Assembly-লৈ মনোনীত হৈছিল। মিকিৰ পাহাৰৰ পৰা খৰচিং টেৰাঙে নিৰ্বাচনত জিকি আহি ট্ৰাইবেল লীগত চামিল হৈছিল। এইটো অসমৰ ৰাজনীতিৰ এক যুগান্তকাৰী ঘটনা আছিল বুলি গণ্য কৰিব পাৰি। পোনপ্ৰথমবাৰৰ বাবে অসমৰ নিৰ্বাচিত জনজাতীয় প্ৰতিনিধিয়ে নিজৰ নিজৰ জনগোষ্ঠীৰ অভাৱ-অভিযোগ আদিৰ বিষয়সমূহ এচেম্ব্লীৰ মজিয়াত দাঙি ধৰিবলৈ সুবিধা পাইছিল।

ৰাজনৈতিক নেতা হিচাপে ৰূপনাথ ব্ৰহ্ম ট্ৰাইবেল সকলৰ স্বাৰ্থ আৰু ন্যায্য অধিকাৰৰ সুৰক্ষাৰ বিষয়ত সদা সচেতন আছিল। ১৯৩৭ চনত চাৰ মহম্মদ ছাদুল্লাৰ মন্ত্ৰীসভাই grow more food নামৰ আঁচনিৰ আধাৰত অসমলৈ পূৰ্ব বংগৰ পৰা বহু পমুৱা মুছলমানৰ প্ৰব্ৰজন ঘটাবলৈ আৰম্ভ কৰিছিল। ইয়াৰ ফলত অসমীয়া ৰাইজৰ লগতে সহজ সৰল জনজাতিসকলৰ মাটি-ভেটিও পমুৱা মুছলমানৰ অধিকাৰলৈ গুচি যোৱাৰ সংকট আহি পৰিছিল। ৰূপনাথ ব্ৰহ্মাৰ নেতৃত্বত ট্ৰাইবেল লীগে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু পিছলৈ ছাদুল্লা মন্ত্ৰীসভাৰ পৰা ট্ৰাইবেল লীগৰ সমৰ্থন উঠাই লৈছিল। ফলস্বৰূপে ছাদুল্লা মন্ত্ৰীসভাৰ পতন ঘটিছিল। তাৰ পিছতেই ১৯৩৮ চনৰ ২৯ ছেপ্টেম্বৰত অসমত গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ মন্ত্ৰীসভা গঠন কৰা হৈছিল। ট্ৰাইবেল লীগে এই মন্ত্ৰীসভাত যোগদান কৰিছিল। ৰূপনাথ ব্ৰহ্মাই এই মন্ত্ৰীসভাত 'বন আৰু পঞ্জীয়ন' বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল।

১৯৩৯ চনত ২য় মহাসমৰৰ কলীয়া ডাৱৰে গোটেই বিশ্ব ছানি ধৰিছিল। ভাৰতৰ বৃটিছ প্ৰশাসনেও ভাৰতৰ পৰাই আহৰণ কৰা সম্পূৰ্ণ ধনবল জনবল সহ এই যুদ্ধত জঁপিয়াই পৰিছিল। এই সম্পৰ্কে বৃটিছে ভাৰতৰ কোনো এটা ৰাজনৈতিক দলৰ লগত কোনো পৰামৰ্শ নকৰাকৈ এই সিদ্ধান্ত একপক্ষীয় ভাৱে গ্ৰহণ কৰিছিল। বৃটিছৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰি কংগ্ৰেছ দলৰ সদস্যসকল বিভিন্ন মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰি ওলাই আহিছিল। অসমত গোপীনাথ বৰদলৈৰ নেতৃত্বত চলি থকা কংগ্ৰেছ চৰকাৰৰ এইদৰে পতন ঘটাত আকৌ মুছলীম লীগে ছাৰ মহম্মদ ছাদুল্লাৰ নেতৃত্বত মন্ত্ৰীসভা গঠন কৰে। অসমৰ ট্ৰাইবেলৰ সকলো ধৰণৰ সুৰক্ষাৰ বিষয়সমূহলৈ লক্ষ্য ৰাখি ট্ৰাইবেল লীগে এই মন্ত্ৰীসভাত যোগ দিয়াৰ সিদ্ধান্ত লৈছিল। ১৯৪১ চনত পূৰ্ববংগীয় পমুৱা মুছলমান প্ৰব্ৰজন নীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ গঢ়ি উঠাত চাৰ ছাদুল্লাৰ মন্ত্ৰীসভাই ইস্তফা দিবলৈ বাধ্য হৈছিল। ১৯৪২ চনত ছাৰ ছাদুল্লাই সৰু সৰু দলবোৰৰ সহায় লৈ আকৌ এবাৰ মন্ত্ৰীসভা গঠন কৰিছিল। তেখেতে ট্ৰাইবেলসকলৰ সকলো ন্যায্য অধিকাৰ সুৰক্ষিত কৰিব বুলি আশ্বাস দিয়াত ট্ৰাইবেল লীগে আকৌ মন্ত্ৰীসভাত যোগদান কৰিছিল।

১৯৪৬ চনৰ জুলাই মাহত Cabinet Mission ভাৰতলৈ আহিছিল। এই কেবিনেট মিচনে গোটেই ভাৰতক A, B, C এই তিনিটা ভাগত বিভক্ত কৰাৰ প্ৰস্তাৱ দিছিল। এই বন্দোৱস্ত মতে উত্তৰ-পূৰ্বাঞ্চলত অসম মুছলিম সংখ্যাগৰিষ্ঠ বেংগলৰ লগত চিৰদিনৰ বাবে অন্তৰ্ভুক্ত হ'ব লাগিব। ভাৰতীয় জাতীয় কংগ্ৰেছেও এই প্ৰস্তাৱত আপত্তি কৰা নাছিল।

কিন্তু সমগ্ৰ অসম আৰু অসমত যুগ যুগ ধৰি বসতি কৰি থকা ৰাইজৰ বাবে ই এক সৰ্বনাশী ব্যৱস্থা আছিল। গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমৰ কংগ্ৰেছ, বিভিন্ন দল সংগঠন আৰু সদৌ ৰাইজে এই হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিছিল। দূৰদৰ্শী জননেতা ৰূপনাথ ব্ৰহ্মৰ নেতৃত্বত ট্ৰাইবেল লীগেও এই আন্দোলনত সৰ্বতোপ্ৰকাৰে অংশ গ্ৰহণ কৰিছিল। এই গণ আন্দোলনৰ সমুখত অৱশেষত বৃটিছে সেও মানিবলৈ বাধ্য হৈছিল আৰু তেওঁলোকৰ এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ পৰা বিৰত হৈছিল। এইদৰে প্ৰাক্-স্বাধীনতা কালত অসম এক ভয়ংকৰ বিপদৰ পৰা ৰক্ষা পৰিছিল।

ভাৰতৰ সংবিধান ৰচনা কৰাৰ সময়ত, ১৯৪৬ চনত গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত অসমৰ জনজাতীয় অঞ্চলসমূহত কিদৰে এক সুচল প্ৰশাসনিক ব্যৱস্থা প্ৰণয়ন কৰিব পাৰি, সেই বিষয়ে প্ৰতিবেদন দিবলৈ এটা Sub-Committee on North East Frontier (Assam) Tribal and Excluded Areas-ৰ সদস্য মনোনীত কৰা হৈছিল। ট্ৰাইবেল লীগৰ এজন জ্যেষ্ঠ নেতা হিচাপে ৰূপনাথ ব্ৰহ্মকো এই কমিটিৰ সদস্য হিচাপে নিৰ্বাচিত কৰা হৈছিল। তেখেতে গোটেই উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিছিল আৰু এই অঞ্চলৰ বাসিন্দাসকলৰ লগত মত বিনিময় কৰিছিল। গোটেইখিনি অধ্যয়ন কৰাৰ পাছত এই Sub- Committee য়ে তেওঁলোকৰ মতামত এই বুলি দিছিল - "As the people of these ethnic groups are gradually assimilating with other people in the plains, hence they should be treated as minority and be given autonomous rule as given to the hill tribes". প্ৰণিধানযোগ্য যে এই Sub-Committee ৰ পৰামৰ্শ গ্ৰহণ কৰিয়েই ভাৰতৰ সংবিধানত ষষ্ঠ অনুসূচীক স্থান দিয়া হৈছিল।

**কংগ্ৰেছত যোগদান ঃ**

১৯৪৬ চন মানৰ পৰা ট্ৰাইবেল লীগৰ সাংগঠনিক আৰু ৰাজনৈতিক স্থিতি যথেষ্ট দুৰ্বল হৈ পৰা যেন পৰিলক্ষিত হৈছিল। উজনি অসমত ট্ৰাইবেল লীগৰ সভাপতি ভীমবৰ দেউৰীয়ে ইতিমধ্যে কংগ্ৰেছত যোগ দিছিলেই। ১৯৪৬ চনৰ নিৰ্বাচনত অসমত কংগ্ৰেছ দলে সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিছিল।ট্ৰাইবেল লীগৰ প্ৰাৰ্থী হিচাপে ৰূপনাথ ব্ৰহ্ম আৰু তেখেত সতীৰ্থ এগৰাকীহে বিজয়ী হ'বলৈ সক্ষম হৈছিল। কিন্তু তেখেতসকলৰ কোনোজনেই মন্ত্ৰীৰ বাব পোৱা নাছিল। অৱশেষত সমগ্ৰ ৰাজনৈতিক বাতাবৰণ অধ্যয়ন কৰি আৰু ট্ৰাইবেলসকলৰ সামগ্ৰিক উন্নয়নৰ কথা ভাবি ৰূপনাথ ব্ৰহ্মায়ো কংগ্ৰেছত যোগদান কৰে। ৰূপনাথ ব্ৰহ্মই তেখেতৰ দীঘলীয়া ৰাজনৈতিক জীৱনৰ পৰিক্ৰমাত ১৯৩৭ চনৰ পৰা ১৯৬৭ চনলৈ কেবাবাৰো অসম বিধানসভালৈ নিৰ্বাচিত হৈ বন, পঞ্জীয়ন, আইন, চিকিৎসা, জনস্বাস্থ্য, বাণিজ্য আদি গুৰুত্বপূৰ্ণ বিভাগসমূহৰ মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৬৭ চনত তেখেত লোকসভালৈও নিৰ্বাচিত হৈছিল।

**বড়ো ভাষা সাহিত্যলৈ অৱদান**

বড়ো ভাষা সাহিত্যৰ বিকাশৰ বাবে ৰূপনাথ ব্ৰহ্মই আগবঢ়োৱা অৱদানৰ কথা বড়ো জাতিৰ বাবে চিৰস্মৰণীয় হৈ থাকিব। তেখেতে ছাত্ৰ অৱস্থাতে অবিভক্ত গোৱালপাৰা জিলাৰ ছাত্ৰসকলৰ লগত লগ লাগি 'বড়ো ছাত্ৰ সন্মিলনী' নামৰ অনুষ্ঠানৰ জন্ম দিছিল। ই পাছলৈ 'আসাম বড়ো ছাত্ৰ সন্মিলনী' নামে পৰিচিত হয়। এই অনুষ্ঠানৰ সম্পাদক আছিল ৰূপনাথ ব্ৰহ্ম। এই সন্মিলনীৰ প্ৰচেষ্টাত সতীশ চন্দ্ৰ বসুমতাৰীৰ সম্পাদনাত সংগঠনৰ মুখপত্ৰ 'বিবাৰ' ১৯২৪ চনত প্ৰকাশিত হয়। বড়ো ভাষা সাহিত্যৰ বিকাশত এই আলোচনী মাইলৰ খুঁটি স্বৰূপ আছিল। ৰূপনাথ ব্ৰহ্মই এই আলোচনীতে তেখেতৰ কবিতা 'গীত' প্ৰবন্ধ আদি প্ৰকাশ কৰিছিল। কটন কলেজত পঢ়ি থকা সময়তেই ১৯২৩ চনত তেখেতে পদ্মশ্ৰী কবি মদাৰাম ব্ৰহ্মৰ সৈতে লগ লাগি 'খন্থাই -মেথাই' নামৰ গীতি কবিতাৰ পুথি এখনো সম্পাদনা কৰি উলিয়ায়। এই পুথিখনত ৰূপনাথ ব্ৰহ্মই লিখা ৯টা কবিতা সন্নিবিষ্ট কৰা হৈছিল। এই কবিতাসমূহ আছিল ১) মৌনহাছোৱৈ হৌআ ২) ঈশ্বৰনি বিনায় ৩) হাবাব থাংনায়া থাংগীন ৪)

আফা গীজৌং ৫)ঈশ্বীৰনি নাম গীদৈ ৬) হাবাব দিনৈলায় ৭) বৰণি খৌথা বৰণি বাথৰা ৮) মাইৰং মাগিগ্ৰা ছেংগ্ৰা ফৌৰণি মেথায় ৯) হাবাব বিমা হাবাব ফিফা। ৰূপনাথ ব্ৰহ্মাই এই কবিতা সমূহ তেখেতৰ ডেকা বয়সতেই লিখিছিল। সেয়েহে তেখেতৰ কবিতা বোৰত জাতিৰ প্ৰতি তেওঁৰ প্ৰেম, ঈশ্বৰ প্ৰেম আৰু ডেকা-গাভৰুক নিজৰ জাতি, ভাষা, সংস্কৃতি আদিৰ সেৱা আৰু চৰ্চা কৰাৰ আহ্বান আছিল। ৰাজনীতিত যোগদান কৰাৰ পাছত ব্যস্ততা আৰু বিভিন্ন জাতীয় দায়িত্বৰ ভাৰ বহন কৰিবলগীয়া হোৱাত তেখেতৰ কবিতা লিখাত একপ্ৰকাৰ যতি পৰিছিল। ৰূপনাথ ব্ৰহ্মাই গদ্যৰো চৰ্চা কৰিছিল আৰু কিছু সংখ্যক নিবন্ধ লিখিছিল। তেখেতে অতীতত বড়োসকলৰ অসমলৈ প্ৰব্ৰজনৰ বিষয়ে জানিবলৈ যথেষ্ট বুৰঞ্জী অধ্যয়ন কৰিছিল আৰু কলাগুৰু বিষ্ণু ৰাভাৰ দৰেই দৃঢ় ভাৱে বিশ্বাস কৰিছিল যে জনজাতীয়সকলৰ ইতিহাস, সংস্কৃতি, ভাষা-সাহিত্যক এলাগী কৰিলে বৃহত্তৰ অসমীয়া সমাজৰ উন্নতিৰ পথত আগবাঢ়িবলৈ কঠিন হ'ব। ১৯৫৬ চনত ধুবুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনত বুৰঞ্জী শাখাৰ অধ্যক্ষতা কৰি তেখেতৰ বক্তব্যত তেখেতে যিখিনি কথা কৈছিল, তাৰ মৰ্মাৰ্থ আছিল- আজি আমি জাতি, ধৰ্ম, ভাষা, দলীয় আনুগত্য আদিৰ উৰ্ধত আহি এটা পৰিৱৰ্তিত মানসিকতাৰে সকলোকে উৎসাহিত কৰিব পাৰিব লাগিব। বৈচিত্ৰ্যৰ মাজত ঐক্যই হৈছে আমাৰ পবিত্ৰ ভাৰত ভূমিৰ বিশিষ্টতা। বিভিন্ন প্ৰাকৃতিক পৰিৱেশত ৩৩ কৌটি বিভিন্ন ভাষা ভাষীৰ, বিভিন্ন ধৰ্মৰ, বিভিন্ন সংস্কৃতিৰ মানুহ ভাৰতবৰ্ষত বাস কৰি আহিছে। সঁচাকৈয়ে বিচিত্ৰ আমাৰ দেশ।.... ভাৰতবৰ্ষৰ দৰেই আমাৰ অসমখনো বিচিত্ৰতাৰে ভৰা এখন ৰাজ্য। যদিও আমাৰ পাহাৰ আৰু ভৈয়ামৰ ৰাইজৰ মাজত কিছু ভিন্নতা, কিছু অমিল আছে, আমি তেওঁলোককো অসমৰ বাসিন্দা আৰু অসমীয়া সমাজ হিচাপে ঐক্য বজাই ৰাখি কাম কৰি যাবলৈ উৎসাহিত কৰিব লাগিব।

**বড়ো সাহিত্য সভাৰ জন্ম আৰু বড়ো ভাষাক শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি ঃ**

বিংশ শতিকাৰ মাজভাগৰ কথা। ১৯৫২ চনৰ মে'-জুন মাহ। অবিভক্ত বৃহত্তৰ গোৱালপাৰা জিলাৰ সদৰ মহকুমা চহৰ ধুবুৰীৰ কিছু শিক্ষিত বড়ো ছাত্ৰই মাতৃভাষাৰ উন্নতিৰ বাবে কিবা কৰিবলৈ ব্যাকুল হৈ উঠিছিল। এই যুৱকসকলেই বৰেণ্য কবি পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম আৰু তেতিয়াৰ ধুবুৰী লোকেল বোৰ্ডৰ চেয়াৰমেন বীৰেন্দ্ৰ নাৰায়ণ ব্ৰহ্মপাটগিৰিৰ সহযোগত ১৯৫২ চনৰ ২৭ জুলাই তাৰিখে 'বড়ো লিটাৰেৰী ক্লাব, ধুবুৰী' নামৰ এটি সাহিত্যসেৱী অনুষ্ঠানৰ জন্ম দিয়ে। প্ৰায় একেই সময়তেই কোকৰাঝাৰ চহৰতো উদীয়মান লিখক নীলেশ্বৰ ব্ৰহ্মৰ নেতৃত্বত কোকৰাঝাৰ হাইস্কুল আৰু কলেজৰ ছাত্ৰসকলে 'বৰণি অনসায় আফাদ' নামৰ এটা সাহিত্য অনুষ্ঠান গঢ়ি বড়ো ভাষা সাহিত্যৰ চৰ্চাত মগ্ন হয়।

ওপৰিউক্ত অনুষ্ঠান দুটাৰ উদ্যোগতে ১৯৫২ চনৰ ১৫ আৰু ১৬ নৱেম্বৰত কোকৰাঝাৰৰ সমীপৱৰ্তী বাসুগাঁও চহৰত বড়ো সাহিত্য সভাৰ প্ৰথমখন অধিৱেশন অনুষ্ঠিত হয়। বড়ো ভাষা-সাহিত্যৰ বিকাশৰ বুৰঞ্জীত ই এক ঐতিহাসিক দিন হিচাপে চিহ্নিত হৈ ৰ'ল। এই প্ৰথম অধিৱেশনখন 'নিখিল বৰো ভাষা ও সাহিত্য সম্মিলন' নামেৰে অনুষ্ঠিত হৈছিল। এই অধিৱেশনত গ্ৰহণ কৰা কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ ভিতৰত অন্যতম আছিল, বড়ো ভাষাক বড়ো অধ্যুষিত অঞ্চলত শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনোৱা। এই দাবীৰ সংক্ৰান্তত তথ্য-পাতিৰে চৰকাৰৰ লগত আলোচনা কৰিবলৈ তদানীন্তন কেবিনেট মন্ত্ৰী ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াক দায়িত্ব প্ৰদান কৰা হয়। তেখেতে এই দায়িত্ব কান্ধত লৈ চৰকাৰৰ লগত বহুলানি আলোচনা কৰে। অসম চৰকাৰেও বড়ো ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ বিষয়টোক গুৰুত্বসহকাৰে লৈ এই বিষয়ে যুক্তিযুক্ততা দাঙি ধৰি এক প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ এখন এজনীয়া কমিটি (One man committee) গঠন কৰি ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াকেই এই কমিটিৰ সদস্য কৰি দিয়ে। অৱশেষত ব্ৰহ্ম ডাঙৰীয়াই দাখিল কৰা প্ৰতিবেদনৰ যুক্তিযুক্ততা মানি লৈ অসম চৰকাৰে ১৯৬৩ চনৰ ১৮ মে'ৰ পৰা বড়ো

ভাষাক কোকৰাঝাৰত প্ৰাথমিক স্তৰত শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিয়ে। বড়ো ভাষা সাহিত্যৰ ক্ৰমবৰ্ধমান উন্নতিৰ বুৰঞ্জীত ই এক ঐতিহাসিক ঘটনা হিচাপে স্বৰ্ণাক্ষৰে লিখিত থাকিব। চৰকাৰে গ্ৰহণ কৰা এই ঐতিহাসিক পদক্ষেপৰ বাবে বড়ো জাতি তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু তেখেতৰ সতীৰ্থ ৰূপনাথ ব্ৰহ্মাৰ ওচৰত সদায় কৃতজ্ঞ হৈ থাকিব। ইয়াৰ পিছত আৰু এঢাপ আগুৱাই, ১৯৬৮ চনত মধ্য ইংৰাজী আৰু ১৯৭২ চনত হাইস্কুলত শিক্ষাৰ মাধ্যম হিচাপে বড়ো ভাষাই স্বীকৃতি পাবলৈ সক্ষম হয়। আনন্দৰ কথা যে, গুৱাহাটী বিশ্ববিদ্যালয়, ছিলঙৰ উত্তৰ-পূব বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যথাক্ৰমে ১৯৭৬ চন, ১৯৭৮ চন আৰু ১৯৯৪ চনত বড়ো ভাষাক আধুনিক ভাৰতীয় ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰি, মহাবিদ্যালয়সমূহত পাঠদানৰ ব্যৱস্থা কৰে। এইদৰেই বড়ো ভাষা প্ৰতিষ্ঠাৰ সংগ্ৰামৰ বুৰঞ্জীত বড়ো জননেতা ৰূপনাথ ব্ৰহ্মাৰ নাম সকলো প্ৰজন্মই কৃতজ্ঞতাৰে সুঁৱৰিব।

**ৰূপনাথ ব্ৰহ্ম মানুহজন ঃ**

মানুহ হিচাপে তেখেত এজন মৰমিয়াল স্বামী, মৰমিয়াল দেউতাক, ৰাইজৰ প্ৰতি সদায় সহানুভূতিশীল আৰু নিয়মানুবৰ্তিতাত অতি কঠোৰ নেতা আছিল। তেখেত এজন সংস্কৃতিৱান মনৰ গৰাকী আছিল। ছিলঙৰ নিজৰ চৰকাৰী বাসভৱনতেই তেখেতে বড়ো কলা-সংস্কৃতিৰ সাধকসকলক মাতি আনি নানান ধৰণৰ আলোচনা কৰিছিল। এই কামত তেখেতে সন্মানীয় সংগীত নাটক একাডেমী বঁটা বিজয়ী কামিনী কুমাৰ নাৰ্জাৰীৰ লগত বড়ো কলা-সংস্কৃতিৰ প্ৰসাৰৰ উদ্দেশ্যে নানান আলোচনা কৰিছিল। তেখেতৰ ছিলঙৰ চৰকাৰী বাসভৱনৰ নাম আছিল 'তপোবন'। এই 'তপোবন'তেই তেখেতে খুব দুখীয়া পৰিয়ালৰ ১২ গৰাকী বড়ো ছোৱালীক থাকিবলৈ ঠাই দি ছিলঙত পঢ়াৰ সুবিধা কৰি দিছিল (এই লিখকৰ মাতৃদেৱীও এই তপোবনতেই আশ্ৰয় গ্ৰহণ কৰি ছিলঙৰ Lady Kean কলেজত আই. এ পঢ়িছিল)। ৰূপনাথ ব্ৰহ্ম এক বহল মনৰ আৰু উদাৰ দৃষ্টিভংগীৰ ব্যক্তি আছিল। সেয়েহে, সেইসময়ৰ বড়ো সমাজ ব্যৱস্থাত অসবৰ্ণ বুলি জানিও সকলো বাধা-বিপত্তি নেওচি তেখেতে নিজৰ ডাঙৰ জীয়েক কমলাৱতীক জননেতা ভীমবৰ দেউৰীলৈ বিয়া দিছিল।

মন্ত্ৰী হিচাপে তেখেতে দুৰ্নীতিক কেতিয়াও প্ৰশ্ৰয় দিয়া নাছিল। নিজৰ বিভাগৰ সকলো আঁচনি যাতে নিয়াৰিকৈ সময়মতে ৰূপায়ণ কৰা হয়, তাৰ ওপৰত তেখেতে গুৰুত্ব দিছিল। ১৯৬২ চনত চীনে যেতিয়া অৰুণাচল সীমান্ত অতিক্ৰম কৰি অসমত সোমোৱাৰ উপক্ৰম কৰিছিল, তেতিয়া তেজপুৰ অঞ্চলৰ বহু ৰাইজ ভয়ত ঘৰবাৰী এৰি অন্য ঠাইলৈ গুচি গৈছিল। ৰাইজৰ এই দুৰ্দিনৰ সময়ত ৰূপনাথ ব্ৰহ্মাই অকলে তেজপুৰ আৰু উত্তৰ পাৰৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি ৰাইজক সাহস প্ৰদান কৰিছিল। অসমৰ অইন এগৰাকী ঋষিতুল্য মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই ৰূপনাথ ব্ৰহ্মাক তেখেতৰ বিশাল ব্যক্তিত্বৰ বাবে 'ৰাজশ্ৰী' বুলি সম্বোধন কৰিছিল।

**দেহাৱসান ঃ**

১৯৬৭ চনত লোকসভালৈ নিৰ্বাচিত হোৱাৰ পাচত ১৯৬৮ চনৰ ২০ জানুৱাৰী তাৰিখে ৰূপনাথ ব্ৰহ্মই গোসাঁইগাঁৱৰ ওচৰত অনুষ্ঠিত হোৱা সদৌ বড়ো ছাত্ৰ সন্থাৰ মুকলি অধিৱেশনত ভাষণ দি থাকোঁতে হঠাতে মঞ্চতেই ঢলি পৰে। ততাতৈয়াকে তেখেতক কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম আসামৰিক চিকিৎসালয়লৈ লৈ অহা হয়। মগজুত ৰক্তক্ষৰণ হোৱাৰ বাবে তেখেতৰ অৱস্থাৰ আৰু অৱনতি হয়। তদানীন্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই গুৱাহাটীৰ পৰা মেডিচিন বিশেষজ্ঞ ডাঃ দেৱীচৰণ চৌধুৰীক কোকৰাঝাৰলৈ পঠিয়াই দিয়ে। কিন্তু চিকিৎসকৰ আপ্ৰাণ চেষ্টায়ো তেখেতক সুস্থ কৰিব নোৱাৰিলে। সকলোকে শোকৰ সাগৰত পেলাই ১৯৬৮ চনৰ ২৩ জানুৱাৰী (তেখেতৰ জন্মদিন) পুৱতি নিশা এইজনা মহান বড়ো নেতা পৰলোকলৈ গমন কৰে।

লেখাটো প্ৰস্তুত কৰোঁতে সহায় লোৱা হৈছিল ঃ


১. Rupnath Brahma : Author: Subungcha Mwshahari. Published by: SAHITYA ACADEMI.

২. খৈৰৗ জাহাৰ বিসম্বি: ৫৯ থি বৗসৗৰাৰি জথুমা, বৰ' থুনলাই আফাদ।

৩. Wikipedia.


ফোন নং ঃ ৮৬৩৮৯১৩০৭৪

❖

সাধাৰণতে সুখ নিদ্ৰাত পৰা চিকিৎসকগৰাকীৰ সেইনিশা ভালকৈ টোপনি অহা নাছিল। এগৰাকী অচিনাকি মহিলাৰ পৰা অহা চিঠিখনৰ কথাবোৰ তেওঁ পাহৰি পেলাবলৈ চেষ্টা কৰিও বিফল হৈছিল। চিঠিখনৰ কথাখিনিয়ে তেওঁক এনেদৰে প্ৰভাৱান্বিত কৰিছিল যে পিছদিনা পুৱা চিকিৎসালয়ত উপস্থিত হৈ ডাঃ লুমিছে তিনিমাহৰ ছুটী ল'লে।

# জীৱনটো উদ্‌যাপন কৰোঁ আহক

**বিপুল দেউৰী**

*দহ হাজাৰ কিতাপ পঢ়াতকৈ দহ হাজাৰ মাইল ভ্ৰমণ কৰাটো উত্তম।*
—চীনদেশীয় পটন্তৰ

নানানটা কাম, অজুহাত, বিভিন্ন অসুবিধাৰ দোহাই দি আমি যেন নিজৰ জীৱনটো উদ্‌যাপন কৰিবলৈ পাহৰি পেলাইছোঁ। জীৱনটোত যেন কেৱল এৰাব নোৱৰা ব্যস্ততা। নিজৰ বাবে কৰিবলগীয়া প্ৰয়োজনীয় কামটোও আজৰি পালেহে কৰিম কৰিম বুলি থাকোঁতেই সময়ত কৰা হৈ নুঠেগৈ। কিন্তু সময় পাৰ হৈ যোৱাৰ পাছত এৰি থৈ অহা দিনবোৰলৈ উভতি চালে কিয় সেই কামটো তেতিয়া নকৰিলোঁ বুলি মনলৈ অনুশোচনা আহে। এনেধৰণৰ অভিজ্ঞতা আমাৰ প্ৰায়ভাগ মানুহৰে জীৱনত কম-বেছি পৰিমাণে ঘটে। বহু দিনৰ আগতে লিলিয়ান আইচ্‌লেৰ ৱাইছনে সম্পাদনা কৰা 'লাইট ফ্ৰম মেনী লেম্পছ' নামৰ প্ৰবন্ধ সংকলন এখন পঢ়াৰ সৌভাগ্য হৈছিল। পৃথিৱীৰ বহু বৰেণ্য পণ্ডিত-সমালোচকে বিভিন্ন প্ৰসংগত এনে কেইখনমান গ্ৰন্থৰ কথা উল্লেখ কৰি থৈ গৈছে যিকেইখন গ্ৰন্থই 'আপোনাৰ জীৱন সলনি কৰি দিব পাৰে' বুলি কোৱা হয়। 'লাইট ফ্ৰম মেনী লেম্পছ' নামৰ গ্ৰন্থখনো ইয়াৰ অন্তৰ্ভুক্ত।

এই গ্ৰন্থখনৰ 'Happiness of the enjoyment of living' শিৰোনামৰ প্ৰথম অধ্যায়ত ডাঃ ফ্ৰেডেৰিক লুমিছৰ জীৱনৰ ওপৰত আধাৰিত এটা লেখা পঢ়িছিলোঁ। কাহিনীটোৱে হৃদয় স্পৰ্শ কৰি গৈছিল। এই সত্য কাহিনীটো আছিল এনেধৰণৰ— ডাঃ ফ্ৰেডেৰিক লুমিছ আছিল এগৰাকী প্ৰখ্যাত প্ৰসূতি আৰু স্ত্ৰীৰোগ বিশেষজ্ঞ। সু-

চিকিৎসা আৰু ৰোগীৰ প্ৰতি প্ৰদৰ্শন কৰা সহমৰ্মিতাৰ বাবেই তেওঁ অতি জনপ্ৰিয় হৈ পৰিছিল। কিন্তু সুখ্যাতিৰ চূড়ান্ত শিখৰত থকাৰ সময়তেই তেওঁ লৈছিল এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত। চিকিৎসা সেৱাৰ একৈশ বছৰীয়া অভিজ্ঞতা লিপিবদ্ধ কৰিবলৈ *ফৰচেপছ্* একাষৰীয়া কৰি থৈ তেওঁ হাতত তুলি লৈছিল কলম। ১৯৩৮ চনত লোৱা এই সিদ্ধান্তৰ ফলশ্ৰুতিত তেওঁ লিখি উলিয়াইছিল 'দ্য বণ্ড বিটুইন আছ্' নামৰ এখন বিখ্যাত গ্ৰন্থ। গ্ৰন্থখনৰ প্ৰথম কাহিনীটো আছিল 'ইন এ চাইনীজ গাৰ্ডেন'। এয়া আছিল এখন চিঠিৰ কাহিনী, যিখন চিঠিয়ে সলনি কৰি দিছিল ডাঃ লুমিছৰ জীৱন। কেৱল ডাঃ লুমিছৰ জীৱনেই নে? নহয়। এই কাহিনীটোৱে যুগে যুগে পৃথিৱীৰ বহু প্ৰান্তৰৰ বহু মানুহৰ জীৱন প্ৰভাৱান্বিত কৰি আহিছে।

এদিন চিকিৎসালয়ত কৰ্মব্যস্ত হৈ থকাৰ সময়তে ডাঃ লুমিছে এক অচিনাকি মহিলাৰ পৰা ডাকযোগে অহা চিঠি এখন পাইছিল, যিখন চিঠিয়ে তেওঁৰ মনত বহুৱাইছিল সুগভীৰ চাপ।

চিঠিখন আছিল এনেধৰণৰ—

পিকিং, চীনদেশ

প্ৰিয় ডাক্তৰ,

অনুগ্ৰহ কৰি মোৰ এই চিঠিখন পাই আচৰিত নহ'ব। মই কেৱল মোৰ নামটোহে লিখিছোঁ, উপাধি লিখা নাই। যিহেতু আপোনাৰ আৰু মোৰ উপাধি একেই।

আপুনি মোক চিনি নাপাব। দুবছৰ পূৰ্বে মই আপোনাৰ চিকিৎসালয়ত অন্য এগৰাকী চিকিৎসকৰ তত্বাৱধানত চিকিৎসাধীন হৈ আছিলোঁ। সন্তান জন্ম দিয়াৰ দিনাখনেই মই মোৰ সন্তানটি হেৰুৱাইছিলোঁ।

সেইদিনাই, মোক চিকিৎসা প্ৰদান কৰা চিকিৎসকগৰাকীয়ে মোৰ কাষলৈ আহি কৈছিল, "আমাৰ চিকিৎসালয়ত আপোনাৰ সৈতে একে উপাধিৰ এগৰাকী চিকিৎসক আছে। জাননী ফলকত আপোনাৰ উপাধিটো দেখাৰ পাছত তেওঁ আপোনাৰ বিষয়ে সুধিছিল আৰু কৈছিল আপুনি হয়তো তেখেতৰ কোনো আত্মীয়ও হ'ব পাৰে সেয়েহে আপোনাক চাবলৈ আহিব। মই তেওঁক আপোনাৰ নৱজাত সন্তানটি ঢুকুৱাৰ খবৰটো জনাইছিলোঁ। মই জানো, এই সময়ত আপুনি কাকোৱেই দেখা কৰিবলৈ মানসিকভাৱে প্ৰস্তুত নহয়, তথাপিতো মই এয়া উচিত বুলি ভাবিলোঁ।"

কিছু সময়ৰ পাছত আপুনি আহিছিল। আপুনি মোৰ বিছনাৰ একাষত বহি মোৰ কান্ধত আলফুলে হাত থৈছিল। আপুনি বিশেষ একো কোৱা নাছিল, কিন্তু আপোনাৰ চকুহালি আৰু কণ্ঠস্বৰত আছিল কোমলতা আৰু মমতা। সেয়াই মোক সকাহ দিছিল। মই লক্ষ্য কৰিছিলোঁ আপোনাৰ চকুহালি যথেষ্ট ভাগৰুৱা আৰু মুখমণ্ডলৰ বলিৰেখাসমূহো সুগভীৰ। ইয়াৰ পাছত, চিকিৎসালয়ত থকা বাকী দিনকেইটাত আপোনাক আৰু পুনৰ দেখা নাপালোঁ। কিন্তু নাৰ্ছৰ পৰা জানিব পাৰিছিলোঁ চিকিৎসালয়ত আপুনি প্ৰায় চৌবিছ ঘণ্টাই সেৱা আগবঢ়ায়।

আজি সন্ধিয়া, আপোনালৈ এই পত্ৰখন লিখি থকাৰ সময়ত মই পিকিঙৰ এটি বিতোপন বাসগৃহৰ অতিথি। চৌহদটিৰ চৌকাষ ওখ দেৱালেৰে ঘেৰা। বাগিচাখন ৰঙা আৰু শুকুলা পুষ্প লতিকাই জাতিষ্কাৰ কৰি থৈছে। ইয়াৰে এখন দেৱালত দুফুট দৈৰ্ঘ্যৰ এখন পিতলৰ ফলক আঁৰি থোৱা আছে। ইয়াৰে কোনোবা এজনক পিতলৰ ফলকখনত থকা চীনা ভাষাৰ কথাখিনি মোৰ বাবে অনুবাদ কৰি দিবলৈ অনুৰোধ কৰিলোঁ। এজনে মোৰ বাবে ইংৰাজীত এইদৰে ভাঙনি কৰি দিলে,

*Enjoy yourself*

*It is later than you think*

বাক্যশাৰী মই বাৰে বাৰে আওৰাবলৈ ধৰিলোঁ। প্ৰথম সন্তানটি হেৰুওৱাৰ যন্ত্ৰণাত দগ্ধ হৈ থকাৰ বাবে পুনৰ গৰ্ভধাৰণ কৰাৰ কথা মোৰ মনলৈ অহা নাছিল। কিন্তু ফলকখনৰ কথাযাৰে মোৰ মন সলনি কৰি দিলে। সিদ্ধান্ত ল'লোঁ আৰু পলম নকৰোঁ, নহ'লে হয়তো মই ভবাতকৈ পলম হৈ যাব।

সন্তানৰ কথা মনলৈ অহাৰ লগে লগে আপোনাৰ ভাগৰুৱা মুখমণ্ডলখনি মোৰ চকুৰ সন্মুখত ভাহি উঠিছিল। মোৰ প্ৰয়োজনৰ সময়ত আপুনি মোক কৰুণা আৰু সান্ত্বনাৰে ওপচাই দিছিল। মই নাজানো আপোনাৰ বয়স কিমান? কিন্তু মোৰ পিতৃতুল্য হ'ব পৰাকৈ নিশ্চয় আপোনাৰ বয়স হ'ব। মই জানো আপুনি মোৰ কাষত কটোৱা কেইটামান মুহূৰ্ত আপোনাৰ বাবে বিশেষ একো নহয়, কিন্তু নিদাৰুণ যন্ত্ৰণা আৰু হতাশাৰ মাজত বুৰ গৈ থকা এগৰাকী নাৰীৰ বাবে সেই মুহূৰ্তত সেয়া আছিল এক মহত্তম উপহাৰ।

সেয়েহে, মোৰ অনুভৱ হ'ল প্ৰতিদানত ময়ো আপোনাৰ বাবে কিবা কৰিব পাৰোঁ নেকি। নহ'লেবা আপুনি গুণা-গঁথা কৰি থকাতকৈয়ো আপোনাৰো পলম হৈ যাব পাৰে। মোৰ এই চিঠিখন আপোনাৰ হাতত পৰাৰ পাছত কামৰ অন্তত ঘৰলৈ উভতি গৈ একান্তত নিৰৱে বহি সেই বাক্যশাৰীৰ কথা চিন্তা কৰিব।

—মাৰ্গাৰেট

সাধাৰণতে সুখ নিদ্ৰাত পৰা চিকিৎসকগৰাকীৰ সেইনিশা ভালকৈ টোপনি অহা নাছিল। এগৰাকী অচিনাকি মহিলাৰ পৰা অহা চিঠিখনৰ কথাবোৰ তেওঁ পাহৰি পেলাবলৈ চেষ্টা কৰিও বিফল হৈছিল। চিঠিখনৰ কথাখিনিয়ে তেওঁক এনেদৰে প্ৰভাৱান্বিত কৰিছিল যে পিছদিনা পুৱা চিকিৎসালয়ত উপস্থিত হৈ ডাঃ লুমিছে তিনিমাহৰ ছুটী ল'লে।

দীঘলীয়া ছুটীৰ অন্তত চিকিৎসালয়ত পুনৰ উপস্থিত হৈ তেওঁ দেখা পাইছিল যে চিকিৎসালয়খনত পূৰ্বৰ দৰেই ৰোগীৰ একেধৰণৰে ভিৰ। তেওঁ এৰি থৈ যোৱা ৰোগীসকল ইতিমধ্যে আৰোগ্য লাভ কৰি নিজ নিজ ঘৰলৈ উভতি গৈছিল। আনকি তেওঁৰ তত্বাৱধানত থকা বহুকেইগৰাকী ৰোগীয়ে গমেই নাপালে যে ডাঃ লুমিছ দীঘলীয়া ছুটীত আছিল। নিজকে ইমানদিনে চিকিৎসালয়খনৰ এক অপৰিহাৰ্য্য অংগ বুলি ভাবি থকা তেওঁৰ ধাৰণা সলনি হ'ল। এজন আঁতৰি গ'লে সেই স্থান আন এজনে কেনেকৈ তৎক্ষণাৎ পূৰণ কৰে সেই কথা তেওঁ নতুনকৈ উপলব্ধি কৰিলে। এক নতুন অভিজ্ঞতা আৰু শিক্ষা লাভ কৰিলে ডাঃ লুমিছে।

ডাঃ লুমিছৰ এগৰাকী নলে গলে লগা বন্ধু আছিল, নামটো শ্বৰ্টি। তেওঁ বন্ধুলৈ ফোন কৰি ক'লে, 'তৎক্ষণাৎ কাপোৰ-কানি বান্ধি সাজু হোৱা, আমি দক্ষিণ আমেৰিকা ভ্ৰমণলৈ যাম।' বন্ধু শ্বৰ্টিয়ে আচম্বিতে এনে প্ৰস্তাৱ পাই আশ্চৰ্যান্বিত হ'ল। তেওঁ ডাঃ লুমিছক জনালে, এক গুৰুত্বপূৰ্ণ চুক্তি সম্পাদনৰ বাবে পৰৱৰ্তী কেইবামাহলৈকে তেওঁ কামৰ পৰা আজৰি নহ'ব। এই মুহূৰ্তত এসপ্তাহৰ বাবেও কৰ্মক্ষেত্ৰৰ পৰা আঁতৰি থকাটো সম্ভৱ নহয়। ডাঃ লুমিছে অচিনাকি মহিলাগৰাকীৰ পৰা অহা চিঠিখন বন্ধুক পঢ়ি শুনালে। কিছুপৰ তভক মাৰি বন্ধুৰে সুধিলে, মহিলাগৰাকীয়ে কি লিখিছিল, *It is later than you think?*

তাৰ পাছত কেইমুহূৰ্তমানৰ নিস্তব্ধতা। টেলিফোনত শ্বৰ্টিৰ মাত ভাহি আহিল, "মই তেওঁলোকৰ মন স্থিৰ কৰিবলৈ তিনিমাহ অপেক্ষা কৰিলোঁ আৰু নৰওঁ। প্ৰয়োজন হ'লে তেওঁলোকে মোলৈ অপেক্ষা কৰিব। কেতিয়াকৈ ওলাবা কোৱা?"

দুয়ো বন্ধু দক্ষিণ আমেৰিকা ভ্ৰমণলৈ ওলাই গ'ল। সমুদ্ৰ তীৰত কেইবাদিনো কটাই তেওঁলোকে যেন ওভতাই পালে মুক্ত জীৱন, শৰীৰৰ পৰা যেন খহি গ'ল বহু বোজা। নৱজীৱন লাভ কৰাৰ দৰে অনুভৱ হ'ল দুয়ো বন্ধুৰ।

দুদিনমানৰ বাবে তেওঁলোক অতিথি হৈছিল দক্ষিণ আমেৰিকাৰ এগৰাকী বিখ্যাত শিল্পপতিৰ। কথা প্ৰসংগত এদিন শ্বৰ্টিয়ে তেখেতক গল্ফ খেলিবলৈ লগ ধৰিলে।

মানুহজনে ক'লে, "গল্ফ খেলাৰ সময় ক'ত? বৰ ব্যস্ত জীৱন। ছুটীত ল'ৰা-ছোৱালীহালক লৈ স্ত্ৰী আমেৰিকালৈ গৈছে অৱসৰ বিনোদনৰ বাবে, মই সিহঁতকে সময় দিব পৰা নাই। মোৰ আস্তাৱলত কেইবাটাও তেজী ঘোঁৰা আছে যদিও কেইবাবছৰ ধৰি অশ্বাৰোহণ কৰাৰো সময় উলিয়াব পৰা নাই। মোৰ বয়স এতিয়া পঁচপন্ন আৰু পাঁচবছৰ পাছত হয়তো কিছু আজৰি সময় উলিয়াব পাৰিম, অৱশ্যে এই একেখিনি কথাকেই মই পাঁচবছৰ আগতেও ভাবিছিলোঁ। বৰ্তমান এটা নতুন প্ৰকল্পত ব্যস্ত হৈ আছোঁ। দক্ষিণ

আমেৰিকাই পূৰ্বতে কেতিয়াও নেদেখা তীখা তৈয়াৰ কৰা এটা অত্যাধুনিক কাৰখানা নিৰ্মাণ কৰি আছোঁ, গতিকে গল্‌ফ খেলাৰ সময় ক'ত?"

ডাঃ লুমিছে ক'লে, "আপুনি জানেনে মই কিয় দক্ষিণ আমেৰিকালৈ আহিছোঁ?"

তাৰ পাছত তেওঁ সেই চিঠিখন আৰু পিকিঙৰ বাগিচাখনৰ পিতলৰ ফলকখনৰ বাক্যশাৰী ক'লে।

কথাখিনি শুনাৰ পাছত শ্বৰ্টিৰ দৰে শিল্পপতিগৰাকীয়েও বাৰে বাৰে আওৰাবলৈ ধৰিছিল, *Enjoy yourself, It is later than you think.*

পিছদিনা পুৱা হোটেলৰ বুলনিত শিল্পপতিগৰাকীয়ে ডাঃ লুমিছক ক'লে, "ডাঃ, অকণমান ৰ'ব। যোৱানিশা মোৰ ভালকৈ টোপনি নাহিল। মই ইতিমধ্যেই পত্নীলৈ বাৰ্তা প্ৰেৰণ কৰিলোঁ যে ময়ো তেওঁলোকক লগ ধৰিবলৈ গৈ আছোঁ।" কথাখিনি কৈ তেওঁ ডাঃ লুমিছৰ কান্ধত হাত থৈ আওৰালে, "চীনৰ বাগিচাখনৰ দেৱালৰ পিতলৰ ফলকখনত আখৰ লিখা সেই আঙুলিকেইটা সঁচাকৈয়ে পাঁজিসেৰীয়া।"

শ্বৰ্টিৰ জীৱনৰ অন্তিম সময়খিনিত ডাঃ লুমিছ বন্ধুৰ কাষত আছিল। শ্বৰ্টিয়ে বাৰে বাৰে দোহাৰিছিল, "ফ্ৰেড, মই সুখী যে আমি দুয়ো একেলগে দক্ষিণ আমেৰিকালৈ ফুৰিবলৈ গৈছিলোঁ। ঈশ্বৰলৈ কৃতজ্ঞতা কাৰণ আমি বেছিদিনলৈ অপেক্ষা নকৰিলোঁ।"

*In a Chinese Garden* নামৰ সত্য কাহিনীটো *The Bond Between Us* নামৰ গ্ৰন্থখনিত প্ৰকাশ পোৱাৰ লগে লগে নিশাটোৰ ভিতৰতে সমগ্ৰ দেশজুৰি বিখ্যাত হৈ পৰিছিল। বিভিন্ন ক্লাব, সংগঠনৰ পৰা ডাঃ লুমিছলৈ অনুৰোধ আহিছিল সোঁশৰীৰে উপস্থিত হৈ তেওঁ কাহিনীটো তেওঁলোকৰ সন্মুখত বৰ্ণনা কৰিব লাগে। 'ৰিডাৰ্ছ ডাইজেষ্ট'কে আদি কৰি বিভিন্ন আগশাৰীৰ আলোচনীত পুনঃমুদ্ৰিত হৈছিল *In a Chinese Garden*।

আহক, সময় থাকোঁতেই জীৱনটো উদ্‌যাপন কৰিবলৈ শিকোঁ, নতুবা আমাৰো পলম হৈ যাব পাৰে।

ফোন ঃ ৯৪৩৫৪৭৩০৬২

❖

প্ৰবন্ধ

অন্ধতাতকৈ নিৰ্মম, অন্ধতাতকৈ কৰাল, অন্ধতাতকৈ কৰুণ আৰু একো নাই। গ্ল'কমা বা ৰেটিনোপেথি সাধাৰণতে পঞ্চাশ-ষাঠিৰ দশকত বা তাৰ পাছতহে আৰম্ভ হয় (যদিও বংশগত ভাৱে কম বয়সতো হ'ব পাৰে)। যিহেতু আধুনিকতাই আমাৰ জীৱনৰ ম্যাদো বঢ়াইছে, তেনেক্ষেত্ৰত বহুতো বৃদ্ধই অন্ধতাৰ অভিশাপকে সাৰোগত কৰি জীৱনৰ বিয়লিবেলা অন্ধকাৰত অতিবাহিত কৰিব লগা হয়। এইটো সমাজৰ এটা সঁচাকৈ মৰ্মস্পৰ্শী কাৰুণ্য!

# বহুমুত্ৰৰোগ (মধুমেহ) - অন্ধতাৰ কৰাল গ্ৰাসৰ এটি পথ

**ডাঃ বিৰাজ জ্যোতি গোস্বামী**

বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ৰমবৰ্ধমান বিকাশে আমাৰ জীৱন এফালে যিদৰে আধুনিকতাৰ প্ৰাচুৰ্য্যৰে ক্ৰমশঃ ওফন্দি অহা কলহৰ দৰে কৰিছে ঠিক আনফালে সেই কলহটোত কিছুমান ছিদ্ৰও বহল কৰিছে। এই ছিদ্ৰসমূহেদি আমাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যজড়িত শান্তিবোৰ যেন নিগৰি নিগৰি ওলাই যায় সেই প্ৰাচুৰ্য্যৰ কলহক ৰিক্ত কৰি। এই ছিদ্ৰসমূহ, যেনে বহুমুত্ৰৰোগ (মধুমেহ), উচ্চ ৰক্তচাপ, ৰক্তহীনতা, দুৰ্ভাৱনা-হতাশা-অস্থিৰতা আদিৰে মনৰ ক্লেশ, যকৃৎ-বৃক্ক আদি শৰীৰৰ অত্যাৱশ্যকীয় অংগৰ বিকাৰ ইত্যাদি ইত্যাদিবোৰ প্ৰাচীন কালৰে পৰা থকা বিকাৰ যদিও আধুনিকতাৰ লগে লগে সলনি হোৱা খাদ্যাভ্যাস তথা জীৱন প্ৰণালীয়ে এই সমূহৰ প্ৰাদুৰ্ভাৱো ইমান তড়িৎ গতিত বঢ়াইছে যে আমাৰ প্ৰাচুৰ্য্যৰ কলহটোত ডাঙৰ ডাঙৰ ফুটাৰ সৃষ্টি হৈছে। আৰু এটা মন কৰিবলগীয়া কথা যে এই ছিদ্ৰবোৰ কলহটিৰ পৃথক পৃথক ঠাইত আছে যদিও প্ৰত্যেকে প্ৰত্যেকৰ লগত সংপৃক্ত আৰু শেহত সংযুক্ত হৈ বহল ফুটাৰ সৃষ্টি হোৱাৰো সম্ভাৱনা থাকে।

এনেকুৱা এটা প্ৰধান ছিদ্ৰ হ'ল বহুমুত্ৰৰোগ (Diabetes Mellitus)। আগতে উনুকিয়াই অহাৰ দৰে এই বিসংগতিৰ উল্লেখ বহু প্ৰাচীন কালৰেপৰা পোৱা যায়। সঘনাই প্ৰস্ৰাৱ হোৱা এবিধ ৰোগৰ বিষয়ে বিশ্বৰ চিকিৎসা শাস্ত্ৰসমূহত প্ৰথম পোৱা যায় খৃষ্টপূৰ্ব

১৫-১৬ শতিকাৰ চিকিৎসক Ebers papyrus-ৰ লিখনীত। DIABETES নামটো প্ৰথমবাৰ লিখিছিল গ্ৰীচৰ এক কিম্বদন্তী চিকিৎসা বিজ্ঞানী Arataeus of Cappodocia ই (খৃষ্টাব্দ ৮১-১৩৩ ৰ মাজত) সঘনাই প্ৰস্ৰাৱ কৰি ক্ৰমান্বয়ে দুৰ্বল হৈ পৰা ৰোগীসকলৰ চিনাক্তকৰণৰ সুবিধাৰ্থে। Diabetes গ্ৰীক শব্দটোৰ অৰ্থ হ'ল Siphon অৰ্থাৎ শুহি লোৱা। ১৬৭৫ চনত ইংলেণ্ডৰ Thomas Willis- এ এই ৰোগীসকলৰ ৰক্ত আৰু প্ৰস্ৰাৱত অত্যধিক শৰ্কৰা থকাৰ বাবে বৰ মিঠা হয় বুলি ধৰিব পাৰিলে আৰু Mellitus (অৰ্থাৎ মৌ) নামটো লগাই দিলে আৰু তেতিয়াৰ পৰা বিশ্ব চিকিৎসা শাস্ত্ৰত এই ৰোগক Diabetes Mellitus নামেৰে জনা হয়। কিন্তু গৌৰৱৰ কথা যে ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰত এই ৰোগৰ উল্লেখ ইয়াতকৈয়ো অনেক প্ৰাচীন আৰু খৃষ্টপূৰ্ব ৬ ষ্ঠ শতিকাৰ লিখনীতেই এই ৰোগক "মধুমেহ" নামেৰে পোৱা যায় আৰু লগতে পৰিতাপৰো বিষয় যে একমাত্ৰ প্ৰদৰ্শনক্ষমতাৰ দুৰ্বলতা তথা হেমাহিৰ বাবেই দুহেজাৰ বছৰ আগতেই সমাৰ্থক শব্দ নিৰ্ণয় কৰা আয়ুৰ্বেদে বিশ্বশাস্ত্ৰত এই মধুমেহ নামটোৰ স্বীকৃতি নাপালে।

ইতিহাসৰ এক জিলিঙনিৰ পাচত মূল বিষয়বস্তুলৈ আহোঁ। আমাৰ শৰীৰত সঞ্চালিত হৈ থকা হ'ৰমোনৰ মাজত ইনচুলিন (Insulin) এক অতি প্ৰয়োজনীয় হ'ৰমোন। ই প্ৰধানকৈ পেনক্ৰিয়াচ বা অন্ত্ৰাশয়ৰ পৰা নিৰ্গত হয়। খাদ্যৰ পৰা আহৰণ কৰা শৰ্কৰাবোৰক তেজৰপৰা শৰীৰৰ কোষবোৰত সুমুৱাই দিয়া বা ব্যৱহাৰ কৰোৱা ইনচুলিনৰ প্ৰধান কাম কাৰণ শৰ্কৰাইহে কোষবোৰক শক্তি দিয়ে। ইনচুলিনৰ অভাৱত এই চেনীবোৰ তেজত অতিমাত্ৰিক হৈ পৰে। ইয়াৰ এটা অংশ যকৃতত জমা হয়, এটা অংশ বৃক্কৰ জৰিয়তে নিস্কাসন হয় আৰু বাকী অংশ তেজত চলাচল কৰি থাকে। শৰ্কৰাৰ সঠিক ব্যৱহাৰ নোহোৱা বাবেই কোষবোৰ ক্ৰমশঃ শক্তিহীন হৈ পৰে আৰু নানান উপসৰ্গই দেখা দিয়ে। ইয়াকে সামগ্ৰিকভাৱে বহুমুত্ৰৰোগ বা মধুমেহ বা Diabetes Mellitus বুলি কোৱা হয়।

কোষৰ এই শক্তিহীনতাৰ প্ৰভাৱ আটাইতকৈ বেছি পৰে তেজ চলাচল কৰা ধমনীৰ কোষবোৰত। আমাৰ ধমনীৰ (Blood vessels) বেৰত থকা তিনিটা তৰপৰ আটাইতকৈ ভিতৰৰ তৰপটোত (Endothelium) এই শক্তিহীনতাৰ প্ৰভাৱ সবাতোকৈ বেছি পৰে। এই তৰপটোৰ কিছুমান কোষ শুকাই যায় আৰু বাকীবোৰেও মসৃণতা হেৰুৱাই পেলায়। ফলত তেজত দৌৰি থকা অনুচক্ৰিকা(Platelets)বোৰ এই খহটা বেৰত লাগি ধৰি অতি ক্ষুদ্ৰ চেকুৰা (Microthrombus) গঠন কৰে আৰু এই চেকুৰাবোৰে অতিক্ষুদ্ৰ ধমনীবোৰ (capillaries) বন্ধ কৰি দিয়ে। এই বিসংগতিক চিকিৎসা শাস্ত্ৰত Microangiopathy বুলি কোৱা হয়। ইয়াৰ ফলশ্ৰুতিত সেই অতিক্ষুদ্ৰ ধমনীবোৰে যোগান ধৰা অংশবোৰ অম্লজানৰ অভাৱত ভোগে (Hypoxia) আৰু লগে লগে মস্তিষ্কক কাতৰভাৱে সংকেত দিয়ে এই বিপদাপন্ন অৱস্থাৰ বিষয়ে (যেনেকৈ আমি বিপদত SOS signal পঠাওঁ)। ইয়াৰ তাড়নাতে মস্তিষ্কৰ পৰা পৰিচালিত কিছু উপাদানে (VEGF– Vascular Endothotial Growth Factor) নতুন নতুন উপশিৰাৰ জন্ম দিয়ে। এই নতুন উপশিৰাবোৰ বৰ অপৈণত বাবে গাঁঠনিমূলকভাৱে বৰ দুৰ্বল হয় আৰু সঘনাই ফাটি ৰক্তক্ষৰণ কৰিব আৰম্ভ কৰে। এই অংশবোৰৰ পৰিসৰ ক্ৰমশঃ বাঢ়িব ধৰে আৰু লাহে লাহে গোটেই অংগটো বিকল হোৱাৰ পথত অগ্ৰসৰ হয়।

মধুমেহৰ ফলত হোৱা ধমনীৰ এই বিসংগতি শৰীৰৰ প্ৰায় সকলো অংগতেই হয় কিন্তু চকু আৰু বৃক্কত যিহেতু ৰক্তসঞ্চালন ক্ষুদ্ৰতম শিৰাইদি (Capillary circulation) বেছিকৈ হয়, এই দুটি অংগত ইয়াৰ প্ৰভাৱ মোক্ষমভাৱে পৰে। তদুপৰি শৰীৰৰ এটাই মাথোঁ অংগত শিৰাবোৰ অতি সুক্ষ্মতাৰে আৰু প্ৰত্যক্ষভাৱে দেখা পোৱা সম্ভৱ আৰু সেইটো হ'ল চকু। সেইবাবেই কেৱল মধুমেহতেই নহয়, অন্যান্য বহুতো ৰোগৰ সঠিক নিৰূপণৰ বাবে চকুৰ আভ্যন্তৰীণ পৰীক্ষা (Fundus evaluation) প্ৰয়োজনীয় হৈ পৰে।

এতিয়া জানো আহক বহুমুত্ৰ ৰোগত বা মধুমেহত চকুহালি কেনেকৈনো আক্ৰান্ত হয়। পৰোক্ষভাৱে মধুমেহৰ দুটামান বিজুতি উল্লেখ কৰোঁ ঃ

(১) বহুমুত্ৰৰোগীৰ সংক্ৰমণ প্ৰৱণতা বেছি আৰু অতি সাধাৰণ ভাৱে বীজাণুৰ দ্বাৰা আক্ৰান্ত হ'লেও ই ভয়ানক





Fig. 1 Anatomy of Eye (Labelling Individual Tissue)




Fig. 2 Fundus Photograph

হৈ উঠিব পাৰে। চকুৰ ক্ষেত্ৰতো সাধাৰণতে ৰঙা পৰি উখহি উঠা সংক্ৰমণেও চকুত ঘা (Corneal Ulcer) কৰিব পাৰে যিয়ে দৃষ্টিহীনতাৰ অশনি সংকেত বহন কৰে।

(২) বহুমুত্ৰৰোগীৰ চকুত চানি পৰা (Cataract) ৰোগটো আপেক্ষিকভাৱে কম বয়সতে হয় আৰু খৰতকীয়াকৈ বাঢ়ে।

(৩) গ্ল'কমা(Glaucoma)ৰ প্ৰাদুৰ্ভাৱ বহুমুত্ৰৰোগীৰ মাজত বেছি। কাৰণ একেটা জিনৰ একেটা অংশতে গ্ল'কমা আৰু মধুমেহৰ কেন্দ্ৰ থাকে (Genetic Locus)।

(৪) চকুৰ ভিতৰৰ প্ৰদাহবোৰ (Uveal Inflammation) বহুমুত্ৰৰোগীৰ বৰ সোনকালে ভয়াবহ হৈ পৰিব পাৰে।

এই পৰোক্ষ প্ৰভাৱবোৰৰ উপৰিও যিটো প্ৰত্যক্ষ আৰু আটাইতকৈ বিপদজনক প্ৰভাৱ সেইটো হৈছে Diabetic Retinopathy অৰ্থাৎ মধুমেহৰ ফলত হোৱা পৰ্দা(Retina)ৰ বিসংগতি, কাৰণ ইয়াৰ ফলত দৃষ্টিহীনতা আহি পৰে।

আগতে বৰ্ণাই অহা Microangiopathy-ৰ প্ৰথমছোৱাত ৰোগীজনে দৃষ্টিৰ কোনো তাৰতম্য নাপায়। ৰেটিনা বা পৰ্দা পৰীক্ষাতহে কিছুমান সৰু সৰু ৰক্তক্ষৰণ ৰেটিনাৰ কেন্দ্ৰীয় অংশত সিঁচৰিত হৈ থকা দেখা পোৱা যায় (NonProliferative Diabetic Retinopathy-**NPDR**) ১নং ছবিত দেখুওৱা মেকুলা অংশটো দৃষ্টিৰ বাবে আমাৰ পৰ্দাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অংশ। এই মেকুলাত যেতিয়া বিন্দু বিন্দুকৈ ৰক্তক্ষৰণ হ'ব ধৰে (Dot haemorrhage) আৰু তেজৰ তৰল অংশবোৰ জমা হৈ মেকুলা অংশটো ফুলি উঠে(**CSME**-Clinically Significant Macular Oedema Fig. 6) তেতিয়াহে দৃষ্টিহীনতা ক্ৰমশঃ অনুভূত হয়। এনে সময়তেই পৰ্দাখনৰ ঠায়ে ঠায়ে অম্লজানৰ অভাৱ ঘটিব ধৰে আৰু তেজৰ শিৰা-উপশিৰাত কিছুমান বিসংগতিয়ে ধৰা দিয়ে (**PPDR**- Pre-Proliferative Diabetic Retinopathy)। সেই অম্লৰ অভাৱত শ্বাসৰুদ্ধ অংশবোৰৰ কাতৰ আহ্বানৰ প্ৰত্যুত্তৰত মস্তিষ্কৰপৰা পঠোৱা VEGF-ৰ গোটটিয়ে নতুন নতুন শিৰাৰ জন্ম দিয়ে। কিন্তু 'ভাল ভাবোতে কাল' হোৱাৰ দৰে এই নতুন শিৰাবোৰ অপৈণত হোৱা বাবে গাঁঠনিমূলকভাৱে দুৰ্বল হৈ বাৰে বাৰে ফাটি বেছিকৈ ৰক্তক্ষৰণ হ'বলৈ ধৰে (**PDR**-Proliferative Diabetic Retinopathy)। লাহে লাহে ই পৰ্দাখনৰ সকলো চুক-কোণলৈ বিয়পি যায় আৰু পৰ্দাখন বিকল হৈ পৰে।

**কিছুমান উঠিবলগীয়া প্ৰশ্ন আৰু জানিবলগীয়া উত্তৰ ঃ**

**(১) কোনজন মধুমেহ ৰোগীৰ ৰেটিনোপেথি হোৱাৰ সম্ভাৱনা বেছি?**

মধুমেহ চিনাক্ত হোৱাৰ দিনৰপৰাই সাধাৰণতে ইয়াৰ বয়স নিৰূপণ হয় (Diabetic Age)। বহুসময়ত ই সঠিক

নহয় কাৰণ আমাৰ মাজত বাৎসৰিক স্বাস্থ্য পৰীক্ষাৰ (Annual health check-up) হাৰ বহু কম আৰু সাধাৰণতে ৰোগটো বাঢ়ি গৈ উপসৰ্গই দেখা দিয়াৰ পাছতহে বা কোনো অস্ত্ৰোপচাৰৰ আগ বা অন্য অসুখৰ মাজৰ নিয়মিত পৰীক্ষাত হে মধুমেহৰ অস্তিত্ব আৱিষ্কৃত হয়। গতিকে যদিও বিশ্ব স্বাস্থ্য সমীক্ষাৰ পৰিসংখ্যামতে শৰীৰত গড়ভাৱে ৮ বছৰকাল মধুমেহ থকাৰ পাছতহে ইয়াৰ অন্যান্য গুৰুত্বপূৰ্ণ সমস্যাবোৰৰ আৰম্ভণি হয়, বহু সময়ত ইয়াতকৈ বহু আগেয়েই সমস্যাবোৰ দেখা যায় কাৰণ মধুমেহ ৰোগটোৱেই হয়তো অৱহেলিত হৈ আছিল অথবা ৰোগীৰ সজাগতাৰ অভাৱতেই হওক বা ঔষধৰ নিষ্ফলতাৰ বাবেই হওক তেজত শৰ্কৰাৰ মাত্ৰা বিপদসীমাৰ তলত নিয়ন্ত্ৰিত নাছিল। সঘনাই এই মাত্ৰা ওপৰ-তল হৈ থকাটোৱেও ৰেটিনোপেথি সোনকালে আৰম্ভ বা খৰতকীয়া কৰিব পাৰে।

**(২) ৰেটিনোপেথি কিয় ভয়াবহ আৰু ইয়াৰ প্ৰাৰম্ভিক পৰ্য্যায়তে নিৰূপণ কিয় ইমান প্ৰয়োজনীয় ?**

(ক) আজি বিশ্বত অন্ধতাক দুই প্ৰকাৰত বিভক্ত কৰা হয়-- চিকিৎসাৰ দ্বাৰা দৃষ্টি শক্তি ঘূৰাই আনিব পৰা (Reversible Blindness) যেনে চকুত চানিপৰা (Cataract), আৰু হৃত দৃষ্টিশক্তি ঘূৰাই আনিব নোৱৰা (Irreversible Blindness) যেনে গ্ল'কমা বা ৰেটিনোপেথি অৰ্থাৎ স্নায়ু বা পৰ্দাৰ বিজুতি সমূহ। যিহেতু দ্বিতীয়বিধ যিমান গ'ল তাক ঘূৰাই আনিব নোৱাৰি, গতিকে প্ৰাৰম্ভিক পৰ্য্যায়তে ধৰা পৰিলে ইয়াক সম্পূৰ্ণ দৃষ্টিহীনতাৰ পিনে অগ্ৰসৰ হোৱাত বাধা দিব পাৰি বা গতিৰোধ কৰিব পাৰি।


(২) শৰীৰত চলি থকা ক্ষুদ্ৰ ধমনীৰ বিসংগতি (Microangiopathy) একমাত্ৰ চকুৰ পৰ্দাতহে প্ৰত্যক্ষ কৰিব পাৰি। একেটাই বিসংগতি কিন্তু শৰীৰৰ সকলো অত্যাৱশ্যকীয় প্ৰত্যংগতো (Vital organs) অৰ্থাৎ বৃক্ক, যকৃত, কলিজা আদিতো চলি থাকে আৰু অনুক্ৰমে Nephropathy, Hepatic Failure বা Cardiac Myopathy আদিও আৰম্ভ হৈ যায়। এই অংগ প্ৰত্যংগবোৰত ইয়াৰ প্ৰমাণ পাবলৈ HPE (Histopathological Examination) বা চমুকৈ Biopsy কৰিব লাগে। কিন্তু একো কটাছিঙা নকৰাকৈ চকুৰ পৰ্দাখন পৰীক্ষা কৰি ধমনীবোৰৰ পৰিস্থিতি নিৰ্ণয় কৰিলেই সকলো অংগতে চলি থকা এই বিসংগতিৰ এক সম্যক ধাৰণা কৰিব পাৰি।

**(৩) ৰেটিনোপেথি নিৰূপণৰ উপায় কি ?**

বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰ্দেশনামতে প্ৰতিজন মধুমেহ ৰোগীৰ বছৰত অন্ততঃ এবাৰ চকুৰ পূৰ্ণনিৰীক্ষণ (Fundus evaluation কে ধৰি) কৰিব লাগে। ৰোগটি ৮ বছৰ পুৰণা হোৱাৰ পাছততো ই অতি প্ৰয়োজনীয়। কিন্তু যিহেতু বেছিভাগ ক্ষেত্ৰতে আমি মধুমেহৰ প্ৰাৰম্ভণী নিৰ্ণয় কৰিব




Fig. 3 Fundus Photograph (above)
Fig. 4 DFFA (below) in Diabetic Retinopathy







Fig. 5 Normal OCT





Fig. 6 CSME in OCT

নোৱাৰোঁ, গতিকে প্ৰথমৰ পৰাই বছৰত এবাৰ চকু পৰীক্ষা নৈমিত্তিক কৰি লোৱা উচিত। যদিহে চকুৰ পৰ্দাত প্ৰাৰম্ভিক পৰ্য্যায়ৰ বিসংগতি ধৰা পৰে, তাৰ পাছৰপৰা এই পৰীক্ষা প্ৰতি ছমাহৰ মূৰে মূৰে কৰিব লাগে। যেতিয়াই ৰক্তক্ষৰণ বা মেকুলা ফুলি উঠা পৰিলক্ষিত হয়, তেতিয়াই **DFFA** (Digital Fundus Fluorescein Angiography-Fig. 4) আৰু **OCT** (Optical Coherence Tomography - Fig. 5 & 6) নামৰ দুটা পৰীক্ষা কৰি ল'ব লাগে। এই পৰীক্ষা দুটাই পৰ্দাখনৰ অতি সূক্ষ্ম তথ্যবোৰো অণুবীক্ষণ যন্ত্ৰত চোৱাৰ দৰে প্ৰকট কৰিব পাৰে আৰু চিকিৎসাৰ পদ্ধতি নিৰূপণ কৰাত সহায় কৰে। যদিহে এই বিসংগতিৰ বাবে লেজাৰ আদি চিকিৎসাৰ প্ৰয়োজন আৰম্ভ হয়, তেতিয়াৰপৰা ২-৩ মাহৰ মূৰে মূৰে পৰীক্ষা কৰাই থাকিব লাগে।

**(৪) ৰেটিনোপেথিৰ চিকিৎসা কেনে ধৰণেৰে কৰা যায়?**

প্ৰাৰম্ভিক পৰ্য্যায়ত নিয়মিতভাৱে চকু পৰীক্ষা কৰাই থকা আৰু তেজত প্ৰৱাহিত শৰ্কৰাৰ পৰিমাণত নিৰন্তৰভাৱে অংকুশ লগোৱাটোৱেই যথেষ্ট। চিকিৎসাৰ প্ৰয়োজন হয়, যেতিয়া ক্ষুদ্ৰ ধমনীবোৰ অতি ক্ষুদ্ৰ তেজৰ চেকুৰাই বন্ধ কৰা আৰম্ভ কৰে, ৰক্তক্ষৰণ হ'বলৈ ধৰে তথা মেকুলা ফুলা আৰম্ভ হয়। সেই একে সময়তে দৃষ্টি কমি অহা অনুভূত হয়। এনে অৱস্থাত আগতে উনুকিয়াই অহা VEGF নামৰ উপাদানটোৰ প্ৰতিষেধক বেজী (Anti VEGF Injection) চকুৰ ভিতৰ অংশত অৰ্থাৎ পৰ্দাৰ কাষত দিব লাগে। ইয়াৰ পাছৰ অৱস্থাত অম্লজানৰ অভাৱত আতুৰ হৈ পৰা অংশবোৰক লেজাৰ (LASER) ৰশ্মি প্ৰয়োগেৰে নিষ্ক্ৰিয় কৰি দিয়া হয় যাতে এই মুমূৰ্ষ কোষবোৰে মস্তিষ্কক তাড়না দিয়া বন্ধ কৰে। যদিহে এই দুয়োবিধ চিকিৎসাৰ সুফল পোৱা নাযায় অথবা অজ্ঞতা-হেমাহি -আৰ্থিক দৈন্য আদি আৰ্থসামাজিক কাৰণত ৰোগীজনৰ ৰেটিনোপেথি শেহৰ অৱস্থা পায় আৰু প্ৰচুৰ পৰিমাণে ৰক্তক্ষৰণ হ'বলৈ ধৰে, তেতিয়া অস্ত্ৰোপচাৰৰ সিদ্ধান্ত লোৱা যায়।

কিন্তু Anti VEGF বেজী, লেজাৰ ৰশ্মিৰ প্ৰয়োগ বা অস্ত্ৰোপচাৰেই ৰেটিনোপেথিৰ চিকিৎসা বুলি ধৰিলে নিতান্তই ন্যায্য কথা নহ'ব। কাৰণ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল মধুমেহৰ নিয়ন্ত্ৰণ। এই অংকুশডালৰ প্ৰধান উপাদান হ'ল ঃ

(ক) মধুমেহৰ প্ৰতি, মধুমেহৰ পৰা উদ্ভৱ হ'ব

পৰা ভয়াবহতাৰ প্ৰতি আৰু লগতে চিকিৎসা পদ্ধতিৰ প্ৰয়োজনীয়তা সম্পৰ্কে ৰোগীজনক সম্পূৰ্ণ অৱগত কৰোৱা অতীৱ আৱশ্যক। যিহেতু আমাৰ দেশক মধুমেহৰ ৰাজধানী (Capital of Diabetes) বুলি জনা যায়, গতিকে সজাগতা অভিযানৰূপে এই কথাবোৰ সঘনাই ৰাইজৰ মাজত প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰচাৰিত বা প্ৰদৰ্শিত হ'ব লাগে।

(খ) লিখনীটিৰ আৰম্ভণিতে উল্লেখ কৰাৰ দৰে মধুমেহ ৰোগৰ কলহটোতো বহুতো ছিদ্ৰ আছে, যেনে উচ্চ ৰক্তচাপ, বৃক্ক-যকৃতৰ বিকাৰ, ৰক্তহীনতা (Anaemia), তেজত প্ৰৱাহিত বিভিন্ন প্ৰকাৰৰ চৰ্বি বৃদ্ধি হোৱা (Hyperlipidaemia) ইত্যাদি। সামগ্ৰিকভাৱে মধুমেহক অংকুশ লগাবলৈ হ'লে এই সকলোবোৰ ছিদ্ৰৰ প্ৰতি মন দিব লাগিব।

(গ) আটাইতকৈ ডাঙৰ ছিদ্ৰটো হ'ল মধুমেহ নিজেই। তেজত শৰ্কৰাৰ পৰিমাণ এটা নিৰ্দিষ্ট সীমাৰ বাহিৰলৈ কোনো সময়তেই যাব নিদিয়াটো সেয়েহে অতীৱ প্ৰয়োজনীয়। এই নিৰ্দিষ্ট সীমাটো নিৰ্দ্ধাৰণ কৰা হৈছে খালীপেটত ১২৬ আৰু খোৱাৰ পাছত ১৮০ মিঃগ্ৰাঃৰ তলত থকাটো। এই ক্ষেত্ৰত দুটামান কথা উনুকিয়াই থোৱা উচিত হ'ব ঃ

এই অংকুশ ২৪ ঘণ্টাই নিৰন্তৰ থাকিব লাগে। হঠাৎ উঠি যোৱা আৰু হঠাৎ নামি যোৱা শৰ্কৰাই বহু বেছি ভয়ংকৰ ৰূপত সমস্যা বঢ়ায়। আমি যেতিয়া খালী পেটত বা খোৱাৰ দুঘণ্টাৰ পাছত তেজ পৰীক্ষা কৰোঁ, তেতিয়া সেই মুহূৰ্তৰহে তেজত থকা চেনিৰ পৰিমাণ গম পাওঁ- দহ মিনিট আগৰো নহয় বা পাছৰো। গতিকে মাজে মাজে কিছুমান পৰীক্ষা কৰিব লাগে যিয়ে আমাক এছোৱা সময়ৰ শৰ্কৰাৰ গড় পৰিমাণ জনাই দিয়ে। ইয়াৰ ভিতৰত বেছিকৈ প্ৰচলিত পৰীক্ষা হ'ল HbA1C বা Glycosylated Haemoglobin-ৰ পৰীক্ষা। ই ৬.৫ ৰ ভিতৰত থাকিলে আগৰ তিনিমাহৰ গড় শৰ্কৰা এক সুস্থিৰ নিয়ন্ত্ৰণত থকা বুজায়।

-উপকাৰী আৰু অপকাৰী খাদ্যৰ বিষয়ে পূৰ্ণ সজাগতা থকা উচিত।

-নিয়মিত ৩০ মিনিট খৰতকীয়াকৈ খোজ কঢ়া বা সম পৰ্য্যায়ৰ ব্যায়াম কৰাটো বৰ প্ৰয়োজনীয়। কাৰণ খোজ কঢ়া বা ব্যায়ামৰ জৰিয়তে শৰীৰৰ মাসংপেশীবোৰত লুকাই থকা Insulin Receptor বোৰ খোল খাই যায় আৰু শৰ্কৰাক কোষৰ ভিতৰলৈ সুমুৱাই দি ইয়াৰ উপযোগিতা ব্যৱহাৰ কৰাত নিৰ্ণায়ক ভুমিকা লয়।

যিহেতু মধুমেহত গ্ল'কমাৰ প্ৰাদুৰ্ভাৱ বেছি আৰু গ্লক'মাও ৰেটিনোপেথিৰ দৰেই ঘূৰাই আনিব নোৱৰা দৃষ্টিগ্ৰাসী ৰোগ, গতিকে সকলো মধুমেহ ৰোগীয়ে গ্ল'কমাৰ প্ৰতিয়ো সজাগ হৈ থকা উচিত। আকৌ প্ৰদাহ বা সংক্ৰমণবোৰ যিহেতু মধুমেহ থাকিলে বেছি প্ৰাৱল্যত আগবাঢ়ে আৰু তাৰ পৰাও দৃষ্টিহীনতা আহিব পৰা সম্ভাৱনা থাকে, গতিকে সামান্য চকুৰ বিষ বা ৰঙাপৰা অৱস্থাতেই চিকিৎসকৰ পৰামৰ্শ লোৱা আৰু নিষ্ঠাৰে চিকিৎসা লোৱা প্ৰয়োজনীয়।

শেহত এইটোৱেই ক'ব খোজোঁ যে অন্ধতাতকৈ নিৰ্মম, অন্ধতাতকৈ কৰাল, অন্ধতাতকৈ কৰুণ আৰু একো নাই। গ্ল'কমা বা ৰেটিনোপেথি সাধাৰণতে পঞ্চাশ-ষাঠিৰ দশকত বা তাৰ পাছতহে আৰম্ভ হয় (যদিও বংশগত ভাৱে কম বয়সতো হ'ব পাৰে)। যিহেতু আধুনিকতাই আমাৰ জীৱনৰ ম্যাদো বঢ়াইছে, তেনেক্ষেত্ৰত বহুতো বৃদ্ধই অন্ধতাৰ অভিশাপকে সাৰোগত কৰি জীৱনৰ বিয়লিবেলা অন্ধকাৰত অতিবাহিত কৰিব লগা হয়। এইটো সমাজৰ এটা সঁচাকৈ মৰ্মস্পৰ্শী কাৰুণ্য! সচেতন নাগৰিকৰূপে আমি অংগীকাৰবদ্ধ হোৱা উচিত যে এই ভয়াবহতাৰ প্ৰতি সকলোকে সজাগ কৰি আমি যাতে এই কৰুণ পৰিস্থিতিক যিমান পাৰি লাঘৱ কৰাৰ চেষ্টা চলাই যাওঁ অবিৰতভাৱে।

ফোন: ৯৮৬৪০৯১৯৯২

❖

প্ৰবন্ধ



পূৰ্বতে বিহুনৃত্য সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত অনুষ্ঠিত কৰা হৈছিল। বিহুনৃত্য নিজৰ গাঁৱৰ খেতিপথাৰ বা নদীৰ পাৰত অসমীয়া ডেকা-গাভৰুৰ মাজতে সীমাবদ্ধ আছিল। এক কথাত স্বতঃস্ফূৰ্ত প্ৰেমৰ প্ৰকাশ আছিল। বিহুৰ মাজতেই মনে খাপ খোৱা ডেকা গাভৰুৱে নতুন সংসাৰৰ বান্ধোনত সোমাইছিল আৰু সমনীয়াই গম পাইছিল কাৰ ঢোলৰ চাপৰত কোন নাচনীয়ে নাচিছে। এই বিহু নাচ একেবাৰে প্ৰাকৃতিক আছিল। ইয়াত অভিনয় নাছিল। মানুহক দেখুৱাবলৈ নহয়, বিহু সঁচা প্ৰেমৰ নৃত্য আছিল।

# অসমৰ বিহুনৃত্য - ৰংঘৰৰ বাকৰিৰ পৰা বিহুমঞ্চলৈ

**কৃষ্ণা শৰ্মা**

অতীজৰে পৰা কৃষিজীৱী লোকৰ বাসভূমি অসমৰ মানুহ প্ৰায় গোটেই বছৰটোৱেই কৃষিকৰ্মত ব্যস্ত হৈ থাকিব লাগে আৰু কৃষিকৰ্মৰ লগত ৰজিতা খুৱাই সমগ্ৰ অসমীয়া জাতিটোৱে প্ৰতিটো বিহুৱেই অতি উলহ মালহেৰে পালন কৰে বাবেই বোধকৰো ইয়াক অসমীয়াৰ জাতীয় উৎসৱ বোলা হয়। সময়ৰ সোঁতত কৃষিৰ বাহিৰেও অসমীয়া মানুহে বিভিন্ন ধৰণৰ বৃত্তিত নিজকে আত্মনিয়োগ কৰিছে, কিন্তু জাতীয় উৎসৱ বিহু প্ৰতিজন অসমীয়াৰ প্ৰাণৰ উৎসৱৰূপেই পৰম্পৰাগত পদ্ধতিৰেই গাওঁ-ভূঁই আৰু নগৰ চহৰত বসবাস কৰা অসমীয়াই পালন কৰি আহিছে। এই ঋতুভিত্তিক তিনিটা বিহুৰ ভিতৰত অসমীয়া বছৰৰ আৰম্ভণিত বসন্ত কালত উদ্‌যাপন কৰা বিহুক ৰঙালী বিহু বোলা হয়। অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে ৰঙালী বিহুৰ ৰং ৰহইচ সুকীয়াকৈ পালন কৰে আৰু প্ৰত্যেকৰে সুকীয়া সুকীয়া নাম আছে যেনে বৈছাগু, বিছু, বৈখু, বুচু, পয়হু, বৈহু, বয়হু আদি। ঠিক তেনেদৰেই ভোগালী বিহুকো মাগু, মাগ সাঁই জেৰা, মাগ আগৰাতি,

মাঘীয় সংক্ৰান্তি, পুষনা, পুষনু, দুমাছি আদি সুকীয়া সুকীয়া নামেৰে পালন কৰা হয়।

প্ৰতিঘৰ অসমীয়াই বিভিন্ন ৰীতি-নীতিৰে ৰঙালী বিহু পালন কৰি নতুন বছৰটো আদৰি লয়। এটাই উদ্দেশ্য যাতে সকলো দিশৰ পৰাই বছৰটো পৰিয়ালটোৰ বাবে মঙ্গলময় হয়। কৃষিজীৱী লোকসকলে গোটেই ঘৰখনৰে প্ৰতিগৰাকী সদস্যৰ লগতে কৃষিকৰ্মৰ বাবে গৰুহালো যাতে বছৰটো ৰোগ ব্যাধি নোহোৱাকৈ নিৰোগী হৈ থাকে, খেতি-বাতিও ভালদৰে হয়, ধুমুহা বৰষুণে যাতে ঘৰৰ কোনো ক্ষতি সাধন নকৰে, সেইবাবেই সকলোৰে বাবে বিভিন্ন লোকাচাৰৰ মাধ্যমেৰে নেদেখাজনৰ ওচৰত বছৰটোৰ বাবে মঙ্গল কামনা কৰে। সমগ্ৰ পৰিয়াল, আত্মীয়-স্বজন,বন্ধু-বান্ধৱৰ সৈতে পালন কৰা বহাগ বিহুৰ লগত জড়িত হৈ আছে অসমীয়া জাতিটোৰ ৰীতি-নীতি, বিভিন্ন লোকাচাৰ আদিৰ উপৰিও আচাৰ-ব্যৱহাৰ, কলা, নৃত্য-বাদ্য-গীতৰ পাৰদৰ্শিতা, সৃষ্টি প্ৰতিভা, এখন সুশৃঙ্খল সমাজৰ প্ৰতিচ্ছবি। বিহু অসমৰ বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ মাজৰ যেন এক সমন্বয়ৰ সেতু। এক কথাত কবলৈ গ'লে অসমীয়া জাতীয় জীৱনৰ নিভাঁজ ৰূপ ব'হাগ মাহত পালন কৰা সাতবিহুৰ প্ৰতিটো লোকাচাৰতে প্ৰতিফলিত হয়। বিহু ধৰ্মীয় অনুষ্ঠান নহয়, অসমৰ সকলো জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে এই ব'হাগ বিহুৰ ৰঙালী আনন্দত উত্ৰাৱল হৈ ভাগ লয়। বিহুৰ দুটা দিশ আছে – এক হৈছে লোকাচাৰ, আনটো হৈছে নৃত্য-গীতেৰে আনন্দ উল্লাস। বসন্ত ঋতুৰ প্ৰকৃতিৰ বিনন্দীয়া পৰিৱেশে সকলোকে উত্ৰাৱল কৰি তোলে। ধনী-দুখীয়া, উচ্চ-নীচৰ ভেদাভেদ পাহৰি সকলো একগোট হৈ ৰঙালীৰ আনন্দত মতলীয়া হৈ বিভিন্ন থলুৱা বাদ্যযন্ত্ৰৰ সহযোগত হুঁচৰি আৰু বিহুগীত পৰিৱেশন কৰে। উল্লেখযোগ্য যে বিহু নৃত্য-গীত পৰিৱেশনত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰ সমূহৰ ভিতৰত একমাত্ৰ কাঁহৰ তালযোৰৰ বাদে সকলোবোৰেই প্ৰাকৃতিক উপাদানেৰে তৈয়াৰ কৰি লোৱা হয়।

ৰঙালী বিহু সমন্বয়ৰ প্ৰতীক। মফস্বলত থকা প্ৰতিজন অসমীয়া মানুহ নিজৰ আপোন ঘৰখনলৈ বিহুত ঢপলিয়াই আহে, কাৰণ বিহুৰ আচল আনন্দ নিজৰ পৰিয়ালৰ সৈতে ঘৰখনেহে দিব পাৰে। গাঁৱৰ প্ৰতিঘৰ গৃহস্থই আশাৰে বাট চাই থাকে হুঁচৰি গোৱা গাঁৱৰ ৰাইজৰ আশীৰ্বাদ ল'বলৈ। হুঁচৰিৰ তালে তালে বিহুগীত এফাকি জুৰি কঁকাল ঘূৰাই এপাক নেনাচিলে অসমীয়া মানুহৰ মনটোৰেই মুকলি নহয়। অসমীয়া মহিলাৰ ফাগুনৰ পৰা তাঁত বাতি কঢ়া আৰম্ভ হয়। বিহুৱান বিহুৰ আগতেই বৈ শেষ কৰিব লাগে। এয়া নিভাঁজ অসমীয়া পৰিয়ালৰ লোকাচাৰ। সময়ৰ বিৱৰ্তনৰ লগে লগে বিভিন্ন সীমাবদ্ধতাৰ বাবে চহৰ অঞ্চলত লোকাচাৰসমূহ পালন কৰিব নোৱাৰিলেও ৰঙালীৰ আনন্দখিনি সমূহীয়া ভাৱে পালন কৰিববলৈ সাজু হয়। নিজে বিহুৱানখন তাঁতশালত বৈ ল'ব নোৱাৰিলেও বজাৰৰ বিপনিৰ পৰা আনি হ'লেও নতুন বিহুৱানেৰে পৰিয়ালৰ জ্যেষ্ঠসকলক সন্মান আৰু কনিষ্ঠসকলক মৰম চেনেহ যাচে।

অসমীয়া মানুহে কেতিয়াৰ পৰা চ'ত আৰু ব'হাগৰ সংক্ৰান্তিত ৰঙালী বিহু পালন কৰি আহিছে বুৰঞ্জীবিদসকলৰ মতে তাৰ কোনো সময় নিৰ্ধাৰণ কৰা হোৱা নাই। কিন্তু সময়ৰ লগে লগে মানৱ সভ্যতাৰ যিদৰে বিকাশ হৈ আছে, তাৰ লগে লগে উৎসৱ পাৰ্বণতো প্ৰভাৱ পৰিছে যদিও বিহুৰ লোকাচাৰ সমূহ যিমানদূৰ সম্ভৱ সিমানখিনি পালন কৰি থকা হৈছে। বিহুৰ ৰং-ৰহইচৰ দিশটো সময়ৰ লগত মিলি গৈ আছে আৰু দিনে দিনে ই অসমৰ সীমাৰ পৰিধি পাৰ হৈ সমগ্ৰ ভাৰততে জনপ্ৰিয় হোৱাই নহয়, বিশ্বায়নৰ দিশত আগবাঢ়িবলৈ সক্ষম হৈছে।

পূৰ্বতে বিহুনৃত্য সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত অনুষ্ঠিত কৰা হৈছিল। বিহুনৃত্য নিজৰ গাঁৱৰ খেতিপথাৰ বা নদীৰ পাৰত অসমীয়া ডেকা-গাভৰুৰ মাজতে সীমাবদ্ধ আছিল। এক কথাত স্বতঃস্ফুৰ্ত প্ৰেমৰ প্ৰকাশ আছিল। বিহুৰ মাজতেই মনে খাপ খোৱা ডেকা গাভৰুৱে নতুন সংসাৰৰ বান্ধোনত

সোমাইছিল আৰু সমনীয়াই গম পাইছিল কাৰ ঢোলৰ চাপৰত কোন নাচনীয়ে নাচিছে। এই বিহু নাচ একেবাৰে প্ৰাকৃতিক আছিল। ইয়াত অভিনয় নাছিল। মানুহক দেখুৱাবলৈ নহয়, বিহু সঁচা প্ৰেমৰ নৃত্য আছিল।

বিহুৰ আনুষ্ঠানিক ব্যাপ্তি আহোম ৰজাৰ শাসনকালতেই ঘটে। ৰজাঘৰীয়া মৰ্য্যাদা লাভ কৰাৰ পাছৰ পৰাই কালক্ৰমত বিহুৰ লগত হুঁচৰিৰ অংশ সংযুক্ত হ'ল। তদুপৰি বিহুৰ অন্যান্য অংগবোৰ পালন কৰিলেও 'বিহু মৰা' প্ৰথাটো অতীতত দূৰত পথাৰৰ মাজত গছৰ তলত, নদীৰ পাৰত পালিত হৈছিল, অৰ্থাৎ বিহুগীতৰ তালে তালে নচা ডেকা গাভৰুৰ সমূহীয়া নৃত্যগীত হ'লেও ৰাজহুৱাভাৱে প্ৰদৰ্শিত হোৱা নাছিল। ৰজাঘৰত বিহু মৰাৰ পাছৰ পৰাই ই সমজুৱা বা ৰাজহুৱা অনুষ্ঠানলৈ ৰূপান্তৰিত হ'ল।

অসমত আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত বিভিন্ন ধৰণৰ থলুৱা খেল-ধেমালিৰ অনুষ্ঠানৰ আয়োজন কৰি তেখেতসকলে উপভোগ কৰিছিল। বুৰঞ্জীৰ মতে ১৬৯৮-৯৯ খৃষ্টাব্দত স্বৰ্গদেউ ৰুদ্ৰসিংহই নতুনকৈ পতা ৰাজধানী ৰংপুৰ নগৰীত খেল-ধেমালি চাবলৈ আজিকালিৰ ওখ পেভেলিয়নৰ দৰে পোন্ধৰ-যোল হতীয়া শালকাঠৰ খুঁটাৰ ওপৰত কাঠৰ চাংঘৰ নিৰ্মাণ কৰি লৈছিল আৰু নাম দিছিল 'ৰংচোৱা ঘৰ' বা 'ৰংঘৰ'। কালক্ৰমত স্বৰ্গদেউ প্ৰমত্ত সিংহৰ দিনত কাঠৰ ঘৰৰ ঠাইত দুমহলীয়াকৈ ইটাৰে ৰংঘৰৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰে। যি ৰংঘৰ আজিও শিৱসাগৰত সগৌৰৱেৰে অসমীয়াৰ স্বাভিমানৰ প্ৰতীক হিচাপে থিয় হৈ আছে। এই 'ৰংঘৰ'ৰ সন্মুখৰ বাকৰিতেই খেল ধেমালিৰ লগতে মুকলিকৈ ৰজা আৰু ৰাইজে উপভোগ কৰিবলৈ বিহুনাচ প্ৰদৰ্শিত হৈছিল আৰু আজিও হৈ আছে। খেল-ধেমালিৰ মাজতে ব'হাগ বিহুত ঢুলীয়া-নাচনীয়ে কঁকাল ঘূৰাই নাচে ।ৰজাঘৰীয়াই ৰংঘৰৰ ওপৰৰ পৰা উপভোগ কৰে আৰু এই বিহুৰেই ৰঙালী বিহুৰূপে ঠন ধৰি উঠি এক বিশেষ মাত্ৰা পালে। এয়াই বোধহয় গাইগুটীয়াকৈ পথাৰৰ গছৰ তল, নদীৰ পাৰৰ পৰা মুকলি বাকৰিত ৰজাঘৰীয়া আৰু ৰাইজৰ সন্মুখত বিহুৰ আৰম্ভণি। এই বিহুনাচ মাৰ্জিত ৰূপত প্ৰকাশ হ'ল। অকল বিহুনাচেই নহয়, ৰুদ্ৰসিংহৰ দিনতে স্বৰ্গদেউ সকলে হুঁচৰি বিহুৱা ৰাজকাৰেঙলৈ মাতি নি আঁঠু লৈ আশীৰ্বাদ লৈছিল আৰু সেয়াই বোধহয় বিহুত হুঁচৰি গোৱা পৰম্পৰাৰ আৰম্ভণি। বিহুৱাসকলে গাঁৱৰ প্ৰতিঘৰ মানুহৰ চোতালত হুঁচৰি গাই গৃহস্থক আশীৰ্বাদ দি যোৱা এক পৰম্পৰা হৈ পৰিল। বিহুৱে এক স্বকীয়তা লাভ কৰিলে। বিহু কোনো জাতি বা বিশেষ ধৰ্মৰ হৈ নাথাকিল। বিহুক সকলো শ্ৰেণীৰ লোকে আদৰি ল'লে। কিন্তু ইয়াণ্ডাবু সন্ধিৰ পিছত যেতিয়া বৃটিছ চৰকাৰৰ হাতলৈ শাসনৰ বাঘজৰী গৈছিল, ১৮৯৯ খৃষ্টাব্দত মুষ্টিমেয় এচাম অসমীয়া লোকৰ আৰ্জিৰ ওপৰতে ভিত্তি কৰি অসমত বিহুনাচ 'অশ্লীল' নৃত্য বুলি বৃটিছ চৰকাৰে বিহুনাচ নিষেধ কৰিছিল। কিন্তু কেইগৰাকীমান অসমীয়া মানুহৰ তৎপৰতাত যেতিয়া বৃটিছ শাসকক বিহুৰ বিষয়ে বুজাই দি পুৰণিগুদামৰ মৈদামত ঢুলীয়াৰ ঢোলৰ চাপৰত বিহুনাচ গুৱাহাটীৰ বৰ চাহাবৰ আগত প্ৰদৰ্শন কৰা হ'ল, বৰ চাহাবে ইয়াক বুজি শুনি চাই লগে লগে নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিলে আৰু অসমীয়া বিহুনাচ পুনৰ সজীৱ হৈ উঠিল। এই নিষেধাজ্ঞা কেইমাহমানহে টিকি থাকিব পাৰিলে।

ৰংঘৰৰ বাকৰিত স্বৰ্গদেউসকলৰ দ্বাৰা ৰঙালীৰ ৰূপেৰে ঢুলীয়া নাচনীৰে বিহুনাচৰ প্ৰদৰ্শনৰ আয়োজনৰ পিছত পোনপ্ৰথম বাৰৰ বাবে ৰাজহুৱা বিহুমেলাৰ আয়োজনৰ বতৰা 'আসাম বন্তি' কাকতৰ পৰা পোৱা যায়। ১৯২১ চনত অসমৰ আধুনিক সাংস্কৃতিক প্ৰাণকেন্দ্ৰ তেজপুৰ চহৰত পোন প্ৰথমবাৰৰ বাবে 'উষা' ছাত্ৰ সন্থাই তেজপুৰৰ কলিবাৰীৰ অসমীয়া ভাষা উন্নতি সাধিনী(অঃভাঃউঃসাঃ) সভাৰ বাকৰিৰ মঞ্চত পোন প্ৰথমে ব'হাগ বিহুৰ আয়োজন কৰিছিল। এয়াই খুব সম্ভৱ অসমৰ ৰাইজে পতা প্ৰথম ব'হাগ বিহুৰ ৰঙালী বিহুমেলা। অঃভাঃউঃসা

সভাই তিনি-চাৰিদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা এই বিহুমেলা বিভিন্ন খেল ধেমালিৰ লগতে লুইতৰ বালিতো অনুষ্ঠিত হৈছিল। এইবিলাকৰ ভিতৰত ধোপ খেল, নাও খেল, সাঁতোৰ, ৰছী টনা, বাহৰ পেঙত উঠি খোজ কঢ়া, মহিলাৰ বাবে খোজকঢ়া প্ৰতিযোগিতা উল্লেখযোগ্য। বিভিন্ন খেল ধেমালি আদিৰ লগতে পিঠা পনাৰ প্ৰতিযোগিতা হৈছিল আৰু এবাৰ হীৰাৰতী বৰগোহাঞি ডাঙৰীয়ানী এই প্ৰতিযোগিতাত প্ৰথম হৈছিল। এই কথা অঃভাঃউঃসাঃ সভাৰ শতবৰ্ষীয় স্মৃতিগ্ৰন্থত প্ৰকাশ পাইছিল। কিন্তু বেছিকৈ প্ৰচাৰ নোহোৱা বাবেই বোধহয় ইয়াৰ বতৰা অসমবাসীৰ বাবে আজিও অজ্ঞাত। এই বতৰা সেইসময়ৰ মানুহে গম পালেও পিছৰ প্ৰজন্মৰ মানুহখিনিয়ে বহুতে গম নাপায়।

১৯২১ চনৰ পৰা ১৯২৬ চনলৈ এই মঞ্চ বিহু "উষা" ছাত্ৰ সন্থাই অঃভাঃউঃসা সভাৰ তেজপুৰ, কলিবাৰীৰ বাণ ৰঙ্গমঞ্চতে অনুষ্ঠিত কৰিছিল। তাৰ পাছত এই বিহুমেলাখন "উষা"ৰ পৰিবৰ্তে অঃভাঃউঃষা সভাই ১৯২৭ চনৰ পৰা তেওঁলোকৰ অভিন্ন অনুষ্ঠান বাণ থিয়েটাৰৰ মঞ্চতে ১৯৫৬ চনলৈকে পাতিছিল। কিন্তু বাণ থিয়েটাৰ ১৯৫৬ চনত অঃভঃউঃসা সভাৰ পৰা পৃথক হোৱা বাবে অঃ ভাঃ উঃ সাঃ সভাৰ বাকৰিত চিত্ৰলেখা কৃষ্টি সংঘই এতিয়াও ১৯২১ চনত আৰম্ভ কৰা মঞ্চবিহুখন পাতি আছে। সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাদেৱৰ দ্বাৰা সম্পাদিত 'আসাম বন্তি' কাকতত তেখেতে বহু কেইবাৰ এই মঞ্চবিহুখনৰ বিষয়ে উল্লেখ কৰিছে।

১৯২৮ চনৰ ২১ এপ্ৰিলৰ 'আসাম বন্তি' কাকতত 'এইবাৰ' শিৰোনামেৰে পদ্মনাথ গোহাঞিবৰুৱাদেৱে কলিবাৰীৰ নামঘৰত পতা বিহুখনে জাতীয় সন্মিলনৰ ৰূপ লৈছিল বুলি উল্লেখ কৰিছিল। ১৯২১ চনৰ পৰা অসমীয়া জাতিৰ উন্নতি সাধিনী সভাৰ বাকৰিত "উষা" ছাত্ৰসন্থাই নিৰৱচ্ছিন্নভাৱে এই বিহুমেলাৰ আয়োজন কৰি আহিছে।

১৯৪১চনত মহেশ্বৰ নেওগকে আদি কৰি কেইবাগৰাকী পুৰোধা ব্যক্তিৰ তৎপৰতাত শিৱসাগৰৰ বিহুমঞ্চত পোনপ্ৰথম বাৰৰ বাবে বিহুনৃত্য প্ৰদৰ্শন কৰি মঞ্চলৈ আদৰি আনা হৈছিল।

১৯৫১ চনত অসমৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ উদ্যোগত লতাশিল খেলপথাৰত অনুষ্ঠিত কৰা মঞ্চ বিহুৰ জৰিয়তে বিহুনৃত্যই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰি সমগ্ৰ অসমৰ প্ৰায়বোৰ নগৰ, চহৰ, গাঁও আদিত এই মঞ্চ বিহুৰ আয়োজন কৰিবলৈ সকলোৱে অনুপ্ৰেৰণা লাভ কৰিলে। মঞ্চত নাচিবলৈ বহুতো নাচনী ঢুলীয়া আগবাঢ়ি আহিল। তাৰ লগে লগে বিহুৱে এটা নতুন মাত্ৰা পালে। দিন যিমানে আগবাঢ়ি যাবলৈ ধৰিলে বিহু বেছি জনপ্ৰিয় হ'ল। বিভিন্ন সাংস্কৃতিক গোষ্ঠী, বিভিন্ন বিহুৱা দলৰ সৃষ্টি হ'ল। সমগ্ৰ ভাৰতৰ পৰা লাহে লাহে বিদেশৰ মাটিতো য'তেই অসমীয়া মানুহ আছে, তাতেই ৰঙালী বিহুৰ আয়োজন কৰা হ'ল। বিহুনৃত্য সাত সাগৰ তেৰ নদীৰ সীমাৰ পৰিধি ভাঙি এক জনপ্ৰিয় নৃত্য হৈ পৰিল আৰু বিহুনৃত্যৰ সমান্তৰালকৈ অসমৰ নানান থলুৱা লোকসংস্কৃতি ৰাইজৰ মাজত প্ৰকাশ পালে।

ফোন নম্বৰ ঃ ৯৯৫৭৫৬২৫৪৫

❖

সহায়ক গ্ৰন্থ ঃ

প্ৰৱন্ধটি লিখোতে ড° নগেন শইকীয়া দেৱৰ গ্ৰন্থ 'অসমীয়া মানুহৰ ইতিহাস' আৰু অধ্যাপক তেজপুৰ কলিবাৰীৰ ড° মনোজ হাজৰিকাৰ 'অসমৰ প্ৰথম মঞ্চবিহু খন' নামৰ প্ৰৱন্ধৰ সহায় লোৱা হৈছে।

সেই সময়তে সিন্ধুতাই চিখালদাৰৰ জনজাতীয় লোকসকলে নিৰ্মাণ কৰা জুপুৰিত থাকিবলৈ লৈছিল। লাহে লাহে মানুহে সিন্ধুতাইক 'মাই' বুলি মাতিবলৈ ল'লে আৰু স্বইচ্ছাৰে তেওঁৰ দত্তক সন্তানৰ বাবে দান দিবলৈ ধৰিলে। লাহে লাহে সিন্ধুতাইৰ সন্তানৰ সংখ্যাও বাঢ়ি যাবলৈ ধৰিলে। এনে পৰিস্থিতিত তেওঁ অনুভৱ কৰিছিল যে তেওঁৰ নিজ সন্তান মমতা আৰু দত্তক লোৱা সন্তানৰ মাজত কোনো বৈষম্য থাকিব নালাগে। মমতাৰ জন্মদাত্ৰী মা আছিল সিন্ধুতাই, নিজৰ সন্তান আৰু দত্তক শিশুৰ মাজত থকা বৈষম্যৰ অনুভূতি নাইকিয়া কৰিবলৈ মমতাক পুণেৰ শ্ৰীমন্ত দগদু শেঠ হালোৱাই নামৰ সংস্থাৰ হাতত অৰ্পণ কৰিছিল। মমতা বৰ্তমান এগৰাকী অধিবক্তা আৰু অনাথ আশ্ৰমো পৰিচালনা কৰে।

# এগৰাকী সাধাৰণ মহিলাৰ অসাধাৰণ কৃতিত্ব

**জোনা মহন্ত**

মহাৰাষ্ট্ৰৰ ৱাৰ্ধা জিলাৰ অন্তৰ্গত পিম্পৰী মেঘে নামৰ গাঁৱৰ এটি দুখীয়া পৰিয়ালত ১৯৪৮ চনৰ ১৪ নৱেম্বৰত জন্মগ্ৰহণ কৰিছিল সিন্ধুতা সাপকালে। তেওঁৰ পিতৃ আছিল গো-পালক অভিমন্যু সাথে। তেওঁৰ পৰিয়ালৰ আন সদস্যৰ বিষয়ে বিশেষ জনা নাযায়। সিন্ধুতাইৰ শৈশৱ পাৰ হয় দাৰিদ্ৰ্য আৰু পৰিয়ালৰ বাবে দায়বদ্ধতাৰ মাজেৰে। দেউতাক অভিমন্যু তেওঁৰ শিক্ষাৰ প্ৰতি আগ্ৰহী আছিল যদিও মাক তেওঁৰ পঢ়াৰ ক্ষেত্ৰত ঘোৰ বিৰোধী আছিল। তেওঁৰ দেউতাকে মাকৰ অলক্ষিতে গৰু চৰাবলৈ নিয়াৰ অজুহাতত স্কুললৈ পঠিয়াইছিল। সিন্ধুতাই স্কুল গৈ পাওঁতে পলম হোৱা বাবে স্কুলত শিক্ষকৰ বেতৰ কোব আৰু গৰুৱে আনৰ খেতি পথাৰ নষ্ট কৰাৰ বাবে গাঁৱৰ মানুহৰ শাস্তিও পাবলগীয়া হৈছিল। দেউতাকে কাগজ কিনি দিব নোৱাৰা বাবে গছৰ পাতত লিখিছিল। পঢ়াৰ প্ৰতি যথেষ্ট ধাউতি থকা সত্বেও মাত্ৰ চতুৰ্থ শ্ৰেণীলৈকে পঢ়াৰ পাছতেই আনুষ্ঠানিক শিক্ষা সামৰিবলৈ বাধ্য হৈছিল। অৱহেলিত সন্তান হোৱা বাবে সিন্ধুতাইক 'চিন্ধি (Chindhi)' অৰ্থাৎ ফটা কাপোৰৰ টুকুৰা বুলি কৈছিল। সম্ভৱতঃ এই কাৰণতে সিন্ধুতাইয়ে প্ৰতিটো শিশুকে যে মৰ্য্যাদা সহকাৰে ব্যৱহাৰ কৰা উচিত

সেই কথা উপলব্ধি কৰিছিল।

সিন্ধুতাইৰ মাত্ৰ দহ বছৰ বয়সতে তেওঁতকৈ বিশ বছৰে ডাঙৰ ৱাৰ্ধা জিলাৰ নৱৰগাঁৱৰ শ্ৰীহৰি সাপকালৰ সৈতে বিবাহ সম্পন্ন হৈছিল। বৈবাহিক জীৱনো আছিল তিক্ততাৰে ভৰা। সিন্ধুতাই বিশ বছৰ বয়সলৈকে তিনিজন ল'ৰা সন্তানৰ মাতৃ হয়। সেই সময়তে গাঁওবুঢ়াই গাঁওবাসীৰ পৰা বিনামূলীয়াকৈ শুকান গোবৰ সংগ্ৰহ কৰি ইন্ধন হিচাপে ব্যৱহাৰ কৰিবলৈ বিক্ৰী কৰিছিল। গাঁওবাসীক গোবৰৰ বিনিময়ত একো নিদিয়া বাবে সিন্ধুতাইয়ে বিৰোধিতা কৰিছিল। আনুষ্ঠানিক শিক্ষা নাথাকিলেও তেওঁ আছিল নিৰ্ভীক আৰু নিজৰ মনৰ কথা ব্যক্ত কৰিব পৰাকৈ দুৰ্বাৰ সাহসী। সিন্ধুতাইৰ আন্দোলনে এনে এটি পৰ্য্যায় পাইছিলগৈ যে জিলা উপায়ুক্ত গাঁৱলৈ আহিব লগাত পৰিছিল আৰু তেওঁৰ দাবী যুক্তিসঙ্গত বুলি মানি ল'বলৈ বাধ্য হৈছিল। এগৰাকী মহিলাৰ দ্বাৰা অপমানিত হোৱা বাবে গাঁৱৰ মুৰব্বীজনে মিছা অপবাদ দি তেওঁৰ স্বামী শ্ৰীহৰি সাপকালক সিন্ধুতাইক পৰিত্যাগ কৰিবলৈ পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল আৰু কৃতকাৰ্য্যও হৈছিল। শ্ৰীহৰিয়ে ন মহীয়া গৰ্ভৱতী সিন্ধুতাইক পেটত লঠিওৱাৰ উপৰিও দৈহিক নিৰ্য্যাতন কৰি অৰ্ধচেতন অৱস্থাত ঘৰৰ পৰা চোঁচৰাই বাহিৰ কৰি গোহালিত স্থান দিছিল। সিন্ধুতাইয়ে তেওঁৰ সাক্ষাৎকাৰত কোৱা অনুসৰি চেতনাহীন অৱস্থাতে সেইদিনাই গোহালিতে তেওঁৰ এটি কন্যা সন্তান জন্ম হয়। গোহালিত থকা গৰুৰ হেম্বেলনিত চেতনা পাইহে তেওঁ গম পাইছিল সন্তান জন্ম হোৱাৰ কথা। কন্যাৰ জন্মৰ পিছত এচটা শিলেৰে যোল্ল বাৰ প্ৰহাৰ কৰি নিজেই নাভি শিৰা কাটিছিল। ভোকে পিয়াহে জৰ্জৰিত সিন্ধুতাইয়ে আশ্ৰয় বিচাৰি নৱজাতকৰ সৈতে মাতৃগৃহলৈ গৈছিল যদিও নিজৰ জন্মদাত্ৰী মাতৃয়ে ঘৰত প্ৰৱেশ কৰিব নিদি মৰিবলৈহে কৈছিল। ইতিমধ্যে দেউতাকৰ মৃত্যু নোহোৱাহেঁতেন হয়তো তেওঁ জীয়েকৰ দায়িত্ব ল'লেহেঁতেন। ভোক, অসহনীয় যন্ত্ৰণা আৰু সকলোৰে পৰা অৱহেলিত হৈ পৰা সিন্ধুতাইয়ে আত্মহত্যা কৰাৰ কথা ভাবিছিল। কিন্তু সফল হ'ব পৰা নাছিল। সংঘাতপূৰ্ণ জীৱনত তিনিবাৰ আত্মহত্যাৰ কথা তেওঁৰ মনলৈ আহিছিল যদিও প্ৰতিবাৰতে অন্তৰাত্মাই তেওঁক বাধা দিছিল। যাৰ জীৱনত কৰিবলগীয়া বহু কাম বাকী আছিল তেওঁ কেনেকৈ নিজকে হত্যা কৰিব পাৰিব!

"মঞ্জিল বহু দূৰ হ্যায়
যানা ৱঁহা জৰুৰ হ্যায়
ৰাস্তা মুশকিল হ্যায়
মৰণা মঞ্জুৰ হ্যায়
মগৰ শেৰ জেয়ছে
দেশ কে লিয়ে মৰো।"

এয়া আছিল সিন্ধুতাইৰ ভাষ্য।

সকলোৰে পৰিত্যাগ কৰাৰ পাছত আন কোনো উপায় নেদেখি সিন্ধুতাইয়ে ভোক নিবাৰণৰ বাবে কেঁচুৱা কোলাত লৈ দিনত ৰেলত গান গাই ভিক্ষা মাগি ৰাতি শ্মশানত আশ্ৰয় লৈছিল। তেওঁ ভাবিছিল ৰাতি ভূতৰ ভয়ত শ্মশানলৈ কোনো নাহে— সেয়ে সুৰক্ষাৰ বাবে শ্মশানখনেই আটাইতকৈ সুৰক্ষিত স্থান। শ্মশানত থকা সময়তে এদিন ৰাতি একো খাবলৈ নাপাই জীৱন যন্ত্ৰণা আৰু নিজৰ ভাগ্যক ধিয়াই অধীৰ হৈ চিঞৰি-চিঞৰি কান্দি আছিল। সেই সময়তে পেলনীয়া আটা দেখিবলৈ পালে। সেই আটা তুলি আনি মৃতকৰ সৎকাৰত ব্যৱহাৰ কৰা ফুটা টেকেলীৰ অৱশিষ্ট পানীৰে গছৰ পাতত সেই আটা মাৰি মৃতকৰ জ্বলা জুইত ৰুটি সেকি খাইছিল। মৃতকৰ উদ্দেশ্যে পেলাই দিয়া কাপোৰকে ব্যৱহাৰ কৰিছিল। এনেদৰেই আৰম্ভ হৈছিল সিন্ধুতাইৰ জীয়াই থকাৰ সংগ্ৰাম।

জীয়াই থকাৰ অহৰহ যুঁজত ৰেলৰ ডবা, ৰেল ষ্টেচন, ৰাজহুৱা স্থান আদিত ভিক্ষা মাগি ফুৰা সময়ত তেওঁ উপলব্ধি কৰিছিল যে দেশত বহু অনাথ শিশু আছে যাক মাতৃৰ প্ৰয়োজন। সিন্ধুতাইৰ মনত জাগি উঠিছিল এই অনাথ শিশুসকলৰ মাতৃ হোৱাৰ অনুভূতি। বিভিন্ন বক্তৃতা অনুষ্ঠানত তেওঁ কৈছিল— "মই গান গাব পাৰিছিলোঁ আৰু কোলাত কণমানি সন্তান দেখি বহুতেই মোক ভিক্ষা দিছিল। বহুতো ভিক্ষাৰীয়ে ভিক্ষা নোপোৱা বাবে অনাহাৰে থাকিবলগীয়া হৈছিল। মই পোৱা খিনিকে সকলোৰে লগত ভগাই খাইছিলোঁ। মই তেওঁলোকক খাবলৈ দিছিলোঁ আৰু তেওঁলোকে দিছিল মোক সুৰক্ষা। সকলোৱে মোক পৰিত্যাগ কৰিছে, অকলশৰীয়া আৰু অৱহেলিত হোৱাৰ বেদনা মই জানিছিলোঁ। মই বিচৰা নাছিলোঁ কোনেও মোৰ নিচিনা

পৰিস্থিতিৰ সন্মুখীন হওক, সেয়ে মই অনাথ ল'ৰা-ছোৱালীবোৰক দত্তক লৈছিলোঁ। মোৰ লগতে সিহঁতৰ ভোক নিবাৰণৰ বাবে ভিক্ষা কৰিছিলোঁ।" যাৰ কোনো নাই সেই সকলৰ বাবে জীয়াই থকাটোৱেই তেওঁৰ জীৱনৰ লক্ষ্য হৈ পৰিল, ফলত সিন্ধুতাই হৈ পৰিল এহেজাৰতকৈও অধিক শিশুৰ 'মাই'।

বিনা টিকটত উঠা বাবে ৰেলৰ পৰা ভিক্ষাৰীক নমাই দিয়াৰ দৰে ভিক্ষাৰ বাবে ৰেলত এখন ঠাইৰ পৰা আনখন ঠাইলৈ যোৱা সময়ত ৰেলৰ টিকট নথকা বাবে বহুবাৰ ৰেলৰ পৰা নমাই দিছিল যদিও আন ৰেলত উঠিছিল সিন্ধুতাই। এনেদৰে ঘূৰি ফুৰোঁতে এবাৰ তেওঁ টিকট কাটি ৰেলত উঠোঁ বুলি ভাবি টিকট কাউন্টাৰত থিয় দিছিল যদিও তেওঁক টিকট দিয়া নাছিল। এটা সময়ত সিন্ধুতাই মহাৰাষ্ট্ৰৰ অমৰাৱতী জিলাৰ চিখালদাৰত ভিক্ষা মাগিবলৈ ধৰিলে। চিখালদাৰত থকা সময়ত চহৰখনত ব্যাঘ্ৰ সংৰক্ষণ প্ৰকল্পৰ বাবে ৮৪খন জনজাতীয় গাঁও খালী কৰা হৈছিল। সিন্ধুতাইয়ে অসহায় জনজাতীয় গাঁওবাসীক সঠিক পুনৰ্বাসনৰ বাবে যুঁজ দিয়াৰ সিদ্ধান্ত লয়। সেই সময়তে তেওঁ বনমন্ত্ৰী ছেদিলাল গুপ্তাক লগ পায়। ছেদিলালে সিন্ধুতাইৰ অনুৰোধত যেতিয়ালৈকে গাঁৱৰ মানুহক বিকল্প মাটিৰ ব্যৱস্থা কৰি দিয়া নহয় তেতিয়ালৈকে স্থানচ্যুত নকৰোঁ বুলি প্ৰতিশ্ৰুতি দিছিল আৰু উপযুক্ত বিকল্প ব্যৱস্থা কৰিও দিছিল।

সেই সময়তে সিন্ধুতাই চিখালদাৰৰ জনজাতীয় লোকসকলে নিৰ্মাণ কৰা জুপুৰিত থাকিবলৈ লৈছিল। লাহে লাহে মানুহে সিন্ধুতাইক 'মাই' বুলি মাতিবলৈ ল'লে আৰু স্বইচ্ছাৰে তেওঁৰ দত্তক সন্তানৰ বাবে দান দিবলৈ ধৰিলে। লাহে লাহে সিন্ধুতাইৰ সন্তানৰ সংখ্যাও বাঢ়ি যাবলৈ ধৰিলে। এনে পৰিস্থিতিত তেওঁ অনুভৱ কৰিছিল যে তেওঁৰ নিজ সন্তান মমতা আৰু দত্তক লোৱা সন্তানৰ মাজত কোনো বৈষম্য থাকিব নালাগে। মমতাৰ জন্মদাত্ৰী মা আছিল সিন্ধুতাই, নিজৰ সন্তান আৰু দত্তক শিশুৰ মাজত থকা বৈষম্যৰ অনুভূতি নাইকিয়া কৰিবলৈ মমতাক পুণেৰ শ্ৰীমন্ত দগদু শেঠ হালোৱাই নামৰ সংস্থাৰ হাতত অৰ্পণ কৰিছিল। মমতা বৰ্তমান এগৰাকী অধিবক্তা আৰু অনাথ আশ্ৰমো পৰিচালনা কৰে।

মহাৰাষ্ট্ৰৰ মাদাৰ টেৰেছা বুলি পৰিচিত সিন্ধুতাই এনে এগৰাকী মাতৃ, যাৰ কোলাত এজন-দুজন নহয় হাজাৰ শিশুৱে বিচাৰি পায় মাতৃৰ মৰম। ভিক্ষা খুজিয়ে হাজাৰতকৈও অধিক অনাথ শিশুৰ ভৰণ-পোষণ, শিক্ষা, চিকিৎসাৰ দায়িত্ব লোৱাটো তেওঁৰ জীৱনৰ লক্ষ্য হৈ পৰিছিল। সিন্ধুতাইৰ এই অন্তহীন প্ৰক্ৰিয়াৰ ফলতেই মহাৰাষ্ট্ৰৰ বিভিন্ন ঠাইত বহু কেইখন বৃহৎ প্ৰতিষ্ঠান গঢ়ি উঠিছে য'ত অনাথ শব্দ ব্যৱহাৰ কৰা নিষিদ্ধ। সিন্ধুতাইয়ে স্থাপন কৰা প্ৰতিষ্ঠানসমূহ হ'ল— মাদাৰ গ্ল'বেল ফাউণ্ডেশ্বন (পুণে), সন্মতি বাল নিকেতন (পুণে), মমতা বাল সদন (পুণে), সাৱিত্ৰীবাই ফুলে মুলেঞ্চে বসতিগৃহ (চিখলদাৰ), অভিমান বাল ভৱন (ৱাৰ্ধা), গংগাধৰবাবা ছাত্ৰালয় (শিৰদী)। শিশুৰ উপৰিও বয়সস্থ অনাথ লোকৰ বাবেও সপ্তসিন্ধু মহিলা আধাৰ বালসংগোপন আৰু শিক্ষা সংস্থা (পুণে) আৰু বনৱাসী গোপালকৃষ্ণ শিক্ষা ক্ৰীড়া প্ৰসাৰক মণ্ডল (অমৰাৱতী), শ্ৰী মনশান্তি ছাত্ৰালয় (শিৰুৰ) নামে তিনিটা সংস্থা প্ৰতিষ্ঠা কৰে। একেটা পৰিয়ালৰ দৰে বাস কৰা এই প্ৰতিষ্ঠানত ডেৰ হাজাৰৰো অধিক শিশুৱে আশ্ৰয় পাইছে। ভৰণ-পোষণৰ সমস্যাৰ মাজতো সিন্ধুতাই শিশুসকলৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিছিল। প্ৰতিটো শিশুৱে যাতে উপযুক্ত শিক্ষাৰে সফল জীৱন যাপন কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিছিল। তেওঁৰ প্ৰতিষ্ঠানত আশ্ৰয় লোৱা বহুতো শিশু এতিয়া ডাক্তৰ, অভিযন্তা, অধিবক্তা হোৱাৰ উপৰিও সুশিক্ষিত হৈ বিভিন্ন কামত নিয়োজিত আৰু সমাজত সুপ্ৰতিষ্ঠিত। তেওঁৰ প্ৰতিষ্ঠানত শিশুৱে পঢ়ি-শুনি নিজকে প্ৰতিষ্ঠা কৰিব পৰালৈকে আশ্ৰয় পায়। বৰ্তমান তেওঁৰ পৰিয়ালত আঢ়ৈশৰো অধিক জোঁৱাই আৰু পঞ্চাশগৰাকী বোৱাৰী আৰু হাজাৰৰো অধিক নাতি-নাতিনী আছে। সিন্ধুতাইয়ে প্ৰতিটো ল'ৰা-ছোৱালীকে নিজৰ পুত্ৰ-কন্যা বুলি গণ্য কৰিছিল।

সিন্ধুতাইয়ে এটি সাক্ষাৎকাৰত স্বামী শ্ৰীহৰিয়ে মৰিবলৈ গোহালিত এৰি যোৱা সেই অভিশপ্ত নিশাটোৰ কথা সুঁৱৰি কয়, "সেইদিনা গোহালিৰ এজনী গাইগৰুয়ে মোক আন গৰুবোৰৰ পৰা ৰক্ষা কৰিছিল। মোৰ মনতে ভাব হৈছিল এজনী গাইয়েও বুজি পায় প্ৰসৱ বেদনা আৰু সেইদিনাই মই প্ৰতিজ্ঞাৱদ্ধ হৈছিলোঁ অৱহেলিত গৰুৰ ৰক্ষণা-কৰণি॥ 

বেক্ষণৰ ব্যৱস্থা কৰিম।" সেয়ে বুঢ়া বা বেমাৰী গৰু যিবোৰ একো কামৰ নহয় বুলি মানুহে পথত এৰি যায় সেইবোৰৰ বাবে ৱাৰ্ধাত 'গোপীকা গাই ৰক্ষণ কেন্দ্ৰ (ৱাৰ্ধা)' নামেৰে এটি কেন্দ্ৰ স্থাপন কৰে। বৰ্তমান তাত চাৰে তিনিশৰো অধিক গৰু আছে বুলি তেওঁ কয়।

জীৱনৰ শেষ কালছোৱাত অকলশৰীয়া আৰু নিঃস্ব হৈ পৰা সিন্ধুতাইৰ স্বামী শ্ৰীহৰি আহিছিল তেওঁৰ ওচৰলৈ আশ্ৰয় বিচাৰি। সিন্ধুতাইয়ে গৌৰৱেৰে তেওঁক নিজৰ সন্তানৰ দৰে আকোৱালি লৈছিল আৰু কৈছিল, "মই এতিয়া সকলোৰে মাই, সেয়ে কাৰো পত্নী হ'ব নোৱাৰোঁ।" নিজৰ স্বামীক সকলোকে আটাইতকৈ ডাঙৰ সন্তান বুলি পৰিচয় কৰাই দিছিল। স্বামীক ক্ষমা কৰি দি সিন্ধুতাই কৈছিল, "তেওঁ মোক ঘৰৰ পৰা খেদি নিদিয়া হ'লে মই আজি মোৰ এই স্থানত কেতিয়াও উপনীত হ'ব নোৱাৰিলোহেতেঁন। সেয়ে তেওঁক মই ক্ষমা কৰি দিছোঁ।" পাঁচ বছৰ পাছত শ্ৰীহৰি সাপকালৰ মৃত্যু হয়।

২০০৯ চনত আমেৰিকাত অনুষ্ঠিত বিশ্ব মাৰাঠী সাহিত্য সন্মিলনত ভাষণ দিবলৈ সিন্ধুতাইক আমন্ত্ৰণ কৰিছিল। সিন্ধুতাই সাপকালৰ সত্য জীৱন কাহিনীৰ আধাৰত ৰচিত "মী ভানৰাছি" নামৰ গ্ৰন্থখনৰ আধাৰত অনন্ত নাৰায়ণ মহাদেৱনে ২০১০ চনতে 'মী সিন্ধুতাই সাপকাল' নামেৰে মাৰাঠী কৰমুক্ত চলচ্চিত্ৰ এখন নিৰ্মাণ কৰে। প্ৰেৰণাদায়ক এই ছবিখন ৫৪ সংখ্যক লণ্ডন মহোৎসৱত বিশ্ব প্ৰিমিয়াৰৰ বাবে নিৰ্বাচিত হৈছিল। চলচ্চিত্ৰখনৰ নিৰ্মাতা অনন্ত নাৰায়ণ মহাদেৱনে কয়, "The great Edition of Times of India নামৰ বাতৰি কাকতখনত সিন্ধুতাইৰ ওপৰত প্ৰকাশিত এটি প্ৰবন্ধ পঢ়ি মই সিন্ধুতাইৰ জীৱন আধাৰিত চলচ্চিত্ৰখন নিৰ্মাণৰ অনুপ্ৰেৰণা পাইছিলোঁ। মাৰাঠী ভাষাত নিৰ্মিত চলচ্চিত্ৰখন আন্তৰ্জাতিক পৰ্য্যায়ত প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হোৱাত মই অতি আনন্দিত।"

২০২১ চনত সামাজিক কামৰ শিতানত পদ্মশ্ৰী, ২০১৭ চনত ভাৰতৰ ৰাষ্ট্ৰপতি ৰাম নাথ কোভিন্দৰ পৰা নাৰী শক্তি পুৰস্কাৰ, ২০১৬ চনত পুনেৰ ড০ ডি ৱাই পাটিল কলেজ অৱ ইঞ্জিনিয়াৰিঙৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰীকে ধৰি অসংখ্য ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত সিন্ধুতাই। দান বৰঙণিৰ জৰিয়তে লাভ কৰা ধন মাটি কিনা, ঘৰ নিৰ্মাণ আৰু শিশুৰ শিক্ষাৰ ব্যৱস্থা কৰাত ব্যৱহাৰ কৰিছিল।


জীৱনৰ পঞ্চাশ বছৰৰো অধিক কাল অনাথ শিশুৰ বাবে উৎসৰ্গা কৰা সিন্ধুতাইৰ ২০২২ চনৰ ৪ জানুৱাৰিত ৭৩ বছৰ বয়সত দেহাৱসান ঘটে। তেওঁ স্থাপন কৰা সংস্থাবোৰ এতিয়া তেওঁৰ কন্যা মমতা আৰু দত্তক লোৱা প্ৰতিষ্ঠিত সন্তানসকলে নিষ্ঠাৰে পৰিচালনা কৰি আছে।

তেওঁৰ এই সামাজিক উন্নয়নৰ যাত্ৰা সকলোৰে বাবে এক অনবদ্য প্ৰেৰণা। তেওঁ কৈছিল, "সংকট সকলোৰে জীৱনলৈ আহে, ধৈৰ্য্যৰে যুঁজি আগুৱাই যোৱা। নিজৰ বাবে নহয় আনৰ বাবে জীয়াই থাকিবলৈ শিকা। মোৰ পৰিচয় আছিল 'ভিক্ষাৰী বাই'। কোনো মানুহে সাহসী হৈ জন্ম নলয়, পৰিস্থিতিয়ে বাধ্য কৰে সাহসী হ'বলৈ। ভোকে মানুহক শিকায়, যি খাবলৈ পোৱা তাকেই সকলোৰে লগত ভগাই খোৱা। জীৱনে মোক শিকাইছিল মানুহৰ মন মুহিব পৰাকৈ গান গাবলৈ, ভাষণ দিবলৈ আৰু সুন্দৰ কবিতা আবৃত্তি কৰিবলৈ।" এয়াই আছিল তেওঁৰ জীৱন সংগ্ৰামৰ একমাত্ৰ আহিলা। সিন্ধুতাইৰ ভাষণত প্ৰায়েই শুনিবলৈ পোৱা এটি সংলাপ "ভাষণ হ্যায় তো ৰেচন হ্যায়"।

পুৰুষ-প্ৰধান সমাজখনত ৰাজপথৰ পৰাই জীৱন আৰম্ভ কৰি এনে এটি পৰ্য্যায়ত নিজকে প্ৰতিষ্ঠা কৰা উদাহৰণ হয়তো আৰু নাই। দেউতাকৰ ঘৰত ভয়াবহ দাৰিদ্ৰ্য, স্বামীৰ ঘৰত অৱহেলিত আৰু বেদনাদায়ক জীৱনৰ অভিজ্ঞতাক আওকাণ কৰি অনাথ শিশুৰ জীৱনৰ উন্নতিকৰণৰ বাবে কৰা তেওঁৰ সঙ্কল্প আৰু প্ৰচেষ্টা সদায় স্মৰণীয়। তেওঁৰ এই দৃঢ়তাই আনকো সহায়ৰ হাত আগবঢ়াবলৈ উৎসাহিত কৰিছিল।

ফোন ঃ ৯৯৫৪০-৩৭৬৭৯

❖



# ফেদু

**ড° বিনোদ খাদৰিয়া**

১৯৮৪ চনৰ শীতকাল। প্ৰায় চল্লিশ বছৰ আগৰ কথা। ইংলেণ্ডৰ ব্ৰাইটন চহৰৰ একাষে থকা সাসেক্স (Sussex) বিশ্ববিদ্যালয়ত মই তেতিয়া দুবছৰৰ বাবে ভাৰত চৰকাৰৰ পোষ্ট-ডক্টৰেল ভিজিটিং ফেলো হৈ আছিলোঁ। বছৰটোৰ শেষত আমি– মানে মই আৰু মোৰ পত্নী– পেৰিছ ভ্ৰমণৰ বাবে মন মেলি, আমাৰ আবাসিক পৰিসৰৰ ওলোটা ফালে থকা এটা সৰু ৰেলষ্টেচন ফাল্মাৰৰ পৰা প্ৰথমে ৰেলেৰে যাত্ৰা আৰম্ভ কৰি পিছত জাহাজেৰে ইংলিছ চেনেল পাৰ হ'ম বুলি যাত্ৰা আৰম্ভ কৰিলোঁ।

সেইমতে যেই আমি নিউহেভেন প'ৰ্টত ৰে'লৰ পৰা নামি দিলোঁ আৰু ৰে'লগাড়ী হেষ্টিংচ অভিমুখে ষ্টেচন এৰিলে, গম পালোঁ যে পত্নীৰ অ'ভাৰ কোটটো ৰে'লতে থাকি গ'ল। পেৰিছৰ হাড় কঁপোৱা ঠাণ্ডাৰ কথা ভাবি আমি ভীষণ চিন্তিত হৈ পৰিলোঁ।

আমাৰ লগত সহযাত্ৰী আছিল মোৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ PhD-ৰ অভিভাৱক চাৰ। তেখেতে বিখ্যাত অৰ্থনীতিবিদ Lord Lionel Robbins-ৰ লগত Measurement of Utility-ত PhD কৰা আৰু নিজেও London School of

আমাক বিস্মিত কৰি ওলোটা দিশেৰে অহা ৰে'লগাড়ীৰ চালকজনে হাতত ওলমাই অনা কোটটো প্লেটফৰ্মত ৰখি থকা কৰ্মীজনলৈ দলিয়াই দিলে। কৰ্মীজনেও Lady Found Her Coat, Lady Found Her Coat ঘোষণা কৰি এক মনোমোহা হাঁহিৰে আমাৰ ফালে দৌৰি আহি আমাক কোটটো দিয়াত আমিও প্ৰচুৰ ধন্যবাদ জনাই ততাতৈয়াকৈ ৰৈ থকা জাহাজলৈ দৌৰিলোঁ।

Economics-ত Rockefeller Fellow হিচাপে কিছু বছৰ থাকি ইংলেণ্ডৰ সংস্কৃতি সম্পৰ্কে প্ৰচুৰ অভিজ্ঞতা অৰ্জন কৰিছে। চাৰে আমাক চিন্তাৰ পৰা মুক্ত কৰিবলৈ বাংলা ভাষাত ঠাট্টা কৰি প্ৰায়েই কোৱাৰ দৰে তেতিয়াও ক'লে– "খৃষ্টমাসের সময়ে ব্ৰিটিশদের typically stiff upper jaw-টা একটু relax হয়ে হাসির রূপ নেওয়া দেখা যায়।" গতিকে সহায় পোৱা যাব বুলি ভাবি তেখেতে ঘটনাটো ৰে'লৰ বিষয়াক জনাবলৈ ক'লে।

আমি ৰে'লৰ বিষয়াজনক ঘটনাটোৰ বিষয়ে জনোৱাত তেখেতে মনোযোগেৰে আমাৰ কথাখিনি শুনিলে আৰু আমি আশা কৰা মতেই খৃষ্টমাছৰ সৌহাৰ্দ্যসূচক ভঙ্গিমাৰে ৰে'লৰ পিছে পিছে দৌৰাৰ ভংগী কৰি চিঞৰি চিঞৰি Lady Lost Her Coat, Lady Lost Her Coat ঘোষণা কৰি গ'ল আৰু লগে লগেই আমাক আশ্বাস দিলে যে ইতিমধ্যেই তেওঁ হেষ্টিংচ ষ্টেচনত ফোনেৰে জনাই দিছে, ২০ মিনিটত ৰে'লখন ঘূৰি আহিলে কোটটো লৈ আহিব।

ঘটনাটোৰ পাছত আমাৰ লগত যোৱা চাৰে কোটটোৰ বাবে আমাক প্লেটফৰ্মতে ৰ'বলৈ কৈ আশ্বাস দিলে যে তেখেতেই জাহাজৰ কৰ্মকৰ্তাক আমি আহি থকা বুলি ক'ব আৰু দৰকাৰ হ'লে আমালৈ অপেক্ষা কৰিবলৈ অনুৰোধ কৰিব। সেই সময়তে আমাক বিস্মিত কৰি ওলোটা দিশেৰে অহা ৰে'লগাড়ীৰ চালকজনে হাতত ওলমাই অনা কোটটো প্লেটফৰ্মত ৰখি থকা কৰ্মীজনলৈ দলিয়াই দিলে। কৰ্মীজনেও Lady Found Her Coat, Lady Found Her Coat ঘোষণা কৰি এক মনোমোহা হাঁহিৰে আমাৰ ফালে দৌৰি আহি আমাক কোটটো দিয়াত আমিও প্ৰচুৰ ধন্যবাদ জনাই ততাতৈয়াকৈ ৰৈ থকা জাহাজলৈ দৌৰিলোঁ।

ৰৈ থকা এখন বিশাল জাহাজ আৰু তাৰে বেলকনিত থিয় হৈ থকা অগণন সহযাত্ৰীয়ে আমাৰ ফালে চাই হাত চাপৰিৰে সম্ভাষণ জনোৱা আৰু টিকেট চেকাৰে 'Lady Found Her Coat' বুলি কৰা ঘোষণাৰ প্ৰতিধ্বনিত লাজ আৰু আনন্দৰ সংমিশ্ৰণত আমাৰ খোজবোৰ মাটিতে সোমাই যোৱা যেন লাগিছিল। মূৰ তল কৰি জাহাজত উঠি চাৰৰ কাষত বহাৰ লগে লগে জাহাজে লঙ্গৰ তুলিলে আৰু বিকট সুৰৰ হৰ্ণ বজাই গতি কৰিলে। পত্নীৰ সামুদ্ৰিক পীড়া (sea-sickness) থকা বাবে টোপনিৰ দৰৱ খাই শুই যোৱাত মই আৰু চাৰে তেওঁ বান্ধি অনা অল্পাহাৰৰ আনন্দ লব ধৰিলোঁ। এনেকৈ ইংলিছ চেনেল পাৰ হৈ ফ্ৰান্সৰ Normandy অঞ্চলৰ Dieppe পৰ্টত আকৌ ৰে'ল ধৰি আমি তিনিও গধূলিৰ আন্ধাৰ হওঁ-নহওঁতে পেৰিছ পালোঁ।

পেৰিছ পোৱাৰ পিছদিনা চাৰৰ পৰিয়াল– পত্নী আৰু তেখেতৰ ছোৱালী– দিল্লীৰ পৰা আহি আমাৰ লগ লোৱাত আমাৰ আনন্দ আৰু বাঢ়ি গ'ল। আমি সকলোৱে মিলি কেইদিনমান পেৰিছ চহৰ ফুৰিলোঁ। লুভ্ৰ মিউজিয়ামত বিখ্যাত মনালিচাৰ ছবি, আইফেল টাৱাৰ, নট্ৰে-ডেম কেথেড্ৰেল, সাক্ৰে ক'ৰ গিৰ্জাঘৰ ইত্যাদি বিখ্যাত আকষৰ্ণীয় স্থানসমূহ চোৱাৰ উপৰিও আৰ্ক দি ট্ৰেয়াম্ফত নতুন বছৰৰ আদৰণিৰ বাবে মাজনিশা গোটখোৱা সমাৰেশত সন্মিলিত হলোঁ শেষ নিশালৈকে। তাৰ পিছত ১৯৮৫ চনৰ দুই জানুৱাৰীত চাৰক পৰিয়ালেৰে সৈতে আমেৰিকাৰ প্লেনত তুলি দি বিদায় দিলোঁ।

৩ জানুৱাৰী দিনটো ফুৰি চাকি পেৰিছৰ কিছু জনপ্ৰিয় তথা কম দামত পোৱা কাঁচৰ বাচন-বৰ্তন আদি বজাৰ কৰি Cite University-ৰ India House- ত ৰাতিটো কটালোঁ। পেৰিছতে থকা বন্ধু এজনে পিছদিনা অৰ্থাৎ ৪ জানুৱাৰীৰ পুৱাতে ছেইণ্ট লাজাৰ ষ্টেচনত পেৰিছৰ পৰা Brighton-ৰ নিউহেভনলৈ ৰে'ল-জাহাজ-ৰে'ল পথেৰে যোৱা Starlink

ৰে’লত উঠাই দিয়াৰ কথা। ৰাতিপুৱা শুই উঠি খিৰিকীৰে চাই দেখিলোঁ যে চাৰিওপিনে মোটা বৰফৰ এক ধক্‌ধকীয়া বগা চাদৰ। বাতৰিৰ পৰা গম পালোঁ যে সমগ্র ইউৰোপত ৰাতিটোৰ ভিতৰতে ২০ বছৰৰ ৰেকৰ্ড ভঙ্গ কৰি ২০ ইঞ্চি হিমপাতে যাতায়াত আৰু যোগাযোগ ব্যৱস্থা বিছিন্ন কৰি পেলাইছে। লৰালৰিকৈ আমি ৰে’ল ষ্টেচন গৈ পাই দেখিলোঁ Starlink-ৰ কৰ্মীবৃন্দৰ হৰতাল আৰু ইংলেণ্ডলৈ যোৱা যাত্ৰীসকলক জনাই দিছে যে মাত্ৰ এখন ৰে’লগাড়ী পেৰিছ-নৰ্ড ষ্টেচনৰ পৰা বেলজিয়ামৰ Oostende বন্দৰলৈ যাব আধা ঘণ্টাৰ পিছত। আমি নৰৈ টেক্সী ধৰি পেৰিছ-নৰ্ড পাই Oostende-লৈ যোৱা ৰে’লৰ প্লেটফৰ্মত গৈ দেখোঁ মানুহৰ অতিপাত ভিৰ, একেবাৰে বিৰ দি বাট নোপোৱা অৱস্থা। কিবাকৈ বন্ধুজনৰ সহায়ত ৰে’লগাড়ীখনত উঠিলোঁ যদিও ভৰি দিবলৈও অকণ ঠাই নাই। একেবাৰে আমাৰ দেশৰ অসংৰক্ষিত ডবাৰ নিচিনা। বন্ধুজনে ফৰাচী ভাষাৰে কিবাকিবি কৈ বুজাই পৰাই আমি বহিব পৰাকৈ অলপ ঠাই উলিয়াই দিয়াতহে সকাহ পালোঁ। আমাক অলপ থিতাপি লগাই দি বন্ধুজনে আমাৰ পৰা বিদায় ল’লে। ৰে’ল চলিল আমাৰ দুয়োফালে থকা বৰফৰ বগা চাদৰৰ মাজে মাজে। মনত যেন অলপ সংশয় আৰু অনিশ্চয়তা। কিছু সময়ৰ পিছতে আবেলিটো ৰাতিৰ ক’লা আন্ধাৰলৈ পৰিৱৰ্তিত হ’ব।

Oostende-লৈ ৰে’লেৰে ছয় ঘণ্টাৰ যাত্ৰা। তাৰপৰা জাহাজেৰে ইংলিছ চেনেল পাৰ কৰি ইংলেণ্ডৰ Dover port-লৈকে গৈ পোৱাৰ সম্ভাৱনা আছে। ছয় ঘণ্টা ৰে’লেৰে গৈ বিয়লি ছয় বজাত Oostende পালোঁ, কিন্তু আন্ধাৰ নামি আহিছিল। Dover-লৈ যোৱা জাহাজৰ শাৰীত থিয় হ’লোঁ সম্পূৰ্ণ বৰফে ঢকা প্লেটফৰ্মত। বৰফৰ ওপৰত পাতল তলুৱাৰ জোতাৰ মাজেৰে অহা হাড় কঁপোৱা ঠাণ্ডাই আমাৰ সহিষ্ণুতাৰ ভালকৈয়ে পৰীক্ষা লৈছে; জাহাজ এৰিব পাঁচ ঘণ্টা পিছত মানে ৰাতি এঘাৰ বজাত, খোৱা বস্তুৰ দোকান খালী, আমি ইফালে ভোক-পিয়াহ আৰু ভাগৰত ক্লান্ত।

অপেক্ষাৰ অন্ত পেলাই পাঁচ ঘণ্টাৰ ঠাইত তিনি ঘণ্টাৰ পিছত জাহাজ আহি পালে আৰু আমিও শাৰী পাতি আগুৱাই গৈ থাকিলোঁ। তাৰ পিছত immigration check post-ত আমাৰ পাচপোৰ্ট দুখন আগবঢ়াই দিয়াত অফিচাৰজনে বেলজিয়ামৰ visa ক’ত বুলি সোধাত মইও বিৰক্ত হৈ কলোঁ যে টিকটত লিখাই আছে detoured due to weather emergency। অফিচাৰজনেও চেলাউৰি দাঙি only this time; never again! ময়ো বেকাকৈ কোনেনো আৰু পুনৰ তেওঁলোকৰ দেশলৈ আহিব বুলি কলোঁ। তাৰ পিছত আৰু একো নকৈ আমাক যাব দিলে। অলপ আগবাঢ়িয়ে আকৌ শুনিবলৈ পালোঁ যে সেই জাহাজখন ভৰ্তি হৈ গৈছে, পিছৰখন ৰাতিপুৱা চাৰি বজাত আহিব। তেতিয়া ৰাতি ন বাজিছিল অৰ্থাৎ সাত ঘণ্টা পিছত। তাৰ পিছত যেনিবা আৰু এখন জাহাজ দুঘণ্টা পিছতে মানে ১১ বজাত আহিব বুলি কোৱাত মনটো ফৰকাল লাগিল। আমাক আগবাঢ়িবলৈ দিলে। কেইখোজমান দিওঁতেই গম পালোঁ যে জাহাজ আধামাইল দূৰতহে ড’ক কৰি বন্দৰগাহত স্থিতি লৈছে। আমি কাষৰ আপাতকালিন খট্‌খটিৰে তিনি তলা নামি বৰফ আৰু বোকাৰ মাজেৰে খোজ কাঢ়ি গৈ উঠিব লাগিব মাল-পত্ৰ লৈ। পেৰিছত কিনা আইনাৰ বাচন-বৰ্তনৰ ওজন যেন কেইবাগুণে বাঢ়ি গ’ল। পত্নীৰ চুটকেছ দাঙিব পৰা অৱস্থা হৈ থকা নাই দেখি ময়েই আটাইবোৰ এখন এখনকৈ প্ৰায় relay race-ৰ দৰে লৈ গৈ জাহাজত উঠিলোঁ। জাহাজত উঠিয়ে basement-ত বাকী থকা একমাত্ৰ কেবিনটো বুক কৰি অলপ সকাহ পালোঁ। সাগৰৰ পানীৰ সমতলত খিৰিকী, ঢৌবোৰে খুন্দা মাৰিলে আইনাৰ মাজেৰে দেখা যায়, কিন্তু শব্দ শুনা নাযায়। পত্নীৰ সমুদ্ৰ পীড়া আছেই, তাতে আকৌ জ্বৰ ভাব হোৱা যেন দেখি শুবলৈ কৈ মই অলপ ওপৰৰ deck বিলাক চাবলৈ উঠি গলোঁ। সাগৰত ধুমুহাৰ বাবে জাহাজ বেছি উঠা নমা কৰিবলৈ ধৰাত আকৌ কেবিনলৈ ঘূৰি আহিলোঁ। আমাৰ সময় লাগিব লাগিছিল আঢ়ৈ ঘণ্টা কিন্তু ল’লে প্ৰায় চাৰি ঘণ্টা। Dover পাম বুলি উৎফুল্লিত হ’ব ধৰোঁতেই কেপ্টেইনৰ ঘোষণা শুনিবলৈ পালোঁ যে সাগৰ বেছি উত্তাল হোৱা বাবে জাহাজখন দেৱালত খুন্দা খোৱাৰ ভয়ত Dover-ৰ horse shoe-

ত সোমাব নোৱাৰিব পাৰে। লাহে লাহে চেষ্টা কৰিব, নহ'লে আকৌ Oostende-লৈ ঘূৰি যাব লাগিব। বিপদে লগ এৰা দিয়া নাই। হতাশ মনেৰে বেলজিয়ামৰ immigration officer-জনৰ কথালৈ মনত পেলালোঁ। তেওঁক যে কৈ আহিছিলোঁ এইখন দেশলৈ আকৌ নাহিম বুলি। এই বিপদৰ পৰা কিবাকৈ আমাক ৰক্ষা কৰিবৰ বাবে আমি দুয়ো একচিত্তে ভগৱানক প্ৰাৰ্থনা কৰিব ধৰিলোঁ। কিন্তু আমাক আহ্লাদিত কৰি কেপ্তেইনে জনালে যে জাহাজ ড'ক কৰি আছে। আমাৰ প্ৰাৰ্থনাৰ ফল বুলি মনেৰে আশ্বস্ত হলোঁ আৰু ভগৱানক অশেষ ধন্যবাদ জনাই সেৱা যাচিলোঁ।

Dover-ত নামি Brighton-লৈ মাত্ৰ এঘণ্টাৰ ৰেল যাত্ৰা। ৰে'ল ষ্টেচনত গৈ পিছে গম পালোঁ বৰফৰ ধুমুহাৰ বাবে Brighton লাইনৰ signal system short circuit হৈ ৰে'লৰ যাতায়াত বন্ধ। গতিকে আমি সাসেক্স (Sussex) বিশ্ববিদ্যালয়ৰ আনফালে থকা সৰু চহৰ Lewis-লৈ যোৱা ৰে'ল ধৰিলোঁ। ষ্টেচনত নামি দেখিলোঁ ষ্টেচন একেবাৰে খালী, এখন টেক্সী দেখা পাই হাত দেখুৱাই মাতোঁতেই অন্য এজন যাত্ৰী উঠি পৰিলেই। ড্ৰাইভাৰজনে শীঘ্ৰেই ঘূৰি আহি লৈ যাব বুলি আশ্বাস দি গুচি গ'ল।

পঞ্চল্লিছ মিনিট সময় আমি পাতল তলিৰ জোতাৰে বৰফেৰে ঢকা ষ্টেচনৰ বাহিৰত ৰখি থকাৰ পাছত ঘূৰি অহা টেক্সীখনত উঠি বিশ মিনিটত আমাৰ আবাসিক এলেকা পালোঁ। আকৌ বিড়ম্বনা, আমাৰ ঘৰ ওখ আৰু এচলীয়াত হোৱা বাবে বৰফত বাহন পিছলিব পাৰে, গতিকে তলতে নামি কিবাকৈ ৰাস্তাৰ কাষৰ জেপোহা আদিত ধৰি কেনেবাকৈ ঘৰ পাই ৰক্ষা পৰিলোঁ।

ছয় ঘণ্টাৰ পেৰিছ-ব্ৰাইটনৰ চুটি দূৰত্ব আমি এক অনন্তকাল সদৃশ অবিস্মৰণীয় cross-country যাত্ৰাৰে ছাব্বিশ ঘণ্টাত অতিক্ৰম কৰিলোঁ। Lady's lost coat ঠিক মতেই ঘূৰি আহিল, পেৰিছত কিনা কাঁচৰ বাচনসমূহো নভঙাকৈ ঠিকে আহি পালে। কিন্তু সবাতোকৈ মূল্যবান যি নিখুঁতে ঘূৰি আহিল সেইয়া আছিল আমাৰ লগত সংগোপনে ঘূৰি থাকি তিনি মাহ পিছত আমাক প্ৰথম মাতৃত্ব আৰু পিতৃত্বৰ সৰ্বোত্তম গৌৰৱ আনি দিব পৰা এক মৰমৰ জীয়ৰী সন্তানৰ জীৱ। ঘূৰি আহিল আমাৰ সেই যাত্ৰাৰ সমগ্ৰ ধুমুহাৰ উথল-পাথল নস্যাৎ কৰি, নিজকে নেহেৰুৱাকৈ, নিখুঁতে ৰাখি, অতিকৈ সংবেদনশীল ভংগুৰ প্ৰাচীৰৰ আঁৰে আঁৰে নিজকে বচাই।

জন্মৰ পিছত মাত কথা শুনি প্ৰতিক্ৰিয়া দিব পৰা হওঁতে মৰমতে জোকোৱা নাম দিছিলোঁ ফেদেলি - মানে যাক পেলাই দিব পাৰি - কিছুমান কথিত দেশী ভাষাত "ফেলাই" দিব পৰা - সৰুকৈ "ফেদু"। পিছে প্ৰশ্নচিহ্ন এটা লগাই দিলেই সন্দেহবোধক হৈ পৰে - পেলাই দিয়াৰ সামৰ্থ্য আমাৰ কাৰোবাৰ আছে জানো? মাতৃগৰ্ভত ফেদুৰ সেই জন্মপূৰ্বে কৰা ৰোমাঞ্চকৰ যাত্ৰাৰ কথা সুঁৱৰিলে মনত পৰিছিল মৈত্ৰেয়ী দেবীয়ে ১৯৭৪ চনত লিখা আত্মজীৱনীমূলক প্ৰখ্যাত বাংলা উপন্যাসৰ দুই শব্দৰ শীৰ্ষক - "ন হন্যতে" অৰ্থাৎ যি নশ্বৰ নহয়; নিজে ১২০ বছৰ জীয়াই থকা ভক্তি কবি সন্ত কবীৰৰ অতিকৈ জনাজাত বহুশব্দাৱলীৰে গঁথা হিন্দী দোহা, "জাকো ৰাখে সাইয়া মাৰি সক্কে না কোয়, বাল ন বাকা কৰি সকে জো জগ বৈৰী হোয়"। ভাব হয় মই তেতিয়া অসমীয়াতে কিবা বিৰবিৰাইছিলোঁ - বোধহয় দুই অক্ষৰ মাত্ৰৰ সেই বহুআৰ্থিক নামটো "ফেদু"!

ফোন ঃ ৯৮১০৭৮৪৫১৩

❖

**বীক্ষণ**

অসমৰ খেতিয়কে কৃষিকৰ্মৰ জৰিয়তে নিজৰ লগতে ৰাজ্যখনৰো অৰ্থনৈতিক স্বাৱলম্বিতা অনাত নিজকে ব্ৰতী কৰক। লগতে কৰক কৃষ্টি-সংস্কৃতিৰ চৰ্চা, সুকুমাৰ কলা-স্থাপত্য বিদ্যাৰ চৰ্চা। প্ৰাণভৰি গাওক বনগীত-বিহুগীত। দুমহীয়া বহাগী উৎসৱ পালনৰ অভ্যাস পৰিহাৰ কৰি বহাগৰ আৰ্দ্ৰ কৃষিভূমিত সিঁচক নতুন শস্যৰ বীজ। শ্ৰম, গীত, নৃত্য, ভাওনা (অভিনয়)ৰ মাজেৰে আনন্দেৰে জীৱন উদ্‌যাপন কৰক।

# বাস্তৱৰ দস্তাবেজ নে এপিটাফ ...

**মদন চন্দ্ৰ ডেকা**

শান্তিনিকেতনলৈ গৈছিলোঁ। ২০ মাৰ্চ, ২০২৪-ৰ পৰা ২৬ মাৰ্চ, ২০২৪-লৈ শান্তিনিকেতন আৰু বোলপুৰৰ অৰঙে-দৰঙে ঘূৰি ফুৰিছিলোঁ। আছিলোঁ বোলপুৰত ভাগিনীৰ ভাড়াঘৰত।

২০১৬ চনতো শান্তিনিকেতনলৈ গৈছিলোঁ চৰকাৰী খৰচত। ৰবীন্দ্ৰনাথৰ জীৱন আৰু কৃতিৰ পৰিচয় দাঙি ধৰা যাদুঘৰ আৰু বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ চৌহদ চায়েই সেইবাৰ উভতি আহিছিলোঁ।

এইবাৰ ভাগ ল'বলৈ গৈছিলোঁ ফল্গুৎসৱ বা বসন্তোৎসৱত। লগতে চাবলৈ গৈছিলোঁ নৰকান্ত বৰুৱা, জনক ঝংকাৰ নাৰ্জাৰী আদিয়ে শিক্ষাগ্ৰহণ কৰা আন্তৰ্জাতিক বিশ্ববিদ্যালয়খন। শান্তিনিকেতনত পঢ়িবলৈ যোৱা অসমৰ অনেক দিগ্‌গজ তথা ছাত্ৰ-ছাত্ৰী আছে। মোৰ ভাগিনীজনীয়েও তাত (বিশ্বভাৰতীত) স্নাতকোত্তৰ মহলাৰ অধ্যয়ন শেষ কৰিলে– যদিও তাই গান আৰু নৃত্যৰ একনিষ্ঠ শিল্পী, তাই কিন্তু বুৰঞ্জী বিষয়তহে এম.এ ডিগ্ৰী ল'লে।

শান্তিনিকেতনত কি আছে, কিয় তালৈ অসমৰ পৰা (একে ধৰণে অন্যান্য ৰাজ্য বা দেশৰ পৰাও) ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰিবলৈ যায়– সেই কথা পাঠক সমাজে জানে, সেইকাৰণে আমি বিশদভাৱে ক'বলৈ নাযাওঁ। কিন্তু মুক্তাঙ্গনত শিক্ষাদান-শিক্ষাগ্ৰহণৰ ৰবীন্দ্ৰনাথৰ যি সপোন আছিল, সেই সপোন যেন ক'ৰবাত কাৰাৰুদ্ধ হ'ল– অন্ততঃ আমাৰ অনুভৱত সেই ৰূপেই ধৰা পৰিল। আম্ৰকুঞ্জ, ছাতিমতলা– সকলো দৰ্শনাৰ্থীৰ বাবে নিষিদ্ধ কৰা হ'ল। আনকি যিখন উন্মুক্ত পথাৰ(মাঠ)ৰ পৰা দৌলপূৰ্ণিমাৰ ৰাতিপুৱা ফল্গুৎসৱৰ শোভাযাত্ৰা আৰম্ভ কৰা হৈছিল, সেইখনো দেৱালেৰে ঘেৰি তালৈ প্ৰৱেশ নিষিদ্ধ কৰা হ'ল। হয়তো কোনো এক সময়ৰ প্ৰশাসনীয় মুৰব্বী(উপাচাৰ্য)ৰ খেয়াল বা বিশেষ যুক্তিনিৰ্ভৰ সিদ্ধান্ত সেয়া। কিন্তু আমি আশাহত হ'লোঁ শুনি অহা বসন্তোৎসৱৰ অনুপম অনন্য অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ নাপাই। বিশ্বভাৰতীৰ সীমা-সংলগ্ন সোণাজুৰি (আদিবাসী মানুহৰ বসতি থকা) বজাৰ আৰু সৃজনী(উত্তৰ-পূব সাংস্কৃতিক কলা-কেন্দ্ৰ)ত অৱশ্যে বসন্তোৎসৱত ভাগ ল'ব পাৰিলোঁ। বোলপুৰ বজাৰৰ 'নবান্ন'ত সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিব পাৰিলোঁ। আঃ, শান্তিনিকেতনৰ বসন্তোৎসৱ মানেই যে কবিগুৰুৰ বন্দনা! সকলো অনুষ্ঠানতে ৰবীন্দ্ৰ সঙ্গীত, ৰবীন্দ্ৰ কবিতা। অৰ্বাচীন কোনো কবি-সাহিত্যিকে যদি বসন্তোৎসৱ বা ফাগুনৰ কথা লিখিছে– সেয়াও ৰবীন্দ্ৰ-ৰচনাৰ আঁত ধৰিয়েই। বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ গাতে লাগি থকা নৱনালন্দা বিদ্যালয়ৰ শিক্ষক-শিক্ষাৰ্থীয়ে লগ লাগি মঞ্চস্থ কৰা ৰবীন্দ্ৰনাথৰ 'হোৰিখেলা' উপভোগ কৰাৰ সুযোগো পালোঁ।

**গ্ৰাম বাংলাৰ উন্নয়নৰ সপোন ঃ**

ৰবীন্দ্ৰনাথ কবি আছিল, আছিল ঔপন্যাসিক, আছিল নাট্যকাৰ, আছিল সমাজ সংস্কাৰক। তেওঁ গীত লিখিছিল,

সুৰ কৰিছিল। নাটক লিখিছিল, নিজে লিখা নাটক মঞ্চস্থ কৰি অভিনয় কৰিছিল। সোণৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰা ৰবীন্দ্ৰনাথৰ কবি সত্তাই বিশ্ব জিনিছিল। আৰু শিল্পী সত্তাই? বাংলাৰ ঘৰে ঘৰে ৰবীন্দ্ৰনাথক জীয়াই ৰখাৰ অমলিন, অক্লান্ত প্ৰয়াসে সন্দেহাতীত ভাৱে প্ৰমাণ কৰে যে তেওঁৰ শিল্পীসত্তাও বিশ্বজনীন আছিল। তেওঁ বিচাৰিছিল সংস্কৃতিৰ বোৱঁতী সুঁতি নিছিগা ধাৰেৰে বৈ থাকক। চৰ্চা হওক অবিৰতভাৱে গীত, নৃত্য, নাটকৰ, লোককৃষ্টিৰ। প্ৰসাৰ হওক কলাভাবনাৰ, স্থাপত্য-ভাস্কৰ্য্য শিল্পৰ। আশ্ৰম সদৃশ শান্তিনিকেতনৰ প্ৰশস্ত বুকুৱে সেয়েহে ঠাই কৰি দিছিল অগণন প্ৰতিভা বিকাশৰ।

কিন্তু গ্ৰাম বাংলাৰ উন্নয়নৰ সপোন?

পিতৃ-আজ্ঞা মানি যেতিয়া ৰবীন্দ্ৰনাথ তেওঁলোকৰ জমিদাৰী পৰিদৰ্শন কৰিবলৈ গ'ল, তেতিয়া তেওঁ অভাৱ-অনাটনত ক্লিষ্ট, দাৰিদ্ৰ্য-মাৰিমৰকত বিপৰ্য্যস্ত, ম্ৰিয়মান-বিষাদগ্ৰস্ত খেতিয়ক (প্ৰজা?) গাঁওবাসীৰ জীৱন-চৰ্য্যা প্ৰত্যক্ষ ভাৱে দেখিলে। সেয়াতো নাছিল তেওঁলোকৰ সুন্দৰ জীৱন-চৰ্য্যা, আছিল জীয়াই থকাৰ তাড়নাত জৰ্জৰিত দীনৰো দীন জীৱন ধাৰণৰ সংগ্ৰামৰ জীয়া ছবি। তেতিয়াই ৰবীন্দ্ৰনাথে ঠিক কৰিলে গ্ৰাম বাংলাৰ উন্নয়নৰ বাবে তেওঁ কিবা এটা কৰিব। তেওঁ সপোন দেখিলে– দুখীয়া গাঁওবাসীয়ে কৃষি-কাৰ্য্যৰ জৰিয়তে উন্নতি কৰিব, লোককলা-কৃষ্টিৰ চৰ্চা কৰিব, হস্ত তথা কুটীৰ শিল্পৰ বিন্যাসৰ জৰিয়তে আৰ্থিক স্বচ্ছলতা লাভ কৰিব আৰু সকলোৱে আনন্দমনে জীৱন জীব। গতিকে rural re-construction- ৰ সপোন বাস্তৱায়িত কৰিবলৈ তেওঁ প্ৰতিষ্ঠা কৰিলে শ্ৰীনিকেতন, শান্তিনিকেতনৰ বুকুতে। শ্ৰীনিকেতনৰ rural re-construction- ৰ উদ্দেশ্য সম্পৰ্কে ৰবীন্দ্ৰনাথৰ মুখেৰেই শুনো আহক—

> It is hard to imagine a life as cheerless as in our rural areas. I could see no way out. It is far from easy to do something for people who have cultivated weakness for centuries and do not know what self-help is. Still I had to make a start. At one time our village were in intimate contract with manifold culture of India. They were cherished and served by all capable persons with the best that their minds produced. Today the villages are fatally neglected. They are fast degenerating into serfdom, compelled to offer to the ungrateful towns cheerless and unintelligent labour for work carried on in an unhealthy and impoverished environment. The object of the Institute is to bring back life in its completeness to the villages, making them self-reliant and self-respectful, acquainted with the cultural tradition of their own country and competent to make efficient use of the modern resources for the improvement of their physical, intellectual and economic condition.

এই কথা কৈছিল ৰবীন্দ্ৰনাথে কলকতাত, ১৯২২ চনত বিশ্বভাৰতী সম্মিলনীত। শ্ৰীনিকেতন হৈ উঠিছিল মানৱতাৰ ওপৰত আস্থাশীল এগৰাকী কবিৰ প্ৰাণৰ স্পন্দন আৰু এগৰাকী সমাজ সংস্কাৰকৰ কৰ্ম্মযজ্ঞৰ অনুপম ক্ষেত্ৰ। শ্ৰীনিকেতন হৈ উঠিল ৰবীন্দ্ৰনাথৰ জীৱনৰ সাধনা।

**ৰবীন্দ্ৰনাথৰ গ্ৰাম বাংলা উন্নয়নৰ সপোনৰ সৈতে আমাৰ কি সম্পৰ্ক? ঃ**

নাই, দেখাত কোনো সম্পৰ্ক নাই। কিন্তু আছে আত্মিক সম্পৰ্ক, কুৰি শতিকাৰ আৰম্ভণিতে মনীষীগৰাকীয়ে দেখা আৰু ৰূপায়িত কৰা সপোনৰ বাস্তৱিকতা। কেনেকৈ?

বোলপুৰক কেন্দ্ৰ কৰি বীৰভূম জিলাৰ গ্ৰাম্য এলেকা ভ্ৰমণ কৰাৰ সুযোগ গ্ৰহণ কৰিলোঁ। গ'লো সাঁইথিয়ালৈ, অস্তাবক্ৰ ঋষিৰ স্মৃতি বিজড়িত বক্ৰেশ্বৰলৈ, ভক্তিপীঠ তাৰাপীঠলৈ। গ'লোঁ শ্ৰীশ্ৰী চৈতন্য মহাপ্ৰভুৰ জন্ম আৰু কৰ্মক্ষেত্ৰ নবদ্বীপলৈ, নদিয়া জিলাৰ সদৰ কৃষ্ণনগৰলৈ। এশ-ডেৰশ কিলোমিটাৰ ব্যাসাৰ্ধৰ এই ভ্ৰমণসমূহত বীৰভূম, পূব বৰ্ধমান আৰু নদিয়া জিলাৰ গ্ৰামাঞ্চল দেখাৰ সৌভাগ্য হ'ল। ফাগুন-চ'ত মাহৰ পশ্চিমবঙ্গৰ পথাৰৰ শস্যশ্যামলা ৰূপ দেখি মন পুলকিত হৈ উঠিল। ৰবীন্দ্ৰনাথে শ্ৰীনিকেতন প্ৰতিষ্ঠা কৰা সময়ৰ বীৰভূম জিলা এতিয়া আৰু নাই। কোনোবাখন পথাৰত যদি বৰো (বোৰো) ধানৰ খেতি চকুৰে নমনা দূৰত্বলৈ, আন এখনত মাকৈৰ খেতি, আকৌ আন এখনত ঘেঁহুৰ খেতি। কোনো এখন শূইন পথাৰ নাই। বহাগৰ বঙ্গৰ গাভৰু পথাৰ দেখাৰ সৌভাগ্যও আমাৰ হৈছে আৰু অন্যত্ৰ লিখাও হৈছে।

ৰে'লত তৎক্ষাণিকভাৱে টিকট নোপোৱাৰ সুবাদত ২৭ মাৰ্চ, ২০২৪-ত ওভতাৰ পথ ধৰিলোঁ গাড়ীৰে। প্ৰথমে বোলপুৰৰ পৰা শিলিগুৰিলৈ। সামান্য দূৰত্ব বিহাৰৰ

(কিষানগঞ্জ) মাজেৰে অহাৰ বাহিৰে শিলিগুৰি পৰ্য্যন্ত পাৰ হৈ আহিছিলোঁ বীৰভূম, মুৰ্ছিদাবাদ, মালদহ, উত্তৰ দিনাজপুৰ, দাৰ্জিলিং আদি জিলা। আনহাতে ২৮ মাৰ্চ, ২০২৪-ত শিলিগুৰিৰ পৰা গুৱাহাটীলৈ আহোঁতে পাৰ হৈ আহিছিলোঁ দাৰ্জিলিঙৰ লগতে আলিপুৰদুৱাৰ, জলপাইগুৰি জিলা। সমগ্ৰ বাটছোৱাত দুয়োকাষৰ পথাৰৰ শস্যৰ শ্যামলিমা আৰু সোণোৱালী ৰঙে যুগপৎ আমাক উদ্বেলিত আৰু বিষাদগ্ৰস্ত কৰি তুলিলে।

বাংলা(পশ্চিমবঙ্গ)ৰ ঘৰে ঘৰে ৰবীন্দ্ৰনাথক জানে, ৰবীন্দ্ৰ-চৰ্চা হয়। কিন্তু শ্ৰীনিকেতনত আনুষ্ঠানিক শিক্ষা ল'বলৈ অন্ততঃ গ্ৰাম বাংলাৰ প্ৰতিঘৰ মানুহে ল'ৰা-ছোৱালী নপঠিয়ায়, পঠিয়াব নোৱাৰে-- কাৰণ তাৰ প্ৰয়োজন নাই। তেনেহ'লে কেনেকৈ পশ্চিমবঙ্গৰ পথাৰ বছৰৰ বাৰটি মাহে শস্যৰে ভৰপূৰ হৈ থাকে? কি তেওঁ লোকৰ প্ৰেৰণা অথবা তাড়না? তাড়নাই হ'ব নিশয়। জীয়াই থাকিবৰ বাবে কাম কৰাৰ তাড়না, প্ৰকৃতিয়ে দান কৰা কৃষিভূমিক উপযুক্ত মৰ্য্যাদাসহকাৰে ব্যৱহাৰ কৰাৰ তাগিদা।

—এইখিনি কথা শিকাবলৈ ৰবীন্দ্ৰনাথ নিজে উপস্থিত থাকিব নালাগে। কৃষিবিভাগ, কৃষি অভিযন্তাও উপস্থিত থাকিব নালাগে।

**বাস্তৱৰ দস্তাবেজ ঃ**

আমাৰ কি হ'ল?

এসময়ৰ নদন-বদন শস্যৰে ভৰপূৰ অসমৰ পথাৰ উদং কিয়? আঘোণ-পুহ মাহত শালিধান চপাই উঠা পথাৰখন চহাই ধূলিয়ৰি কৰি আহুধান, বৰোধান(দ চানেকীয়া মাটিত)ৰ খেতি কৰা হৈছিল; বাম মাটিত মৰাপাট-কুঁহিয়াৰৰ খেতি কৰা হৈছিল। আনহাতে দ-বামৰ মধ্যৱৰ্তী পথাৰত কৰা হৈছিল আগতীয়া শালি (খৰমা বা ফৰমা)। তিল, মাহ, সৰিয়হ, আলুৰ লগতে মূলা-কবি আৰু বতৰৰ সকলো শাক-পাচলিৰ খেতিৰে পথাৰ ভৰি আছিল। পিৰালি পৰ্য্যন্ত জলকীয়া-বেঙেনাৰ খেতি আছিল। কাচিৎ কেতিয়াবা বানে মাৰিলে বা খৰাঙে পিষ্ট কৰিলে দুই-এডৰা মাটি ছন পৰিছিল।

এতিয়া বছৰৰ অন্ততঃ ছয়টা মাহ খেতিপথাৰ উদং হৈ থকা হ'ল, ছন পৰি থকা হ'ল। একবিংশ শতিকাৰ বিশৰ দশকৰ পৰা এতিয়া ত্ৰিশৰ দশকলৈ পথাৰ উদং কৰি ৰখাৰ সৰ্বনাশী প্ৰৱণতা ভয়াবহভাৱে বাঢ়ি আহিছে। যিয়ে খেতি কৰে, কেৱল শালিখেতি কৰিয়েই সামৰিছে, বছৰত দুবাৰ খেতি (double cropping) কৰাৰ চিন্তা কৰা নাই। অৱশ্যে সাধাৰণীকৰণ কৰিবও নোৱাৰি। খুব কম সংখ্যক মানুহে কৃষিভূমিৰ পূৰ্ণ ব্যৱহাৰ কৰিছে। শালি খেতিৰ উপৰিও বৰোধান বা মাকৈ আদি, আনহাতে ব্যৱসায়িক ভিত্তিত পাচলিৰ খেতি কৰিছে। কিন্তু সেয়া এপাচি শাকত এটা জালুকৰ লেখীয়া।

লক্ষ্যণীয় সাফল্যৰে কৃষিকৰ্ম কৰি বা সংহত কৃষিপাম কৰি বছৰি এমুঠিমান কৃষকে আদৰ্শ খেতিয়কৰ সন্মান বা বিশিষ্ট কৃষিপাম পৰিচালকৰ সন্মান বুটলিছে। কিন্তু সকলো খেতিয়কেই আদৰ্শ খেতিয়ক হ'ব নোৱৰাৰ কোনো যুক্তিসংগত কাৰণ নাই।

কেৱল বিনামূলীয়া চাউল চৰকাৰৰ ঘৰৰপৰা পাই থকা বাবেই স্বাভিমানী(?) অসমীয়া খেতিয়ক ইমান এলেহুৱা হ'ব পাৰে নে? ইয়াৰ কাৰণ বিচাৰি উলিওৱাটো গৱেষণাৰ(?) বিষয় হৈ পৰিছে।

আমি বিচৰা নাই অসমীয়া খেতিয়কে আকৌ এবাৰ গৰু-ম'হৰ হাল বাই হাড়ভঙা পৰিশ্ৰম কৰি কৃষিকাৰ্য্যত ব্ৰতী হওক। পৰিৱৰ্তিত সময়ৰ সৈতে আৱিষ্কৃত আধুনিক, অত্যাধুনিক কৃষি সঁজুলি ব্যৱহাৰ কৰিয়েই তেওঁলোকে খেতি কৰক, খেতি চপাওক। য'ত বছৰত দুটা বা তিনিটা খেতি কৰা সম্ভৱ (double /tripple cropping), তাত সেইভাগেই খেতি কৰক। খেতিয়কৰ সামাজিক মৰ্য্যাদা কোনো হাকিম-মুন্সিফতকৈ কম নহয়। শিক্ষিত খেতিয়ক হ'লেতো কথাই নাই। অসমৰ খেতিয়কে কৃষিকৰ্মৰ জৰিয়তে নিজৰ লগতে ৰাজ্যখনৰো অৰ্থনৈতিক স্বাৱলম্বিতা অনাত নিজকে ব্ৰতী কৰক। লগতে কৰক কৃষ্টি-সংস্কৃতিৰ চৰ্চা, সুকুমাৰ কলা-স্থাপত্য বিদ্যাৰ চৰ্চা। প্ৰাণভৰি গাওক বনগীত-বিহুগীত। দুমহীয়া বহাগী উৎসৱ পালনৰ অভ্যাস পৰিহাৰ কৰি বহাগৰ আৰ্দ্ৰ কৃষিভূমিত সিঁচক নতুন শস্যৰ বীজ। শ্ৰম, গীত, নৃত্য, ভাওনা (অভিনয়)ৰ মাজেৰে আনন্দেৰে জীৱন উদ্‌যাপন কৰক।

নহ'লে উৰ্বৰ হৈও বন্ধ্যাত্বৰ কলংক মূৰ পাতি ল'বলগীয়া হোৱা অসমৰ কৃষিভূমিৰ ওপৰত এপিটাফ ৰচনা কৰিব লাগিব!

(স্থানাভাৱৰ প্ৰতি লক্ষ্য ৰাখি লেখাটো চুটি কৰা হৈছে)

ফোন ঃ ৯৮৬৪০৭৮৭৩৫

❖

# কবিতা

## বুলবুলি

**হৰেকৃষ্ণ ডেকা**

মোৰ খিৰিকীত খুটখুটাই দিলে বুলবুলিয়ে,
মই সুধিলোঁ, কি বতৰা আনিলি বুলবুলি?
কিন্তু তাই নোৰোৱাকৈ উৰি গুচি গ'ল
বৰষুণবোৰৰ মাজলৈ।
আকাশৰ চালনিৰে বৰষুণ পৰি আছিল
আৰু তাই ঠোঁটত এটোপাল বৰষুণ লৈ উভতি আহিছিল।
খিৰিকীৰ ফাঁকেৰে মোৰ কোঠাৰ ভিতৰত
টোপালটো পেলাই দিছিল। আকৌ উৰি গৈছিল।
কিমান বাৰযে এনেকৈ অহা-যোৱা কৰিছিল তাই!
মই কোঠাৰ ভিতৰত বৰষুণ নপৰাকৈ তিতি আছিলোঁ।

সপোনবোৰ যদি এনেকুৱা সহজ হ'লহেঁতেন!
মই তোমালোকক কথাটো নকওঁ,
তোমালোকে ভাবিবা মই কল্পনা-বিলাসী।

ফোন ঃ ৯৮৫৪০২৩৬০২

## অন্তৰঙ্গ অপৰূপ অন্তৰীপ

**ৰত্ন কান্ত শৰ্মা**

আজিও দেখোঁ
সেই তাহানিৰ
একেই সপোন
পলসত ঝাও বন
শুকুলা কঁহুৱা বন
সেন্দূৰীয়া আলিয়েদি
বুলবুলি খোজেৰে
আহিছে ফাগুন
অপৰাহ্নৰ হেঙুলীয়া
স্মৃতিৰ অঙ্গৰাগ
অন্তৰঙ্গ অপৰূপ অন্তৰীপ
গধূলিৰ মৌন অভিসাৰ
শিমলু ৰঙৰ ফোঁট
ইন্দ্ৰধনুৰ ৰহণীয়া চাদৰ
ইন্দ্ৰমালতীৰ সুবাসেৰে
কোননো হ'ব পাৰে
তুমিয়েইতো অৰুন্ধতী
মোৰ প্ৰিয়তম প্ৰতিটো ৰাতি
কৃষ্ণচূড়াৰ ৰঙেৰে ৰঞ্জন
মনৰ আকাশ
জোনে জোনালী
সোণে সোণালী
অসীম অনন্ত প্ৰেম অক্লান্ত
তোমাৰ খোজে খোজে
এখোজ দুখোজকৈ
আহিছে বসন্ত।

ফোন ঃ ৬০০১৬২৭৮২৬

# দুটি কবিতা

তপোধন দাস

## নিয়ৰত হেৰোৱা সপোন

নিশাবোৰ শাৰদী হ'ল
আকাশত বহিল তৰাৰ মেলা
ধৰাত স্নিগ্ধ হ'ল জোনাক
সন্ধিয়াবোৰ উৎসৱমুখৰ হ'ল
সান্নিধ্যপ্ৰৱণ হ'ল মন্থৰ নিশা
জনবহুলতাত কোলাহল হ'ল
সন্তৰ্পণে নিজান হ'ল মায়া

প্ৰত্যয়বোৰ শিথিল হ'ল
সুলকি পৰিল শব্দময় ভৰসা

খেদ নাই মোৰ বিচ্ছিন্ন ভৰসাত
নিজানত স্খলিত শিথিল প্ৰত্যয়ত
স্নিগ্ধতাত বিক্ষিপ্ত ধূসৰ সত্তাত
মোৰ আশ্ৰয় দিঠকৰ দীপ্ত ৰশ্মি

(লৌকিকতানো আছে কি সপোনৰ!)

## ঠুনুকা প্ৰেমৰ ঢউ

আৰু উৎফুল্লিত নহ'বি জীৱন
প্ৰাপ্তি দুৰ্লভ পীড়া কঠিন
কঠোৰ হ'ব সম্বৰণ

আৰু উজ্জীৱিত নহ'বি আশা
আলসুৱা আলাপ থুনুকা সান্নিধ্য
বিৰহ হ'ব তৃষা

হাঁহৰ দৰে কণা নহ'বি হৃদয়
অভক্ষ পোতান নিঠৰুৱা ভোক
দুৰ্বহ হ'ব যন্ত্ৰণা

ৰুই থ হিয়াত দুপতীয়া প্ৰেম
সজাই ল আলিঙ্গন
ৰচি ল তৃপ্তিৰ কাব্য -

ফোন ঃ ৮৬৩৮৩-৮৭৮৯৫

# কবিতা

## হাঁহি এটাৰ বাবেই

ডাঃ অগস্ত্য বৰুৱা

আনদিনাৰ দৰেই পাৰ্কৰ বেঞ্চখনত
বহি
দীঘলকৈ উশাহ এটা টানি এৰি দিব খোজোতেই
লগত অহা,
এৰি দিব নোৱৰা সুবাস এটাই মোক আচ্ছন্ন কৰি তুলিলে

উশাহে জীৱন দিলেও
সুবাসে জীৱনৰ মাদকতা আনে

সুবাসৰ উৎস নিবিচাৰি কাষলৈ চালোঁ,
কোনোবা বহিছেহি

এক ধূসৰ ছায়ামূৰ্তি

কিছু লৰচৰ কৰি
কোমলকৈ সুধিলে- "ভালে আছা?"

ভালেই আছোঁ বুলি কৈ মনত পেলাবলৈ যত্ন কৰিলোঁ

বয়সৰ এই থৰক-বৰক খোজত আত্মীয়তাৰ
কোনো ৰং নোহোৱা দিনত
'তুমি' বুলি ক'বলৈনো কোন আছে

"তোমাৰ ভালনে"
হাঁহি মাৰি ক'লে "ভাল দিয়া"
"তুমি একেই আছা"
খিলখিলীয়া হাঁহি এটা মাৰি
তেওঁ যেন লাজ কৰিলে

জীৱনৰ কথা, দুই এটা কবিতা আওৰোৱাৰ পাছত
তেওঁ যাবলৈ ওলাল
"এইমাহতে চকুৰ অপাৰেশ্যন হ'ব
স্পষ্টকৈ একোৱেই নেদেখোঁ"

মইনো কেনেকৈ কওঁ
হাই-পাৱাৰৰ চছমাযোৰ ঘৰত এৰি আহিলোঁ বুলি

"অ যাবগৈ পাৰিবা"
ঈষৎ হাঁহিৰে ক'লে
"আহোঁতেও নাই, যাওঁতেও নাই
কালৈকো আশা নকৰিবা,
সকলো ক্ষণিকৰ সহযাত্ৰী..."

(সাগৰৰ পানীত ডুবি এটুপি পানীৰ বাবে হাহাকাৰ কৰা
জনসমুদ্ৰত অকলশৰীয়া হৈ ঘূৰি ফুৰা মানুহবোৰ

সপোন নোহোৱাকৈ সপোন হৈ পৰে
সৌৰভ নথকাকৈও সুৰভি বিলায়

আৰু এদিন সকলো মানুহেই একো একোটা পৰিত্যক্ত
দ্বীপ হৈ পৰে)

তথাপিও ইজনে-সিজনক
উপহাৰ দিলোঁ এটা অনুপম সন্ধিয়া

জীৱনৰ এটা গান গাবলৈ মঞ্চৰ কোনো প্ৰয়োজন নাই
সকলো প্ৰয়োজন শেষ হোৱাৰ পাছত
পৃথিৱীখনেই দেখোন আপোন যেন লাগে

য'ত আপোনেই সপোন ভাঙি আঁতৰি যায়

একোটা অশ্বাৰোহী হৈ ।।

ফোন ঃ ৯৪৩৫৩-৩৫৫৫০

কবিতা

## হেমন্তৰ এটি আবেলি

**ড° সোণালী বুঢ়াগোহাঁই**

বিয়লিৰ ৰ'দজাক পিঠিত লৈ
বহুদিনৰ পাছত
দুয়ো বহিছোঁ
মুখামুখিকৈ।

মৌন মুখত
বহু কথা-বতৰা
তাকো আকৌ
হেমন্তৰ এই আবেলিত।

জলমল দুটি নিয়ৰ কণা
তোমাৰ দুচকুত
ধৰা পৰি ক'লা-
চকুলো নহয় সখী।

নিৰুত্তৰ মোক ক'লা
তোমাৰ চকুতো
কান্দোনৰ উখল-মাখল
ময়ো বুজি পাওঁ
ময়ো বুজি পাওঁ।

কান্দোন নহয় সখী
দুচকু জুৰি আছে
এখন
লুণীয়া মৰু
কেকটাচ ফুলেৰে ভৰা ।

জানো সখী
আজিৰ দিনটোতেযে
সৰি পৰিছিল সৰগৰ তৰাটি
তোমাৰ কোলাত আৰু
এদিন....।

অস! নালাগে খুলিব
সেই পৃষ্ঠাটি
আজিযে হেমন্তৰ
শেষৰ আবেলি।

শানিত কাচিৰে কাটি
তোমাৰ ভৰুণ সোণালীখিনি
লুণ্ঠন কৰি
কাৰোবাৰ ভঁড়াল
চহকী কৰিলে।

ৰিক্তা হৈ
তুমিয়োতো
সগৰ্বে থিয় হৈ আছা
আগন্তুক শীতৰ
প্ৰত্যাহ্বান
কেৰেপ নকৰি।

আৰু কিমান দিন?
আৰু কিমান দিন
মনত সুৰসুৰাই থকা প্ৰশ্নটোত
দুয়ো নীৰৱে ৰ'লোঁ
আজি হেমন্তৰ
শেষৰ আবেলিত।

ফোন ঃ ৯১০১৪০৬২৬৪

# কবিতা

## নৈ হৈ মেৰাই আছোঁ তোমাক

**ড° ভাস্কৰজ্যোতি গগৈ**

মেঘ হৈ গাজি-গুমৰি আছা মোৰ আকাশত

বৰষুণ যেন আকাশৰ পৰা নামি অহা এনেচা সূতা

কি ৰং এই কথাৰ
মই হেৰাই যাম তোমাৰ মাজত
মাটিৰ বুকুত লীন যাম
বতাহৰ স্পন্দন হ'ম
শীতৰ এখিলা সৰাপাত হৈ দুলি থাকিম
তোমাৰ চকুৰ পতাত

কি ৰং এই সপোনৰ
গৈ গৈ আমি দেখোন একেটা বন্দৰতে ৰৈ থাকোঁ
একেই সুৰ
একেই আয়োজন
একেই বিদায় জনাব নোৱৰাৰ শূন্যতা

বহুতো সপোন পাৰ হোৱাৰ পাছত
বহুতো আকাশ পাৰ হোৱাৰ পাছত
সেই একেই জয়াল অৰণ্যৰ নিস্তব্ধতা

একেই শূন্যতা
যাৰ কাৰণে তোমাক মই বিদায় জনাব নোৱাৰো

নৈৰ দৰে মেৰাই আছোঁ তোমাক
মেঘ হৈ গাজি-গুমৰি আছা মোৰ আকাশত।

ফোন ঃ ৮৬৩৮৮০৯৮৭৮

## অহৈতুক

**ডাঃ কঙ্কণ শৰ্মা**

ওখোৰা মোখোৰা বাটেৰে
হৃদয় এখন বিচাৰি
পোহৰ ছাঁ পাৰ হৈ গ'লেই
জেওৰাখন একাষৰীয়া হয়
দুকাষৰ ফুলবোৰ ফুলি ৰয়!

জীৱন পূৰ্ণ হয়
আকাশ তৰাৰে ভৰে
মেঘে ফুলে বতাহে বিয়পায়
আমেজ–
মন্থৰ গতিত গতিশীল হয়
জীৱন!!


কেতিয়াযে পথছোৱা
মসৃণ হ'ল!
ফুলবোৰ নুফুলা হ'ল!
জেওৰাখন দেৱাল হ'ল!!

তাতকৈ তেনেকৈয়ে থকা হ'লে
ভাল আছিল!!
আজিও জেওৰা দেখিলে
হৃদয় দুলে-
ফুল আনি ৰুই চালোঁ
এতিয়াচোন ঘ্ৰাণহীন ফুলবোৰ
ফুলে!
খুন্দামৰা কথাবোৰে আলোড়ন তোলে–
তোমাৰ হৃদয়খনো বাৰু কঁপেনে??

ফোন ঃ ৯৪৩৫১-৪৩২২৮

# ঠিকনাবিহীন

**বিপুল কলিতা**



তোমাৰ কলিজালৈ পঠিওৱা
মৰমখিনি চাগৈ 'ডাউনলোড' হ'ল এতিয়ালৈ
ইমান দিনতো নালাগে
ভালপোৱাবোৰ বৈ যাবলৈ
বুকুৰ পৰা বুকুলৈ।

মোৰ মগজুৰ মাই ডকুমেন্ট'ত
চেভ কৰি ৰাখিছোঁ
আমাৰ প্ৰতিটো কথোপকথন
চুম্বন আলিংগন
ক'তো ৰখা নাই পাছৱৰ্ড বা পাছক'ড
মই থাকোঁ বা নাথাকোঁ
মন গ'লেই তুমি খুলি চাব পাৰিবা এটা এটাকৈ ফ'ল্ডাৰ
কেতিয়াবা তাত নিজক দেখিবা
কেতিয়াবা তোমাৰ অলপ হাঁহি
মোৰ এধানি অশ্ৰু

কিছুমান ফ'ল্ডাৰৰ নাম থৈছোঁ ভালপোৱা
কিছুমানৰ প্ৰতাৰণা
কিছুমান ছবি পাবা কলিজাৰ ডেস্কটপ'ত
কেৱল এবাৰ চায়েই ডিলিট কৰি দিবা
আৰু নহ'লে শুব নোৱাৰিবা
ৰাতিৰ পিছত ৰাতি
কিছুমান স্মৃতি,

ফৰ্মেট মাৰি দিলেও ইৰেজ নহয় মনৰ পৰা
চিলমিল টোপনিত সিহঁতে প'প আপ' কৰি
থাকে নিদ্ৰাহীন জোনাকীৰ দৰে।

মৰুৰ শেষ টোপাল জল-কণিকাৰ দৰে
অৱচেতন মনৰ ৰিচাইকল বিনত হ'লেও
উদ্ধাৰ হব প্ৰেম আৰু ঘৃণাৰ দস্তাবেজ
ভুল বুজাবুজিৰ কবিতা
বা উপহাস কৰাৰ ইতিহাস

মোক কোনোবাই ক'লে
ঠিকনা নাৰাখিবা বন্ধু
আহোঁ বুলি কৈ কোনোবা নাহিলে
কথা দি কোনোবাই কথা নাৰাখিলেও
আঘাত পোৱাৰ কোনো কাৰণ
বা অজুহাত নাথাকে,

বিশ্বৰ যি পৰীক্ষাগাৰতেই
কিয় সুমুৱাই নিদিয়া মোৰ আত্মা বৈভৱৰ চফ্‌টৱেৰ হাৰ্ডৱেৰ
ৰেম, চি পি ইউ সৰ্বস্ব
ক'তো বিচাৰি নাপাবা
মোৰ ঠিকনা।

ফোন ঃ ৬০০১১৫১৩০৬

# কবিতা

## নৈখন

**কস্তুৰী নিভা গগৈ**

গাভৰু নৈখন বৈ আছিল
জিৰ্ জিৰ্ জিৰ্ জিৰ্ কৈ
নাচনী নিজৰাজনী হৈ
চহৰ নগৰৰ বুকুয়েদি
বৈ আছিল
গহীন গম্ভীৰ পৰিচ্ছন্ন হৈ,

প্ৰাচীন চহৰখন নগৰ হ'ল
নগৰখন মহানগৰ হ'ল
জনবসতি বাঢ়ি বাঢ়ি
জনবিস্ফোৰণ হ'ল
মহানগৰখন কংক্ৰিটৰ জংঘল হ'ল,

বিস্ফোৰিত জনগণৰ
আৱৰ্জনা কঢ়িয়াই
ভাগৰি পৰা নৈখনৰ
দুৰ্গন্ধ বিয়পি পৰিল চৌপাশে
গাভৰু নৈখনৰ আচলতে মৃত্যু হল।

ফোন ঃ ৯৮৬৪০২২৬৪৯

## কঠিন সময়

**ৰুমিমা দাস**

বুকু দহিছে ইমানকৈ
কোনেও স্পৰ্শ কৰিব নোৱৰাকৈ
প্ৰখৰ তাপত পৃথিৱী পুৰি ছাৰখাৰ
অথচ এই তাপেও শুকাব পৰা নাই
চেনেহীৰ দুচকুৰ অশ্ৰু
এনেকুৱা এটি দিনতেই
ঘোৰ আন্ধাৰে আৱৰিছিল তাইৰ জীৱন
যদিওবা ৰঙ্গমঞ্চ এই পৃথিৱী
তথাপিও শেষ হৈছিল সকলো ৰং
তাচপাতৰ দৰেই তচ্‌নচ্ হৈ
খহি পৰিছিল সপোনৰ কাৰেং
গঢ়ি উঠিছিল কেৱল
শূন্যতাৰ ওখ পাহাৰ
চাৰিওফালে আৱৰি লৈছিল সেই শূন্যতাই
বিধাতাই দুদিনীয়া সুখবোৰ মচি দি
উকা কৰিছিল ডগমগীয়া ফোঁটটোৰে
জিলিকি থকা তাইৰ কপালখন
বগা সাজেৰে সজাই তুলিছিল
এটি অনাহুত নতুন জীৱন
বঞ্চিতা হৈয়ো তাই
আদৰি লৈছিল কঠিন সময়।

ফোন ঃ ৯৪৩৫০০৮০৫৪

# অনুবাদ কবিতা

## কেদাৰ নাথ সিঙৰ কবিতা

**মূল হিন্দী ঃ কেদাৰনাথ সিং**
**ইংৰাজী অনুবাদ ঃ ৰাহুল ৰাজেশ**
**অসমীয়া অনুবাদ ঃ সুৰেন তালুকদাৰ**

(১)
**হাত**

তাইৰ হাত দুখন মই
মোৰ হাতৰ মুঠিত
সুমুৰাই ল'লোঁ
আলফুলে
ভাবিলোঁ, পৃথিৱীখন
তাইৰ হাত দুখনৰ দৰে
সুন্দৰ আৰু উমাল
হ'লে ভাল।

(২)
**যোৱা**

তাই ক'লে, --মই যাওঁ
মই ক'লোঁ, --অ', যোৱা
'যোৱা'টো এটি
ত্ৰাসজনক ক্ৰিয়াপদ
জানিও ক'লোঁ।

(৩)
**দিশ**

হিমালয় কোনফালে?
ল'ৰাটোক সুধিলোঁ
সি আপোনমনে
চিলা উৰুৱাই আছিল
—সেইফালে
যিফালে তাৰ চিলাখন
উৰি উৰি ওপৰলৈ
গৈ আছিল
আঙুলিয়াই
সি ক'লে
সেইফালে যে হিমালয়
মই আজিহে জানিলোঁ।

(৪)
**প্ৰশ্ন**

সৰু চোতালখনত
আয়ে তুলসী পুলি এটি ৰুইছিল
পিতাই ৰুইছিল আঁহতৰ পুলি
গোটেই চোতালখন আগুৰিলে
এতিয়া মই মোৰ কণমানি
গোলাপৰ পুলিটো
ৰোওঁ ক'ত?
সদুত্তৰৰ আশাত
পৰ্বতে-কন্দৰে ঘূৰি ফুৰিলোঁ
ক'তো নাপালোঁ।

— • —

ফোন ঃ ৮৮২২৪-৪৮৩৫৩

# অনুবাদ কবিতা

## জালালুদ্দিন ৰুমীৰ তিনিটা কবিতা

**অসমীয়া অনুবাদ ঃ বিনয় মোহন শইকীয়া**

(১)
সন্ধিয়াৰ আকাশত
জোনটোৱে ভুমুকি মাৰিছিল
তাৰ পাছত
মোক চাবৰ বাবে
সি পৃথিৱীলৈ নামি আহিছিল

চিলনীয়ে চোঁ মাৰি
সৰু চৰাই এটা চিকাৰ কৰাৰ দৰে
জোনটোৱেও মোক ধৰি লৈ
আকাশলৈ উঠি গৈছিল লৰালৰিকৈ।

মই মোক নিজকে চালোঁ
কিন্তু, মই আৰু মোক নেদেখিলোঁ;
কাৰণ জোনৰ বুকুত মোৰ শৰীৰটো
আত্মালৈ সলনি হৈ গ'ল,
আৰু নটা গোলক তাতে লীন গ'ল।

মোৰ অস্তিত্বৰ জাহাজখন
সেই সাগৰত ডুব গ'ল।

(২)
সুখৰ এটি মুহূৰ্ত
বাৰাণ্ডাত বহি আছোঁ তুমি আৰু মই
দেখাত দুজন, কিন্তু আত্মা এক, তুমি আৰু মই
ইয়াত আমি অনুভৱ কৰোঁ, জীৱনৰ বোৱঁতী সুঁতি, তুমি আৰু মই
বাগিচাৰ সৌন্দৰ্য্য আৰু গীত গাই থকা চৰাইবোৰৰ সৈতে,
তুমি আৰু মই।
তৰাবোৰে আমাক লক্ষ্য কৰিব
আৰু সিবোৰক আমি দেখুৱাম
অকণমান কাঁচি জোনটো দেখাত কেনে!

স্বাৰ্থহীন, তুমি আৰু মই, একেলগে থাকিম
অনৰ্থক দৃষ্টিবোৰক আওকাণ কৰি, তুমি আৰু মই
সৰগৰ ভাটৌটোৰ ঠোঁটৰ শব্দত হাঁহি উঠিম আমি দুয়ো,
তুমি আৰু মই
এই ধৰাত এটা ৰূপ
আৰু সময়হীন মনোৰম আনখন ধৰাত আন এটা ৰূপ।

(৩)
হে প্ৰেমিক, পৃথিৱীৰপৰা যাত্ৰা কৰাৰ এয়ে সময়
মোৰ আত্মাৰ কাণত মাদলৰ শব্দ
ভাহি আহিছে তৰাবোৰৰ গভীৰতাৰপৰা
আমাৰ উটৰ চালকজন কামত ব্যস্ত
অঘৰীবোৰক সাজু কৰিছে যাত্ৰাৰ বাবে
তেওঁ আমাৰপৰা ক্ষমা বিচাৰিছে
আমাক দিয়া আহুকালৰ বাবে
তেওঁ প্ৰশ্ন কৰিছে আমি যাত্ৰীবোৰ টোপনিত কিয়?

চাৰিওফালে যাত্ৰাৰ গুমগুমনি
তৰাবোৰে মমবাতিৰ দৰে
নীলা ওৰণিৰ তলৰপৰা আমাক হেঁচুকি আছে
আৰু সমুখৰ অদৃশ্য সমতলখন দেখুৱাবলৈ
আগবাঢ়ি আহিছে যেন অপূৰ্ব এক মানৱ।

ফোন ঃ ৯৪৩৫০-১৭২৩৩

গল্প

তাৰ বাল্যবন্ধু সুশান্তৰ বৈবাহিক জীৱন ধ্বংস কৰাৰ কাৰণ, সন্মুখত বহি থকা সুস্মিতাৰ প্ৰতি এক প্ৰৱল ঘৃণাত দীপকৰ নাকটো কোঁচ খাই গ'ল। মনটো পাতল কৰিবলৈ সি ইফালে সিফালে চালে। ইতিমধ্যে লাউঞ্জত এজন দুজনকৈ কেইবাজনো লোক আহি চোফাত বহিছে। দুজনমানক দেখিয়েই বুজিব পাৰি যে শাসকীয় ৰাজনৈতিক দলৰ নেতা, নিশ্চয় দীপকে হোটেলত লগ কৰিবলৈ অহা সাংসদজনকে লগ ধৰিবলৈ আহিছে। তেওঁলোকৰ ভাবগতি আৰু কথাবতৰাত দীপকে অনুমান কৰি ল'লে যে সাংসদজন আহিবৰ সময় হৈছে। সাংসদক লগ পোৱাৰ আগতে তাৰ বন্ধু সুশান্তৰ সংসাৰ ধ্বংসকাৰী এই নাৰীক দুআষাৰ শুনাবলৈ তাৰ মনটো লকলকাই উঠিল।



# বহুগামিনী

**শৰৎ বৰকাকতি**

"ধেত্তেৰি, আকৌ এইজনী...আজি দিনটো বৰবাদ হ'ব যেন পাইছোঁ"- 'নেপ্চাৰ-ভিউ' হোটেলৰ সুসজ্জিত লাউঞ্জটোলৈ সোমায়েই দীপকৰ মনটো কোঁচ খাই গ'ল। লাউঞ্জটোৰ কেউকাষে চকু ফুৰাই, ব্ৰহ্মপুত্ৰৰ ফালে চাই, তাই বহি থকা এজনীয়া চোফাৰ বিপৰীতে ডাঙৰ অয়ল পেইণ্টিংখনৰ কাষৰ দুজনীয়া চোফাখনত সি বহি পৰিল। খোলা দিনৰ আবেলি বাবেই হয়তো লাউঞ্জত কোনো নাই। দীপকে কান্ধত থকা চামৰাৰ ধুনীয়া বেগটো আলফুলে সমুখৰ গ্লাচৰ টেবুলখনত থৈ আঁৰ চকুৰে বিপৰীত ফাললৈ চালে। এতিয়াও তাই নদীৰ ফালেই চাই আছে, মুখত এটা দীঘল দামী চিগাৰেট।

সাংবাদিকতাৰ বৃত্তি আৰম্ভ হোৱাৰ তিনিবছৰমান পিছতেই এখন নতুন অসমীয়া ছবিৰ মহুৰত অনুষ্ঠানত সি প্ৰথম লগ পাইছিল এইগৰাকীক মানে সুস্মিতা হাজৰিকাক। দেখিলেই বোলছবিৰ নায়িকা যেন লগা, ঋজুদেহৰ, লাস্যময়ীগৰাকী কোন বুলি সোধোঁতে তাৰ কাকতৰে জ্যেষ্ঠ সাংবাদিক অৰুণদাই তাক পিঠিত খোঁচ মাৰি কৈছিল, "সাৱধানে থাকিবি এইজনীৰ পৰা, তই সাংবাদিকতাত নাম কমাইছই ইতিমধ্যে, তাতে চকুত পৰা অবিবাহিত ডেকাল'ৰা, লম্ভি দিব পাৰে।" অৰুণদাই আদহীয়া চকুত কৈশোৰৰ তিৰবিৰণি

সানি দীপকক বহু কাহিনী কৈছিল সুস্মিতাৰ। অৱশ্যে আন বহুতৰ পৰাই সি আৰু অনেক কথা শুনিছিল। কটন বিশ্ববিদ্যালয়ৰ জনৈক অধ্যাপকৰ সৈতে হলিগলি, এজন প্ৰতাপী মন্ত্ৰীৰ সৈতে গোপন প্ৰণয়, তেওঁক লৈ চহৰৰ চহকী উদ্যোগপতিৰ ৰাজহুৱা অপমানৰ খবৰ-সকলো দীপকৰ সংবাদ জীৱনৰ ভিতৰুৱা খবৰ। সি পিছে সুস্মিতাৰ বিষয়ে আনে নজনা কিছুমান কথাও জানে।

দুবছৰ আগতে দীপকৰ বিয়া হ'ল লক্ষীমপুৰৰ জোনালীৰ সৈতে আৰু জোনালীৰ পৰাই সি জানিলে সুস্মিতাক গুৱাহাটীত জনাসকলে নজনা খবৰ। সুস্মিতাৰ আচল ঘৰ লক্ষীমপুৰত আৰু কটন কলেজলৈ তাই পঢ়িবলৈ আহিছিল। পদাৰ্থ বিদ্যাৰ ছাত্ৰী হিচাপে স্নাতক মহলাত পঢ়ি থাকোঁতেই তাইৰ গুৱাহাটীৰ ল'ৰা এজনৰ লগত প্ৰেম হ'ল। পিছে সেই প্ৰেমে হেনো পূৰ্ণতা নাপালে। ল'ৰাজন উচ্চশিক্ষাৰ বাবে বিদেশলৈ গ'ল আৰু যোৱাৰ আগতে সুস্মিতাক নজনালে, আনকি এবাৰ লগো নধৰিলে। তাই বোলে বাউলী হৈ পৰিছিল, বিষজাতীয় কিবা খাই হোষ্টেলতে আত্মহত্যাৰ ব্যৰ্থ প্ৰয়াসো কৰিছিল, লাহে লাহে নিচাত ডুবি থাকিবলৈ লৈছিল। লক্ষীমপুৰ চহৰত বহুতে বোলে জানে যে ইতিপূৰ্বে মাক-দেউতাক দুয়োকে হেৰুওৱা তাইক, ককায়েক দুজনে পৰিয়ালৰ কলঙ্ক বুলি পৰিত্যাগ কৰিছে। এইবোৰ দীপকে জোনালীৰ পৰা শুনা কথা। পিছে নিচাত ডুবি থকা সুস্মিতা কেনেকৈ সুস্থিৰ হ'ল, বোলছবিৰ জগতত সোমাই সুখ্যাতি বা কুখ্যাতি লাভ কৰিলে, সেই কথা সি সুস্মিতাৰ প্ৰতি গভীৰ সমমৰ্মিতা থকা জোনালীক নক'লে। এইটোও নক'লে যে সি সুস্মিতাক জানে বা লগ পাইছে।

দীপকে সুস্মিতাৰ ফালে মন কৰিলে। তাই খিৰিকীৰ পৰা মুখ ঘূৰাই এইফালেই যেন চাই পঠিয়ালে। দূৰৰ পৰাই চকুৱে চকুৱে পৰিল। আকৌ মুখখন ঘূৰাই চিগাৰেট এটা নতুনকৈ জ্বলাই খিৰিকীৰে তাই দূৰলৈ চাই ৰ'ল।

তাক বাৰু কেনেবাকৈ চিনি পালে নেকি? নাই, অসম্ভৱ। সুস্মিতাক সি লগ পোৱাৰ দিনা, তাই নিজৰ হোটেলৰ কোঠাত ৰাতি মদৰ নিচাত প্ৰায় বেহুচ অৱস্থাত আছিল। সি তাইৰ ওচৰলৈ গৈছিল তাৰ বন্ধু সুশান্তৰ পত্নী অজন্তাক লগত লৈ, অজন্তাৰ অনুৰোধ পেলাব নোৱাৰি। অজন্তাই সেইদিনা তাৰ সন্মুখতে সুস্মিতাক চিঞৰি চিঞৰি গালি পাৰিছিল, জবাবদিহি কৰিছিল। গোটেই ছবিখন তাৰ চকুৰ আগত ভাহি উঠিল। অজন্তাই চিঞৰিছিল- "তই সমাজ ধ্বংস কৰিছ....যি কৰ কৰি থাক, কিন্তু মোৰ মানুহজনক এৰি দে....তইতো মৰিবলৈ ওলাইছিলি..মোৰ মানুহজনেই তোক বচাই সমাজত থিয় কৰালে, নিজৰ বোলছবিত কাম কৰিবলৈ সুবিধা দি তোক অভিনেত্ৰী কৰিলে...সেইয়া কৰিলে মানৱতাৰ খাতিৰত, নহ'লেতো তোকেই বিয়া কৰালেহেঁতেন, মোক নহয়...আৰু তই..তই..." শেষলৈ অজন্তাৰ কথাবোৰ কান্দোনৰ দৰে শুনাইছিল- "এবছৰ বিয়া হৈ মই সুখেৰেই আছিলোঁ...এই নতুন ছবিখনত তোক লোৱাৰ পাছত, তই সুশান্তক আকৌ কিয় প্ৰলোভন দি, আমাৰ সংসাৰ ধ্বংস কৰিবলৈ ওলাইছ ...কিয়....তই বহুগামিনী হৈ থাক...সুশান্তক এৰি দে...মই হাত যোৰ কৰি মিনতি কৰিছোঁ...।" কান্দি কান্দি অজন্তা কোঠাৰ পৰা ওলাই গৈছিল, পিছে পিছে দীপক। পিছফালৰ পৰা দীপকে শুনিছিল সুস্মিতাৰ অসংলগ্ন কথা কেইষাৰ- "মই বহুগামিনী হৈ নাযাওঁ ....সুশান্তৰ কাষলৈ...তেওঁতো মোৰ প্ৰেম..মোৰ দেৱতা..মই জীৱন ধ্বংস নকৰোঁ সুশান্তৰ..নকৰোঁ।"

সেয়া প্ৰায় পাঁচবছৰ আগৰ কথা। সুশান্তৰ জীৱন পিছে ধ্বংস হৈ গৈছিল। সিঁহতৰ বিবাহ বিচ্ছেদ হৈছিল। বহু আগতেই দীপকে সুশান্তৰ ঘৰলৈ অহাযোৱা বন্ধ কৰি দিছিল। বিবাহ বিচ্ছেদৰ পিছতে সুশান্ত স্থায়ীভাৱে মুম্বাইলৈ গুচি যোৱা বুলি দীপকে খবৰ শুনিছিল। সুশান্ত আৰু সুস্মিতাৰ সম্পৰ্ক চলি আছিল নে নাই সেয়া জনাৰ প্ৰতি তাৰ কোনো আগ্ৰহ নাছিল। সি তাৰ বৃত্তিত সম্পূৰ্ণ নিমগ্ন হৈ পৰিছিল, কষ্ট কৰিছিল, নেটৱৰ্ক বঢ়াইছিল। দোপত দোপে উন্নতি কৰা বুলি সহকৰ্মীৰ ঈৰ্ষাৰ পাত্ৰও হৈছিল। য়েল্ল জাৰ্নেলিজম কৰা বুলি আৰু দিছপুৰত ঘৰ পাতি লোৱা বুলি তাৰ বদনামো ওলাইছিল।

দীপকে সেইবোৰ কাণ দিয়া নাছিল। সি জানিছিল যে গুৱাহাটীত নতুনকৈ লোৱা মাটিত দুমহলীয়া ঘৰটো, বিয়াৰ আগতে সি সম্পূৰ্ণ কৰিবই লাগিব। "যোৱা কেইবছৰ কষ্ট কৰাৰ ফলতেই তো সি আজি নিজৰ ঘৰত পত্নীৰে সৈতে সুখ-সন্তোষেৰে জীৱন কটাব পাৰিছে"- দীপকে মনে মনে ভাবিলে।

তাৰ বাল্যবন্ধু সুশান্তৰ বৈবাহিক জীৱন ধ্বংস কৰাৰ কাৰণ, সন্মুখত বহি থকা সুস্মিতাৰ প্ৰতি এক প্ৰৱল ঘৃণাত দীপকৰ নাকটো কোঁচ খাই গ'ল। মনটো পাতল কৰিবলৈ সি ইফালে সিফালে চালে। ইতিমধ্যে লাউঞ্জত এজন দুজনকৈ কেইবাজনো লোক আহি চোফাত বহিছে। দুজনমানক দেখিয়েই বুজিব পাৰি যে শাসকীয় ৰাজনৈতিক দলৰ নেতা, নিশ্চয় দীপকে হোটেলত লগ কৰিবলৈ অহা সাংসদজনকে লগ ধৰিবলৈ আহিছে। তেওঁলোকৰ ভাবগতি আৰু কথাবতৰাত দীপকে অনুমান কৰি ল'লে যে সাংসদজন আহিবৰ সময় হৈছে। সাংসদক লগ পোৱাৰ আগতে তাৰ বন্ধু সুশান্তৰ সংসাৰ ধ্বংসকাৰী এই নাৰীক দুআষাৰ শুনাবলৈ তাৰ মনটো লকলকাই উঠিল।

দীপক উঠি গ'ল আৰু সুস্মিতাৰ কাষলৈ গৈ তাচ্ছিল্যৰ সুৰত অলপ ডাঙৰকৈয়ে, সকলোৰে শুনাকৈ সুধিলে- "আপুনি বহুসময় ধৰি ইয়াত বহি আছে যে, বিশেষ কাৰোবাক, বিশেষ কামত লগ পাবলৈ ৰৈ আছে যেন পাইছোঁ"। সুস্মিতাই দীপকলৈ চাই হাঁহিলে- এক ৰহস্যময় হাঁহিৰেই যেন উত্তৰটো সামৰি থ'লে।

সেইসময়তে সাংসদ ডাঙৰীয়া গ্লাচৰ অটোমেটিক দুৱাৰেদি বাহিৰৰ পৰা লাউঞ্জলৈ সোমাই আহিল। এবাৰ সুস্মিতাৰ ফালে আকৌ দীপকলৈ চালে, লগত অহা পাৰ্টিৰ কৰ্মী ডেকা দুজনক তাতে বহিবলৈ নিৰ্দেশ দি দীপকক মাতি লগতে লৈ লিফ্‌টৰ ফালে গুচি গ'ল।

ইতিমধ্যে বাহিৰত সন্ধিয়া নামি আহিছিল। সাংসদৰ সৈতে যোৱাৰ প্ৰায় এঘণ্টাৰ পাছত দীপক লাউঞ্জলৈ উভতি আহিল, কিন্তু নবহিল। হোটেল এৰি বাহিৰলৈ যাবলৈ ওলাওঁতেই পিছফালৰ পৰা সুস্মিতাই মাত লগালে-"অলপ ৰ'বচোন।" দীপক প্ৰায় গ্লাচৰ দুৱাৰখন পাইছিলগৈয়ে, ৰৈ দিলে। সুস্মিতা তাৰ কাষলৈ আহি কাণৰ কাষত ফুচফুচাই ক'লে-"আপুনি যাক আজি কৃষক আন্দোলনৰ ভিতৰুৱা খবৰ দি আত্মাটো বেচিলে, মই তেওঁক মোৰ দেহটো বেচিবলৈ ৰৈ আছোঁ।"

ফোন ঃ ৯৯৯৯৭-৮৫২৪৮

❖

গল্প



উত্তেজনাত তাৰ গাটো কিবা কঁপি উঠিল। হঠাতে ঘটং কৈ গাত এটাত পৰাত হে তাৰ সম্বিত ঘূৰি আহিল। ষ্টেচন পাৰহৈ অহাৰ পিছত পানী ৰাস্তাৰ ওপৰত আৰু বেছি। ৰাস্তা ফুটপাথ একো ধৰিব নোৱাৰি। এনেয়েও এইখিনি ৰাস্তা বৰ ভগাছিগা।

# বিমোহিত

**বিপুল খাটনিয়াৰ**

এটা সময়ত সি কেৱল বো ডেৰেকৰ চিনেমা চাবলৈ ভাল পাইছিল। 'বেছিক ইন্সটিংক্ট' চোৱাৰ পিছত বো ডেৰেকৰ ঠাইত তাৰ অন্তৰৰ ৰাণী হ'লগৈ শ্বাৰণ ষ্ট'ন।

শেহতীয়াকৈ তাৰ অন্তৰত স্থান লৈছে এঞ্জেলিনা জ'লীয়ে। মেলফিছেন্ট চাই সি অভিভূত হৈ পৰিছিল- পিছত ছল্টখনে এঞ্জেলিনাৰ ঠাইখিনি স্থায়ী কৰি পেলালে। ইমান দকৈ তাৰ মনত সোমালে যে সি ছল্টখন তাৰ ফোনত ডাউনল'ড কৰি ল'লে আৰু যেতিয়াই সময় পায় তাৰে অকণমান চাই মনটো ৰোমাঞ্চিত কৰি লয়।

ইংৰাজী চিনেমাৰ প্ৰতি তাৰ আকৰ্ষণ সৰুৰে পৰাই- সি বলিউডৰ চিনেমা ভাল নাপায়।

নাছিকৰ এখন নামী দামী ইংৰাজী মিডিয়ামৰ স্কুলৰ ছাত্ৰ আছিল আমাৰ কাহিনীৰ নায়ক মোহন মহাত্ৰে। দুজন ভায়েকৰ লগত নাছিকৰ এটা আঢ্যৱন্ত লোকৰ চুবুৰীত বাস কৰিছিল মোহনৰ দেউতাকে। সি সৰু থাকোঁতেই এক দূৰাৰোগ্য বেমাৰৰ চিকাৰ হৈছিল তাৰ মাক। ল'ৰাই কষ্ট পায় বুলি বাপেকে আৰু

বিয়া নকৰালে।

মোহনে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা দিয়াৰ পিছতে এদিন এটা পথ দুৰ্ঘটনাত বাপেকৰো মৃত্যু হ'ল। তাৰ পিছতেই খুৰাকহঁতে বাপেকৰ সম্পত্তিখিনি গ্ৰাস কৰিলে আৰু তাক ঘৰৰ পৰা উলিয়াই দিলে।

মোমায়েকৰ ফালৰ পৰাও মোহনে কোনো সহায় নাপালে। দিহিঙে দিপাঙে ঘূৰি ঘূৰি অৱশেষত সি মুম্বাইকে সাবটি ল'লে।

প্ৰথমতে আন্ধেৰীৰ গেৰেজ এটাত কাম কৰিবলৈ ল'লে আৰু তাতে থাকোঁতেই গাড়ী চলাবলৈ শিকিলে। লাইচেন্সখন হৈ যোৱাৰ পাছত মোহনে গেৰেজৰ কামটো এৰি ভাড়াত অটোৰিক্সা এখন চলাবলৈ লৈছে। সোনকালেই বেংকৰ ল'ন এটা লৈ সি নিজৰ অটো এখন কিনিবলৈকো ঠিক কৰিছে। মদ, চিগাৰেট একো নাখায় কাৰণে ইতিমধ্যেই দৰকাৰী টকাখিনি জমা হৈ গৈছে তাৰ।

আন্ধেৰী ইষ্টৰ সৰু কোঠালি এটাত সি থাকে। এটা মাত্ৰ ৰুম। দিনটো খোৱা-বোৱা বাহিৰতে কৰে। ৰাতিৰ সাঁজ অৱশ্যে নিজেই ৰান্ধি খায়।

চিধা-চাধা জীৱন এটা পাৰ কৰা ল'ৰাটোৱে চিধা-চাধা ৰাস্তাই ভাল পায়। সেইকাৰণে সি অকল আন্ধেৰী- কুৰ্লা ৰ'ডৰ চৰাৰী পালেই ভাল পায়। এইটো ৰাস্তাত ট্ৰেফিক বেছি হ'লেও জাম কম হয়, চলাই মজা লাগে।

দোষ বুলি ক'বলৈ তাৰ মাত্ৰ এটাই- এঞ্জেলিনা জ'লী। তাইৰ চিনেমা আহিলে সি কাম কাজ বাদ দি হ'লেও চিনেমাখন চাবলৈ যাবই। তাৰ এবাৰ হ'লেও তেজ মঙহৰ এঞ্জেলিনা জ'লীক চাবলৈ বৰ হেঁপাহ। এবাৰ এঞ্জেলিনা জ'লী মুম্বাইলৈ আহিছিল বুলিও সি শুনিছে। তেতিয়া সি মুম্বাইত নাছিল। আকৌ আহিলে কিন্তু সি তাইক ওচৰৰ পৰা চাবলৈ যাবই- টিকট লাগিলে যেই টকাৰেই হওক। আৰু সেই দিনটো কেতিয়া আহে সি তাৰ কাৰণে অতি আগ্ৰহেৰে বাট চাই আছে।

কালিৰ পৰা মুম্বাইৰ সেই কুখ্যাত বৰষুণৰ বতৰ আৰম্ভ হৈছে। মুম্বাইৰ সেই বৰষুণত তাৰ নিচিনা সৰু সৰু মানুহৰ বৰ কষ্ট হয়। উপাৰ্জন আধা হৈ যায়। শাক পাচলিৰ দামো আকাশ- লংঘী হৈ পৰে।

গণপতি বাপ্পাক প্ৰণাম এটা কৰি সি অটোখন লৈ ওলাল। অটোৰিক্সাখনৰ দিনটোৰ ভাড়াটোৰ ওপৰঞ্চি আৰু কেইটামান টকা ওলালেই হয় আৰু আজি।

আন্ধেৰী ষ্টেচনৰ ওচৰ পোৱালৈ বৰষুণজাক আৰু বাঢ়িল। গোটেই ৰাস্তাত পানী জমা হৈ গৈছে। সৰু সুৰা দুই এটা ভাড়া মাৰি কোনোমতে গাড়ীখনৰ ভাড়াটো উলিয়াওঁতেই বেলি লহিয়ালে। ইমান দেৰি একো খোৱাই নাছিল সি। ডবল বড়া পাও এটা খাই লৈ এঞ্জেলিনাকে অকণমান চাই লওঁ বুলি সি সুবিধাজনক ঠাই এটুকুৰাত অটোখন পাৰ্ক কৰি ম'বাইলটো উলিয়াই ল'লে।

এঞ্জেলিনা ওলাবলৈ পোৱাৰ আগতেই ওলালহি নহয় কোনোবা এটা।

"ভাউ, লীলা হোটেল।"

সি চাই দেখিলে দামী চুট টাই পিন্ধা ধনৱান যেন লগা মানুহ এজন। সি নিৰাসক্তভাৱে ক'লে- "এই গেলা বতৰত ইমান দূৰলৈ যাবলৈ হ'লে ডবল ভাড়া লাগিব।"

মানুহজনে একো আপত্তি নকৰাকৈ বহি লৈ ক'লে- "যি লাগে লৈ ল'বি। মাত্ৰ ফটাফট মোক লৈ ব'ল।"

লীলা হোটেল পাওঁতে পাওঁতে এন্ধাৰেই হ'ল। মানুহজনক নমাই সি ঘূৰি আহিবলৈ লওঁতেই তাৰ কাণত পৰিল এক মহিলাৰ কণ্ঠস্বৰ- "ভাউ, চলোগে?"

এতিয়া আৰু তাৰ নতুন এটা ভাড়া মাৰিবলৈ মুঠেই মন নাই। মানুহজনীৰ ফাললৈ নোচোৱাকৈয়ে সি ঠেহেৰকৈ ক'লে- "নাযাওঁ। মোৰ বন্ধ কৰাৰ সময় হৈছে। মই এতিয়া আন্ধেৰীৰ ফালেহে যাম।"

মানুহজনীয়ে ক'লে- "প্লীজ! মোক চেভেন হিলছ হস্পিটেললৈ লৈ ব'লক। মোৰ তালৈ যোৱাটো খুউব দৰকাৰ। মোৰ ফোনটোত নেটে কাম কৰা নাই। গতিকে টেক্সীও মাতিব পৰা নাই। আধা ঘন্টাৰ ভিতৰতে মই ঘূৰি আহিম। আপুনি ৰৈ দিয়ে যদি হল্টিং চাৰ্জো দিম। আৰু তাৰ পাছত ময়ো আন্ধেৰীলৈকে যাম। মই তাতেই থাকোঁ।"

এইবাৰ তাৰ না কৰাৰ কোনো অজুহাত নাথাকিল। অ' ঠিক আছে, বহক বুলি মানুহজনীৰ ফাললৈ ঘূৰি চাওঁতেহে তাৰ বুকুখন ধৰাম্ কৰি উঠিল।

অ' গড্! এইজনী দেখোন এঞ্জেলিনা জ'লী। মানে আচল এঞ্জেলিনা জ'লী নহ'লেও সাইলাখ তায়েই। একেই চেহেৰা, একেই চুলি। আনকি পিন্ধনতো আচলজনীৰ নিচিনা বগা শ্বাৰ্ট, ক'লা ক'ট আৰু স্কাৰ্ট। কথাখিনি মাৰাঠীত নকৈ ইংৰাজীত কোৱা হ'লে তাৰ কিজানি সন্দেহেই হ'লহেঁতেন।

চেভেন হিলছ হস্পিটেলৰ ৰাস্তাত যথেষ্ট পানী জমা

হৈছে যদিও সি অকণো আপত্তি নকৰাকৈ তাইক লৈ গ'ল। আৰু এঞ্জেলিনাই যাতে একো কষ্ট নাপায় সেই বুলি অটোখন যিমান পাৰি সাৱধানে চলালে।

হস্পিটেলত সোমোৱাৰ পিছত মানুহজনীয়েতো প্ৰায় এঘন্টাই লগালে। আন কোনোবা হোৱা হ'লে সি কিজানি গুচিয়েই গ'লহেঁতেন। কিন্তু এঞ্জেলিনাকতো এৰি যাব নোৱাৰি।

অৱশেষত মানুহজনী- আচলতে বয়সৰ ফালৰ পৰা ছোৱালীজনী বুলিয়েই ক'ব পাৰি, আহি পুনৰ তাৰ অটোত বহিল আৰু সি একো উচ্চ বাচ্য নকৰাকৈ গাড়ীখন ষ্টাৰ্ট দিলে।

গোটেই ৰাস্তাত সিহঁতৰ মাজত প্ৰথমতে কোনো কথাই হোৱা নাছিল। দুইটাই নিজৰ নিজৰ পৃথিৱীত বিভোৰ। তাই কিহত বিভোৰ সি নাজানে, কিন্তু সি বিভোৰ তাৰ মনৰ নায়িকাক লৈ।

সি বেছি দেৰি কথা নপতাকৈ থাকিব নোৱাৰিলে। সুধি পেলালে- "মেডাম, কথা এটা ক'ম বেয়া নাপাব। আপুনি যে দেখিবলৈ এক্কেবাৰে এঞ্জেলিনা জ'লীৰ নিচিনা, আপোনাক কোনোবাই কৈছে নে?"

সশব্দে হাঁহি তাই ক'লে- "অ চবেই কয়। আপুনি কি এঞ্জেলিনাৰ ফেন নেকি?"

সি হয় বুলি ক'লত তাই ক'লে- "মই বলিউডত এক্সট্ৰাৰ কাম কৰোঁ। মই নিজে এঞ্জেলিনা জ'লীক লগো পাইছোঁ।"

উত্তেজনাত ৰ'ব নোৱাৰি সি অটোখন চাইড কৰি ৰখাই দিলে। "অ' ইচ ৰাম! আপুনি নিজেই লগ পাইছে। মোৰ বিশ্বাসেই হোৱা নাই। কওক না, কেনেকৈ লগ পালে?"

তাই ক'লে- "কৈ আছোঁ। আপুনি মাত্ৰ ৰৈ নিদিব-গৈ থাকক। ৰাতি বহুত হৈছে, বৰষুণজাকো বাঢ়ি গৈ আছে।"

যিমানে আন্ধেৰীৰ ফালে আগ বাঢ়িছে সিমানেই বৰষুণজাক বাঢ়ি আহিছে। আন্ধেৰী ষ্টেচনৰ ওচৰৰ দোকান পোহাৰ প্ৰায় সকলো বন্ধ। লোকেল বন্ধ হৈ গৈছে। ষ্টেচনৰ সন্মুখৰ ফুটপাথ ইতিমধ্যে পানীৰ তলত।

তাই কৈ গ'ল- "আপুনি এঞ্জেলিনাৰ এ মাইটি হাৰ্ট খন চাইছে?"

নাই, সি এতিয়াও সুবিধা পোৱা নাই।

তাই আকৌ কৈ গ'ল- "ব্ৰেড পিট আৰু এঞ্জেলিনাই অভিনয় কৰা এই চিনেমাখনৰ কিছু অংশ আমাৰ পুণেত শ্বুটিং হৈছিল। আৰু তাৰে তিনিটা এক্চন চিনত মই এঞ্জেলিনাৰ ব'ডি ডাবোলৰ কাম কৰিছিলোঁ। তেতিয়াই মেডামক ভাল দৰে লগ পাইছোঁ।"

উত্তেজনাত তাৰ গাটো কিবা কঁপি উঠিল। হঠাতে ঘটং কৈ গাত এটাত পৰাত হে তাৰ সম্বিত ঘূৰি আহিল। ষ্টেচন পাৰহৈ অহাৰ পিছত পানী ৰাস্তাৰ ওপৰত আৰু বেছি। ৰাস্তা ফুটপাথ একো ধৰিব নোৱাৰি। এনেয়েও এইখিনি ৰাস্তা বৰ ভগাছিগা।

তাইৰ ঘৰৰ ওচৰৰ ৰাস্তাখিনি আৰু বেয়া। খুউব সাৱধানে চলাই চলাই সি সুধিলে- "আপোনাক বাৰু সদায় অটো লাগে নেকি? মই ওচৰতে থাকোঁ কাৰণে হে সুধিছোঁ।"

হয়। তাইক ৰাতিপুৱা ন বজাত সদায় অটো লাগে। ইয়াৰ পৰা আন্ধেৰী ষ্টেচনলৈ। সি যদি ন বজাৰ আগে আগে আহি যায় তেন্তে তাই ভালেই পাব।

অৱশেষত তাইৰ ঘৰটো আহি পালে। বৰষুণজাক আৰু বাঢ়িহে গৈছে। অটোৰ ভিতৰতে বহি বহিয়েই তাই ভাড়া হিচাপ কৰি দি দিলে। সি আপত্তি কৰা সত্বেও তাই তাৰ প্ৰাপ্যতকৈ পঞ্চাশ টকামান বেছিকৈ দি অটোৰ পৰা নামিল।

"দেখিয়ে মেডাম, জৰা চম্ভাল কে" বুলি সি কৈ থাকোঁতেই তাৰ চকুৰ আগতে তাৰ এঞ্জেলিনা জ'লীয়ে দ্বিতীয় খোজটো লওঁতেই হঠাতে বোধকৰো মেনহ'লত পৰিল। মুহূৰ্ততে গোটেই মানুহজনী তললৈ সোমাই গৈ নাইকিয়া হৈ গ'ল। সি তাতে তভক লাগিলে।

ফোন নম্বৰ ঃ ৭০০২৭৩৩৫৬৫

❖

মোৰ ঘৰত ক্ৰমাৎ মানুহৰ সমাগম বৃদ্ধি পাইছে। সমান্তৰালভাৱে মোৰ সৎকাৰৰ কথাও আগবাঢ়িছে। বাৰীৰ চুকৰ বাঁহজোপাৰ পৰা দুটামান বাঁহ কাটি চাঙি সাজিলেই। তাৰমানে মোৰ যাবৰ হ'লেই। চাঙিখন সজা দেখি মোৰ মানুহজনীৰ কান্দোন আৰু বৃদ্ধি পালে। এইবাৰ উপাসনাও আহি মোৰ কাষতে মাটিতে বহি একান্তমনে মোলৈ চাই ৰ'ল। ঘৰৰ কাষৰ মাটিডোখৰতে মোক সৎকাৰ কৰাৰ বাবে ওচৰ-চুবুৰীয়া মানুহখিনি তৎপৰ হোৱা দেখি পাৰ্থসাৰথি যেন অস্থিৰ হৈ পৰিল।

# কিজানি মই পুনৰ জী উঠোঁ

**অমল কৃষ্ণ ভৰালী**

মোৰ মৃত্যু হৈছে— কাৰ্য্যতঃ এয়াই সত্য। বহু যন্ত্ৰণাৰ পৰা মই অৱশেষত মুক্তি পালোঁ। মোৰ মৃত্যুক অকালমৃত্যু বুলি ক'ব পাৰি। কাৰণ মোৰ বয়স কেৱল পঞ্চাশ বছৰহে হৈছিল। কোনে ক'ৰ পৰা হঠাতে যোগান ধৰিলে নাজানো— নতুন নগা ঢাৰি এখনৰ ওপৰত বিছনা চাদৰ এখন পাৰি মোৰ শটো চুবুৰীয়া দুজনমানে ধৰি শুৱাই দিলে। চেলেং চাদৰ এখন আৰু গামোচা দুখনমানেৰে কোনোবাই মোৰ শৰীৰটো ঢাকি দিলে। মই নিঃসাৰ হৈ চোতালতে পৰি আছোঁ। আচলতে মোৰ মৃত্যু হ'লেও মোৰ আত্মাটো মোৰ শটোৰ কাষৰে-পাঁজৰে ঘূৰি ফুৰিছে। ডঁৰিকনা মাছে যেনেকৈ পুখুৰীৰ নাদত পেলাই থোৱা বাঁহ-কাঠ বা জেঙৰ ঘেৰাটোৰ বাহিৰে-ভিতৰে ওলোৱা-সোমোৱা কৰি খেলি থাকে, মোৰ আত্মাটোৱেও মোৰ শৰীৰটোৰ লগত তেনেকৈ খেলি আছে। মোৰ ঘৰত গোট খোৱা মানুহবোৰৰ কাম-কাজবোৰ লক্ষ্য কৰি আছোঁ।

মোক এনেকৈ চোতালৰ মাজত পেলাই থোৱাত হয়তো ধনীৰাম কাইৰ সহ্য নহ'ল। পদূলিমুখত ভৰি দিয়েই ডেকা ল'ৰামখাক ডবিয়ালে— "দেহটো এনেকৈ কিয় ৰাখিছ, পূবফালৰ সৌ তুলসীজোপাৰ ওচৰত অগ্নিকোণত শুৱাই দে। ধূপ আৰু চাকি এগছ জ্বলাই দে। সেইকণ ঠাইহে মানুহৰ জীৱনৰ দৰকাৰী স্থাৱৰ সম্পত্তি, বাকীবোৰ অৰ্থহীন।" মোৰ শটোক সামান্য সন্মান দিয়াত ধনীৰাম কাইলৈ মৰম উথলি উঠিল। যদিও ছমাহ পূৰ্বে মোৰ পিছফালৰ মাটি এডৰাৰ সীমা ঠেলাৰ বাবে তেওঁৰ লগত মোৰ দুৰ্বাদল কাজিয়া হৈছিল তথাপি মই এই মায়া-মোহ মিছা বুলি সকলো ক্ৰোধ সম্বৰণ কৰিলোঁ। মোৰ মন এতিয়া মুক্ত, মই মায়ামুক্ত।

বাৰাণ্ডাৰ চুক এটাতে মোৰ মানুহজনী সৰলা আউলী-জাউলী হৈ বহি আছে। ডগমগীয়া ফোটটো সমগ্ৰ কপালখনতে বিয়পি পৰিছে। শিৰৰ সেন্দূৰকণো সেঁওতাত যেন বিলীন হ'ব বিচাৰিছে। কাষতে বহি কেইগৰাকীমান মহিলাই তেওঁক সান্ত্বনা দিছে। মোৰ ছোৱালী উপাসনাই ফেচবুকত এটা ষ্টেটাছ লিখিছে— "মোৰ মৰমৰ দেউতা আৰু নাই।" মোৰ একমাত্ৰ পুত্ৰ-সন্তান পাৰ্থসাৰথিয়ে মোবাইলত কাৰোবাৰ লগত কথা পতাত ব্যস্ত। হ'বইতো— এতিয়া গোটেইবোৰ দায়িত্ব তাৰ ওপৰতে। শোক কৰিবলৈ অথবা কান্দিবলৈ মোৰ ল'ৰা-ছোৱালীৰ সময় বা অৱকাশ ক'ত!

মই অকালতে সিপুৰীলৈ যাব লগা হোৱাত মোৰ মানুহজনীৰ ভৱিষ্যতক লৈহে শংকিত হৈছোঁ। অৱসৰলৈ দহ বছৰ আছিল। ল'ৰা-ছোৱালী দুটাক পঢ়াই-শুনাই, ঘৰ-বাৰী কৰি মানুহজনীৰ লগত অৱসৰৰ দিনবোৰ সুখেৰে কটাম বুলি ভাবিছিলোঁ। অহা দহ বছৰত টকা সাঁচি বুঢ়া বয়সত দুয়োটাই আনন্দেৰে কটাম বুলি ভাবিছিলোঁ। কিন্তু সেই আশা সম্পূৰ্ণ নহ'লগৈ। নিয়তিয়ে অত্যন্ত নিষ্ঠুৰভাৱে মোক লৈ গ'ল। সঁচা কথা ক'বলৈ গ'লে বৰ্তমান মোৰ বেংক একাউণ্টত টকা এক লাখো নাই। ল'ৰা-ছোৱালী দুটাই মোৰ শ্ৰাদ্ধ পাতোঁতেই সেই টকাৰ আধাখিনি পানীত পৰিব। পি এফৰ টকাকেইটা, লাইফ ইঞ্চুৰেন্সৰ পলিচী তিনিটা সাৰথি হিচাপে আছে। সেইবোৰ বা উলিয়াবলৈ যাওঁতে কিমান সমস্যাৰ সন্মুখীন হয় ঠিক নাই। পেন্সন নথকা চাকৰি মোৰ। সেয়ে ভৱিষ্যৎ সুৰক্ষাৰ দিশটো একেবাৰে চনকা।

মোৰ মৃত্যুত ঘৰখনৰ বহু ক্ষতি হ'ব। সেয়া মই নিশ্চিত হ'লোঁ। উপায়ো নাই, কালে নিম বুলি ভাবিলে যাবই লাগিব। ল'ৰা-ছোৱালী দুটাৰ বিয়া দুখনৰ ভাৰ এতিয়া মোৰ মানুহজনীৰ কান্ধতেই পৰিব। মোৰ অনুপস্থিতিত আজলী মানুহজনীয়ে কি কৰিব ভাবিলেই চকুপানী ওলাই আহিব খোজে। অৱশ্যে মোৰ মৃত্যুত মোৰ একমাত্ৰ কন্যা উপাসনাৰ বিশেষ লাভ হ'ব। বহিঃৰাজ্যৰ ল'ৰা এটাক ভাল পায় তাই। মই প্ৰথমৰ পৰাই সিহঁতৰ এই সম্পৰ্কক অস্বীকাৰ কৰি আহিছিলোঁ। এতিয়া আৰু তাই নিষ্কণ্টক। মই নিশ্চিত, হৃদয়ৰ কোনোবা এটা কোণত হ'লেও উপাসনাই স্বস্তি অনুভৱ কৰিছে। কিয়নো তাইৰ প্ৰেমৰ কণ্টক মই আৰু ঘূৰি নাহোঁ। মাকক তাই হেলাৰঙে বশ কৰিছেই ইতিমধ্যে।

মোৰ ল'ৰা পাৰ্থসাৰথিও বৰ আত্মকেন্দ্ৰিক। মুখখন দেখিলে ক'বই নোৱাৰি সি কি ভাবি আছে। সুখ বা দুখে যেন তাৰ জীৱনটোক আঁচোৰ পেলাব নোৱাৰে। মোৰ মৃত্যুৰ পাছতো তাক তেনেদৰেই দেখা পাইছোঁ। আচৰিত ধৰণে নিৰ্বিকাৰ, যেন একোৱেই হোৱা নাই। উপাসনাৰ দৰে পাৰ্থসাৰথিও আজিৰ পৰা মোৰ অযথা হস্তক্ষেপৰ পৰা মুক্ত হ'ল। সি মোক বহু দিনৰ পৰা কৈ আছিল ঘৰৰ পিছফালৰ মাটিডৰা বিক্ৰী কৰি ব্যৱসায় আৰম্ভ কৰিব খোজে। কিন্তু কি ব্যৱসায় কৰিব সি নিজে নিশ্চিত নহয়। তেজ পানী কৰি কষ্টৰ ধনেৰে ক্ৰয় কৰা মাটিডোখৰ হঠাতে বিক্ৰী কৰি দিবলৈনো কাৰ মন যায়! ল'ৰাটোৰ মাত্ৰ পঁচিশ বছৰ হৈছে। এম কম পাছ কৰি ঘৰতে আছে। বিচাৰি থাকিলে চাকৰি এটা নাপাবনে সি? মাটি বিক্ৰী কৰি সেই টকাৰে ব্যৱসায় কৰি যদি দেউলীয়া হয়, কোনে তাক উদ্ধাৰ কৰিব? এতিয়া সি মুক্ত। তাৰ কামত বাধা দিয়া দেউতাক এতিয়া মৰা শ হৈ চোতালতে পৰি আছে। চিতাত জুই দিলেই সকলো শেষ। মাটি বিক্ৰী কৰি সেই টকাৰে ব্যৱসায় কৰাৰ সুযোগো সৃষ্টি কৰিলে মোৰ অকাল মৃত্যুৱে।

ল'ৰা-ছোৱালী দুটাৰ মাকলৈহে মোৰ বৰ বেজাৰ লাগিছে। জীৱনটোত মোৰ পৰা একোৱেই নিবিচাৰিলে। সিহঁত দুটাক ভালকৈ আলপৈচান ধৰি ডাঙৰ-দীঘল কৰাতেই আয়ুসৰ আধা সময় সঁপি দিলে। কোনো এটা সিদ্ধান্ত নিজাকৈ লৈ নাপালে। সকলো কথাতে মোৰ মুখলৈ চাই ৰয়। মোৰ সিদ্ধান্তই মানুহজনীৰো সিদ্ধান্ত। সেই আজলী

মানুহজনীও এতিয়া অনভিজ্ঞ পুতেক-জীয়েকৰ সিদ্ধান্ত মানিয়েই জীয়াই থাকিব লাগিব।

ঘৰখনলৈ ওচৰৰ মানুহবোৰ আহিছে। বন্ধু সমীৰণে মোৰ মৃত্যুৰ খবৰ পাই অহা লোকসকলক মাত এষাৰ দিছে, কাৰোবাক বহিবলৈ দিছে, কাৰোবাক দুই-এটা কাম সঁপিছে। সমীৰণ মোৰ কান সমনীয়া, প্ৰাণৰ বন্ধু। তাৰ পত্নী ৰুণুমী মোৰ মানুহজনীৰ কাষতে বহি আছে। ৰুণুমীয়ে এওঁক সান্ত্বনা দিবলৈ যত্ন কৰিছে। কিন্তু তায়ো যেন মোৰ মৃত্যুত ম্ৰিয়মান। অশ্ৰুসিক্ত নয়ন। নহ'বনো কিয়! কিমান যে আপোন আমাৰ পৰিয়াল দুটা! সমীৰণ আৰু মই দুয়োটাই কলেজত পঢ়ি থাকোঁতে ৰুণুমীৰ প্ৰেমত পৰিছিলোঁ। আমাৰ মাজত প্ৰতিযোগিতা চলিছিল কোনে প্ৰথম ৰুণুমীৰ মন জিকিব পাৰে। তাই আমাৰ দুয়োটাৰে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। কিন্তু উত্তৰৰ বাবে বহুদিন অপেক্ষা কৰাইছিল। অৱশেষত এদিন সমীৰণ আৰু মোক দুয়োটাকে কলেজৰ ৰুম এটাত বহুৱাই প্ৰশ্ন কৰিছিল— "যিহেতু মই আপোনালোকৰ দুজনৰ ভিতৰত এজনৰহে প্ৰস্তাৱত সন্মতি দিম, এতিয়া আপোনালোক দুজনেই সিদ্ধান্ত লওক মই কাক 'ইয়েছ' ক'ম।" ৰুণুমীৰ কথা শুনি আমাৰ দুয়োটাৰে মুখৰ মাত হেৰাল। এই বিষয়ত সিদ্ধান্ত ল'বলৈ দুয়োটাৰে সাহস নাছিল। আমাৰ অৱস্থা দেখি তাই হাঁহিছিল। পুনৰ ক'লে— "মোৰ এটা চৰ্ত আছে। মোৰ সিদ্ধান্তৰ বাবে আপোনালোকৰ বন্ধুত্ব ছিন্ন হ'ব নোৱাৰিব। মোৰ উপস্থিতিয়ে ভৱিষ্যতে আপোনালোকৰ মাজত সংঘাত আনিব নোৱাৰিব। অন্যথা মই আপোনালোক দুয়োজনৰ এজনকো কথা দিব নোৱাৰিম।"

আমি উপায়হীন আছিলোঁ। তথাপি দৃঢ়তাৰে কৈছিলোঁ— "তোমাৰ সিদ্ধান্তই আমাৰ বন্ধুত্বত প্ৰভাৱ নেপেলায়। তুমি যাক পচন্দ কৰা সেইজনৰ বাদে আনজন তোমাৰ ক্ষেত্ৰত বন্ধু-পত্নী হৈ ৰ'ব। জীৱনত কোনোদিন অস্বস্তি নোপোৱা।"

"আপোনালোক দুজনৰ পৰা এজনক বাছনি কৰাটো অত্যন্ত কঠিন। শিক্ষা-দীক্ষা, দেখা-শুনা, পৰিয়াল, আপোনালোকৰ ব্যৱহাৰ, স্বভাৱ-চৰিত্ৰ সকলো ভালেই। সেয়েহে মই আজি ঘৰতে এটকীয়া কইন এটাৰে টছ কৰি আহিলোঁ। হেড ওলাল— অৰ্থাৎ বাছনিত উঠিল সমীৰণ দা।"

ৰুণুমীয়ে মোক প্ৰত্যাখ্যান কৰা সত্ত্বেও মই হাঁহিছিলোঁ। তাইৰ বাছনি প্ৰক্ৰিয়া দেখি ৰস পাইছিলোঁ। আচৰিত ধৰণে সেই মুহূৰ্তৰ পৰাই ৰুণুমীৰ প্ৰতি মোৰ ভালপোৱা, আকৰ্ষণ, অনুৰাগ শেষ কৰি পেলাইছিলোঁ। সমীৰণ মোৰ প্ৰাণৰ বন্ধু, সেয়ে মোৰ বাবে আন সকলো সিদ্ধান্ত লওঁতে সহজ হৈছিল। যোৱা সাতাইশটা বছৰে সমীৰণ আৰু মই অভিন্ন বন্ধু হৈ আছোঁ। ৰুণুমীৰ বাবে আমাৰ বন্ধুত্বত কোনো ফাট মেলা নাই। কিন্তু মোৰ পত্নী সৰলাই আমাৰ কলেজীয়া জীৱনৰ কথাবোৰ শুনি ৰুণুমীক সহ্য কৰিব নোৱৰা পৰিস্থিতি এটাৰো সৃষ্টি হৈছিল প্ৰথমে। মোকো সন্দেহৰ দৃষ্টিৰে চাবলৈ লৈছিল। এসময়ত মই সমীৰণৰ ঘৰলৈ যাবলৈও সংকুচিত হৈছিলোঁ। কিন্তু ৰুণুমীক মই সমীৰণৰ যোগেদি আমাৰ পাৰিবাৰিক সমস্যাটোৰ কথা কৈছিলোঁ। আচৰিত ধৰণে ৰুণুমীয়ে মোৰ মানুহজনীক সহজ অৱস্থালৈ আনিবলৈ সক্ষম হৈছিল।

মই এটা কথা জানিবলৈ বৰ চেষ্টা কৰিছিলোঁ— সঁচাই ৰুণুমীয়ে টচ কৰি আমাৰ দুই বন্ধুৰ এজনক জীৱন সংগী হিচাপে বাছি লৈছিল নে মই আহত হওঁ বুলি মিছা মাতিছিল। সমীৰণতকৈ মোক তাই বেছি ভাল পাইছিল নেকি? সমগ্ৰ জীৱন মই এই প্ৰশ্ন লৈয়ে থাকিলোঁ। আজি সিপুৰীলৈ যোৱাৰ সময়তো মই ৰুণুমীক লক্ষ্য কৰিছোঁ— তাই কান্দিছে, মোৰ মানুহজনীৰ সমানেই তাই শোকাৰ্ত। এই চকুপানীয়ে মোৰ দীৰ্ঘদিনীয়া অস্থিৰ মনটোক কিছু পৰিমাণে শান্ত কৰিব পাৰিছে আজি। মোৰ মানুহজনীৰ লগত ৰুণুমীক একেলগে কান্দি থকা দেখি

মই সুখী আজি। সমীৰণলৈও চাইছোঁ। সিও ৰুণুমীক লক্ষ্য কৰিছে। তাৰ মনতো বাৰু তেনেকুৱা কিবা প্ৰশ্নৰ উদয় হৈছে নেকি? সি যি নহওক মই আৰু এই বিষয়ত মূৰ নঘমাওঁ। এয়া অনুচিত। ৰুণুমীৰ প্ৰতি মোৰ হেঁপাহ আৰু ভালপোৱা সমীৰণৰ সৈতে তাইৰ বিয়াৰ পাছতে অন্ত পেলাইছিলোঁ।

মোৰ ঘৰত ক্ৰমাৎ মানুহৰ সমাগম বৃদ্ধি পাইছে। সমান্তৰালভাৱে মোৰ সৎকাৰৰ কথাও আগবাঢ়িছে। বাৰীৰ চুকৰ বাঁহজোপাৰ পৰা দুটামান বাঁহ কাটি চাঙি সাজিলেই। তাৰমানে মোৰ যাবৰ হ'লেই। চাঙিখন সজা দেখি মোৰ মানুহজনীৰ কান্দোন আৰু বৃদ্ধি পালে। এইবাৰ উপাসনাও আহি মোৰ কাষতে মাটিতে বহি একান্তমনে মোলৈ চাই ৰ'ল। ঘৰৰ কাষৰ মাটিডোখৰতে মোক সৎকাৰ কৰাৰ বাবে ওচৰ-চুবুৰীয়া মানুহখিনি তৎপৰ হোৱা দেখি পাৰ্থসাৰথি যেন অস্থিৰ হৈ পৰিল।

"দেউতাক বাৰীত খৰি নিদিওঁ।"— তাৰ কথা শুনি মোৰ সৎকাৰৰ বাবে উদ্যোগ লোৱা মানুহকেইজন স্তম্ভিত হৈ পৰিল। ধনীৰাম কায়ে সুধিয়েই পেলালে— "তুমি তেতিয়াহ'লে কি ভাবিছা?"

"ককা, পিছফালৰ মাটিডোখৰত দেউতাক খৰি দিলে পাছত সেই মাটিখিনি বিক্ৰী কৰিবলৈ বা তাত কিবা কৰিবলৈ অসুবিধা হ'ব।"

"কি কোৱা হে পাৰ্থ! চুকৰ বাঁহনিকণতে সৎকাৰ কৰিব পাৰি। পাছত ঠাইডোখৰ বেৰি-কুৰি বা পকা কৰি থ'লেই হ'ল।"— ধনীৰাম কাইৰ কথাকেইটা শুনি মই সকাহ পালোঁ। অন্ততঃ মৰাৰ পাছত মোৰ সমাধিটো ঘৰখনৰ কাষতে থাকিলে ঘৰখন পাই থকা যেন অনুভৱ হ'ব। ল'ৰা-ছোৱালী দুটাই ইচ্ছা নকৰিলেও মাহেকে-বছৰেকে মানুহজনীয়ে সমাধিত চাকি এগছ জ্বলাব পাৰিব। মোৰো সেয়াই ইচ্ছা আছিল। কেতিয়াবা ধেমালিতে মানুহজনীক কৈছিলোঁ— "মৰাৰ পাছত মোক ঘৰৰ ফিছফালৰ মাটিডোখৰৰ চুক এটাতে থ'বা।" কিন্তু মোৰ ল'ৰাটোৰ মতলব বেলেগ আছিল। মোৰ বুজিবলৈ বাকী নাথাকিল যে সি মাটিডোখৰ বিক্ৰী কৰিবলৈ নিৰ্ঘাত চক্ৰান্ত কৰি পেলাইছে। মই আশা কৰিলোঁ সমীৰণেও তাক কিবা এটা কওক। সঁচাকৈ মোৰ টেলিপেথিয়ে কাম দিলে। সমীৰণ পাৰ্থসাৰথিৰ কাষ চাপি আহি সুধিলে— "দেউতাক ঘৰৰ কাষতে নাৰাখি ক'ত থ'ম বুলি ভাবিছা তুমি?"

"ৰাজহুৱা শ্মশানতে দেউতাৰ সৎকাৰ হ'ব। ইতিমধ্যে মই ফোন কৰি তাৰ যাৱতীয় যো-জাখিনি কৰিবলৈ দিলোঁৱেই।"— পাৰ্থসাৰথিৰ কথাত নতুনকৈ কিবা প্ৰশ্ন কৰিবলৈ কাৰো সাহস নহ'ল। বাহিৰা মানুহে সিদ্ধান্ত লোৱাৰ যুক্তিও নাই। পুতেক ডাঙৰ হ'ল, নিজাকৈ সকলো ভাবিব পৰা হ'ল। মোৰ ল'ৰাটোৰ কথা শুনি মাক থিৰেৰে থাকিব নোৱাৰিলে। তেওঁ উঠি আহি পাৰ্থক সুধিলে— "তুমি এই সিদ্ধান্তটো অকলেই কিয় ল'লা?"

"মা তুমি মিছাতে টেনছন লৈছা। এই মুহূৰ্তত তোমাক এইবোৰ কথা কৈ সমস্যা বঢ়াবলৈ মন নগ'ল। তাতে তোমাৰ মানসিক আৰু শাৰীৰিক অৱস্থাও বৰ ভাল নহয়।"— সামান্য যেন বিৰক্ত হ'ল পাৰ্থ। পুতেকৰ কথা শুনি মানুহজনীয়ে কান্দি কান্দি পুনৰ আগৰ ঠাইলৈ ঘূৰি গৈ বহি থাকিল।

মোৰ ল'ৰাটোৰ উদ্ধত স্বভাৱ আৰু আচৰণ মই বৰ বেয়া পাইছিলোঁ। সি যি ভাৱে তাকেই কৰি পেলায়। বেলেগৰ আৱেগ-অনুভূতি তাৰ ওচৰত শূন্য। পাৰ্থৰ এই স্বভাৱবোৰ সৃষ্টিৰ আঁৰত মোৰ মানুহজনীৰ অৰিহণা আছে বুলি মই অনুভৱ কৰোঁ। সৰুৰে পৰা পাৰ্থৰ সকলো কথাতে মাকে সমৰ্থন কৰে আৰু মই বাধা দিলেও নিজৰ আঁচলত সুমুৱাই তাক ৰক্ষণাবেক্ষণ দিয়ে। পৰিণতিত আজি তাৰ বেপৰোৱা ব্যৱহাৰ মাকে নিজে দেখিবলৈ পাইছে। মোৰ অবৰ্তমানত মাকজনী চাগে' কিমান অৱহেলিত হ'ব তাৰ ৰেঙনি মই আজিয়েই পালোঁ। ছোৱালীজনীও নিজৰ সিদ্ধান্তত নাছোড়বান্দা। বিহাৰী ল'ৰাটোৰ লগতেই বিয়াত সোমাব। সন্তান এটা জন্ম দি ডাঙৰ-দীঘল কৰি, সুশিক্ষিত কৰি আমিনো কি বিচাৰোঁ— অকণমান মৰম আৰু সহানুভূতি। সন্তানৰ পৰা আমি ধন, টকা-পইচা, সম্পত্তি একো নিবিচাৰোঁ। সিহঁত সুখী হোৱাটোৱেই কামনা কৰোঁ। কিন্তু আমাৰ মান-সন্মান, ইচ্ছা-অনিচ্ছাক জলাঞ্জলি দি সিহঁতে কৰা কামবোৰ অভিভাৱক হিচাপে আমি মানি ল'বলৈ টান পাওঁ। বাস্তৱত সেয়াই হ'ল। পাৰ্থসাৰথিয়ে মোৰ বাৰম্বাৰ বাধা সত্বেও ঘৰৰ পিছফালে থকা মাটিডোখৰ বিক্ৰী কৰিবই। ব্যৱসায়ৰ বাবে তাক টকা লাগে। উপাসনাই মোৰ ইচ্ছাৰ বিৰুদ্ধে গৈও

বিহাৰী ল'ৰাটোৰ সৈতে বিয়া হ'বই, নহ'লে হেনো তাই কোনো দিন বিয়াত নবহে। তাইক মই কৈছিলোঁ, অচিনাকি বহিঃৰাজ্যৰ ল'ৰা এটাৰ লগত বিয়া হৈ যদি পাছত বিপদত পৰ, তোক কোনে চাব? অসমৰে ল'ৰা এটা বিচাৰি নাপাবিনে? খঙত এদিন কৈছিলোঁ তাইক— "তোৰ বিয়াৰ আগতে ভগৱানে মোক লৈ গ'লেই মই শান্তি পাম।" আজি সেয়াই হ'ল। তাইৰ বিয়াত কন্যাদান কৰিবলৈ ভগৱানে মোক জীয়াই নাৰাখিলে। মধুমেহ আৰু উচ্চ ৰক্তচাপত মই হাৰ মানিলোঁ। মোৰ অসুখবোৰো ল'ৰা-ছোৱালী দুটাৰ চিন্তাতে হোৱা বুলি সিহঁতক বহুবাৰ ককৰ্থনা কৰিছিলোঁ। হয়তো এই অপবাদ মই মোৰ সন্তান দুটাক দি থৈ যাব নালাগিছিল। এতিয়া অনুতপ্ত হৈ লাভ নাই, মই যে যাবলৈ ওলালোঁ।

পাৰ্থসাৰথিৰ সিদ্ধান্তই চূড়ান্ত হ'ল। মোক ৰাজহুৱা শ্মশানতে দাহ কৰিব। যাৱতীয় নিয়মখিনি চলি আছিল। স্বৰ্গৰথখনো আহি পালে। এনেতে মোৰ অফিচৰ সহকৰ্মীৰ দল এটাও আহি পালে। সকলোৰে মুখবোৰ শোকাৰ্ত। বৰুৱা, শইকীয়া, ৰহমান, বড়ো আৰু মিছেছ বৰঠাকুৰ। মোৰ অন্তিম যাত্ৰাৰ সময়ত সকলোকে দেখি ভাল লাগিল। তেওঁলোকে পাৰ্থ আৰু উপাসনাক মাত লগাই মোৰ পত্নী সৰলাৰ কাষ পালেগৈ। তেওঁক সান্ত্বনা দিয়াৰ চেষ্টা কৰিলে। ঘূৰি আহি তেওঁলোকে এজন এজনকৈ মোৰ শৰীৰত পুষ্পবৃষ্টি কৰিলে। মোৰ মৃত্যুত সহকৰ্মীসকল ম্ৰিয়মান। কিন্তু মোৰ অনুভৱ হ'ল— শইকীয়া ব্যতিক্ৰম। নিয়মমতে মোৰ প্ৰমোচন হ'ব লাগে যদিও শইকীয়াই মোক নেওচি আগুৱাই যাবৰ বাবে ওপৰ মহলত বহু কূটনীতিৰ আশ্ৰয় লৈছিল। হয়তো বিফল হ'লহেঁতেন। কিন্তু মোৰ মৃত্যুৱে তেওঁৰ প্ৰমোচনৰ হেঙাৰ আঁতৰালে। শইকীয়া এতিয়া নিষ্কণ্টক।

স্বৰ্গৰথখন বেক কৰি আমাৰ পদূলিলৈ সোমাই আহিল। পাৰ্থসাৰথি চুৰিয়া-গেঞ্জি পিন্ধি, কান্ধত গামোচা লৈ সাজু। উপাসনাই এইবাৰ বৰকৈ কান্দিবলৈ ধৰিলে। মোৰ বুকুতে মূৰটো পেলাই তাই উদ্বাউল হৈ পৰিছে। উপাসনাৰ মোবাইল ফোনটো কেইবাবাৰো বাজি বাজি বন্ধ হৈ গৈছে। কিন্তু তাই ধৰা নাই। শেষত বাৰম্বাৰ ফোন আহি থকা নম্বৰটো দেখি তাই ৰিচিভ কৰিলে। বয়ফ্ৰেণ্ডৰ ফোন। সিফালৰ পৰা খবৰ ল'লে হয়তো। উপাসনাই কান্দি কান্দিয়েই দুই-এটা উত্তৰ দিলে। হঠাতে তাই বৰ দৃঢ় কণ্ঠেৰে ল'ৰাটোক যিকেইটা কথা ক'লে মই আচৰিত নহৈ নোৱাৰিলোঁ— ''My father died in my grif. I am sorry. I can no longer have a relationship with you. At least my father's soul will rest in peace. Please Ajit, if possible forgive me.'' কথাকেইটা কৈয়ে উপাসনাই ফোনৰ সংযোগ কাটি দিলে। তাই ততাতৈয়াকৈ উঠি বাৰাণ্ডাত বহি কান্দি বহি থকা মাকৰ কাষত বহিলগৈ। মই উপাসনাৰ কাণ্ড দেখি আৱেগিক হৈ পৰিলোঁ। এই সিদ্ধান্ত যদি তাই মোৰ জীৱিত কালতে ল'লে হয়, এই অকাল মৃত্যু মোৰ জীৱনলৈ নাহিলহেঁতেন চাগৈ'।

এক বিষণ্ণ আৰু আৱেগিক পৰিৱেশত সমৱেত সকলোৱে মোক অন্তিম বিদায় দিয়াৰ বাবে সাজু হ'ল। স্বৰ্গৰথৰ পৰা পুৰণা, বিবৰ্ণ ষ্ট্ৰেছাৰখন দুজনমানে ধৰি উলিয়াই আনিলে। এনেতে এটা অভাৱনীয় ঘটনাৰ সূত্ৰপাত ঘটিল। সমীৰণ আৰু ৰুণুমীৰ একমাত্ৰ ছোৱালী ৰ'দালি হুৰমূৰকৈ আমাৰ ঘৰলৈ সোমাই আহিল স্কুটীখন ৰখাই। মই লক্ষ্য কৰিছিলোঁ কিছু সময় পূৰ্বে সমীৰণে তাইক ফোন কৰি মোৰ মৃত্যুৰ খবৰ দিছিল। তাই নিশ্চয় ক'ৰবালৈ গৈছিল, এতিয়াহে আহি পালে। ৰ'দালিয়ে মোৰ স্পন্দনহীন শৰীৰটোলৈ খন্তেক চাই জঠৰ ভৰি দুটা চুই সেৱা কৰিলে। কেঁচুৱাৰ পৰা তাইক নিজৰ ছোৱালীৰ দৰে পাইছোঁ। উপাসনাৰ লগত একেলগে পঢ়া। মোৰ প্ৰতি, সৰলাৰ প্ৰতি তাইৰ অকৃত্ৰিম শ্ৰদ্ধা। তাইৰ চকু দুটা চলচলীয়া। সমীৰণ আগবাঢ়ি আহি ৰ'দালিৰ কান্ধত ধৰি উঠাই দিলে। কাণে কাণে সি জীয়েকক কিবা এটা ক'লে। কথাটো শুনিয়েই তাই মোৰ ল'ৰা পাৰ্থসাৰথিক কাষৰীয়াকৈ মাতি নি কিবা আলোচনা কৰিলে। মই অবাক হৈ চাই থাকিলোঁ দুয়োটালৈ। খন্তেক পাছতে ৰ'দালিয়ে সমীৰণকো সিহঁতৰ আলোচনাৰ মাজলৈ মাতি নিলে। এই মুহূৰ্তত পাৰ্থসাৰথিৰ সৈতে ৰ'দালি বা সমীৰণৰ আছুতীয়াকৈ কিবা পাতিবলগীয়া গুৰুত্বপূৰ্ণ কথা আছে বুলি মই নাভাবোঁ। ক'ৰবাত কিবা অথন্তৰ ঘটা নাইতো! মোৰ ল'ৰাৰ লগত ৰ'দালিৰ সিমান ঘনিষ্ঠতাও মই পূৰ্বে লক্ষ্য কৰা নাই। তাতে এই আলোচনাত সমীৰণক জড়িত কৰোৱাৰ কাৰণ কি? মই

এই মুহূৰ্তত অনাহূত দৃশ্য দেখি আচৰিত হৈ পৰিলোঁ। এনেতে উপাসনাও ৰ'দালিহ'তৰ কাষ চাপি আহিল।

হঠাতে সিদ্ধান্ত সলনি কৰিলে পাৰ্থসাৰথিয়ে। মোৰ অন্তিম ইচ্ছা আৰু মাকৰ পৰামৰ্শ অনুযায়ী মোক আমাৰ ঘৰৰ পিছফালে থকা মাটিডোখৰতে খৰি দিয়া হ'ব। ৰ'দালিৰ আগমনত পাৰ্থৰ স্থিতি সলনিৰ কথাটোত মই অবাক হৈ পৰিলোঁ। ৰাইজৰ, মাকৰ, সমীৰণৰ কথা অৱজ্ঞা কৰা মোৰ ল'ৰাটোৱে ৰ'দালিৰ কথাত নিজৰ সিদ্ধান্ত কেনেকৈ সলালে! কি ক'লে ৰ'দালিয়ে!! তাইৰ লগত পাৰ্থৰ কি ইমান বুজাবুজি? মোৰ আত্মাটো সকলো কথা জানিবলৈ অস্থিৰ হৈ পৰিল। ইতিমধ্যে ঘৰলৈ অহা স্বৰ্গৰথখন পাৰ্থই টকাকেইটামান দি ওভতাই পঠালে। ফোন কৰি ৰাজহুৱা শ্মশানৰ সকলো আয়োজন নাকচ কৰি পেলালে। সমীৰণ-ধনীৰাম কাইকে প্ৰমুখ্য কৰি ৰাইজ ব্যস্ত হৈ পৰিল বাৰীৰ পিছফালৰ মাটিডোখৰত মোৰ সৎকাৰক লৈ। বাঁহনিডোখৰৰ ঢাপৰ কাষতে হাতত কোৰ লৈ দুজনমানে চাফ-চিকুণ কৰাত লাগিল। পিলিঙা আম এজোপা, পোকে নধৰা ডাঙৰ সাঁচি এজোপা আৰু নাহৰৰ পুলি এটা ধনীৰাম কাইৰ নিৰ্দেশত কাটি পেলোৱা হ'ল খৰিৰ বাবে। আজি মই জীয়াই থকা হ'লে এই কাৰ্যত ধনীৰাম কাইৰ লগত তীব্ৰ বাক-বিতণ্ডাত লিপ্ত হ'লোঁহেঁতেন। ধনীৰাম কাইৰ মানসিকতা বুজিবলৈ মোৰ বাকী নাছিল। নিজৰ বাৰীখনত সামান্য ৰ'দৰ ছাঁ পৰাৰ আশংকাতে অনাৱশ্যকভাৱে গছ তিনিজোপা কটাই পেলালে মোক খৰি দিয়াৰ অছিলাত। এইবোৰ চাবলৈ সমীৰণ বা পাৰ্থৰ সময় নাছিল। সকলো ধনীৰামৰ নিৰ্দেশতে চলিছে। দহজোপামান বাঁহ গছ ঘপাঘপ কাটি বগৰাই দিয়া হ'ল। বাঁহৰ প্ৰয়োজনো ইয়াতেই। কিন্তু কাঠ খৰিৰ বাবে আন অকাঠী গছো কাটিব পৰা গ'লহেঁতেন।

মই এতিয়াও চোতালতে নিঃসাৰ হৈ পৰি আছোঁ। মৃত্যুৰ পাছত ঘৰৰ কাষতে থাকিম বুলি ভাবি আত্মাটো দুখৰ মাজতো সামান্য উৎফুল্লিত। বাৰাণ্ডাত মোৰ পত্নী সৰলা, ৰুণুমী, ৰ'দালি, উপাসনাৰ লগতে ওচৰৰ আন কেইবাগৰাকী মহিলা বহি আছে। এপাকত দেখিলোঁ মোৰ মানুহজনীয়ে ইংগিতেৰে উপাসনাক মাতি আনিলে নিজৰ কাষলৈ। ফুচফুচাই সুধিলে— "ককায়েৰে হঠাতে নিজে লোৱা সিদ্ধান্ত সলনি কৰি দেউতাৰাক ইয়াতে খৰি দিয়াৰ কথা ক'লে যে, কিয়?"

"এয়া সকলো তোমাৰ হ'ব লগা বোৱাৰীৰ কৃতিত্ব। ৰ'দালিয়েহে যদি তোমাৰ পুতেৰাক নাকী লগাব পাৰে। তুমি সিহঁতৰ সম্পৰ্কটোক লৈ ভৱিষ্যতে হকা-বাধা নকৰিবা।"— উপাসনাৰ কথাত সৰলাই একো উত্তৰ নিদিলে। লাহে লাহে চোতাললৈ আহি মোৰ কাষতে মাটিত ধপচকৈ বহি পৰিল।

জীয়াই থকা সময়খিনিত মই যে ঘোৰ অন্ধকাৰৰ মাজত আছিলোঁ বা মোক ৰখা হৈছিল সেয়া মই মৃত্যুৰ সময়তহে জানিব পাৰিলোঁ। সমীৰণ আৰু ৰুণুমীৰ একমাত্ৰ ছোৱালীজনীক মোৰ ল'ৰাই ভাল পায় বা সিহঁতৰ মাজত প্ৰেমৰ সম্পৰ্ক আছে। মোৰ মৰমৰ পত্নী সৰলাই তেওঁলোকৰ সম্পৰ্কক হয়তো এতিয়াও সম্পূৰ্ণ স্বীকৃতি দিয়া নাই। এই গুৰুত্বপূৰ্ণ কথাটো মই কিয় ইমানদিনে নাজানিলোঁ! অত্যন্ত সহজ-সৰল আৰু মোৰ প্ৰতি চৰম আনুগত্য থকা বুলি ভবা মানুহজনীয়ে কেনেদৰে মোৰ পৰা লুকুৱাই ৰাখিব পাৰিলে ইমান গুৰুত্বপূৰ্ণ সাংসাৰিক কথা এটা! এয়া মোৰ প্ৰতি চৰম অন্যায় নহয়নে? পাৰ্থসাৰথিয়ে মোৰ লগত অত্যন্ত প্ৰয়োজনীয় বুলি ভবা কথাকেইটাহে পাতে। সি বাৰু মোক এইবোৰ কথা কোৱাৰ কোনো সম্ভাৱনা নাছিল। উপাসনাইতো ক'ব পাৰিলেহেঁতেন। মোক ঘৰখনত গোপনে ইমান গুৰুত্বহীন কৰি পেলাইছিল, মোৰ মৃত্যু নোহোৱা হ'লে গ'মেই নাপালোঁহেঁতেন। আৰু সমীৰণ— সিওতো মোৰ প্ৰাণৰ বন্ধু। সকলোৰে প্ৰতি হঠাতে তীব্ৰ বিতৃষ্ণাত মোৰ মনটো তিক্ত হৈ পৰিল।

মোৰ অনুভূতিক সন্মান জনাই উপাসনাই যেতিয়া প্ৰেমিক ল'ৰাটোৰ সৈতে সম্পৰ্ক মুহূৰ্ততে ছিন্ন কৰিছিল, মই গৰ্বিত, সুখী হৈছিলোঁ। মোৰ অকাল মৃত্যুৰ বাবে আফচোচ হৈছিল। পাৰ্থসাৰথিয়ে যেতিয়া তাৎক্ষণিক সিদ্ধান্তৰে মোৰ শটো বাৰীৰ পিছফালে সৎকাৰ কৰাৰ কথা ঘোষণা কৰিছিল, মোৰ উৎসাহত পুনৰ জী উঠাৰ মন জাগিছিল। কিন্তু মই ঘৰখনত সক্ষম, মূল উপাৰ্জনকাৰী মানুহটো হৈ থাকোঁতেও মোৰ উপস্থিতিক গুৰুত্ব নিদি এক সমান্তৰাল অদৃশ্য শাসন চলোৱা মোৰ সৰল মানুহজনীৰ ওপৰত আজি মোৰ আস্থা

নোহোৱা হৈ পৰিলে। মোৰ জীৱিত অৱস্থাত সমীৰণৰ ছোৱালীক পাৰ্থসাৰথিলৈ বিয়া কৰাবলৈ পালে সুখীয়েই হ'লোঁহেঁতেন। এই কথা ঘৰৰ সকলোৱে কিয় বুজি নাপালে? মোৰ মানুহজনীয়ে এতিয়াও ৰ'দালিক বোৱাৰী কৰি লোৱাত সেউজ সংকেত নিদিয়াৰ আঁৰত কি কথা আছে মই নাজানো। কিবা সমস্যা থকা হ'লে মোৰ লগত আলোচনা কৰিব পাৰিলেহেঁতেন। উপাসনায়ো কথাটো মোক ক'ব লাগিছিল। বিহাৰী ল'ৰাটোক বিয়া কৰাম বুলি যুক্তি-তৰ্কৰে মোক বিব্ৰত কৰা ছোৱালীজনীয়ে ককায়েকৰ ব্যক্তিগত সম্পৰ্কৰ কথাটো উলিয়াবলৈ সংকোচ কৰাৰ কোনো যুক্তি নাই। সমীৰণ আৰু ৰুণুমীলৈও মোৰ তীব্ৰ অভিমান জাগিল।

খং-ৰাগ, অভিমান, ভাল লগা, বেয়া লগা, লোভ-মোহ, পুত্ৰ-পৰিবাৰ, বন্ধু-বান্ধৱ এই আটাইবোৰ মোৰ বাবে এতিয়া অৰ্থহীন। ক্ৰমে শিল হৈ অহা মোৰ শৰীৰটোৰ কাষৰে-পাঁজৰে মোৰ আত্মাটো ঘূৰি ফুৰিছে এতিয়া। বাঁহৰ চাঙিখন আনি মোক তাতে শুৱাই দিয়া হ'ল। পৰিয়ালৰ সকলোৱে সেৱা ল'লে, হৰিধ্বনি দিলে ৰাইজে। বাঁহখৰিৰ জুমুঠি এটা কোনোবাই জ্বলাই হাতত ল'লে। সন্মুখৰ ফালে চাঙি কান্ধত লৈছে মোৰ ল'ৰা পাৰ্থসাৰথি আৰু বন্ধু সমীৰণে। পিছফালে ভতিজা ল'ৰা দুটাই কান্ধ পাতিছে। এক বিষণ্ণ পৰিৱেশত মোৰ চমু অন্তিম যাত্ৰা আৰম্ভ হ'ল। কাৰোবাৰ চকুলো, কাৰোবাৰ সকাহ, কাৰোবাৰ হুমুনিয়াহ, কাৰোবাৰ স্বস্তি।

মোৰ কোনো শত্ৰু নাই, কোনো বন্ধু নাই। মই নিজে কৰা বাঁহজোপাহে এতিয়া মোৰ সম্পদ। বাৰীৰে ঢাপৰে জাতিবাঁহ এজুপি/সিও মোৰ সোদৰৰ ভাই/জীয়াই থাকোঁ মানে কৰোঁ কাঠি-কামি/মৰিলে লগতে যায় আল্লা/জীৱৰে তৰণি নাই/ দেহৰে ভৰসা নাই।— বহুদিন শুনিছোঁ গীতটো। এতিয়া মোৰ এনে লাগিছে যেন মোৰ অন্তিম যাত্ৰাত সকলোৱে এই গীতটো গাই গাই মোক আগবঢ়াই নিছে সৎকাৰস্থলীলৈ। মোৰ আত্মাটোৱে এক আচৰিত সময় যেন পাৰ কৰিছে এই মুহূৰ্তত। মই অশৰীৰী, শোকাৰ্ত, কেতিয়াবা সচেতন, কেতিয়াবা যেন অচেতন। জীৱনৰ হাড়ভঙা পৰিশ্ৰমৰ পাছত মই যেন এতিয়া ভাগৰুৱা। অন্তিম যাত্ৰাৰ সময়তে মই মোৰ আপোনসকলক মাত দি যাবলৈ ইচ্ছা কৰিছোঁ। মোৰ মৰমৰ মানুহজনীলৈ চাই ক'লোঁ— "দুখ নকৰিবা সৰলা, মই আহিলোঁ। পাৰ্থ আৰু উপাসনাক লৈ সুখেৰে থাকা। মোৰ মৰমৰ পুত্ৰ পাৰ্থ— তোৰ সুমতি হওক। ৰ'দালি ভাল ছোৱালী, তই সুখী হ'বি তাইৰ লগত। আই উপাসনা অ'— তোকো মই বৰ ভাল পাওঁ, মোৰ মৃত্যুৰ পাছত হ'লেও তই মোক সুখী কৰিবলৈ চেষ্টা কৰিলি। তোৰ ত্যাগ অথলে নাযায়। আশীৰ্বাদ কৰিছোঁ। সমীৰণ, অ' সমীৰণ— জীৱনটোৰ অধিক সময় তোকেই বন্ধুৰূপে পালোঁ, মই গ'লোঁগৈ যদিও ইহঁতক চাবি। পাৰিলে মোৰ ছোৱালীজনীক তয়ে কন্যাদান কৰিবি। তোৰ ছোৱালী মোৰ বোৱাৰী হ'ব বুলি জানি ভাল লাগিল। ৰুণুমী— তুমিনো কিয় কান্দিছা মোৰ বাবে! ভৰ যৌৱনতে তুমি টছ্ কৰি মোক বিসৰ্জন দিলা, এতিয়া আৰু তোমাৰ চকুপানীয়ে মোক ঘূৰাই আনিব নোৱাৰে।"

সকলোকে ইমান মাতিছোঁ, কিন্তু নিৰ্বিকাৰ! মোৰ কণ্ঠ যেন আধিভৌতিক, মই নিজে শুনিছোঁ, বাকী সকলো নিৰ্বাক। হঠাতে মোৰ আত্মাটো মায়াত মজি যায়, সকলোকে যেন মই পুনৰ ঘূৰাই পাব বিচাৰোঁ। মোৰ আত্মাটো যেন পুনৰ মোৰ চেঁচা শৰীৰটোত সোমাই জী উঠিব! এবাৰ সঁচাকৈয়ে চেষ্টা কৰি চাব বিচাৰিলোঁ। মিছা— মোৰ শৰীৰে আৰু মোৰ আত্মাক গ্ৰহণ নকৰে। মই আৰু মোৰ ল'ৰাটোৰ ভৱিষ্যৎ সংস্থাপিত কৰাৰ সুযোগ নাপাওঁ, কন্যা উপাসনাক আৰু কন্যাদান কৰাৰ সুযোগ নাপাওঁ। বোৱাৰীৰ ৰূপত ৰ'দালিক এবাৰো চাবলৈ নাপাওঁ। এক অতৃপ্ত আত্মা হৈ মই মোৰ শৰীৰটোৰ চাৰিওফালে ঘূৰি ফুৰিছোঁ সুযোগৰ অপেক্ষাত— কিজানি মই পুনৰ জী উঠোঁ!

ফোন নম্বৰ ঃ ৭০০২২০৭৪১৭

❖

গল্প



মোৰ গাটো শিঞৰি উঠিল। মানে সৰলা আৰু নাই। কি কৰিম কি নকৰিম ভাবি থাকোঁতেই পুলিচ আহি পালে। পুলিচে ৰুমটোৰ ফটো ল'লে। গোট খোৱা মানুহখিনিক সৰলাৰ পা-পৰিয়ালৰ কথা সুধিলে, কিন্তু কোনেও একো ক'ব নোৱাৰিলে। পুলিচে সৰলাৰ মবাইলটো চাই বস্তিৰ মালিক মেঘালীক ফোন কৰিলে। সৰলাৰ আকস্মিক মৃত্যুত মেঘালীও হতচকিত হ'ল। কিন্তু সৰলাৰ পা-পৰিয়ালৰ বিষয়ে বিতং একো ক'ব নোৱাৰিলে। আলমাৰীটো খোলাত পান আৰু আধাৰ কাৰ্ড, ৰেচন কাৰ্ড, গেচৰ কাৰ্ড আদি পোৱা গ'ল। সেইবিলাকৰ মতে- সৰলা ডেকা পিতা মৃত মহীধৰ ডেকা, ঠিকনা ঘৰ নং -২১, বিৰিণা পথ মানে চৌধুৰী বস্তি।

# এটা অকথিত কাহিনীৰ অৰ্বাচীন নায়িকা

**ৰাতুল বৰুৱা**

বহুদিনৰ পৰা গল্প এটা লিখাৰ বাবে কেন্দ্ৰীয় চৰিত্ৰ এটাৰ সন্ধানত আছিলোঁ। আজি ৰাতিপুৱা প্ৰাতঃভ্ৰমণ কৰিবলৈ ওলাই যাওঁতে আমাৰ বাইলেনটোৰ বাওঁফালে থকা হলধৰ চৌধুৰীৰ বস্তিটোৰ পৰা ওলাই অহা সৰলাক লগ পালোঁ। তায়েই প্ৰথমে মাত দিলে - "অ' দাদা মৰ্ণিং ৱাকত যায় নেকি?" মই অ বুলি শলাগি আগবাঢ়িলোঁ। সৰলাৰ মাতষাৰত কিবা হতচকিত হোৱাৰ দৰে হ'লোঁ। আৰে- মই লিখিম লিখিম বুলি ভাবি থকা গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ এই সৰলাই হ'ব পাৰে দেখোন!

মই এই চুবুৰীটোলৈ স্থায়ীভাৱে বসবাস কৰি থাকিবলৈ অহা বিশবছৰ হ'ল। প্ৰথমে মাটি চাবলৈ আহোঁতে গোটেইখন পথাৰ আছিল। ভিতৰৰফালে মাটিৰ মালিক খবিৰ আলিয়ে খেতিও কৰিছিল। তেওঁৰ মাছ পোহা পুখুৰী এটাও আছিল আৰু কেইজনীমান জাৰ্চী গৰুও পুহিছিল। তেওঁ মোক বেচ গৰ্বেৰে কৈছিল যে গুৱাহাটী মহানগৰত নিজৰ খেতিৰ চাউলৰ ভাত, পুখুৰীৰ মাছ আৰু গাইগৰুৰ বিশুদ্ধ গাখীৰ খোৱা মানুহ একমাত্ৰ তেৱেঁই। মই তেওঁক বৰ ভাগ্যৱান বুলি শলাগ লোৱাত বৰ সন্তুষ্ট হৈছিল আৰু তেওঁৰ বহু চৰ্চিত ৰিটলৰ টেমাটোৰ পৰা পাণ, চুপাৰি আৰু জৰ্দা দি এখন

উপাদেয় মিঠা পট্টি পাণো যাচিছিল।

এসময়ত মাটি কিনা হ'ল। কিন্তু ওচৰে-পাঁজৰে জনবসতি নোহোৱাত ঘৰ সজা হোৱা নাছিল। লাহে লাহে এঘৰ দুঘৰকৈ বসতি হ'লত ময়ো ঘৰ সজা কাম আৰম্ভ কৰিলোঁ যদিও সম্পূৰ্ণ হওঁতে পাঁচ বছৰমান লাগিল। প্ৰকৃততে পাঁচ বছৰতো ইটো সিটো কাম ওলায়েই আছিল। সেইসময়তে এদিন এজনক লগ পালোঁ। নতুনকৈ বসতি আৰম্ভ হোৱা চুবুৰীটোৰ সন্মুখতে তেওঁৰ তিনি কঠা মাটিৰ প্লটটো। ওচৰতে বিযুৎবাভা পথত তেওঁ ঘৰ সাজি নিগাজীকৈ থকা কেইবাবছৰো হ'ল। এইটো প্লট তেওঁৰ একমাত্ৰ কন্যাৰ বাবে লৈছে। ভৱিষ্যতে তাই যি কৰে কৰিব, তেওঁ একো নকৰে। সেয়েহে কিবা এটা হাতলৈ আহি থকাকৈ কিছুমান চালি দিয়া কোঠা সাজিছে। দমকল এটাও বহুৱাইছে। লেট্ৰিন এটাও সজোৱা হৈছে। গতিকে কিবা এটা আহি থাকিব আৰু মাটিডোখৰো সুৰক্ষিত হৈ থাকিব।

মই তেওঁৰ বুদ্ধিৰ তাৰিফ কৰিলোঁ আৰু নিজে যে ঘৰটো সম্পূৰ্ণ কৰাত অসুবিধা পাইছোঁ তাকো ক'লোঁ। তেওঁ মিচিকিয়াই হাঁহি এটা মাৰি বৰ সহৃদয়তাৰে এযাৰ কথা ক'লে- "জীৱনত ঘৰ সজা কাম শেষ নহ'ব বৰুৱা। প্ৰথমে সোমাই লওক। দেখিব আপোনাৰ কাম হৈ আছে নিজে ক'ব নোৱৰাকৈয়ে। তেওঁৰ কথাষাৰ মোৰ মগজুত এনেকৈ সোমাল যে একো চিন্তা নকৰি সম্পূৰ্ণ নেহোৱা ঘৰটোত এদিন যে সপৰিবাৰে সোমালোঁ আজিও দেখোন টুকটাককৈ কাম ওলায়েই থাকে।

দুখৰ কথা তাৰে তিনিবছৰমান পাছতে হৃদৰোগত আক্ৰান্ত হৈ চৌধুৰী ঢুকাল। সম্পৰ্কত একো নহ'লেও সেই উপদেশষাৰৰ বাবেই তেওঁক মোৰ বৰ আপোন যেন লাগিছিল। মনতে দুখ এটা অনুভৱ হৈছিল। চৌধুৰী ঢুকোৱাৰ পাছতহে গম পালোঁ যে যাৰ নামত তেওঁ মাটিখিনি কিনিছিল তাই তেওঁৰ মৃত প্ৰথমা পত্নীৰ ফালৰ। তেওঁৰ ঘৰ-মাটি দ্বিতীয় পত্নীক দি থোৱা আছিল জীৱিত কালতে। আমাৰ চুবুৰীৰ চৌহদটো ছোৱালীজনীয়ে চোৱাচিতা কৰিবলৈ ধৰিলে যিহেতু বাপেকে এইখিনি সম্পত্তি তাই নামতে দি গৈছে।

চুবুৰীৰ বাসিন্দাসকলে সেই বস্তিটোক এক বিশেষ দৃষ্টিৰে চায়। কাৰণ তাত থকাসকলৰ কোনোৱা মাছৰ বেপাৰী, কোনোবা শাক-পাচলি বা আলু-পিঁয়াজৰ ক্ষুদ্ৰ ব্যৱসায়ী, কোনোবাজন ড্ৰাইভাৰ, কোনোবাজন ধুবী বা চেলুনৰ কৰ্মচাৰী বা মেকানিক। আটাইতকৈ প্ৰয়োজনীয় কথা যে তাত কেইবাগৰাকীও বনকৰা মহিলা থাকে। কেতিয়াবা ৰাতি আলহী আহিল-- ঘৰত মাছ পুথি একো নাই। চিন্তাৰ কাৰণো নাই। মাছ বেপাৰী হালৈ আছেই নহয়। সি চিধাই সুধিব - "ছাৰ লোকেল নে" অন্ধ্ৰৰ লাগিব। কোনোবাই যদি প্ৰশ্ন কৰে যে সি কেতিয়াৰ পৰানো লোকেল মাছ ৰাখে মিচিককৈ হাঁহি এটা মাৰি সি ক'ব --"এ ছাৰ মই লোকেলো ৰাখোঁ, অন্ধ্ৰৰো ৰাখোঁ, সকলোৱে জানে।" আচলতে সি কাণপুৰৰ মাছকে লোকেল বুলি কয়। জনাই নিকিনে, নজনাই কিনে। কেতিয়াবা পৰিস্থিতি সাপেক্ষে চুবুৰীয়াইয়ো জানি বুজিও কাণপুৰীয়াকে লোকেল বুলি কিনে। কভিদৰ সময়ত মতলিব খান বোলা চেলুনত কাম কৰা ল'ৰাটো নহ'লে চুবুৰীৰ পুৰুষ, মহিলা সকলৰ কম বিপদ হ'লহেঁতেন নে? কেতিয়াবা ৰাতি বিয়লি অসুখ অশান্তি হ'লে ড্ৰাইভাৰ কেইটাই অগতিৰ গতি। তেতিয়া টকা পইচা গৌণ হৈ পৰে।

এই বস্তিটোলৈ কেতিয়া সৰলাৰ প্ৰৱেশ ঘটিল মোৰ মনত নাই। কিন্তু এটা কথাত সন্দেহ নাই যে মই অহাৰ আগতে কেতিয়াও তাত তাই নাছিল। কাৰণ মই দেখাও নাই আৰু মাজে মাজে চৌধুৰীক লগ পালে তেওঁ ঘৰ ভাৰা উঠাবলৈ অহা বুলি কৈছিল। সম্ভৱতঃ চৌধুৰী ঢুকোৱাৰ পাছত ছোৱালী মেঘালীয়ে তাইৰ তজবজীয়া আৰু মুখচোকা স্বভাৱটোৰ বাবে বস্তিটো চোৱা-চিতা আৰু ভাৰা উঠোৱা কামত পাৰ্গত হ'ব বুলি ভাবিলে। যিহেতু তাই কৰ্মসূত্ৰে বাঙ্গোলোৰত থাকে সেয়েহে তেনে এজনী মানুহক তাইৰ প্ৰয়োজন আছিল।

এদিন বন্ধৰ দিন এটাত পৰিবাৰে এজনী মানুহৰ সৈতে কথাবাৰ্তা হৈ থকা দেখা পালোঁ। সাধাৰণ এজনী আদবয়সীয়া মহিলা। পোছাক পৰিচ্ছদো তেনেই সাধাৰণ। পাছত পৰিবাৰে ক'লে- সেইজনী সৰলা। হলধৰ চৌধুৰীৰ বস্তিটো চোৱা-চিতা কৰে আৰু ইঘৰ সিঘৰত ঘৰুৱা কামকাজো কৰে। ময়ো পুৰা ঘৰ সৰা-মোচা কামত লগাম বুলি ভাবিছোঁ। ওচৰতে থাকে যেতিয়া সুবিধা হ'ব। মোৰ

আপত্তি কৰিবলগীয়া একো নাছিল।

সেই তেতিয়াৰ পৰা আমাৰ ঘৰত সৰলাই সৰা মচাৰ কাম কৰি আছে। কামত ভাল। চুবুৰীৰ আৰু কেইবাঘৰতো একে ধৰণৰ কামেই কৰে। ডাঃ নিৰ্মলীয়াৰ গেষ্ট হাউচটোতো বাচন-বৰ্তন ধোৱা মেলা কৰে। আৰ্জন ভালেই। বস্তিটো চোৰা-চিতা কৰাৰ বাবদো মেঘালীয়ে কিবা দিয়ে বুলি কয়। কিন্তু কি দিয়ে কাকো নকয়। থকাৰ বাবদ ভাৰাও দিব নালাগে। তথাপি সৰলা সন্তুষ্ট নহয়। কিবা এটা অসন্তুষ্টিৰ ভাব মুখত সদায় লাগি থাকে। কিন্তু কিহৰ বাবে তাই ৰুক্ষ হৈ থাকে? কেতিয়াবা জানিবৰ বাবে তাইৰ ঘৰ ক'ত, কোন কোন আছে জানিবৰ চেষ্টা কৰোঁ। কিন্তু নোৱাৰি। সেইবোৰ কথা সৰলাই এখন ডাঠ কুঁৰলীৰ আৱৰণেৰে ঢাকি থৈ দিছে।

এবাৰ কেইদিনমানৰ বাবে কৈ মেলি সৰলা ঘৰলৈ গ'ল। কিবা তাইৰ নামত চৰকাৰে এটা ঘৰ দিছে হেনো। গাঁৱৰ পিতৃভেটিত থকা ভাইটোৱে চোৰা-চিতা কৰি আছে হেনো। এতিয়া প্ৰায় সম্পূৰ্ণ হৈছে। গতিকে তাই নগ'লে নহয়। যি কি নহওক এসপ্তাহমানৰ পাছত ঘূৰি আহি পুনৰ কামলৈ অহাৰ পৰিৱৰ্তে বস্তিৰ তাইৰ কোঠাটোতে সোমাই থাকিল দুদিনমান। তাই ঘূৰি অহা গম পাই তাই কাম কৰা পৰিয়ালৰ দুই একে কিয় কামলৈ অহা নাই বুজলৈ গ'ম পালে যে তাইক চৰকাৰে দিয়া ঘৰটো ভায়েক-বোৱাৰীয়েকে দখল কৰি লৈছে। আনহে নালাগে বোৱাৰীয়েকে বোলে হাতত দা এখন লৈ খেদি অহাত তাই সম্বন্ধীয় খুড়াক এজনৰ ঘৰতহে আশ্ৰয় ল'ব লগাত পৰিল। গাঁৱৰ কোনেও তাইৰ হৈ মাত নামাতিলে। গাঁওবুঢ়াও ভায়েকৰ পক্ষত থাকিল। শেষত পঞ্চায়তত গৈ গম পালে যে ঘৰটো তাইৰ নামত নাই। ভায়েক আৰু বোৱাৰীয়েকৰ নামতহে আছে। তাইৰ কাহিনী বৰ্ণনা কৰি ইনাই বিনাই কান্দিলেও। পৰিবাৰে মোক কথাটোৰ অলপ উমঘাম ল'বলৈ কোৱাত গম পালোঁ যে গাঁৱত সৰলাৰ নামত কোনো মাটি ভেটি নাই। যিটো ভেটিত ভায়েক আছে চৰকাৰৰ পৰা আৱণ্টন পোৱা আৰু তাতেই এটা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ ভায়েক-বোৱাৰীয়েকে পাইছে। কিন্তু সৰলাৰ মতে তাত তাইৰো অংশ আছে। গতিকে এটা ৰূম তাইক ভায়েকে দিব লাগে। তাতেই বিবাদৰ সূত্ৰপাত।

ইয়াৰ পাছৰ কাহিনী আৰু ৰহস্যঘন। কেতিয়াবা কয় ধেমাজিত তাইৰ গিৰীয়েকৰ ভাগৰ ত্ৰিশ বিঘা মাটি আছে। সেয়া তাই বেচি দিব আৰু যি ধন পায় তাৰে গোটেই জীৱনটো চলি যাব। গুৱাহাটীত আৰু নাথাকে। কাম কৰাৰতো প্ৰশ্নই নুঠে। কেতিয়াবা কয় তাইৰ ঢেকীয়াজুলিতো মাটি আছে। এদিন অকাই-পকাই সুধিলত অলপ পম পালোঁ যে সিহঁতৰ বাপেক হৰিশিঙাৰ ওচৰৰ এখন ভিতৰুৱা গাঁৱত চৰকাৰী মাটিত থিতাপি লৈ আছিল সিহঁত সৰু থাকোঁতেই। সেই ভেটিটেই এতিয়া ভায়েক থাকে।

অৱশ্যে অন্যান্য চৰকাৰী সুবিধা যেনে ৰেচন কাৰ্ডৰ চাউল আদি তাই পাই আছে। এদিন কলেহি বোলে ৰেচন কাৰ্ডৰ পৰা তাইৰ বিবাহিত ছোৱালী দুজনীৰ নাম কাটি দিছে আধাৰ কাৰ্ড দিব নোৱৰাৰ বাবে। এই প্ৰথমবাৰৰ বাবে তাইৰ যে দুজনী বিবাহিত ছোৱালী আছে সেয়া গম পালোঁ। কিন্তু তাইৰ গিৰিয়েক আছে নে নাই নাজানিলোঁ। কেতিয়াবা কথাৰ মাজতে কয় গিৰিয়েক মৰিল বুলি, কেতিয়াবা ক'লৈ গুচি গ'ল গমেই নাপায় বুলিও কয়।

ৰাতিপুৱা ৬ বজাতে সৰলা সৰা-মচা কৰিবলৈ আমাৰ ঘৰলৈ আহে। লগে লগে তাইৰ চলন্ত বিৱৰণীও আৰম্ভ হয়। যোৱা ২৪ ঘণ্টাত চুবুৰীটোত কি কি হ'ল সেয়া গম পাই যাওঁ। লগতে তাইৰ বিশেষ মন্তব্যটো থাকেই। এদিন হঠাৎ তাই মোক ক'লে-"দাদা, আপুনি নৰেন দাসটোৰ লগত চাই চিতি চলিব।" মই থত মত খালোঁ। নৰেন দাস মোৰ ঘৰৰ সীমাৱৰ্তী। "কি জানে", সৰলাই আৰম্ভ কৰিলে "মানুহটো অতি চালাক, শিয়াল টেঙৰ। সি যি ভাবে মানুহক ওলোটাকৈ কয়।" মোৰ পুনৰ হতভম্ব হেৱাৰ পাল। নৰেন দাস মানুহটো দেখাত অতি নিৰ্জু। কিয়বা সৰলাই তেনে মন্তব্য দিলে। মোৰ ভাব গতি সৰলাই বোধকৰো ধৰিব পাৰিলে। "ধৰিব পৰা

নাই দাদা, তেওঁ যাক বেয়া পায়, আপোনাক ক'ব সেইজন বৰ ভাল মানুহ। যিজন অসৎ তেওঁ ক'ব সৎ। এইদৰে কথাবোৰ তেওঁ উলিয়াই লয়। অতি পেট পচা মানুহ। দেখুৱাই হাঁহি থাকিলে কি ডাল হ'ব।" পাছত মন কৰিলোঁ সৰলাৰ কথাই সত্য। দাস মানুহটো আওপকীয়া। পৰাপক্ষত দুৰ্নীতিৰ বিপক্ষে মাত মাতি থাকে। কিন্তু তেওঁ তকৈ দুৰ্নীতিপৰায়ণ চুবুৰীটোতে নাই। মোৰ নিজকে বুৰ্বক যেন অনুভৱ হ'ল। যিটো কথা সৰলাই ধৰিব পাৰিলে আগতেই, মইহে গম পোৱা নাছিলোঁ।

সৰলাৰ এটা কথা বহুতে বেয়া পাইছিল। সেইটো হ'ল তাই ইঘৰত সিঘৰৰ সমালোচনা কৰিছিল আৰু মাজে মাজে কথা যোৱা দিওঁতে দিওঁতে সামৰিব নোৱৰা হৈছিল। যেনে নৰেশৰ গেৰেজত বিশ্বকৰ্মা পাতিছে। সৰলাই কোনে কিমান চাউল দালি দিছে কৈ থাকোঁতে মই হিচাপ কৰি দেখিলোঁ দালি ৩০ কেজি আৰু চাউল ২৪ কেজি হৈছে। পিছে গেৰেজৰ আগেদি গৈ থাকোঁতে এখন ডাঙৰ কেৰাহীত খিচিৰি ৰান্ধি থকা দেখাৰ কথা ক'লত তাই তৎক্ষণাৎ আন এটা ড্ৰামত ৰন্ধাৰ কথাও ক'লে। ক'ৰবাত দেখি আহক কিবা এটা, তাক এটা চমৎকাৰ কাহিনীলৈ পৰিবৰ্তিত কৰাত সৰলা আছিল সিদ্ধহস্ত।

বহুদিনৰ টুকুৰাটুকুৰ কথা বাৰ্তা, কেতিয়াবা অকস্মাৎ তাইৰ মুখেদি ওলোৱা কিছু কাহিনীৰ পৰা গম পালোঁ তাইৰ সংগ্ৰামৰ কিছু কথা। অতি দুখীয়া পিতৃয়ে তাইক পঢ়া-শুনা কৰিবলৈ দিয়াৰ কথা দূৰতে থাকক, সৰুতে অৰুণাচলত এটা পৰিয়ালৰ ঘৰত লাচনি-পাচনি কৰিবলৈ ৰাখিছিল। শৈশৱটো তাতেই অতিবাহিত হোৱা সৰলাই গাভৰু বয়সত গাঁৱৰ আন কিছুৱে কেৰালাত কাম কৰি ঘৰ চলোৱাৰ কথা জানিব পাৰি কেৰালা পালেগৈ। তাতে কিছুবছৰ কাম কৰাৰ পাছত তাৰে এটা ল'ৰাৰ লগত থাকিবলৈ ল'লে। বিয়া হৈছিলনে নাই কোনেৰো নাজানে। ঠিকেই চলি আছিল যদিও ল'ৰা-ছোৱালীৰ জন্ম হোৱা নাছিল। এদিন তাইৰ লগত বিয়া হোৱা বুলি কোৱা ল'ৰাটো নাইকিয়া হ'ল। ক'লৈ গ'ল কোনেও গম নাপালে। কিছুমাহ বাট চাই একো সম্ভেদ নাপাই দুখে বেজাৰে ঘৰ পালেহি। ইতিমধ্যে তাত কাম কৰা আন মানুহৰ পৰা তাইৰ কাণ্ড কাৰখানাৰ কথা ঘৰতো গম পাইছিল। গতিকে গাঁৱৰ মানুহৰ নিন্দা-গঞ্জনা সহ্য কৰিব নোৱাৰি গুৱাহাটী পালেহি আৰু কালক্ৰমত চৌধুৰী বস্তিৰ আৱাসী হ'লহি।

ৰাতিপুৱা সোনকালে শুই উঠা মোৰ পুৰণি অভ্যাস। সাধাৰণতে বন্ধৰ দিনত কিছু ব্যতিক্ৰম ঘটে। সেইদিনা আছিল বন্ধৰ দিন। পুহ মাহ। গৰম কাপোৰৰ আমেজ লৈ অলপ দেৰিলৈকে শুই আছোঁ। হঠাৎ ধুমুহাৰ গতিৰে পৰিবাৰ ভিতৰলৈ সোমাই আহি আৰ্তনাদ কৰি উঠিল- "সৰলা ঢুকাল।" একো ধৰিব নোৱাৰি বোবা দৃষ্টিৰে পৰিবাৰলৈ এবাৰ চাই পুনৰ ব্লেংকেটখন টানি শুবলৈ লওঁতেই পৰিবাৰে খঙতে সেইখন টানি মজিয়াত পেলাই দিলে- "কি মানুহ? নুঠা কিয়? সৰলা বিছনাতে মৰি আছে।" মই কিবা সোধাৰ আগতেই পৰিবাৰ ধুমুহাৰ গতিৰেই ওলাই গ'ল।

লৰালৰিকৈ মুখহাত ধুই ওলাই গ'লোঁ। হয়, চৌধুৰীৰ বস্তিটোৰ বাহিৰে ভিতৰে চুবুৰীৰ মানুহ। ওচৰৰ দোকানীবোৰো আহিছে। মইহে দেৰিকৈ গৈছোঁ। ইজন সিজনৰ লগত কথাবাৰ্তা পাতি গম পালোঁ সৰলাই পুৱা ৫ মান বজাতেই গেটখন খুলি দিয়ে। কাৰণ সকলো পুৱাতেই কামলৈ ওলাই যায়। তাই নিজেও ৬ মান বজাত ওলাই আহে। সেইদিনা গেট ৬ মান বজালৈ নোখোলা দেখি কোনোবাই তাইৰ ৰুমৰ দুৱাৰত ঢকিয়াই জগাবলৈ গ'ল। কিছু সময় পাৰ হৈ যোৱাতো দুৱাৰ নোখোলা দেখি দুজনমানে জোৰকৈ দুৱাৰখন ঢকিয়াই দিয়াৰ লগতে বাইদেউ, বাইদেউ বুলি চিঞৰিলেও। তথাপিও সাৰ-সুৰ নোহোৱাত বস্তিটোত থকা সকলোৰে কিবা এটা সন্দেহ হ'ল। সকলোৰে আলোচনা কৰি দুৱাৰখন ভাঙি দিয়াত দেখা গ'ল সৰলা বিছনাত শুই আছে। হাত ভৰি শিল চেঁচা।

মোৰ গাটো শিঞৰি উঠিল। মানে সৰলা আৰু নাই। কি কৰিম কি নকৰিম ভাবি

থাকোঁতেই পুলিচ আহি পালে। পুলিচে ৰুমটোৰ ফটো ল'লে। গোট খোৱা মানুহখিনিক সৰলাৰ পা-পৰিয়ালৰ কথা সুধিলে, কিন্তু কোনেও একো ক'ব নোৱাৰিলে। পুলিচে সৰলাৰ মবাইলটো চাই বস্তিৰ মালিক মেঘালীক ফোন কৰিলে। সৰলাৰ আকস্মিক মৃত্যুত মেঘালীও হতচকিত হ'ল। কিন্তু সৰলাৰ পা-পৰিয়ালৰ বিষয়ে বিতং একো ক'ব নোৱাৰিলে। আলমাৰীটো খোলাত পান আৰু আধাৰ কাৰ্ড, ৰেচন কাৰ্ড, গেচৰ কাৰ্ড আদি পোৱা গ'ল। সেইবিলাকৰ মতে- সৰলা ডেকা পিতা মৃত মহীধৰ ডেকা, ঠিকনা ঘৰ নং -২১, বিৰিণা পথ মানে চৌধুৰী বস্তি।

এটা সময়ত মৃতদেহটো বান্ধি-কুন্ধি নথি-পত্ৰবোৰ লৈ ৰুমটোত তলা লগাই পুলিচে মৃতদেহটো ইতিমধ্যে আহি পোৱা স্বৰ্গৰথত উঠাই ল'লে। বস্তিৰ দুজনমানো মৃতদেহৰ লগতে যাবলৈ ওলাল। উপস্থিত সকলোৰে অলপ অচৰপকৈ পা-পইচা তুলি যাবলৈ ওলোৱা ৰুবুলৰ হাতত দিলে সৎকাৰত সহায় হোৱাকৈ। পুলিচে ক'লে প্ৰথমে তেওঁলোকে মৃতদেহৰ পোষ্ট মৰ্টেম কৰিব আৰু তাৰ পাছত আত্মীয়-স্বজন অহালৈ মৰ্গত ৰাখিব। নাহিলে সৎকাৰৰ ব্যৱস্থা কৰিব।

যি কি নহওক, এটা ভাৰাক্ৰান্ত মন লৈ ঘৰলৈ ঘূৰি আহিলোঁ। পৰিবাৰ তাতে আছে। তেৰোঁ বেচ শ্বক পাইছে। আচলতে সৰলা আছিল অত্যন্ত অকলশৰীয়া। সৰুতে ঘৰৰপৰা দূৰত লাচনি-পাচনি কৰি ধন ঘটি পৰিয়াল চলোৱাৰ এটা যন্ত্ৰ হ'ল। গাভৰু বয়সত এটাক সঙ্গী কৰি চপাই ল'লে যদিও সিয়ো তাইক নিঃসঙ্গ নিথৰুৱা কৰি পলাল। উপায় নাপাই সুদূৰ কেৰেলাৰ পৰা অশ্ৰেয় বিচাৰি নিজ ঘৰখনলৈ আহিল যদিও তাতো লাঞ্চনা, গঞ্জনাৰ বলি হ'ল। সেইবোৰৰ পৰা হাত সাৰিবলৈ গুৱাহাটীলৈ আহি কিছু থিতাপি লৈছিল আৰু আশা কৰিছিল কিছু ধন সঞ্চয় কৰি বুঢ়াবয়সত নিজৰ বুলিবলৈ চৰকাৰে দিয়া ঘৰটোত থাকিবগৈ। সেইটো আশাও নিৰ্বাপিত হোৱাত তাই মৰ্মাহত হৈছিল। তথাপি নিজকে চম্ভালি কাম-বন কৰি আছিল। নিজকে লুকুৱাবলৈ তাই মিছা কথা কৈছিল আৰু এটা মিছাক ঢাকিবলৈ অন্য এটা মিছাৰ আশ্ৰয় লৈছিল। নিজৰ দুজনী ছোৱালী থকা বুলিও মিছাকৈ ৰেচন কাৰ্ডত নাম ভৰাইছিল।

আপোন মানুহৰ পৰা পোৱা কষ্টৰ বাবে, নিজে চপাই লোৱা মানুহটোৰ প্ৰতাৰণাৰ বাবে সকলোকে তাই সন্দেহৰ চকুৰে চাইছিল আৰু অবিশ্বাস কৰিছিল। এদিন নে দুদিন মোক ব্লাড প্ৰেছাৰটো আৰু চুগাৰ চাই দিবলৈ কৈছিল। উচ্চ ৰক্তচাপ আৰু ব্লাড গ্লুকজ দুয়োটাই আছিল তাইৰ। বিশেষকৈ ব্লাড গ্লুক'জৰ মাত্ৰা বেছিয়েই পাইছিলোঁ। মই তাইক ডাক্তৰৰ পৰামৰ্শ ল'বলৈ আৰু ঔষধপাতি জনঔষধালয়ৰ পৰা কিনিবলৈও পৰামৰ্শ দিছিলোঁ। তাই সেইখিনি কৰা বুলিও কৈছিল। বোধকৰো ৰাতি শুই থাকোঁতেই তাইৰ ষ্ট্ৰোক হৈছিল। সেয়া অৱশ্যে পোষ্ট মৰ্টেম ৰিপৰ্টতহে গম পোৱা যাব।

যি কি নহওক সমাজত আমাৰ বহু সৰলাই আছে লোকচক্ষুৰ আঁৰত, বেদনাত ক্ষতবিক্ষত হৈ, সমাজত এলাগী হৈ আৰু আপোনজনৰ পৰা প্ৰতাৰিত হৈ। তেওঁলোকৰ কাহিনীবোৰ আমাৰ সৰলাৰ দৰেই বোধকৰো অকথিত হৈয়েই থাকিব।

ফোন -- ৯৪৩৫০৪০১৮৫

❖

"মোৰ স্কুলখন তাত আছে, মোৰ মাদ্ৰাছা....... মোৰ শিক্ষাগুৰু দীননাথ মাষ্টৰ আৰু মৌলবী ইছমাইল। মোৰ পঢ়াশালিৰ প্ৰথম ফলিপুথি, মোৰ স্কুলৰ বেগ এই সকলোবোৰ সীমান্তৰ সিপাৰে আছে। মোৰ ঘাই শিপা এতিয়াও সিটো পাৰে আছে। মই কেৱল ডালবোৰ কাটি সিহঁতক মোৰ লগত লৈ ফুৰিছোঁ।"

# কুলদীপ নায়াৰ আৰু পীৰ চাহেব

**মূল ::: উৰ্দু**
লেখক ::: **গুলজাৰ**
অনুবাদ ঃ **ৰঞ্জনা দত্ত**

মোৰ মনত আছে সিদিনাখন আছিল  শুকুৰবাৰ, ১৯৯৮ চনৰ ১৪ আগষ্টৰ এটা গধূলি। কুলদীপ নায়াৰৰ সৈতে মই গাড়ীত ৱাঘা বৰ্ডাৰৰ ফালে গৈ আছিলোঁ।

নায়াৰ চাহাবে বহু বছৰৰ পৰা এই কামটো বিৰতি নোহোৱাকৈ কৰি আহিছে। প্ৰতি বছৰে ১৪ আগষ্টৰ দিনা তেওঁ ৱাঘা সীমান্তত গৈ উপস্থিত হয়। লগত থাকে কেইজনমান বুদ্ধিজীৱী, কবি, শিল্পী আৰু সাহিত্যিক। গাৰ্ড কেইজন সলনি হোৱা সময়ত, যেতিয়া দুয়োখন দেশৰে পতাকা দুখন কিছু তললৈ নমাই অনা হয় তেতিয়াই তেওঁ আৰু তেওঁৰ বন্ধুসকলে ভাৰত-পাক মৈত্ৰীৰ শ্লোগানেৰে আকাশ বতাহ ভৰাই তোলে। তেওঁলোকে সীমান্তৰ খুঁটাত মমবাতি জ্বলায় আৰু যেতিয়ালৈকে ঘড়ীৰ কাঁটাই এটা নতুন দিনৰ সূচনা নকৰে নিজৰ মমবাতিৰ কাষত ৰৈ চকু দি থাকে। এইদৰেই তেওঁ আৰু তেওঁৰ বন্ধু কেইজনে এদিনৰ অন্তৰালত জন্ম হোৱা এযোৰা যমজৰ স্বাধীনতা দিৱস উদ্‌যাপন কৰে।

ৱাঘালৈ যোৱা বাটটো এটা পোন আৰু দীঘলীয়া বাট আছিল। সন্ধিয়াটো লাহে লাহে অন্ধকাৰৰ বুকুত সোমাই পৰিছিল আৰু নায়াৰ ডাঙৰীয়াই মোক কৈছিল-

"ৰাস্তাটো যদি এইদৰে চিধা গৈ থাকে আৰু ৰাস্তাত কোনো ৰাস্তা বন্ধৰ খুঁটা নাথাকে, কোনো চেকপ'ষ্ট, কোনো কাঁটা তাঁৰৰ বেৰা নাথাকে – আৰু যদি কোনোৱে আমাক ভিছা বা পাছপৰ্ট নোখোজে তেতিয়াহ'লে মই অকণমান সময়ৰ বাবে পাকিস্তানলৈ ফুৰিবলৈ যাব পাৰিলোহেঁতেন। মোক কওকচোন মই সেই দেশখনৰ কিবা ক্ষতি কৰিব পাৰিমনে, কিবা লুটপাত কৰিব পাৰিমনে? ইয়াত কোনো সন্দেহ নাই যে সেইখন দেশত

অথবা আমাৰ দেশত লুণ্ঠনকাৰী বা লুটপাতকাৰীৰ আকাল নাই। মানুহে সীমা পাৰ হৈ গৈ লুটপাত কৰাৰ কোনো দৰকাৰেই নাই।”

আমাৰ মাজত সম্পূৰ্ণ নীৰৱতা বিৰাজ কৰিছিল। বহু সময়ৰ পাছত নায়াৰ ডাঙৰীয়াই কৈছিল–

“যিয়েই নহওক সেইখন দেশো মোৰ নিজৰ। মোৰ সত্তাৰ এক বৃহৎ অংশ এতিয়াও সীমাৰ সিপাৰে বাস কৰে।”

তেওঁ নিশ্চয় মোৰ চকুত কিছুমান প্ৰশ্ন ভাহি থকা দেখিবলৈ পাইছিল, কাৰণ তেওঁ লগে লগে আকৌ ক'বলৈ আৰম্ভ কৰিছিল-

“মোৰ স্কুলখন তাত আছে, মোৰ মাদ্ৰাছা....... মোৰ শিক্ষাগুৰু দীননাথ মাষ্টৰ আৰু মৌলবী ইছমাইল। মোৰ পঢ়াশালিৰ প্ৰথম ফলিপুথি, মোৰ স্কুলৰ বেগ এই সকলোবোৰ সীমান্তৰ সিপাৰে আছে। মোৰ ঘাই শিপা এতিয়াও সিটো পাৰে আছে। মই কেৱল ডালবোৰ কাটি সিহঁতক মোৰ লগত লৈ ফুৰিছোঁ।”

নায়াৰ ডাঙৰীয়াৰ কথাত এসময়ৰ তেওঁৰ ঘৰখনৰ প্ৰতি শ্ৰদ্ধা মিহলি সুৰ এটা নিহিত হৈ আছিল। সেইদিনা তেওঁৰ চিন্তাৰ জগতখন মাজে মাজে শিয়ালকোটে অধিকাৰ কৰি লৈছিল।

“আমি সকলোবোৰ .... মামা আৰু মামী, দেউতাৰ ডাঙৰ ককায়েক, সৰু ভায়েক, তেওঁৰ ভনীয়েক-- আমি সকলোৰে ঘৰবোৰ একেটা গলিৰ একে শাৰীতে আছিল। আমাৰ ঘৰৰ ঠিক সমুখতে এটুকুৰা ডাঙৰ ঠাই আছিল । এখন খোলা ঠাই। ঘৰবোৰৰ সীমাত কোনো ইটাৰ বেৰা নাছিল। ঘৰবোৰৰ চৌহদৰ সীমা বুজাবলৈ মাটিত কোনো খুঁটা পোতা নাছিল। প্ৰত্যেকৰে বাবে পৰ্য্যাপ্ত ঠাই আছিল। ইয়াৰ বাবে কেতিয়াও কাৰো বিবাদ নহৈছিল। খোলা ঠাইখনৰ এচুকত এজোপা পাতেৰে ভৰি থকা আঁহত গছ আছিল। গছজোপা বাকী ঘৰবোৰতকৈ আমাৰ ঘৰৰ পৰা বেছি ওচৰত আছিল। গছজোপাৰ ওচৰতে গছজোপাৰ গা-গছ ডালৰ গুৰিৰ তেনেই কাষতে এটা কবৰ আছিল। কবৰটোৰ ওপৰত কোনো চিহ্ন বা ফলক নাছিল। সেই ওখ ঢাপটোৰ তলত কাৰ হাড়ৰ অৱশিষ্ট আছে আমাৰ কোনো ধাৰণা নাছিল, কিন্তু মায়ে কৈছিল যে এইটো পবিত্ৰ পীৰ বাবাৰ কবৰ, আৰু সেইটো সকলোৰে তেনেদৰেই জানিছিল।

মায়ে আঁহত গছজোপাৰ গুৰিত সেন্দূৰৰ ফোঁট দি কবৰটোৰ ওপৰত এটা মাটিৰ চাকি জ্বলাই থৈ আহিছিল। তেওঁ নিজৰ আঙুলিটো সেন্দূৰৰ সৰু টেমা এটাত ভৰাই সেন্দূৰেৰে আঁহত গছ জোপাৰ গাত সানিছিল আৰু তাৰ পিছত আঙুলিত লাগি থকা উজ্জ্বল সেন্দূৰখিনি কবৰটোৰ ওলাই থকা ইটা এচপৰাৰ গাত সানি আঙুলিটো পৰিষ্কাৰ কৰিছিল। তেওঁ এটা মাটিৰ চাকি জ্বলাই আঁহত গছজোপা পূজা কৰিছিল কিন্তু জ্বলি থকা চাকিগছ ভাঙি পৰা কবৰৰ ইটা এচটাৰ ওপৰত থৈ আহিছিল। যেতিয়া তেওঁ আঁহত গছজোপালৈ কিবা প্ৰসাদ আগবঢ়ায়, তেওঁ পীৰ চাহাবলৈও সমানে আগবঢ়াইছিল। ঘৰত কেতিয়াবা কিবা কথাত অশান্তি পালে তেওঁ গৈ আঁহত গছজোপাৰ গাত আঁউজি ঘন্টাৰ পিছত ঘন্টা জুৰি পীৰ চাহাবৰ সৈতে কথা পাতি থাকে। কেতিয়াবা তেওঁ পীৰ চাহেবৰ ওচৰত কান্দোনত ভাগি পৰে। এইদৰে বেদনামুক্ত হোৱাৰ পিছত তেওঁ ঘৰ সোমায়হি, লগতে পীৰ চাহেবকো লৈ আনে। বেচেৰা পীৰ চাহেব! তেওঁ নিজৰ কবৰৰ মাজতো শান্তিৰে থাকিবলৈ নেপাইছিল। মায়ে সকলো সময়তে তেওঁক কবৰৰ শান্তিৰ মাজৰ পৰা বাহিৰলৈ মাতি আনিছিল।

মোৰ স্কুলৰ পৰীক্ষাবোৰৰ সময়ত মায়ে কোৱা কথা মনত পৰে। মায়ে কয়- “পীৰ চাহেবৰ আগত মূৰ দোৱাই যাবি, যোৱাৰ আগতে তেওঁৰ আশীৰ্বাদ ল'বি।”

কোনো পৰীক্ষাই হওক বা উৎসৱেই হওক, কোনো দুখৰ মুহূৰ্তই হওক বা কোনো আনন্দৰ দিনেই হওক, পীৰ চাহাব জড়িত নোহোৱাকৈ কোনো ডাঙৰ আনন্দ আৰু দুখৰ দিন কেতিয়াও পাৰ কৰা নাছিলোঁ। তেওঁৰ বাবে কোনো নিস্তাৰ নাছিল।”

নিজৰ থলুৱা পাঞ্জাবী ভাষাত নায়াৰ চাহাবে কৈ গৈছিল-

“যেতিয়াই কিবা এটা অতিশয় দৰকাৰী কথাৰ সমাধানৰ প্ৰয়োজন হৈছিল বা কোনো সিদ্ধান্ত ল'বলগীয়া হৈছিল মায়ে সদায় পীৰ চাহেবৰ উপদেশ লৈছিল। আমি কেতিয়াও পীৰ চাহেবৰ পৰা কোনো উত্তৰ পোৱা নাছিলোঁ, কিন্তু মায়ে তেওঁৰ পৰা কিছুমান সংকেত পাইছিল। কেতিয়াবা মায়ে কৈছিল যে পীৰ চাহাবে তেওঁক সপোনত দেখা দি কি

কৰিব লাগে কৈ থৈ গৈছে।”

আমি ৰাঘা সীমান্ত পাইছিলোঁহি .....

সূৰ্য্য অস্ত যোৱাৰ সময় হৈছিল। দুয়োখন দেশৰে পতাকা দুখন ‘ৰিট্ৰীট’ নিয়মৰ লগে লগে অৰ্ধনমিত কৰা হৈছিল। পাকিস্তানৰ ফালে কিছু লোক আছিল আৰু আমাৰ ফালেও এমুঠিমান। চিনেমাৰ নায়ক ৰাজ বাব্বৰে আহি আমাৰ লগত যোগ দিলেহি। সিটো পাৰে বিখ্যাত উকীল আৰু মানৱ অধিকাৰ সমাজ কৰ্মী আচমা জাহাঙ্গীৰ অহাৰ কথা আছিল যদিও তেওঁ উপস্থিত নহ’ল, তেওঁক চৰকাৰে আহিবলৈ অনুমতি নিদিলে।

মাজনিশা হোৱাৰ আগে আগে আমি সীমান্তত মমবাতি জ্বলালোঁ। আমি কিছুমান ফটো তুলিলোঁ আৰু পাক-ভাৰত মৈত্ৰীৰ শ্লোগানেৰে বতাহ ওপচাই পেলালোঁ। আমাৰ শুকান আৰু সোপা মাৰি ধৰা ডিঙিত এসোপামান গোটমৰা দুখ লৈ আমি উভতি আহিলোঁ ।

পিছদিনা আমি দিল্লীলৈ উভতি আহিলোঁ। কিন্তু মই আকৌ শিয়ালকোটলৈ উভতি যাব বিচাৰিছিলোঁ। সেইবাবে মই আকৌ পুৰণি সূতাডালৰ আঁত ধৰিলোঁ।

“নায়াৰ চাহাব, আপোনাৰ মায়ে পীৰ চাহাবক সপোনত দেখিছিল। আপুনি তেওঁক পীৰ চাহাব দেখিবলৈ কেনেকুৱা সুধিছিলেনে? তেওঁ কেনেকুৱা আছিল?”

নায়াৰ চাহাব এইবাৰ একেবাৰে বেলেগ এজন মানুহ হৈ পৰিল। তেওঁৰ মুখত এটা হাঁহি বিয়পি পৰিল আৰু তেওঁ ক’লে,

“মই এজন অনুসন্ধানী সংবদদাতা হিচাপে কাম আৰম্ভ কৰিছিলোঁ। প্ৰশ্ন সোধাটো মোৰ স্বভাৱ। মই মাক সুধিছিলোঁ। আৰু সচাঁ কথা ক’বলৈ গ’লে মই পীৰ চাহাবক একেবাৰে মায়ে কোৱা দৰেই লগ পাইছিলোঁ।”

“পাইছিলোঁ .....মানে...আপুনি... আপুনি...তেওঁক লগ পাইছিল?”

তেওঁ হাঁহি আছিল আৰু মোক কৈছিল-

“১৯৭৫ চনত যেতিয়া ইন্দিৰা গান্ধীয়ে ইমাৰজেঞ্চি ঘোষণা কৰিলে, তেখেতে জেললৈ পঠোৱা দেশৰ ৰাজনীতিবিদ আৰু বুদ্ধিজীৱী সকলৰ মাজত মইও আছিলোঁ। সেইদিনাও শুক্ৰবাৰ আছিল– মোৰ কিছু মনত আছে ঃ ১৯৭৫ চনৰ ২৪ জুলাই। সিহঁতে মোক তিহাৰ জেলত ৰাখিলে। জেইলাৰজনে মোক ক’লে যে মোৰ বন্দিত্ব একেবাৰে অস্থায়ী আৰু তেওঁলোকে মোক সোনকালেই মুক্তি দিব। মই যেতিয়া তেওঁক সুধিলোঁ অৰ্ডাৰবোৰ কোনে দিছে তেওঁ কেৱল এটা শব্দৰে উত্তৰ দিলে ‘মেডামে’। কিন্তু যেতিয়া কিছুদিন পাৰ হৈ যোৱাৰ পাছতো মোৰ মুক্তিৰ কোনো লক্ষণ দেখা নাপালোঁ, মই জেইলাৰজনক মোৰ কিতাপ-আলোচনীবোৰ অনাই দিব পাৰিব নেকি সুধিলোঁ। জেইলাৰজন এজন ভদ্ৰলোক আছিল। মই বিচৰা বস্তু কেইটাৰ বাহিৰেও তেওঁ মোৰ বাবে এখন টেবুল আৰু এটা লেম্পৰ ব্যবস্থা কৰি দিলে।”

“মোৰ বন্দিত্বৰ জীৱন লাহে লাহে দীঘলীয়া হ’বলৈ আৰম্ভ কৰিছিল। আৰু এদিন নিৰাশ হৈ মই কেতিয়া মুক্তি পাম তেওঁক প্ৰশ্ন কৰিলোঁ।”

মই মনে মনে আছিলোঁ। নায়াৰ ডাঙৰীয়াই কোনো কথা নোকোৱাকৈ মোৰ ফালে চাই আছিল। আমি তেতিয়া অমৃতসৰৰ বিমান বন্দৰৰ লাউঞ্জত বহি আছিলোঁ। হঠাতে যেন মই কিবা এটা কথা বুজি উঠিলোঁ ঃ

“তেওঁক? আপুনি তেওঁক সুধিলে? কাক বাৰু সুধিলে?”--

তেওঁ হয়তো মই এই প্ৰশ্নটো সুধিম বুলিয়ে অপেক্ষা কৰি আছিল । তেওঁ ক’লে-

“পীৰ চাহেব, আৰু কাক?”

“অহ্ !”

“তেওঁ মোৰ সপোনত আহিছিল। সৰ্ব দেহ ঢাকি ৰখা দীঘল সেউজীয়া চোলা আৰু দীঘল দাড়িৰে সৈতে। মায়ে মোক এইভাৱেই বৰ্ণনা কৰিছিল আৰু মইও তেওঁক একেদৰেই দেখিছিলোঁ। তেওঁৰ মূৰটো ঢাকি ৰাখিছিল নে নাই মোৰ মনত নাই.....”

“তেওঁ কি ক’লে?”--

“তেওঁ মোক ক’লে যে বৃহস্পতি বাৰলৈকে মই মুক্তি লাভ কৰিম।”

“তেওঁ আৰু কিবা কৈছিল নেকি আপোনাক?”

“হয় ...তেওঁ কৈছিল--

'বেটা মোৰ খুব ঠাণ্ডা লাগিছে। তোমাৰ শ্বলখন মোক দিয়াচোন।' কথাখিনি কৈ এইবাৰ নায়াৰ চাহাবে হাঁহি এটা মাৰিলে।

"আৰু আপোনাক মুক্তি দিলে....মানে বৃহস্পতি বাৰলৈকে আপুনি মুক্তি পালে?"

"নাই। বৃহস্পতিবাৰটো আহিল। মই খুব অস্থিৰ হৈ পৰিছিলোঁ। জেলত সোমাই থাকিবলগীয়া হোৱাৰ বাবে নহয় ...কিন্তু পীৰ চাহাবৰ বাবে ...মই নাজানো কিয় মই পীৰ চাহাবৰ কথা সত্য হোৱাটো বিচাৰিছিলোঁ ...মই তেওঁক বিশ্বাস কৰিবলৈ বিচাৰিছিলোঁ... মই নাজানো কিয়! মোৰ অভ্যাস অনুযায়ী মই ৰাতি বহুত দেৰিলৈকে কাম কৰি পিছদিনা পুৱা বহুত দেৰিকৈ শুই উঠিছিলোঁ। শুকুৰবাৰে ৰাতিপুৱাই জেইলাৰ চাহাবে মোৰ মুক্তিৰ ঘোষণা কৰা কাগজখন লৈ মোৰ ওচৰলৈ আহিল। ১১ ছেপ্টেম্বৰ, ১৯৭৫। মই কিছু আচৰিত হৈ তেওঁলৈ চাই প্ৰশ্ন কৰিলোঁ-

এই অৰ্ডাৰটো কেতিয়া আহিছিল?

ৰিলিজ অৰ্ডাৰটো কালি গধূলিয়েই আহিল। কিন্তু মই ডিউটিলৈ আহোঁতে যথেষ্ট পলম হৈছিল। আপুনি পঢ়া টেবুলত কাম কৰি আছিল আৰু আপুনি কামৰ সময়ত দিগদাৰি নকৰিবলৈ আমাক কাঢ়া নিৰ্দেশ দি থৈছিল।

মই তেওঁৰ মুখলৈ চাইছিলোঁ, মোৰ মাতটো বিশ্বাসে উজ্জীৱিত কৰি তুলিছিল। মই আকৌ দোহাৰিছিলোঁ -

কালি! তাৰমানে মোৰ ৰিলিজ অৰ্ডাৰটো বৃহস্পতিবাৰে ৰাতিয়েই আহিছে?

জেইলাৰজনে কিছুসময়ৰ বাবে ৰৈ সঙ্কোচেৰে মোলৈ চালে,

হয় মহোদয়! ....আপুনি কি এই বিষয়ে আগৰে পৰাই জানিছিল?

মই আনন্দ মনেৰে তেওঁক উত্তৰ দিছিলোঁ-

হয়, মই এই বিষয়ে আগতীয়াকৈ খবৰ পাইছিলোঁ।

এই ঘটনাটোৰ আৰু একো নাই । নায়াৰ ডাঙৰীয়াই কৈছিল যেতিয়া তেওঁৰ মাকে এইবিষয়ে জানিব পাৰিছিল। তেখেতে কৈছিল -

"বেটা, তুমি এবাৰ শিয়ালকোটৰ তেখেতৰ কবৰটোলৈ গৈ তীৰ্থ কৰি আহাঁ। তুমি তেওঁৰ কবৰত এখন গৰম চাদৰ দি থৈ আহিবা। তেওঁ সঁচাকৈয়ে চাগৈ বহুত ঠাণ্ডা পাই আছে।"

"মোৰ মাৰ চকুৰে দুধাৰি লোতক বাগৰি পৰিছিল"- নায়াৰ ডাঙৰীয়াই কৈ গৈছিল।

"কিন্তু মই শিয়ালকোটলৈ যাবলৈ বহুদিন ধৰি সুবিধা কৰিব পৰা নাছিলোঁ। সেইসময়ত শিয়ালকোটলৈ যাবৰ বাবে ভিছা পোৱাটো ইমান সহজ কথা নাছিল। কিন্তু ১৯৯০ চনত মাৰ মৃত্যুৰ পিছত মই যাবলৈ বাধ্য হৈ পৰিলোঁ।

মই যেতিয়া শিয়ালকোট পালোঁ আমি সৰুতে থকা ঠাইখিনি সম্পূৰ্ণ ৰূপে বেলেগ হৈ পৰা দেখিবলৈ পালোঁ। ঠাইখন একেবাৰে চিনিব নোৱৰা হৈ পৰিছিল। আমাৰ ঘৰৰ সন্মুখত থকা ডাঙৰ খালি ঠাইটুকুৰা সৰু সৰু দোকান কিছুমানৰ মাজত ভাগ হৈ পৰিছিল। গোটেই ঠাইখিনি এখন বজাৰলৈ পৰিবৰ্তিত হৈছিল। কবৰটোৰ কোনো চিন মোকাম নাছিল। মই লগ পোৱা প্ৰতিজন ব্যক্তিকে সুধিলোঁ যদিও কোনেও কবৰটোৰ বিষয়ে একো নাজানিছিল আৰু কাৰো এইবিষয়ে একো মনত পৰা নাছিল। ডাঙৰ আঁহত গছজোপা কোনখিনিত আছিল মই কোনোমতে আন্দাজ কৰি উলিয়াইছিলোঁ। তাত তেতিয়া কোনো গছ বা কবৰৰ চিন নাছিল। সেই ঠাইডোখৰত এখন দোকান বহিছিল। মই সেই দোকানীজনক লগ কৰিবলৈ সদায় গৈছিলোঁ। তেওঁ সদায় একেটা কথাকে কৈছিল যে তেওঁ কেতিয়াও একো কবৰ দেখা পোৱা নাছিল আৰু একো কবৰৰ কথা নাজানে। যিদিনা মই ঘূৰি আহিছিলোঁ বজাৰখনৰ বাহিৰত দোকানীজনৰ লগত আকৌ মুখামুখি হৈছিলোঁ। তেওঁ সুধিছিল,

কবৰটো কাৰ? আপুনি বিচাৰি ফুৰা কবৰটো কাৰ আছিল?

মই তেওঁক কৈছিলোঁ যে সেইটো এজন পীৰৰ কবৰ। মোৰ মাৰ তেওঁৰ ওপৰত খুব বিশ্বাস আছিল।

মানুহজন কিছু অপ্ৰস্তুত হৈ পৰিছিল। কিছু সঙ্কোচেৰে তেওঁ কওঁ নকওঁকৈ শেষত কিছু অস্বস্তিৰে স্বীকাৰ কৰিছিল-

হয় তাত এটা কবৰ আছিল, আমাৰ দোকানখনৰ ঠিক লগালগিকৈ। আমি শৰণাৰ্থী আছিলোঁ আৰু আমি সেইসময়ত দোকানখনতে আছিলোঁ। ঠাই খুব কম আছিল, ভীষণ

থেপাথেপি। লাহে লাহে আমি কবৰটোৰ ঠাইখিনি আগ্ৰাসন কৰিলোঁ। জীয়াই থাকিবৰ বাবে আমি মৃতজনৰ পৰা কবৰৰ ঠাইখিনিও চুৰ কৰি ল'ব লগা হৈছিল।

মই ঘূৰি আহিছিলোঁ। আৰু এদিন নিজামুদ্দিন আওলিয়াৰ দৰগাহলৈ গ'লোঁ। শিয়ালকোটলৈ মই লগত লৈ যোৱা গৰম চাদৰখন মই সমাধিত অৰ্পণ কৰিলোঁ।"

"তেওঁ আপোনাক সপোনত আকৌ দেখা দিছিলনে?"

"নাই! তেওঁ অহাটো মই কিমান বিচাৰিছিলোঁ! অন্ধকাৰত অকলে কটোৱা মোৰ সময়বোৰত বা মোৰ কোনো বিপদৰ সময়ত মই বিচাৰিছিলোঁ তেওঁ সপোনত মোৰ কাষলৈ আহক। মই তেওঁক কেইটামান কথা সুধিবলৈ ইচ্ছা কৰিছিলোঁ। মই তেওঁৰ উপদেশ আৰু উত্তৰবোৰৰ বাবে বাট চাই ৰৈছিলোঁ। কিন্তু তেওঁ অহা নাছিল। হয়তো তেওঁ মাৰ লগতে পৃথিৱীৰ পৰা গুচি গ'ল। অৱশেষত তেওঁ নিস্তাৰ পাইছিল। তেওঁ মুক্তি লাভ কৰিছিল।"

ফোন -- ৮৪৮৬৯৭৩৭৫৫

❖

অণু গল্প

# ৰাহুমুক্তি

**মীনাক্ষী ৰায় ডাকুৱা**

'সুখৰ নীড়' বৃদ্ধাশ্ৰমৰ পৰা আশালতা দেৱীক লগত লৈ ভাস্কৰ আৰু সুদক্ষিণাৰ নতুন অডি গাড়ীখন এইমাত্ৰ ওলাই গ'ল। আজি এবছৰৰ আগতে মাক আশালতা দেৱীক তেওঁলোকে এই বৃদ্ধাশ্ৰমখনত থৈ গৈছিল। মালিকীস্বত্ব মাকৰ নামত থাকিলেও প্ৰকাণ্ড ঘৰটোত তেওঁলোকে মাকৰ বাবে সৰু কোঠালি এটাও এৰি দিয়াৰ বদান্যতা দেখুৱাব পৰা নাছিল। পুৰণি আচবাবৰ দৰে মাক তেওঁলোকৰ বাবে হৈ পৰিছিল উদ্বৃত্ত। কিন্তু যোৱা এমাহমানৰ পৰা তেওঁলোকে ইয়াৰ বাবে অন্তঃস্থিত বিবেকৰ দংশন তাড়নাত প্ৰচণ্ড আত্মগ্লানিত ভুগি আছিল। সেই আত্মগ্লানিৰ দহন সহ্য কৰিব নোৱৰাৰ ফলস্বৰূপে আজি বহু কাকুতি-মিনতিৰ অন্তত ব্যক্তিত্বময়ী আশালতা দেৱীৰ নিজৰ ঘৰলৈ প্ৰত্যাৱৰ্তন ঘটিল। তেওঁলোক ওলাই যোৱাৰ পিছত বৃদ্ধাশ্ৰমখনৰ অধীক্ষক শান্ত-সমাহিত ব্যক্তি দৈৱকীনন্দন আচাৰ্য্যৰ মনলৈ এই কথাত এক শাশ্বত উপলব্ধিৰ অনুভূতি বৈ আহিল। তেওঁ ভাবিলে, মানুহে যি সৰগৰ কথা কয় সেয়া হয়তো এই পৃথিৱীতেই সৃষ্টি হয়। অথবা কোনো কোনো আনন্দঘন মুহূৰ্তত স্বৰ্গই হয়তো নামি আহে মাটিৰ এই পৃথিৱীলৈ।

দুয়োখন হাত যোৰ কৰি ঈশ্বৰক প্ৰণাম জনালে তেওঁ। মুখাৱয়বত ফুটি উঠিল স্বৰ্গীয় দীপ্তি। উদাত্ত স্বৰেৰে তেওঁ প্ৰাৰ্থনা কৰিলে ঃ

"অসতো মা সদ্‌গময়
তমসো মা জ্যোতিৰ্গময়।"

বতাহত তৰঙ্গিত হৈ সেই ধ্বনি চাৰিওফালে বিয়পি পৰিল। এৰা, শুভ চৈতন্যৰ উদয় হৈ আত্মশুদ্ধি হ'লে মানুহ সঁচাকৈয়ে সৎপথত চলে। আন্ধাৰৰ কালিমা পিছপিনে পেলাই থৈ পোহৰৰ জগতত হয় তাৰ উত্তৰণ।

❖

## কাহিনী

জেনেট যদিও প্ৰায় নিশ্চিত হৈছিল যে তাইৰ দেউতাকৰ মৃত্যু ঘটিছে, তাই বিভাগীয় স্বীকৃতি বিচাৰিছিল। সেয়ে কিউবাৰ ৰাজধানী চহৰ হাভানাত থকা ৰাষ্ট্ৰপতি ভৱনলৈ এই সম্পৰ্কীয় বহু চিঠি আৰু টেলিগ্ৰাম পঠিয়াইছিল। কিন্তু কাষ্ট্ৰোৱে কেতিয়াও উত্তৰ দিয়া নাছিল।



# প্ৰত্যাৱৰ্তন

**মূল- কেণ্ডেছ টাৰ্টল**
**অনুবাদ-ননী চহৰীয়া বৰা**

জেনেট ৰে' – পে'ট ৰে'ৰ কন্যা। বয়স মাত্ৰ ছয়বছৰ। সেই বয়সৰ পৰাই কণমানি ছোৱালীজনী এটা অনুসন্ধানত ব্ৰতী হৈছিল– তাইৰ দেউতাকৰ বিষয়ে।

সেইদিনা মাকে তাইক কৈছিল– ভায়েক টম স্কুলৰ পৰা আহি পালেই সিহঁতক কিবা এটা কথা ক'ব। জেনেট উৎফুল্ল হৈছিল। তাই ভাবিছিল– মাকে কি কথা ক'ব তাই জানে। মাকে ক'ব– তাইৰ দেউতাক ঘৰলৈ আহি আছে।

বাৰ্মিংহামত থকা আইতাকৰ ঘৰত সেইদিনা টম আৰু জেনেট ওচৰা-উচৰিকৈ বহি লৈছিল আৰু মাকে কি কয় শুনিবলৈ উৎকণ্ঠাৰে সিহঁত বৈ আছিল। মাক সিহঁতৰ কাষলৈ আহিছিল আৰু ধীৰে ধীৰে কৈ গৈছিল– "ঘূৰি আহিবলৈ তোমালোকৰ দেউতাৰা যোৱা নাছিল। তেওঁ আৰু কেতিয়াও ঘূৰি নাহে, কিয়নো তেওঁৰ মৃত্যু ঘটিছে। এতিয়াৰ পৰা তেওঁ দেৱদূত হৈ সৰগৰ পৰা তোমালোকক চাই থাকিব।"

জেনেটৰ বিশ্বাস হোৱা নাছিল। সৈনিকৰ সাজ পৰিধান কৰি জেনেটৰ হাতত ধৰি এদিন দেউতাকে তাইক বিমান এখনৰ ভিতৰলৈ লৈ গৈছিল আৰু বহু ওপৰৰ পৰা তলৰ পৃথিৱীখন দেখুৱাইছিল। চকুত পৰা তলৰ সকলো বস্তুৱেই বৰ ক্ষুদ্ৰ যেন লাগিছিল সেইদিনা।

জেনেটে উচুপি উচুপি কান্দি আছিল আৰু বাৰে বাৰে কৈছিল— "মোৰ দেউতা সদায়েই ঘৰলৈ আহে।" কান্দি কান্দি তাই বাৰাণ্ডালৈ দৌৰিছিল আৰু তাত বহুসময় ধৰি কান্দিয়েই আছিল। মাকে যিমান পাৰে বুজনি দিছিল, কিন্তু জেনেটৰ কাণত একো সোমোৱা নাছিল। জেনেটৰ অন্তৰাত্মাই কৈ উঠিছিল– "তেওঁক বিচাৰি উলিওৱা।"

১৯৬১ চনৰ এপ্রিল মাহত কিউবাৰ পিগচ সাগৰীয় উপকূলীয় আক্রমণৰ সময়ত যেতিয়া থমাছ উইলাৰড পে'ট ৰে'ৰ, বি- ২৬ বিমানখন গুলীয়াই ভূপতিত কৰা হৈছিল, তেতিয়া জেনেট তেনেই সৰু এজনী প্ৰথম শ্ৰেণীৰ ছাত্ৰী। কিউবাৰ নিৰ্বাসিত পাইলটসকলক প্ৰশিক্ষণ দিবলৈ পে'ট ৰে'ক আমেৰিকাই গুৱাটেমেলা আৰু নিকাৰাগুৱাৰ সীমান্তৱৰ্তী গোপন ঘাটিলৈ তিনিমাহৰ অস্থায়ী নিযুক্তি দি পঠিয়াইছিল। প্ৰয়োজন হ'লে বোমাৰু বিমানতো যাবলগীয়া হৈছিল। আক্ৰমণকাৰী বাহিনীটোৱে বিশ্বাস কৰিছিল যে ৱাশ্বিংটনে তেওঁলোকক আমেৰিকান যুঁজাৰু বিমানৰ সাহায্যও দিব। কিন্তু যুঁজাৰু বিমান দৃষ্টিগোচৰ হোৱা নাছিল আৰু সেইকাৰণেই পে'ট ৰে' আৰু অন্যান্য লোকসকল অ-সুৰক্ষাৰ বলি হৈছিল।

দেশ দখল অভিযাননো কি আৰু ফিডেল কাষ্ট্ৰোৰ বিষয়ে জেনেটে একো নাজানিছিল। তাই মাথোঁ জানিব বিচাৰিছিল তাইৰ দেউতাকৰনো কি হ'ল। মাক, খুড়াক, ককাক আইতাক সকলোকে প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰিছিল তাই। তাই সুধিছিল-- "তেওঁ বাৰু ক'ৰবাত বন্দী হৈ আছে নেকি?"

পৰিয়ালৰ কোনো এজন সদস্যই সদুত্তৰ দিব পৰা নাছিল অথবা নিশ্চিতভাৱে ক'ব পৰা নাছিল যে তেওঁৰ মৃত্যু ঘটিছে।

জেনেটে দেউতাকৰ চিন্তা কোনোপধ্যেই মনৰ পৰা আঁতৰাব পৰা নাছিল। দেউতাক ঘূৰি আহিবলৈ ৰাতি বহি বহি কণমানি জেনেটে কাগজেৰে এৰোপ্লেন সাজিছিল। সুদূৰ আকাশেৰে উৰি উৰি তেওঁ সদায় এনেদৰেই ঘৰলৈ ঘূৰি অহা নাছিল জানো?

পাইলট প'ট ৰে' নিৰুদ্দিষ্ট হোৱাৰ কুৰিটা মাহৰ পিছত এদিন খবৰ আহিল– ফিডেল কাষ্ট্ৰই যুদ্ধ বন্দীসকলক মুক্ত কৰি দিছে। ফ্লৰিদাত থকা বায়ুসেনাবাহিনীৰ ঘাটি-হ'মষ্টেডত যুদ্ধ বন্দীসকল উপস্থিত হৈছে আৰু টেলিভিশ্যনত সেই দৃশ্য দেখুৱাইছে। জেনেটে টেলিভিশ্যনৰ নিচেই কাষত থিয় হৈ সেই দৃশ্য চাইছিল। ফটোবোৰ তাই বৰ মনোযোগ দি চাইছিল। শেষৰজন যুদ্ধ বন্দী দেখাৰ পাছত তাই উচুপি উচুপি কান্দিব ধৰিছিল।

ঘৰত সকলোৱে জেনেটক লৈ চিন্তিত হৈছিল। তেওঁলোকে বুজি পাইছিল-- দেউতাকৰ মৃত্যুৰ খবৰটো জেনেটে সহজভাৱে ল'ব পৰা নাই। জেনেটৰ আইতাকে মৰমেৰে সাবটি ধৰি বুজাইছিল– "মই তোমাক নকওঁ যে জীৱন বৰ অনুপম। যি ঘটি গ'ল তাক যাবলৈ দিয়া। তোমাৰ অন্তৰে যি শুদ্ধ বুলি বিবেচনা কৰে আৰু তোমাৰ দেউতাৰাৰ বিষয়ে জানিবলৈ তোমাৰ মনত যি প্ৰশ্ন জাগৰিত হৈছে– তাৰবাবে যুঁজ কৰা।" সেইদিনা ছয়বছৰীয়া এজনী ছোৱালীয়ে সেই মন্ত্ৰ অন্তৰত স্থাপন কৰি লৈছিল।

দিনৰ পিছত দিন বাগৰিছিল। পিগচ উপসাগৰৰ বিষয়ে লেখা প্ৰবন্ধবোৰ ক'ৰবাত পালেই জেনেটে সেইবোৰ সংগ্ৰহ কৰিছিল আৰু এটা বাকচত ভৰাই ৰাখিছিল। মাকৰ লগত কথা পতাৰ সময়ত কেতিয়াবা জেনেটে কিছুমান পাইলট আৰু দেউতাকৰ বন্ধুৰ নাম উল্লেখ কৰা শুনিছিল আৰু সেইবোৰ যত্ন সহকাৰে নোটবুক এখনত লিখি ৰাখিছিল।

জেনেট লাহে লাহে ডাঙৰ হৈছিল। সপ্তাহৰ শেষৰ বন্ধৰ দিনবোৰ তাই লাইব্ৰেৰীত কটাইছিল। পুৰণা বাতৰিবোৰ সংগ্ৰহ কৰি সেইসমূহ পঢ়িছিল আৰু নোটবহী এখনত টুকি ৰাখিছিল। লাহে লাহে সেইবোৰ ৰাখিবলৈ এটা বাকচৰ প্ৰয়োজন হৈছিল কিন্তু তাই পঢ়া খবৰবোৰৰ মাজত দেউতাকৰ বিষয়ে কোনো আশাব্যঞ্জক বাতৰি নাছিল।

জেনেটে গাড়ী চালনাৰ অনুজ্ঞাপত্ৰ লাভ কৰাৰ পৰাই তাইৰ অনুসন্ধানে এক নতুন গতি লাভ কৰিবলৈ সক্ষম হৈছিল। এতিয়া অনুসন্ধানৰ বাবে জেনেটে অকলে দূৰ-দূৰণিলৈ যাব পাৰিছিল। কিন্তু তাইৰ প্ৰশ্ন সোধাৰ ধৰণ সলনি হোৱা নাছিল। তাই প্ৰতিটো কথা জানিব বিচাৰিছিল— দেউতাক উৰা বিমানখন ফিছাৰ থকা নম্বৰটো কি আছিল? তেওঁৰ লগত একেলগে উৰা মানুহকেইজনৰ নাম কি আছিল? কিমান সময়ত বিমানখন গুলীয়াই ভূপতিত কৰা হৈছিল? সেই সময়ত তেওঁ কি পোচাক পিন্ধিছিল?—

এইবোৰ আছিল তাইৰ অনুসন্ধানৰ বিষয়। মৃত বা জীৱিত, যিয়েই নহওক তাই এইবোৰ জানিব বিচাৰিছিল। তদুপৰি পুৰণি ফটো আৰু ধূসৰ স্মৃতিবোৰক ভেটি কৰি আগুৱাই যোৱাটোও তাইৰ বাবে প্ৰয়োজন হৈছিল।

কলেজৰ ছাত্ৰী হৈ থকা সময়ছোৱাত জেনেটে এবাৰ বন্ধৰ সময়ছোৱা কিউবাৰ ওচৰত থকা মিয়ামিত কটোৱাৰ সিদ্ধান্ত ল'লে। তাত থাকোঁতেই জেনেটে দেউতাকৰ বিষয়ে নিৰৱচ্ছিন্ন অনুসন্ধান চলাই গৈছিল। মানুহবোৰৰ লগত চিনাকি হৈছিল আৰু সুধিছিল-- "আপুনি মোৰ দেউতাৰ বিষয়ে কিবা জানে নেকি? তেওঁৰ নাম পে'ট ৰে। তেওঁ এজন আমেৰিকান পাইলট আছিল আৰু পিগচৰ উপসাগৰৰ অঞ্চলত তেওঁক গুলীয়াই হত্যা কৰা হৈছিল। যদি কিবা তথ্য জানে, অনুগ্ৰহ কৰি মোক জনাব।" নিজৰ ফোনৰ নম্বৰ দি তাই অনুৰোধ কৰিছিল।

ঠাইখিনিৰ মানুহে ইংৰাজী ভাষাটো নুবুজাৰ বাবেই বহুতে তাইৰ কথাত কাণ নিদি আঁতৰি গৈছিল। জেনেট পিচে নিৰাশ হোৱা নাছিল। তাই বাৰে বাৰে তালৈ গৈছিল আৰু মানুহবোৰক লগ ধৰিছিল।

জেনেটৰ অনুসন্ধানৰ কোনো নিৰ্দিষ্ট সময় নাছিল। কলেজৰ ছাত্ৰী হিচাপে নিয়মিত পঢ়া-শুনাৰ মাজতে দেউতাকৰ মৃত্যু ৰহস্যৰো সন্ধান অব্যাহত ৰাখিছিল।

ভ্ৰমণত লগত নিয়া তাইৰ চামৰাৰ বেগটো পুৰণি চিঠি আৰু থিতাতে লোৱা ফটোৰে ওফন্দি উঠিছিল। লাহে লাহে তাইৰ দেউতাকৰ মৃত্যুৰ সময়ৰ ঘটনাৰ পৰিৱেশৰ টুকুৰা টুকুৰ অস্পষ্ট ছবি এখন লাভ কৰিবলৈ সমৰ্থ হৈছিল।

পিগচৰ উপসাগৰীয় অঞ্চলত (গোপন সামৰিক ঘাটি) জেনেটে বিশিষ্ট প্ৰৱীণ লোকসকলৰ বিশেষকৈ পাইলটসকলৰ সন্ধান কৰিছিল। তেওঁলোকে কৈছিল–

"আমি শুনিছিলোঁ, তাত মৃতদেহ আছিল।"

আন কিছুমানে কৈছিল যে তাইৰ দেউতাকৰ মৃতদেহৰ ফটো তেওঁলোকে দেখিছিল। এনেকুৱা উৰাবাতৰি শুনা গৈছিল যে আমেৰিকান শৱদেহবোৰ হাভানাৰ মৰ্গত ৰখা হৈছিল। বেছিভাগ প্ৰৱীণ লোকেই তেওঁলোকে জনা কথাবোৰ কবলৈ পাই আনন্দিত হৈছিল আৰু তাইক সহায় কৰিব বিচাৰিছিল। বিমান যুঁজৰ বৰ্ণনা দিবলৈ গৈ তেওঁলোকে হাতেৰে বিভিন্ন অঙ্গীভঙ্গী কৰিছিল। উত্তেজনাত তেওঁলোকৰ কণ্ঠস্বৰ ডাঙৰ হৈ গৈছিল। তেওঁলোকে কৈছিল যে ফিডেল কাষ্ট্ৰোৰ লগত যুদ্ধ কৰি মৃত্যুবৰণ কৰা তাইৰ দেউতাক এজন বীৰ যোদ্ধা আছিল।

জেনেটে প্ৰমাণ বিচাৰিছিল।

কিউবাৰ নিৰ্বাসিত পাইলটসকলৰ বহুতো ল'ৰা-ছোৱালীক জেনেটে লগ পাইছিল যাৰ দেউতাকসকলো সেই অভিযানৰ পিছত আৰু কেতিয়াও ঘূৰি অহা নাছিল। জেনেটে সিহঁতৰ সৈতে এক পৰম আত্মীয়তাৰ ভাব অনুভৱ কৰিছিল। প্ৰথমবাৰৰ বাবে জেনেটে তাইৰ দৰেই কিছুমান মানুহৰ লগত দুখ আৰু লক্ষ্যৰ ভাগ বতৰা কৰিছিল, যিয়ে সঁচাকৈ বুজি পায়।

জেনেটৰ ঘৰৰ ওচৰত থকা চেলমাৰ প্ৰশিক্ষণ কেন্দ্ৰত উৰণৰ প্ৰশিক্ষণ ল'বলৈ অহা মাইক উইনিঞ্জাৰ নামৰ বায়ুসেনা বাহিনীৰ বিষয়া এজনক যিদিনা তাই প্ৰথম লগ পাইছিল, তাই কিছু ভাৰমুক্ত আৰু স্বচ্ছন্দ অনুভৱ কৰিছিল। চুটিকৈ কটা চুলি, মসৃণ মুখ আৰু পিন্ধা সেউজীয়া পোচাকেৰে উইনিঞ্জাৰ আৰু একেলগে প্ৰশিক্ষণ লবলৈ অহা ফুৰ্তিবাজ, দেশপ্ৰেমিক বন্ধুকেইজনক জেনেটৰ দেউতাকৰ দৰে দেখা গৈছিল। দেউতাকৰ বিষয়ে তেওঁলোকৰ আগত জেনেটে বিশেষ একো কোৱা নাছিল আৰু কোৱাৰ দৰ্কাৰো হোৱা নাছিল। মাইক আৰু বন্ধুকেইজনে সকলো বুজি পাইছিল আৰু তাইক সহযোগ কৰি গৈছিল।

এটা সময়ত জেনেটে জানিব পাৰিছিল যে সেই আগ্ৰাসনৰ আগেয়ে প্ৰেচিডেণ্ট কেনেডীয়ে আমেৰিকা

জড়িতকৰণৰ বিষয়টো সীমিত কৰাৰ নিৰ্দেশ দিছিল আৰু তাইৰ দেউতাক প্ৰায় নোযোৱাৰ সিদ্ধান্ত হৈছিল। কিন্তু সেই সিদ্ধান্তই যুদ্ধৰ ভাগৰ আৰু ক্ষতিকাৰক কিউবাৰ নিৰ্বাসিতসকলৰ মাজত চৰম হতাশাৰ সৃষ্টি কৰিছিল। বহুদিন একেলগে থকাৰ বাবে কিউবান আৰু আমেৰিকান সকলৰ মাজত সহৃদয়তাও হৈছিল। শেষ সিদ্ধান্ত লোৱাৰ ভাৰ তেওঁৰ ওপৰত আছিল – উৰিব নে নিকাৰাগুৱাত ৰৈ যাব। এজন স্বাধীনতা-প্ৰিয় মানুহ হিচাপে অৱশেষত তেওঁ উৰিছিল।

লক্ষ্যস্থান সমূহত বোমাবৰ্ষণ সমাপ্ত কৰি ঘৰলৈ ঘূৰিবলৈ সাজু হোৱাৰ সময়তে কাষ্ট্ৰোৰ যুঁজাৰু বিমান এখনেৰে বি-২৬ বিমানখন গুলীয়াই ভূপতিত কৰা হৈছিল। কিছু সংগৃহীত তথ্য অনুসৰি, তেওঁৰ লগত থকা সহকাৰী পাইলট লিও ফ্ৰান্সিছ বেকাৰৰ মাটিত নমাৰ সময়তে মৃত্যু হৈছিল। হাতত বন্দুক লৈ বিমানৰ ভিতৰৰ পৰা ওলাই আহিছিল পে'ট ৰে'। স্বয়ংক্ৰিয় ৰাইফলেৰে তেতিয়াই তেওঁক পেট আৰু শৰীৰৰ ওপৰভাগত গুলীওৱা হৈছিল আৰু শেষত কিউবান সৈনিক এজনে নিচেই কাষৰ পৰা মূৰত গুলীয়াই হত্যা কৰিছিল।

জেনেট যদিও প্ৰায় নিশ্চিত হৈছিল যে তাইৰ দেউতাকৰ মৃত্যু ঘটিছে, তাই বিভাগীয় স্বীকৃতি বিচাৰিছিল। সেয়ে কিউবাৰ ৰাজধানী চহৰ হাভানাত থকা ৰাষ্ট্ৰপতি ভৱনলৈ এই সম্পৰ্কীয় বহু চিঠি আৰু টেলিগ্ৰাম পঠিয়াইছিল। কিন্তু কাষ্ট্ৰোৱে কেতিয়াও উত্তৰ দিয়া নাছিল।

১৯৭৯ চনৰ এপ্ৰিল মাহ। জেনেট ইতিমধ্যে জেনেট উইনিঞ্জাৰ হৈছিল আৰু গিৰিয়েকৰ লগত জাৰ্মানীৰ হান বায়ু সেনা শিবিৰত আছিল। সেইদিনা আছিল এটা ৰৌদ্ৰোজ্জ্বল দিন। বাহিৰৰ পৰা গাড়ীৰে আহি নামিছিল জেনেট আৰু তাইৰ নামত অহা চিঠিপত্ৰবোৰ হাতত লৈছিল। চিঠিবোৰৰ ওপৰে ওপৰে চকু ফুৰাওঁতে এটি খাম দেখিছিল যিটো পিটাৰ ওৱাইডেন নামৰ এজন ব্যক্তিৰ পৰা আহিছিল। পিটাৰে পিগচ উপসাগৰীয় অঞ্চলৰ (গোপন সামৰিক ঘাটি) ওপৰত এখন কিতাপ লিখি আছিল। মাথোঁ কেইমাহমানৰ পূৰ্বে তেওঁৰ লগত তাইৰ চিনাকি হৈছিল। সেই তেতিয়াই পিটাৰে জেনেটক জনাইছিল যে কিউবাৰ চৰকাৰৰ ওচৰত দুজন মৃত পাইলটৰ ফটো আছে। তেওঁ তাৰে কপি জেনেটলৈ পঠিয়াব বুলিও কৈছিল। খামটো ঠৰঙা আৰু গধুৰ হোৱাৰলৈ চাই তাত ফটো থকা যেনেই লাগিছিল। দুৰু দুৰুকৈ বুকুখন কঁপিছিল তাইৰ। কঁপা কঁপা হাতেৰে খামটো খুলিছিল। অস্পষ্ট ক'লা বগা প্ৰিণ্ট ফটোখনত থকা মানুহ দুজনৰ মুখ দুখন স্পষ্ট নাছিল।

কিন্তু জেনেটৰ বাবে সেয়াই যথেষ্ট আছিল। মুখত তেজৰ দাগৰ সৈতে ক'লা বগা চাৰ্ট পৰিহিত মানুহজনক তাই চিনিব পাৰিছিল।

অৱশেষত ইমান বছৰে বিচাৰি ফুৰা প্ৰমাণ আহি তাইৰ হাতত পৰিছিল। এতিয়া তাইৰ অনুসন্ধানৰ যাত্ৰাত এটাই কাম বাকী আছিল– দেউতাকৰ মৃতদেহ ঘৰলৈ ঘূৰাই অনা।

সেই বছৰৰে জহকালি, যুক্তৰাষ্ট্ৰ কংগ্ৰেছৰ ওচৰত সহায় বিচাৰি কৰা চেষ্টা আৰু ফিডেল কাষ্ট্ৰোলৈ প্ৰেৰণ কৰা অসংখ্য চিঠি আৰু টেলিগ্ৰাম সমূহৰ পিছত কিউবান চৰকাৰে সেইটো পে'ট ৰে'ৰ শ বুলি নিশ্চিত কৰিছিল। হাভানাৰ এটা মৰ্গত সেইটো ওঠৰ বছৰ বৰফৰ মাজত ৰখা হৈছিল। কেইবামাহৰ আলোচনাৰ অন্তত শৰদেহ ঘূৰাই দিবলৈ মান্তি হৈছিল কিউবান চৰকাৰ।

বাৰ্মিংহামৰ মিউনিচিপেলিটি বিমান বন্দৰত সেইদিনা পাতলীয়া বৰষুণ পৰি আছিল। কেইমাহমানৰ গৰ্ভৱতী, ৰুগ্ন আৰু ভাগৰুৱা জেনেটে দেউতাকৰ কফিন কঢ়িয়াই অনা বিমানখনৰ বাবে অপেক্ষা কৰিছিল। ত্ৰিশ বছৰীয়া পে'ট ৰে' ওঠৰ বছৰ আগত এইটো ৰাণৱেৰেই এদিন ওলাই গৈছিল, য'ত আজি বিমানখন নামিবহি।

বিমানখনৰ পৰা কফিনটো নমাই এখন

এম্বুলেন্সত উঠোৱা হৈছিল। মাটিলৈ অনাৰ সময়ত জেনেটে কফিন থকা কাঠৰ বাকচটো সাবটি গৈছিল। পাইন কাঠৰ বাকচটোত তাই গালেৰে স্পৰ্শ কৰিছিল। বাকচৰ ওপৰলৈ তাই হাতেৰে চুই চাইছিল য'ত অলপ পিছতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পতাকা এখন উৰিব। মনে মনে তাই কৈছিল– "দেউতা, তুমি ঘৰলৈ ঘূৰি অহাৰ বাবে মই বৰ আনন্দ পাইছো।"

১৯৭৯ চনৰ ৮ ডিচেম্বৰ তাৰিখে পে'ট ৰে'ক সম্পূৰ্ণ সামৰিক মৰ্য্যাদাৰে বাৰ্মিংহামত সমাধিস্থ কৰা হৈছিল।

আনুষ্ঠানিকতা শেষ হোৱাৰ পিছতো দেউতাকক অকলশৰে পাবলৈ জেনেট সমাধিস্থলতে ৰৈ গৈছিল। জেনেটে দেউতাকলৈ চিঠি এখন লিখি আনিছিল আৰু সমাধিস্থ কৰাৰ সময়ত তেওঁৰ সামৰিক পোচাকযোৰৰ বুকুৰ জেপত ভৰাই দিছিল। তাই তেওঁক কৈছিল– কিমান গৰ্বিত আজি তাই। তাই স্বীকাৰ কৰিছিল যে প্ৰথমতে তাই বুজিব পৰা নাছিল– নিজৰ জীৱন বিপন্ন কৰি কিয়নো তেওঁ কাৰোবাৰ ৰণত যুঁজিবলৈ গৈছিল। কিন্তু বহু বছৰ ধৰি কিউবাৰ প্ৰৱীণ লোকসকল আৰু তেওঁলোকৰ পৰিয়ালসমূহক লগ পোৱাৰ পিছত তাই বুজিছিল যে সেয়া আছিল স্বাধীনতা ভাল পোৱা মানুহ এজনৰ সিদ্ধান্ত। তাই আৰু লিখিছিল– পুনৰ যদি তেনে পৰিস্থিতি হ'লহেঁতেন, তুমি আকৌ তাকেই কৰাটোৱেই মই বিচাৰিলোহেঁতেন।

১৯৮০ চনৰ ২১ জুলাইৰ দিনা জেনেটৰ এটি পুত্ৰ সন্তান জন্ম হ'ল। জেনেটে তাৰ নাম ৰাখিলে 'পে'ট।'

১৯৮৭ চনৰ ১৭ এপ্ৰিল। মিয়ামিত বসন্তকালৰ এটা সুন্দৰ দিন। পিগচৰ উপসাগৰীয় অভিযানৰ বৰ্ষপূৰ্তি অনুষ্ঠানত জেনেটক ভাষণ ৰাখিবলৈ কোৱা হ'ল। তাইৰ পিছফালে মেত সৈনিকসকলৰ লগতে তাইৰ দেউতাকৰো এটা স্মৃতিস্তম্ভ আছিল।


মাইক্ৰফোনৰ ওচৰলৈ আগুৱাই গৈ জেনেটে সুন্দৰ ভাষণ দিছিল। কিউবান সকলেও বুজি পাইছিল। তেওঁলোকৰ চুটকেছবোৰো হালধীয়া পৰা ফটো আৰু নিৰাশা কঢ়িওৱা কাগজেৰে ভৰি আছিল। কিউবানসকলেও জানিছিল– তাইৰ ক্ষতিও তেওঁলোকৰ দৰেই অপূৰণীয়। ইংলিছ আমেৰিকান জেনেট উইনিঞ্জাৰে বিশ্বাস কৰিছিল যে কিছুমান সংগ্ৰামৰ কেতিয়াও শেষ নহয়।

পে'ট ৰে'ৰ জীয়ৰী জেনেটক ব্ৰিগেডৰ সদস্যসকলেও আগুৱাই আহি সামৰিক কায়দাৰে চেলুট দিছিল। তেওঁলোকৰ মাজৰে সেই আমেৰিকানজনে কিউবানসকলৰ হকে যুঁজ দি মৃত্যুবৰণ কৰিছিল। সেইদিনাৰ অনুষ্ঠান শেষ হৈছিল।

কিন্তু জেনেটৰ অনুসন্ধানৰ অন্ত পৰা নাছিল। পিগচৰ উপসাগৰীয় অঞ্চলৰ কোনোবা প্ৰৱীণ লোকক লগ পালেই নিজৰ নোটবহীখন আগবঢ়াই দি তাই কৈছিল– "মোৰ দেউতাৰ বিষয়ে আপুনি জানিছিল নে?"

❖

আজিকালি সকলো পালেও বৰযাত্ৰী পোৱা বৰ টান। পালেও পুৱতি নিশালৈকে ৰৈ থকা বৰযাত্ৰী পোৱা আৰু টান। যাম যাম বুলিও বহুত নাযায়। যোৱা কেইটাইও কিবাকৈ ভাতগৰাহ গিলি বৰ কইনাক হাই বাই কৈ বিয়াঘৰ এৰে। আমি সেই সমস্যাৰ সমাধান কৰি দিওঁ।



# অথঃ বিবাহ সংবাদ

**ডাঃ শুভ্ৰ কিংকৰ গোস্বামী**

**(এক)**

এইকেইদিন বৰষাৰ শাৰীৰিক আৰু মানসিক অৱস্থা নেদেখিলে কোনেও নুবুজিব। এপিনে কলেজৰ ক্লাছ, ইভেলুৱেশ্বন। আনপিনে বিয়াৰ বজাৰ, নিমন্ত্ৰণ— এইবোৰৰ উপৰিও আন কিছুমান উৎসৱ জড়িত সমস্যা। কোনোবাজনীয়ে ক'ব মোৰ ওচৰলৈ নাহিলি। কোনোবাজনীয়ে বা আকৌ নিজে কেইজোৰ কাপোৰ ল'লে তাৰেই বকলা। লগ ল'লে এজনীও নোলায়।

মাজে মাজে বৰষাৰ গৃহস্থ আৰু ল'ৰাটোৰ ওপৰতেই খং উঠি যায়। তেওঁলোক দুজন থাকিলে এই সমস্যাবোৰ অকণমান চেয়াৰ কৰিবও পৰা গ'লহেঁতেন। দৰা থাকে আমেৰিকাত। বিয়াৰ তিনিদিন আগতেহে আহি পাবহি। গৃহস্থ পুণেত। ছুটি মুঠেই সাতদিন। গতিকে বিয়াৰ আগে আগেহে পাবহি।

অকলে অকলে ইমানবোৰ সমস্যা সমাধান কৰোঁতেই খাৱন শোৱন নোহোৱা হৈ পৰিছে বৰষাৰ।

দেওবাৰৰ দিন। টানিস্কত জোৰোণৰ চেট এটা ডেলিভাৰি দিয়াৰ কথা আছিল। তাৰ পৰা জেবিজত মিঠাইৰ চেম্পল চাই বেলতলাৰ বজাৰৰ পৰা কেইবিধমান বস্তু কিনো বুলি ঘৰৰ বাহিৰ ওলাব খোজোঁতেই আহি ওলাল এগৰাকী বিশ-বাইছ বছৰীয়া ছোৱালী।

ঃ বাইদেউ ভালনে? কেনিবা যায় চাগে'।

ঃ এই অকণমান ওলাই যাওঁ বুলি ভাবিছো।

ঃ মই ভাবিছোঁৱেই বিয়াৰ কামতেই যাব ওলাইছে চাগৈ। বিয়াৰ আয়োজন কেনে বাইদেউ?

ঃ চলি আছে আৰু কিবাকৈ।

ঃ মই ভাবিছোঁৱেই বাইদেৱে চাগৈ' আমাক পাহৰিলেই। পাহৰিলেও কথা নাই। আমি ঘৰৰে মানুহ। আমাক নিমন্ত্ৰণৰ দৰকাৰেই নাই।

বৰষাই মনত পেলাবলৈ ধৰিলে কোন এখেত ঘৰৰ মানুহ বাৰু। কোনো পধ্যেই মনত নপৰে দেখোন।

ঃ বাইদেউ অকণমান বহি লওঁ দিয়ক।

বৰষাৰ উত্তৰলৈ অপেক্ষা নকৰি অভ্যাগতাই বহিয়েই ল'লে।

ঃ বাইদেউ বিয়াৰ কাৰণে বিউটিচিয়ান ঠিক হ'লনে?

ঃ আমাৰ আকৌ কিহৰ বিউটিচিয়ানৰ দৰকাৰ? ল'ৰাৰহে বিয়া।

অভ্যাগতাই ভবা মতে কথাটো নিসিজিল। হ'লেও সহজে এৰি দিয়া ভকতনী তেখেত নহয়। অকণমান সেপ ঢুকি আকৌ আৰম্ভ কৰিলে-

ঃ সেইটোতো জানোৱেই। আজিকালি বিয়াত তেনেকুৱা জেণ্ডাৰ ডিফাৰেন্স একোৱেই নাই। আজিকালি দেখোন উল্টা জোৰোণহে দিবলৈ যায়। তাতে বিয়াৰ দিনা ল'ৰাক সাজি কাচি নিলেহে ভাল দেখি। মই কিছুদিন আগতে কমাৰচুবুৰীৰ ল'ৰা এজনক এনেকুৱাকৈ সজাই দি পঠিয়ালোঁ যে, ইমান দিনৰ পৰা চিনাকি হৈ থকা কইনায়েই ল'ৰাক চিনিব নোৱাৰিলে।

নিজৰ হাস্যৰসত নিজেই খুকখুকাই হাঁহিলে অভ্যাগতাই।

ঃ আমাৰ ল'ৰাই মুখত চেভিং ক্ৰিম আৰু লোচন লগোৱাৰ বাহিৰে জীৱনত একোৱেই লগাই পোৱা নাই। এনেহেন ৰঙা-বগা ল'ৰাটোক আকৌ বিউটিচিয়ানৰ কি দৰকাৰ?

ঃ নহয় আপোনাৰ ল'ৰাটোক এবাৰ সুধি চাওকচোন। চাব তেৱেঁই আগতে সন্মতি দিব।

ঃ থোৱা থোৱা হে। তাক এইবোৰ কথা ক'লে মোৰহে মুখত চিলাই মাৰি থ'ব।

ঃ বাইদেউ মই মোৰ কাৰণে কোৱা নাই। ল'ৰাজনৰ ভালৰ কাৰণেহে কৈছো। বিয়াৰ ফটোবোৰ ফটোজেনিক কৰি তুলিবলৈ অকণমান টাট্চ আপ কৰি দিলে পূৰা কাৰ্তিক হেন লগা হ'ব। মোৰ আৰু এটা ভাল পেকেজ আছে। এটা হ'ল ফুল ফেমিলি আৰু এটা ৰিলেটিভসকলক লৈ।

বিৰক্তিত বৰষাই কৈ উঠিল-

ঃ আমাক এইবোৰ একো দৰকাৰ নাই। মই পাৰিলে কিবা অকণমান ফেচিয়েল কৰি ল'ম। জোগাৰখিনি আনিয়েই থৈছোঁ। মোৰ হৈ যাব।

ঃ বাইদেউ আপুনি এইকেইদিনতেই ইমান ক'লা পৰি গ'ল। ডাৰ্ক চাৰ্ক'লবোৰ ইমান প্ৰমিনেন্ট হৈছে। মই চব ঠিক কৰি দিম। দৰাৰ মাক একদম টিপটপ থাকিব লাগিব।

এইবাৰ অকণমান ৰ'ল অভ্যাগতা। লাহে লাহে আৰম্ভ কৰিলে-

ঃ বাইদেউ সময় সলনি হ'ল। আগতে যাত্ৰা সান্দহ খুন্দাৰ নিয়ম আছিল। আজিকালি মেহেন্দিৰ দিন।

ঃ ল'ৰাৰ বিয়াত কিহৰ মেহেন্দি হে?

ঃ সেয়াইটো কথা। দৰাৰ লগত জোৰোণত যিসকল যাব তেওঁলোকৰ ওপৰতেই সকলো ইজ্জত নিৰ্ভৰ কৰে। তেওঁলোক ধুনীয়াকৈ গ'লে দৰা ঘৰৰেই সন্মান বাঢ়ে। আপুনি বিয়াৰ দুই তিনিদিন আগতেই আপুনি বিচৰা পৰিয়ালৰ সকলোকেই মাতি দিয়ক। মই টেন পাৰ্চেণ্ট ডিচকাউণ্টত গোটেইখিনি কৰি দিম। ফ্ৰুট, এলোভেৰা, ফেচিয়েল, ৱাক্সিং, মেনিকিউৰ, পেডিকিউৰ সকলোখিনি কৰি দিম। পৰিয়ালৰ সকলো খুচ হৈ যাব। বিয়াত এটা মিঠাই কমকৈ দিয়ক। কিন্তু এই কম্পজিত স্কিমটো কৰি দিয়ক। চাব জীৱন ভৰ খুচ হৈ থাকিব।

অলপ পৰ তভক মাৰি ৰ'ল বৰষা ।

কিহৰ পাল্লাত পৰিলোঁ! উস্ এনে দিনো পৰিল য'ত দৰাৰ ঘৰতো বিউটিচিয়ানৰ জয়যাত্ৰা আৰম্ভ হবৰ হ'ল।

অভ্যাগতা মাৰ্কেটিঙত ভাল। আকৌ আৰম্ভ কৰিলে-

ঃ ঠিক আছে বাইদেউ। আপোনাৰ কাৰণে ডাইৰেক্ট টুৱেণ্টি পাৰ্চেণ্ট কৰি দিছোঁ। ই এম আই স্কীমতেই পেলাই দিম। ৰিলেটিভৰ স্কীমটো আমাৰ আজিকালি একদম হটকেকৰ দৰে হৈছে। আজি আৰম্ভণি এটা কৰি যাওঁ। আপুনি মোক তাৰিখটো জনাব। মই পুৰা টিম লৈ আহি যাম।

ঃ হেৰা। তুমি অন্য কাম নকৰা কিয়হে? এনেকৈ নলগা

মানুহকো যে ইমান ফৰ্চ কৰি আছাহি।

ঃ কি কৰিব বাইদেউ। ক'ভিডৰ আগেয়ে কামাই ভালেই আছিল। এতিয়াতো চলিবলৈকে অসুবিধা হৈছে।

ঃ আগতে কি কৰিছিলা?

ঃ ইনচিউৰেঞ্চৰ এজেণ্ট।

ঃ মই অনুমান কৰিছিলোঁৱেই। আগৰ বৃত্তিৰ পূৰা ইউটিলাইজ কৰিছা। ভৱিষ্যৎ ভাল ।

ঃ বাইদেউ, ঘৰত মাৰ অসুখ। ঔষধতেই লাগে বহু পইচা। কিদৰেযে চলিছোঁ কেতিয়াবা নিজকেই সোধোঁ।

দুচকু চলচলীয়া হ'ল অভ্যাগতাৰ। বৰষাৰো বেয়া লাগিল মনটো। ঘপকৈ কৈয়েই পেলালে-

ঃ হ'ব যোৱা। মোৰেই অকণমান টাট্‌চ আপ কৰি দিবাহি। এই যাত্ৰাত ফেমিলী পেকেজ বাৰু নলওঁ। পইচা কি দিব লাগিব ?

ঃ বাইদেউ আপুনি কাম চাই পইচা দিব। আজি বহনি বুলি কিবা এটা দিয়ক।

বৰষাৰ ইতিমধ্যেই বহু পলম হৈ গৈছিলেই। কিবাকৈ সময় বাচক আৰু অভ্যাগতাৰ মৰ কামোৰৰ পৰা বাচো বুলি ভাবি টকা এশ বেগৰ পৰা উলিয়াই তাইলৈ আগবঢ়ালে। হ'ব বাইদেউ বুলি তাই ওলাই গ'ল।

## ( দুই )

ছোৱালীগৰাকী আলিবাট পাইছেনে নাই, আহি ওলাল আৰু দুজন ল'ৰা ।

ঃ বাইদেউ আমি এ টু জেদৰ পৰা আহিছোঁ।

ঃ কি সেইটো?

ঃ সেইটো বাইদেউ এটা অল ইন ৱান চলিউচন এজেঞ্চি। আপোনালোকৰ হ'বলগীয়া বিয়াৰ সকলো সমাধান। আপুনি একোকেই কৰিবলগীয়া নাই। আমি সকলো কৰিম। মানে ধৰক ছোৱালী ঠিক কৰি দিয়াৰ পৰা একেবাৰে ছোৱালী ঘৰলৈকে অনালৈকে আমি সকলো কৰি দিওঁ। এতিয়াতো আপোনাৰ সকলো হৈয়েই গ'ল। কিবা যদি আৰু কাম আছে আমাক আজ্ঞা কৰক। আমি সকলো কৰি দিম।

ঃ আমাৰ সকলো হৈয়েই গ'ল। এতিয়াতো কৰিবলগীয়া একো নাই।

ঃ তাৰ মাজতেই যদি কিবা ওলায় আমাক মনত পেলাব। আৎচা বাইদেউ এটা কাম হোৱা নাই নিশ্চয়?

ঃ কি কাম?

ঃ বৰযাত্ৰী?

ঃ কিনো কোৱাহে? বৰযাত্ৰী নহ'লে বৰ যাব কিদৰে?

ঃ তাতেইতো আছে কেমেষ্ট্ৰিটো। আজিকালি সকলো পালেও বৰযাত্ৰী পোৱা বৰ টান। পালেও পুৱতি নিশালৈকে ৰৈ থকা বৰযাত্ৰী পোৱা আৰু টান। যাম যাম বুলিও বহুত নাযায়। যোৱা কেইটাইও কিবাকৈ ভাতগৰাহ গিলি বৰ কইনাক হাই বাই কৈ বিয়াঘৰ এৰে। আমি সেই সমস্যাৰ সমাধান কৰি দিওঁ।

ঃ উস্ ভাড়া কৰি বৰযাত্ৰী নিব লগা দিনো আহি পৰিল?

ঃ সেয়ানো কি ডাঙৰ কথা? মিটিঙলৈ যদি ইনকিলাব জিন্দাবাদ দিবলৈ মানুহ ভাৰাত নিব পাৰে, বৰযাত্ৰী নিয়াত কি বাধা? আচলতে সেই দিনটোতেই কইনাৰ ঘৰত বাহাদুৰি দেখুওৱাৰ দিন। মানুহ বেছিকৈ গ'লে কইনা ঘৰে সমীহ কৰি চলে।

ঃ হ'ব যোৱা। মই ক'ৰবালৈ যাবলৈ ওলাইছিলোঁ। পিছত এখেত আহিলে কথা পাতি ল'বা।

ঃ হ'ব বাইদেউ। এইখন ৰাখি থওক। দাদা আহিলে আমি কথা পাতিম।

ৰেট লিষ্ট এখন বৰষাৰ হাতত দি ল'ৰা দুজন আঁতৰি গ'ল।

## (তিনি)

শুকাই যোৱা মুখখন তিয়াবলৈ বৰষা ভিতৰলৈ গ'ল। বাহিৰৰ কলিং বেলটো ক্রিং ক্রিং ক্রিংকৈ বাজি উঠিল।

ঃ বাইদেউ মই গ্ৰুম ট্ৰেভেলছৰ পৰা আহিছোঁ।

ঃ সেইটো আকৌ কি জিনিছ?

ঃ সেইটো বাইদেউ দৰাৰ বিবাহ যাত্ৰাৰ গাড়ীৰ চাৰ্ভিছ।

ঃ আমাৰ দৰা যাবলগীয়া গাড়ী বহুদিন আগেয়ে বুক হৈ আছে। তাৰ লগৰেই এজনৰ একদম নতুন গাড়ী এখন আছে। সেইখনতেই যাব।

ঃ আমি বাইদেউ সেইবোৰ গাড়ী দিল নকৰোঁ। আমি

একদম ইথনিক, ইউনিক আৰু ইণ্ডিয়ান গাড়ীহে প্ৰভাইদ কৰোঁ।

ঃ কি সেইবোৰ?

ঃ আমি বাইদেউ লোকেল ফৰ ভোকেল শব্দটোহে প্ৰয়োগ কৰিছোঁ। আমি আপোনাৰ ল'ৰাৰ বিয়াৰ যাত্ৰা কৰা গাড়ী একদম ইউনিক কৰি দিম। সজাই পৰাই আনিম। চাব পিছদিনাৰ পেপাৰত ফটো আৰু নিউজ আহি যাব প্ৰথম পৃষ্ঠাতেই ।

ঃ নালাগে দিয়া এইবোৰ। মোৰ বহু কাম আছে। দৰা আহি পালে সি নিজেই সিদ্ধান্ত ল'ব।

ঃ আপুনি এই কেটলগখন ৰাখি থওক। দাদা আহিলে আমি লগ ধৰিম।

বৰষাই কেটেলগখন চকু ফুৰাব খুজি দেখিলে সেইখন দেখোন গৰু গাড়ী। ক'ব নোৱৰাকৈয়ে বৰষাৰ মুখৰ পৰা ওলাই গ'ল-

ঃ এইখন দেখোন গৰুগাড়ী? কেনেকৈ যাব দৰা ইয়াত?

ঃ সেইবোৰ আমাৰ চিন্তা। সকলোৱে বাহ বাহ দিব। দৰাক ক'ব কি বঢ়িয়া আদৰ্শ! আমেৰিকাত পঢ়ি অহা ল'ৰাই গৰুগাড়ীত উঠি বিয়া কৰাবলৈ যায়!

ঃ কিন্তু কইনা ঘৰ ক'ত বুলি ভাবিছা? নগাঁৱৰ পানীগাঁৱত। তোমালোকৰ গৰুগাড়ীত উঠি গ'লে দৰাই সাতদিন পিছতহে কইনা ঘৰ পাবগৈ।

ঃ আমি সেইবোৰ চব খবৰ ৰাখিছোঁ। আমি অকণমান দূৰ যোৱাৰ পিছতেই গৰু গাড়ীকট্ৰাকত উঠাই লৈ যাম। আকৌ কইনা ঘৰ পোৱাৰ আগতে গাড়ী নমাম। মিডিয়াৰ দায়িত্ব আমাৰ। ফটোচুট আমাৰ। পিছদিনাৰ পেপাৰত আহি যাব হট নিউজ-

পৰম্পৰাৰ অপূৰ্ব নিদৰ্শন।

উচ্চ শিক্ষিত যুৱকে ত্যাগ কৰিলে বিলাসী গাড়ী।

ইমান দূৰ বাটকুৰি বাই উপস্থিত কইনাগৃহত।

লগতে দেখুৱালে সম্প্ৰীতিৰ মহান ঐতিহ্য।

ঃ ইয়াত আকৌ সম্প্ৰীতিৰ নাম আহিল কিদৰে?

ঃ বাইদেউ আজিকালি সমন্বয় সম্প্ৰীতি এইবোৰ এৰাব নোৱৰা শব্দ। সেইবোৰ গাড়োৱানজনৰ নামতেই কৰি দিওঁ। অৰ্থাৎ চামচুদ্দিন..।

গাড়োৱানজন মুছলমান, দৰা হিন্দু।

হৈ গ'ল সম্প্ৰীতি।

কিবা ক'ব খুজিও ৰৈ গ'ল এ টু জেদৰ ল'ৰাজন। বৰষাই ভাবিলে- কি হবলৈ ধৰিছে এইবোৰ। এইবোৰেই আমাৰ সমাজখনো ধ্বংস কৰিব।

আমি দাদা আহি পালেই আহি যাম বুলি কৈ ল'ৰা দুজন গ'লগৈ।

বহা চকীখনতেই গুম হৈ বহি থাকিল বৰষা। ক'লৈকো আৰু যোৱাই নহ'ল। বৰবাদ হৈ গ'ল দেওবৰীয়া আগবেলাটো।

## (চাৰি)

কেইদিনমান পিছত ঃ

ৰাতিপুৱাই কলিং বেলটো বাজি উঠিল।

ধহমহকৈ বৰষাই উঠি গৈ দেখে বাহিৰত শশাঙ্ক।

ঃ ইমান পুৱাই একো খা খবৰ নিদিয়াকৈ আহি ওলালা যে?

ঃ তোমাক চাৰপ্ৰাইজ দিওঁ বুলি খবৰ এটা নিদিলোঁ। কালি ছুটী পালোঁ। লেট নাইট ফ্লাইটতেই গুচি আহিলোঁ।

পিছে এইখন কি লগাই থৈছা গেটত?

ঃ সেইখন নলগাই কি কৰিম কোৱাচোন। এতিয়া আজি নিজেই দেখিবা এজেঞ্চিৰ কিমান বানপানী হয়।

ঃ কিন্তু এনেকুৱা শব্দ?

ঃ মাটিৰ দালালৰ উৎপাতত যে মালিকে লিখি থয়- এই প্ৰ'পাৰ্টি বিক্ৰীৰ বাবে নহয় বুলি ময়ো কুলেনৰ হতুৱাই লিখাই ল'লোঁ—


'এই ঘৰত কোনো বিবাহ নাই।'

বচ্, সেইদিনাৰ পৰা এজেঞ্চি, চাপ্লায়াৰ গেটৰ পৰাই ঘূৰি যোৱা হৈছে। ব'লা ব'লা ভিতৰলৈ। হাত ভৰি ধুই সাজু হৈ লোৱা। সকলোবোৰ দাদাক লগ ধৰিবলৈকে ৰৈ আছে। আৰম্ভ হয়হে দাদাক লগ ধৰা মানুহৰ শোভাযাত্ৰা।

ফোন ঃ ৯৪৩৫০২৮২৪৮

❖


With best compliments from
Kailash Jain
GAURIPUR, ASSAM
Phato Courtesy : Ratul Baruah




Printed at : Shri Ganesh Printers, Noonmati, Guwahati-20, Ph. : 9707010889